অথ

বামুণ-পুৰাণ-সম্বাদ

।। সম্পূৰ্ণ উপন্যাস ।।

ড° পৰমানন্দ ৰাজবংশী

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী - ১

Atha Bamuna-Purana-Sambad : A Novel Written by Dr. Paramananda Rajbongshi, Published by Rajendra Mohan Sarma on behelf of Chandra Prakash, Panbazer, Guwahati-1.

প্ৰকাশক		ৰাজেন্দ্ৰ মোহন শৰ্মা চন্দ্ৰ প্ৰকাশ পাণবজাৰ, গুৱাহাটী -১ দূৰভাষ নং - ২৫১১৯৪৬
প্ৰথম প্ৰকাশ	ঃ	২০০৯, জানুৱাৰী
মূল্য	ঃ	৯০.০০ টকা
বেটুপাত	ঃ	দাদুল চলিহা
অক্ষৰ বিন্যাস	ঃ	শ্ৰীশৰ্মিলা দাস অসমীয়া বিভাগ, প্ৰাগজ্যোতিষ কলেজ
মুদ্ৰক	ঃ	অৰোৰা ফাইন আর্টচ বামুণী মৈদাম, গুৱাহাটী

উছৰ্গা

অসমৰ লোক সংস্কৃতিক প্ৰণালীবদ্ধভাৱে
অধ্যয়ন আৰু গৱেষণাৰে
এক নতুন মাত্ৰা দিয়া
এই বিষয়টোৰ প্ৰতি প্ৰত্যক্ষ-পৰোক্ষভাৱে হ'লেও
আগ্ৰহ জন্মাই তোলা
ড° নবীন চন্দ্ৰ শৰ্মাৰ প্ৰতি
'অথ-বামুণ-পুৰাণ সম্বাদ'
এয়া মোৰ ক্ষুদ্ৰ অৰ্ঘ
ভক্তিৰ অঞ্জলি সশ্ৰদ্ধ।

।। জপনামুখত ।।

বহুদিনৰ হেঁপাহ আছিল দৰঙত প্ৰচলিত **বামুণ পোৱা গীত**ক লৈ এখন নাটক আৰু উপন্যাস লিখিম। পিছত ঠিৰাং কৰিলোঁ উল্লিখিত লোক কাব্যখনিক জুমুঠি হিচাপে লৈ, আন এখনি লোক কাব্য **পথৰুঘাটৰ ৰণ**ৰ পটভূমিত এখন উপন্যাস লিখোঁ। উপন্যাসৰ আধাৰত পাৰিলে নাটক বা চিনেমা কিবা এটা কৰিম।

শ্ৰদ্ধেয় চন্দ্ৰপ্ৰসাদ শইকীয়াদেৱক দুবছৰৰ আগতে উপন্যাস লিখা আৰম্ভ কৰি মই নিজে অভিযোজনা কৰা কাহিনীটো কওঁতে তেখেতে ক'লে যে যিখিনি লিখিছা দি দিয়া। মই **গৰীয়সী**ত ধাৰাবাহিকভাবে প্ৰকাশ কৰিম। দিলোঁও। পিছে পাবত গজা এজনে আন এজন ভব্য গব্যৰ উপন্যাস মোতকৈ আগতে অনা বুলি ব্যভিচাৰী কথাৰে মোক নিৰাশ কৰাত উপন্যাসখন ঘূৰাই আনি পেলাই থ'লোঁ। সমাপ্তি কৰাৰ হেঁপাহ অন্ত পৰিছিলেই।

পিছে মোৰ কেইজনমান প্ৰিয় বন্ধুৰ তাগিদা আৰু মোৰ শুভাকাংক্ষী লেখিকা মণিকুন্তলা ভট্টাচাৰ্য, জ্যোৎস্না ৰাউত আদিৰ অনুৰোধত, প্ৰকাশক শ্ৰীযুত ৰাজেন্দ্ৰ মোহন শৰ্মাৰ অনুগ্ৰহত উপন্যাসখনিয়ে ৰাইজৰ আগত ভুমুকি মাৰিলে।

উপন্যাসখনি পঢ়াৰ আগতেই কৈ থওঁ- অসমৰ ঐতিহ্যমণ্ডিত পৰিবেশ্য কলা **ওজাপালিৰ** কাহিনী-কথনৰ শৈলীক উপজীব্য হিচাপে লৈ এয়া মোৰ নিজস্ব সম্পৰীক্ষা। কোনোবাই এয়া মোৰ নৰকযাত্ৰা বুলি ভাবিলেও মই নিৰুপায়। ভাৰতীয় পৰম্পৰাত কথকতা-পৰম্পৰাই বৰ্ণাঢ্য পৰিবেশ্য কলা হিচাপে ফলে-ফুলে জাতিষ্কাৰ হৈ পৰিল। ওজাপালিও এই কথকতা- পৰম্পৰাৰেই অভিনৱ ফলশ্ৰুতি।

ওজা আৰু সচৰাচৰ চাৰিজন পালিৰে এই কলাই প্ৰাচীন কালৰে পৰা নিৰক্ষৰ হোজা জনসাধাৰণক জ্ঞানৰ সুৰভি বিলাই আহিছে। মই ওঝা আৰু দাইনাপালিৰ কথোপকথনৰ

শৈলীক নিজস্ব ধৰণে উপন্যাসখনিৰ উপস্থাপনৰ মাধ্যম হিচাপে লৈছোঁ মাথো।

উপন্যাসৰ মাজে মাজে নৰোত্তম দাস প্ৰণীত **দলিপুৰাণৰ** পদ, বামুণ পোৰা গীত হুবহু ব্যৱহাৰ কৰিছোঁ। বাকী পদ্যাংশ এই অভাজনৰ সৃষ্টি।

উপন্যাসখনিৰ অন্যান্য দিশত স্নেহাস্পদ স্বপ্নালীৰ উপৰিও শৰ্মিলা, নচিফা, কৰবী, দেৱযানী, গোলাপ, জিয়াউৰ আৰু মনোজৰ সহযোগিতা উল্লেখ কৰিবই লাগিব।

পাঠক সমাজে ভুল ত্ৰুটী শুধৰাই দি সৃষ্টিশীল সমালোচনা আগবঢ়ালে নথৈ সুখী হ'ম।

১ জানুৱাৰী, ২০০৯ *পৰমানন্দ ৰাজবংশী*

গুৱাহাটী

শুনা শুনা ভাইহাত অথ বামুণ-পুৰাণ-কথা।
উজনীৰ বামুণ দৰঙত আহি কি গতি হৈলা।।

- *পিছে দাইনাপালি?*
- *কওক ওঝা*
- *কি বামুণ পুৰাণৰ কথা ক'বা খুঁজছা? ভালকে বুঝেই কউচোন?*
- *এ-উজানদেশৰ এজন বামুণ আহি এই দৰঙ্গত সোমাল*
- *উজান দেশৰ বামুণ দৰঙ্গত সোমাল? দৰঙ্গত কি বামুণ নাছিল নিকি?*
- *আছিল আছিল।*
- *তেন্তে?*
- *দৰঙ্গৰ ৰাজাই এদিন মনসা পূজা ডাঙাৰকে পাত্ছিল।*
- *মাৰেই পূজা?*
- *হয় মাৰেই পূজা। দৰঙৰ ৰাজা তেতিয়া ইংৰাজৰ তলত। ৰাজাঘৰৰ নিজৰ পুৰোহিতৰ আকাল নাই। তথাপিও ৰাজাই উজনিৰপে এজন বামুণ মগেই আন্লা।*
- *দাইনাপালি?*
- *ওঝা?*
- *কথাখিনি ভালকে বুঝেই দিচোন। ইংৰাজৰ কৰতলীয়া ৰাজা।*
- *নাম তেওঁৰ বিজয়নাৰায়ণ।*
- *দৰঙত বামুণ থাকাৰ পিছতো*
- *হেই, উজনিৰ বামুণ মাতি আন্লা।*
- *কিয়া আন্লা?*
- *শুনক তেন্তে ....*

আহোম ৰাজাৰ সৈতে মিতিৰালি সূত্ৰে দৰঙ্গ ৰাজ্য নামমাত্ৰ কৰতলীয়া হৈ

আছিল। ক্ষমতাশালী আহোমসকল পৰিয়ালৰ মাজতেই কাজিয়া-পেচাল কৰি দুৰ্বল হৈ পৰিল। হলা গছ দেখিলে পৰে বাগী কুঠাৰ মাৰিবই। আহিল মান। চাৰিওপিনে মান সেনাই প্ৰজাৰ ওপৰত অত্যাচাৰ চলালে। অকথ্য অত্যাচাৰ । অৱশ্যে ৰজা বিজয়নাৰায়ণৰ বুধিত মান সেনা দৰঙ্গত সোমাব নোৱাৰিলে। পিছে জ্বৰে এৰিলেও কৰ্পটিয়ে নেৰে। আহোম দেশত মানৰ আক্ৰমণৰ গইনা লৈ দৰঙ্গ দেশতো সমাজবিৰোধী এচামে স্বদেশীৰ ওপৰত অত্যাচাৰ চলাই ধন-সম্পত্তি লুট কৰাত লাগি পৰিল। এনে এজন সমাজবিৰোধী আছিল হাৰ্চ্চা বকুল। কছাৰী হাৰ্চ্চা বকুলে এচাম সহকৰ্মী লগত লৈ মান বুলি স্বদেশীৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিলে।

অত্যাচাৰ মানে ডকাইটি। কৰিয়াপাৰা গাঁওত শিবিৰ পাতি ডকাইটি কাৰ্য পৰিচালনা কৰা হাৰ্চ্চা বকুলে বচা বচা ধনী মানুহৰ ঘৰৰ ধন সম্পত্তি লুট কৰাত লাগিল। ছদ্মবেশী এই স্বদেশী সমাজবিৰোধীবোৰক দৰঙী প্ৰজাই ঘটা কুবোৱা বুলি কয়। এই ঘটা কুবোৱা নেতা হাৰ্চ্চা বকুলক ৰজা বিজয়নাৰায়ণে এদিন কায়দাকৈ বন্দী কৰি বলি দিলে।

- *দাইনাপালি?*
- *ওঝা?*
- *তুমি দেখো মহাভাৰত এৰি ৰামায়ণ পালাগৈ।*
- *নুবুঝিলো ওঝা?*
- *মই সুধিছো বামুণ- পুৰাণৰ কথা। দৰঙী ৰাজাই নিজ বামুণক এৰি কিয়নো উজনিৰপে বামুণ আন্‌লা-*
- *ওঝা, মই মহাভাৰতৰ কথাই কৈ আছোঁ। গছ এডালৰ শিপাৰ কথা নাজেন্‌লি ডালপাতৰ কথা জানি কিবা লাভ হ'বো ওঝা?*
- *হয় নিকি? তেন্তে দাইনাপালি কৈ যা।*
- *ক'ৰপে ক'ম?*
- *কিয় শিপাৰ্‌পে?*
- *শুনক তেন্তে ......*

ইংৰাজী ১৮২৪ চনৰ কথা। স্কট চাহাবে অসম দেশৰ শান্তি থাপিবলৈ চকু দি তেওঁ আহোম ৰজা পুৰন্দৰ সিংহক শিৱসাগৰ আৰু লক্ষীমপুৰ খণ্ড গটাই দিয়ে বছৰি ৫০,০০০ ৰূপ ইংৰাজ চৰকাৰক দিয়াৰ চৰ্তত। ইংৰাজী ১৮৩৯ চনলৈ এনে বন্দবস্তীত পুৰন্দৰ সিংহই ৰাজ্য শাসন কৰি আছিল যদিও পিছত এনে বন্দবস্তত ৰাজ্য শাসন কৰিব নোৱাৰো বুলি ইংৰাজক জনোৱাত ইংৰাজ চৰকাৰে উল্লিখিত দুখণ্ড ঠাই নিজৰ শাসনৰ ভিতৰুৱা কৰি ল'লে। পুৰন্দৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহক পেন্সন দিয়াৰ বন্দবস্তীত ইংৰাজ চৰকাৰে গুৱাহাটীত ৰাখিলে। একেদৰে দৰঙী ৰজা বিজনাৰায়ণকো একেবছৰতে মুঠতে ৫২৯৮৯ টকাৰ ভিতৰত পাইকান মাটিৰ বাবে ৭৯২১ টকা ৰূপ বাদ গৈ ৩৬০০০ টকা নগদ আৰু ৰচিদৰ বাবে ৯০০১ টকা সৰ্বমুঠ ৪৫০০১ টকা নজৰস্বৰূপ গৱৰ্ণমেন্টক দি থাকিলে আগলৈ চিৰকলীয়া বন্দবস্তত গোটেই দৰঙ্গখন তেওঁক দিব পাৰে বুলি চৰ্ত দিলে। বিজয়নাৰায়ণ মান্তি হ'ল। দৰঙৰ শাসনভাৰ বিজয়নাৰায়নক গটাই দিয়া হ'ল। পিছে ৰাজ্য শাসন আৰু ভোগ-বিলাসত ব্যস্ত ৰজাই ইংৰাজৰ সৈতে থকা বন্দবস্তীৰ কথা সমূলি পাহৰি পেলাইছিল। ইং ১৮২৫ চনৰ আৰম্ভণিতে ইংৰাজক দিবলগীয়া টকা দিব নোৱাৰাত ইংৰাজে চিঠিৰে বিজয়নাৰায়ণক কেইবাবাৰো সকিয়ায় দিলে। শেষত ৰজাৰ গা-লৰিল। জনসাধাৰণৰ পৰা জোৰ-জুলুমকৈ কৰ-কাটিল লগাই আদায় কৰাত সমগ্ৰ দৰঙতে উত্তেজনাৰ সৃষ্টি হ'ল। জোৰ - জুলুম নহয় যেনিবা দিন ডকাইটি। আনকি ব্ৰাহ্মণ এচামে যজমানী কৰি পোৱা বয়বস্তুবোৰ জোৰ-জুলুমকৈ ৰজাৰ কৰ্মচাৰীয়ে হস্তগত কৰিলে। এনেয়ে মানৰ অত্যাচাৰৰ দিনত ৰজাঘৰৰ প্ৰতি ব্ৰাহ্মণসমাজ গুজৰি-গুমৰি আছিল। তাতে জ্বলা জুইত ঘিউ ঢলাৰ দৰে ঘটনা। মানৰ দিনৰ ঘটনা বহু ব্ৰাহ্মণ পৰিয়ালৰ বাবে এৰাব নোৱাৰা দুঃস্বপ্ন। মানে যাতে দৰঙৰ প্ৰজাক অত্যাচাৰ কৰিব নোৱাৰে ইয়াৰ বাবে ৰজা বিজয়নাৰায়ণে দৰঙৰ বচা বচা সুন্দৰী যৌৱনপুষ্টা ব্ৰাহ্মণ বিধৱা নাৰীবোৰক গোটাই মান সেনাপতি মিঙ্গিমাহা তিলোৱাক ভেটি স্বৰূপে আগবঢ়াবলৈ মনস্থ কৰি ডাঁহি মৌজাৰ ভৰদল দুৱৰাক এই কামৰ দায়িত্ব দিছিল। দৰঙী প্ৰজাই এওঁক কলীয়া ফুকন বুলিহে জানিছিল। ৰুঢ় স্বভাৱৰ অত্যাচাৰী এই কলীয়া ফুকনে প্ৰায় দুশগৰাকী এনে বিধৱা ব্ৰাহ্মণ নাৰী গোটাই ব্ৰহ্মপুত্ৰৰ পাৰলৈ লৈ আহিল। ব্ৰহ্মপুত্ৰৰ ঘাটত নাও সাজু

হৈ আছিল। মান সেনাপতিৰ প্ৰতিনিধি আহি উপস্থিত। নাৰীসকলে নিজ নিজ শিশুক কোলাত লৈ নাওত বহি লৈ ৰজা বিজয়নাৰায়ণ আৰু কলীয়া ফুকনক ওচৰলৈ মাতিলে। ৰজা আৰু সেনাপতিয়ে ভাবিছিল দুয়োকো বিধবা নাৰীসকলে অনুৰোধ কৰিব আৰু আশীৰ্বাদ দিব। দুয়ো বৰ হেঁপাহেৰে ওচৰলৈ গ'ল। হাতে হাতে নিজ নিজ শিশু পুত্ৰ-কন্যাক দাঙি লৈ নাৰীসকলে ৰজা বিজয়নাৰায়ণ আৰু কৰতলীয়া ফুকনক অভিশাপ দিলে বোলে তেওঁলোকৰ বংশ নিপাত যাওঁক। ভেটিত তিতা লাও গজক। নিজ নিজ সন্তানক ব্ৰহ্মপুত্ৰৰ কোবাল বুকুলৈ দলিয়াই দি আটায়ে আটাহ পাৰি উঠিল, "এওঁলোকক মানহঁতে হত্যা কৰাতকৈ ব্ৰহ্মপুত্ৰৰ বুকুতেই জাহ যাওঁক!"

পিছে ৰূপহী বিধবা নাৰীৰে ভৰ্তি নাওখন আদবাটতে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল!

মানৰ আক্ৰমণৰ পৰা ৰক্ষা পালেও ৰজা বিজয়নাৰায়ণৰ উল্লিখিত অমানুষিক কাৰ্যত ব্ৰাহ্মণ সমাজ ভিতৰি ভিতৰি গুজৰি- গুমৰি আছিল।

ৰজা বিজয়নাৰায়ণে জোৰ -জুলুমকৈ প্ৰজাৰ পৰা কৰ-কাটল, ধন-সম্পত্তি আদায় কৰি ৩৫০০১ টকা ইংৰাজক জমা দিলে। বাকী ১০০০ টকা দিব নোৱাৰাত ইংৰাজে বিজয়নাৰায়ণক গুৱাহাটীত প্ৰায় নজৰ বন্দী কৰি ৰাখিলে। শেষত যেনিবা কোচবেহাৰৰ ৰজাই এই কথা গম পায় বাদ বাকী এহেজাৰ টকা ইংৰাজক দি বিজয়নাৰায়ণক মুকলি কৰি আনিলে। পিছে বিজয়নাৰায়ণে আগৰ ৰজা খিতাপ হেৰুৱালে। মনৰ দুখত তেওঁ ৰাজহাউলীত ডাঙৰকৈ মা মনসা পূজা পাতিবলৈ মনস্থ কৰি কলীয়া ফুকনক আয়োজনৰ দায়িত্ব অৰ্পণ কৰিলে। বাচি বাচি ব্ৰাহ্মণ বিধবাক মান দেশলৈ পঠিওৱা, যমমানীৰ ধন-সম্পত্তি জোৰ-জুলুমকৈ হস্তান্তৰ কৰা কাৰ্যত বিতুষ্ট দৰঙী ব্ৰাহ্মণে এই মনসা পূজাত ৰজাক সহযোগ কৰিবলৈ অমান্তি হ'ল। ব্ৰাহ্মণ অকল দৰঙতহে আছে নেকি? অইন মুলুকত কি নাই? উজনীৰ পৰা হ'লেও ব্ৰাহ্মণ আনি মা-মনসা পূজা সম্পন্ন কৰা হওক। ৰজাৰ কঢ়া হুকুম। কলীয়া ফুকনে গুৱাহাটী, হাজো, কোচবেহাৰ পৰ্যন্ত দূত পঠিয়ালে। পিছে কোনো ব্ৰাহ্মণেই আহিবলৈ মান্তি নহ'ল।

নগাঁও কুঁৱৰীটোলৰ ৰেৱকান্ত ভট্টাচাৰ্য। বয়স আশীৰ ওচৰা-ওচৰি। ল'ৰা

মাথোঁ এজন। ছোৱালী তিনিজনী। ঘৈণীয়েক কমলাপ্ৰিয়াৰ মৃত্যু হৈ ছে। ছোৱালী তিনিজনী বিয়া দিওঁতে ভট্টাচাৰ্যৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰিল। সেয়ে দৰঙী ৰজাঘৰৰ পৰা প্ৰস্তাৱ আহোঁতে তেওঁ চৰ্তসাপেক্ষে মান্তি হ'ল। পূজা কৰিবলৈ তেওঁ যাব। পূজা শেষ হ'লেই পুনৰ ঘূৰি আহিব। অহা -যোৱাৰ বাবে ৰজাই ৰাজ পুৰোহিতৰ মৰ্যাদাৰে পৰি দোলাৰে অনা-নিয়া কৰিব লাগিব। থকা-খোৱাৰ বাবে সুকীয়া ঘৰৰ ব্যৱস্থা কৰিব লাগিব। কলীয়া ফুকনে চৰ্ত শুনি প্ৰথমে আন আন ঠাইলৈ মানুহ পঠিয়ালে। পিছে আন কোনো আহিবলৈ মান্তি নোহোৱাত ৰজাৰে সৈতে আলচ কৰি ৰেৱকান্ত ভট্টাচাৰ্যক আনিবলৈ বাধ্য হ'ল। ভট্টাচাৰ্যই সুকলমে নিজৰ দায়িত্ব পালন কৰিলে। অভাৱত পৰি আহিলেও ভট্টাচাৰ্যৰ দৰে গুৰু-গম্ভীৰ লোভহীন ব্যক্তিত্বৰ পৰিষ্কাৰ-পৰিছন্নক গুৰুত্ব দিয়া পুৰোহিতক পায় ৰজা ঘৰে ভালেই পালে। একেদৰে ৰজাঘৰীয়া দুৰ্গা পূজা, সত্যনাৰায়ণ পূজা আদিতো ভট্টাচাৰ্য পুৰোহিতক লৈ আহে। পূজা পাতল কৰি কেইদিনমান জিৰাই-সতাই ভট্টাচাৰ্য নিজৰ ঘৰলৈ যায়। এই নিয়মে ৰজাঘৰ কিছু বছৰ প্ৰৱৰ্তিল। ইতিমধ্যে ৰজা বিজয়নাৰায়ণৰ মৃত্যু হ'ল। কলীয়া ফুকনো সিফলীয়া হ'ল। লাহে লাহে দৰঙী ব্ৰাহ্মণেও ৰজাঘৰীয়া পূজা পাতলত অংশগ্ৰহণ কৰা হ'ল।

পিছে সদাচাৰী, বিনয়ী, সাত্বিক ব্ৰাহ্মণ হিচাপে প্ৰখ্যাত ভট্টাচাৰ্য দৰঙী ৰজা ঘৰতেই নহয়, ৰজাঘৰৰ বাহিৰতো জনপ্ৰিয় হৈ পৰিছিল। লাহে ভট্টাচাৰ্য পুৰোহিতৰ স্বাস্থ্য পৰি আহিল। ফলত প্ৰায়ে লগত লৈ যোৱা একমাত্ৰ পুত্ৰ বিদ্যাকান্তকো পূজা-পৰিচালনাত দায়িত্ব দিয়া হ'ল। ৰেৱকান্তৰ একান্ত ইচ্ছা আছিল বিদ্যাকান্তক কুঁৱৰীটোলৰ বাহিৰত সংস্কৃত টোলত পঢ়ুৱাব। কমেও শাস্ত্ৰী উপাধি লৈ পুত্ৰই নামজ্বলা পণ্ডিত হওঁক। নগাঁওৰ কন্দলি টোলত বিদ্যা আৰম্ভ কৰা বিদ্যাকান্তক অনিচ্ছাসত্বেও পেটৰ দায়ত অথবা ৰজাঘৰ, মৌজাদাৰ ঘৰৰ আন্তৰিক অনুৰোধত পূজা-পাতললৈ পঠিয়াবলৈ বাধ্য হ'ল। ফলত বিদ্যাকান্তৰ বিদ্যা শিক্ষা অনিয়মীয়া হ'ল।

ভূতৰ ওপৰত দানহ পৰিল। এদিন হঠাতে ৰেৱকান্ত ভট্টাচাৰ্যৰ মৃত্যু হ'ল। বিদ্যাকান্তৰ বিদ্যা শিক্ষা সিমানতে অন্ত পৰিল।

- *বিদ্যাকান্তৰ আৰু বিদ্যা আহৰণ নহ'ল?*
— *পুথিৰূপে পোৱা বিদ্যাই বিদ্যা নহয় ওঝা। মানুহে জীৱনৰূপে পাৱা বিদ্যাইহে আচল বিদ্যা।*
- *বুজা নাই দাইনাপালি?*
- *বিদ্যাকান্তৰ বিদ্যা শিক্ষা এতিয়াৰপেহে আৰম্ভ হৈছি।*
- *কেংকে?*
- *আপুনি যেংকে আৰম্ভ কৰেই?*

শুনা ভাই শুনা উজনিৰ বামুণৰ কথা।
দৰঙ্গত পূজা কৰ্বা আহি কি গতি হৈলা।।

গঙ্গেচ যমুনেচৈবগোদাবৰিসৰস্বতী
নৰ্মদোসিন্ধুকাবেৰি জলস্মিনসন্নিধিংকুৰু
ওম্ ইঅনকু শমুদ্ৰয়া সূৰ্য্যমণ্ডলাতীৰ্থমাৰাজ্য।

বিদ্যাকান্তই হাতেৰে নৱমুদ্ৰা দি তীৰ্থ আহ্বানেৰে স্থাপন সন্নিধান আদি কৰি দেৱীৰ গায়ত্ৰী ধ্যান কৰিলে;

ওঁ বিসহৰ্য্যৈ বিসহে ওঁ পদ্মকুমাৰ্য্যৈধিমহি
তন্নোদেৱি প্ৰচোদয়াৎ ....

সৰাবাৰী মৌজাৰ মৌজাদাৰ ৰমণীকান্ত বৰুৱা মা মনসা দেৱীৰ একান্ত ভক্ত। প্ৰতিবছৰে তেওঁ নাগপঞ্চমীত মহাধুমধামেৰে মনসা পূজা পাতে। আগতে মাৰৈ পূজা পাতিছিল। পিছে দেওধনী নচোঁৱা ওজাপালি দল নোপোৱাৰ বাবে এদিনীয়া ৰং পূজা পাতিবলৈ ল'লে। দৰঙী ৰজাঘৰৰ যি কোনো পূজা - উৎসৱত মৌজাদাৰৰ উপস্থিতি প্ৰায় বাধ্যতামূলক বুলি ক'লেও বঢ়াই কোৱা নহয়।

সেই ডেকা বয়সতেই ৰজাঘৰৰ হাউলীলৈ পূজা উৎসৱ চাবলৈ যাওঁতে ৰেৱকান্ত ভট্টাচাৰ্যক তেওঁ দেখিছিল। ওখ-পাখ, চুলি দীঘল, বগা পুৰোহিতক দেখিলেই ভক্তিভাব ওপজে। তেতিয়াই এই পুৰোহিতৰ লগত অহা ধুনীয়া কিশোৰজনকো মৌজাদাৰে দেখিছিল। তেতিয়াই মনে মনে তেওঁ এই পুৰোহিতৰ হতুৱাই ভৱিষ্যতে নিজৰ পূজা এভাগি কৰাৰ হুতাহ সাঁচি থৈছিল। ইতিমধ্যে ৰজা

কেইবাজনো সলনি হ'ল। অৱশ্যে দৰঙী ৰজা নামতহে। প্ৰকৃতপক্ষে তেওঁলোকক ইংৰাজৰ অধীনত খাজানা তোলা বিষয়া বুলিলেহে সঠিক হ'ব। ৰজাই যেনিবা খাজানা নুতুলি মৌজাদাৰৰ হতুৱায় তোলায়।

এদিন মনৰ হুতাহ পলুৱাবলৈ মৌজাদাৰ যেতিয়া ৰজাঘৰৰ ভট্টাচাৰ্যৰ কোঠালৈ গ'ল তেতিয়াহে গম পালে যে ৰেৱকান্ত ভট্টাচাৰ্যই পৰলোকলৈ গতি কৰিছে। ইতিমধ্যে ভট্টাচাৰ্য থকা-খোৱা সুকীয়া ঘৰটি ভট্টাচাৰ্য কোঠ হিচাপে জনাজাত হৈ পৰিছিল। কেঞ্চি বাটামৰ দুটি কোঠাৰ ঘৰটি। ঘৰৰ চাল খেৰিৰ। পিতাকৰ অবৰ্তমানত ৰজাঘৰৰ পূজা-পাৰ্বণত বিদ্যাকান্ত প্ৰায়ে আহে। নিৰ্দিষ্ট সেই ঘৰটিতেই থাকে। এটি কোঠাত এখন পালেং। আনটো কোঠাত ভাত ৰান্ধিবৰ বাবে সা সৰঞ্জাম। আগতে বিদ্যাকান্তই প্ৰায়ে পিতাকৰ সৈতে পৰিদোলাত উঠি শিলঘাটলৈ, তাৰ পৰা নাও বা জাহাজেৰে গুৱাহাটীৰ পাণ্ডুঘাটলৈ, পাণ্ডুঘাটৰ পৰা পুনৰ পৰিদোলাত উঠি দৰঙৰ ৰাজ হাউলীলৈ আহিছিল। পিছে আজিকালি বিদ্যাকান্তই সেই সুবিধা নাপায়। কাৰণ ৰজাঘৰৰ আগৰ প্ৰতিপত্তি, মৰ্যাদা নাইকিয়া হ'ল। সেয়ে পাণ্ডুঘাটৰ পৰা গৰু অথবা ম'হৰ গাড়ীৰে ৰাজ হাউলীলৈ আহে। সেই সৰুৰে পৰা প্ৰায়ে দৰঙলৈ আহি থকা বিদ্যাকান্তৰ দৰঙৰ প্ৰতি এক সুকীয়া মোহ উপজিছিল। ৰজাঘৰৰ আন্তৰিকতাত তেওঁ মুগ্ধ হৈ পৰিছিল। সেয়ে হয়তো দৰঙৰ প্ৰতি এই অহৈতুকী মোহৰ কাৰণ। ৰাজ পৰিয়ালৰ আন্তৰিক আদৰ-অভ্যৰ্থনা আৰু সন্মানত বিদ্যাকান্ত অভিভূত হৈ পৰিছিল।

এদিন ৰজাঘৰৰ দুৰ্গা পূজাতেই মৌজাদাৰ ৰমনীকান্ত বৰুৱাই তেওঁৰ ঘৰৰ মা-মনসা পূজাৰ পুৰোহিতৰ প্ৰস্তাৱ সন্মান সহকাৰে দিলে। বিদ্যাকান্তই প্ৰথমে ও কৰা নাছিল, পিছে মৌজাদাৰ ডাঙৰীয়াৰ নেৰা-নেপেৰা অনুৰোধতহে আহিবলৈ মান্তি হ'ল।

মৌজাদাৰৰ হাউলীলৈ আহি বিদ্যাকান্ত ভট্টাচাৰ্যই অনুভৱ কৰিলে মৌজাদাৰৰ আন্তৰিকতাৰ। ৰজাঘৰতকৈয়ো যেন তেওঁক মৌজাদাৰে বেচি সন্মান দিছে। দিছে পৰ্যাপ্ত সা সুবিধা। ভঁৰাল ঘৰৰ কাষতেই আহল-বহল দুটি কোঠাৰ ঘৰটো। নতুনকৈ সজোৱা। ঘৰটিৰ মজিয়া গোবৰেৰে আৰু বেৰবোৰ নিকা মাটিৰে সুন্দৰকৈ মচা। কোঠাটোত সৰু নতুন এখন পালেং। পানী খাবলৈ নতুন ঘটিসহ

এটি কলহ থোৱা আছে। আনটো কোঠাত টৌ খুটি পুতি থোৱা আছে। ওচৰতে গোবৰ মাটিৰে লিপা সৰু দুটি টৌ, সযতনে কুটি থোৱা কেঁচা তৰকাৰী। নিস্নাত ধুই থোৱা জহা চাউল, ধুই থোৱা মাটিৰ দাইল, সৰু বটলত মিঠাতেল, ঘিউ অকন, আগলি কলপাতত থোৱা আছে নিমখ, হালধি আদা আদি। মণ্ডলদৈৰ হাউলী মোহনপুৰৰ পৰা চৈ দিয়া ম'হৰগাড়ীত অহা বিদ্যাকান্তই মৌজাদাৰৰ ঘৰত উপস্থিত হৈয়েই অনুভৱ কৰিলে গভীৰ আন্তৰিকতাৰ। চোতাল গচকাৰ লগে লগে মৌজাদাৰনীয়ে তেওঁক আথে-বেথে বৰপীৰাত বহুৱাই লৈ ডাবৰত ভৰি থৈ আলফুলে ধুৱালে। গামোছাৰে তেওঁৰ দুভৰি মচিলে। তাৰপাছত মাত্ৰ কেইদিনমান থকাৰ বাবে মৌজাদাৰে ঠিক কৰা কোঠাটোৰ ভৰি দিয়েই মৌজাদাৰৰ আতিথ্যৰ আন্তৰিকতাৰ কথা অনুভৱ কৰিলে।

মনসা পূজাৰ বিবিধ উপচাৰবোৰ মৌজাদাৰে আগতেই যোগাৰ কৰি থৈছিল। বিদ্যাকান্তই মৌজাদাৰৰ হাতত আগতেই তুলাপাতত পূজাৰ যা-যোগাৰবোৰ লিখি পঠিয়াইছিল। মৌজাদাৰে একে গাঁৱৰ হংসধৰ শৰ্মাক কৈ সেই তালিকাখনৰ ভিত্তিত বয়বস্তুবোৰ যোগাৰ কৰি আনিলে। হংসধৰ শৰ্মাই আগতেই নিজাববীয়াকৈ মনসা পূজাৰ বেদী সজাইছিল। বিদ্যাকান্তই সেয়া দেখি সন্তোষ পাইছিল। যৎসামান্য ইফাল-সিফাল কৰি বিদ্যাকান্তই পূজা বেদীত ঘট দুটা স্থাপন কৰিলে। ইয়াৰে এটা মা মনসাৰ আৰু আনটো ধৰমৰ ঘট। পদূলিমুখৰ যাত্ৰা কলপুলিত মাদেলি তিনিটা আৰু আমদালি হংসধৰ শৰ্মাই আগতেই লগাই থৈছিল। চোতালৰ পূব দাতিত টিনৰ চালি এখন দি পূজা মণ্ডপ সজোৱা হৈছে। মাটিৰ বেদীত পাঁচোটা সৰু কলপুলি পোতা আছে। নাৰিকল এজোৰ, থোকেৰে সৈতে তামোল এথোক, পাণ, পদুমৰ পাত, পাৰ এজোৰ, কণী, ফুল, তুলসী, বেলপাত, দুবৰি, ধানৰ সিহু, ধানৰ দোন, ৰবাব টেঙা, কল এক আখি, চুঙাত ভৰোৱা গাখীৰ আৰু তেল, সিজু গছৰ থানি আদি নিৰ্দিষ্ট স্থানত থাপিলে। মাটিৰ ঘট দুটা আৰু নটা সৰু ঘট, পিতলৰ কলহ পানী তুলিবৰ বাবে ঠিক-ঠাক কৰি থ'লে।

পূজা বেদীৰ ওপৰত চন্দ্ৰতাপ তৰি বিদ্যাকান্তই পিঠাগুৰি, ফাকু, ৰং , বেলপাতৰ গুৰি, ধানৰ পতানেৰে চকুত লগাকৈ মণ্ডল সাজি, ধূপ, ধূনা, চাকি, কলৰ দোনা আদিৰে থাপনা কৰিলে।

বিখ্যাত সুকনানি ওঝা ৰমাকান্ত নাথে পূজাৰ যা-যোগাৰ সম্পূৰ্ণ হোৱাৰ পিছত বিদ্যাকান্তৰ ইংগিতমতে গনেশ, ধৰ্ম দেৱতা, শিৱ, শীতলা দেৱীৰ স্তুতি গীত গালে।

বন্দো তোতলা মায়হে, বন্দো আকাশগামিনী।

যেবা নৰে পূজে তাৰ খণ্ডোক বিঘিনি।।

প্ৰথমে বন্দিবো যে গনেশ গজাকৃত।

প্ৰণামো আদিত্য ছায়া ভাৰ্য্যা এ সহিত।।

পানী তুলিবলৈ যোৱা তিৰোতাসকলৰ সৈতে ৰং গোৱা ওঝা ৰমাকান্ত নাথৰ দাইনা সিতেশ্বৰ ডেকা আৰু পালি লংকেশ্বৰ কলিতাই জয়ঢোল আৰু তাল বজাই সহযোগিতা আগবঢ়ালে। পানী তোলাৰ পাছত হুংকাৰ ভাঙা পৰ্ব। যাত্ৰা কল পুলিৰ পৰা মৌজাদাৰে পানী তোলা দলটিক আদৰি আনিলে। পানী তোলা ঘট পুৰোহিত বিদ্যাকান্তই পূজা বেদীত স্থাপন কৰিলে।

..... তন্মোদেৱি প্ৰচোদয়াৎ ....হুঁ

গায়ত্ৰী ধ্যানৰ অন্তত বিদ্যাকান্তই দুচকু মেলিলে।

ঃ হংসধৰ ?

কোনো সঁহাৰি নাপায় বিদ্যাকান্তই পুনৰ মাতিলে ঃ হংসধৰ ?

ঃ পিতাই অলপ সময়ৰ বাবে ঘৰত গৈছি! পট্‌কে আইভো। কিবা লাগ্‌বো দেউ ?

যেন কোনোবা গিৰি - গুহাৰ পৰা ভাঁহি আহিছে কুলিৰ মাত। ইমান মিঠা! ইমান কোমল! কণ্ঠস্বৰৰ উৎসক এবাৰ চোৱাৰ মানসেৰে বিদ্যাকান্তই বাওপিনে ঘূৰি চালে। চক খাই উঠিল তেওঁ। ইমান ধুনীয়া ছোৱালী এইজনী? ঘিউত সেন্দুৰ অকন দিলে যি ৰং হয় সেই বৰণৰ দেহ। পকা সেন্দুৰী আমৰ দৰে গালেৰে সৈতে গোল মুখমণ্ডল। ক'লা গভীৰ চকু জুৰি। তিল ফুল হেন নাক। প্ৰায় কঁকাললৈকে বৈ পৰা দীঘল বেণীৰ চুলিকোচা। অনবৰত হাঁহি এটি ওলমি আছে। লাহি দেহ। বুকুলৈকে মেখেলাখন পিন্ধি গোটেই গাত কায়দাকৈ বেঙুনীয়া পাৰিৰ চাদৰখন সুবিন্যস্তভাবে মেৰাই লৈছে।

একেথৰে তাইলৈ চাই থকাৰ বাবে সুপ্ৰভা কিছু অস্বস্তিত পৰিছিল। তথাপি

তাই লাহেকৈ মাত লগালে, ঃ পিতায়ে তেওঁ নাহাক্‌লেগি আপোনাক কিবা লাগিলি দিবা কৈছি। কিবা লাগ্‌বো নিকি দেউ?

দেৱীক আহ্বান কৰাৰ পাছত গায়ত্ৰী মন্ত্ৰ ধ্যান। ইয়াৰ পাছত মূল দেৱী পূজা আৰম্ভ। কিবা খেলিমেলি লাগি গৈছে বিদ্যাকান্তৰ। কিয় বাৰু তেওঁ হংসধৰক বিচাৰিছিল? কিয় বিচাৰিছিল বাৰু? হয়তো কোনো পূজা উপচাৰ আগবঢ়াই দিবৰ বাবে। কিন্তু কি পূজাৰ উপচাৰ? এই ছোৱালীজনীয়ে সকলো ওলট-পালট কৰি দিলে। অথচ ছোৱালীজনীক বিমুখ কৰিবলৈ অকনো সত যোৱা নাই তেওঁৰ। এতিয়াও কিবা লাগ্‌বো নিকি দেউ-এই প্ৰশ্নটো চাঙৰ ৰঙা লাওটোৰ দৰে ছোৱালীজনীৰ মুখত ওলমি আছে।

পাতালৰ ৰাজা বন্দো সাগৰ ঈশ্বৰ।
মেৰু আদি বন্দো হিমবন্ত গিৰিবৰ।।
সপ্তদ্বীপ পৃথিৱী বন্দো সপতি সাগৰ।
কাৰ্তিক গণপতি বন্দো গৌৰিৰ কুমাৰ।।

বিদ্যাকান্তই হাতৰ আঙুলিত থকা কুশৰ আঙঠিটো ঠিক কৰি দুবৰি আৰু চাউল থকা দোনাটো ওচৰ চপাই আনিলে। কিছু দূৰৈত থকা এই দোনাটো কাষ চপাই দিবৰ বাবেই বোধহয় তেওঁ হংসধৰ শৰ্মাক বিচাৰিছিল।

তোমাৰ নাম?

উৎসুকভাবে তেওঁলৈ চাই থকা ছোৱালীজনীক তেওঁ সুধিলে।

সুপ্ৰভা!

নামেৰে সৈতে ছোৱালীজনী মিলি পৰিছে।

খোৱা পানী অকনমান লাগিছিল!

একো কামৰ .দায়িত্ব নিদিলে ছোৱালীজনী আঁতৰি যাব। এই মুহূৰ্তত কিয় জানো বিদ্যাকান্তই তেওঁ আঁতৰি যোৱাটো মুঠেও কামনা কৰা নাই। মুখখন শুকাই যোৱা যেন লাগিছে। দেহটো কিছু ঘামি যোৱা যেন লাগিছে। সেইবাবেই কিজানি তেওঁৰ মুখৰ পৰা হঠাতে খোৱা পানীৰ কথা ওলাই পৰিল।

ওজাপালিয়ে পদ লগাই আছে। তেওঁলোকে মা মনসা বন্দনা শেষ কৰি দেৱীৰ জন্ম মাহাত্ম্য বৰ্ণনা আৰম্ভ কৰিছে।

বিদ্যাকান্তই পূজাত মনোযোগ দিবলৈ চেষ্টা কৰিলে। পিছে আকৌ আহিল সুপ্ৰভা। এইবাৰ হাতত কাঁহি এখনৰ ওপৰত সযতনে লৈ আহিছে বানবাটি এটি। তাই অকনমান হাউলি পানীৰ বাটিটো বিদ্যাকান্তৰ কাষত থওঁতে তেওঁ উচপ খোৱাৰ পাল। বুকুত মেৰাই লোৱা চাদৰৰ ফাকেৰে পাভ মাছৰ দৰে পিচল মেখেলাৰ বন্ধনত আৰু অধিক স্ফিত অৰ্ধস্তন স্পষ্ট হৈ পৰিছে।

সুপ্ৰভাই সলৰ্জ্জভাবে বিদ্যাকান্তৰ মুখলৈ চাওঁ নাচাওঁকৈ চাই ক'লে,

ঃ পানী খাওঁক!

- *অ' দাইনা? পানী খাবা লেগি মন গেইছি নিকি? পদৰ মাত দেখো কমি আইছিহ?*
- *এ নকবোহে ওঝা! এইখিনি সময়ৰ মোৰ তিৰিটোক লেগি মনত পৰ্চি !*
- *কিয়াবা?*
- *তিৰিটো প্ৰথমে সুপ্ৰভাৰ নিচিনাই আছিল ওঝা!*
- *হয় নেকি?*
- *পিছে ধুনীয়া তিৰি অকলে এৰা আৰু চন্দুকত নথৈ চোতালত থৱা টকাৰ দশা একেই।*
- *নুবুজিলোঁ দাইনা?*
- *কি আৰু বুঝ'বা লাগেই? এদিন মই ওঝা গাবা আহোঁতে তিৰীটো আন এটাৰ লগত পলেই গে'ল।*
- *দাইনা?*
- *কওঁক ওঝা?*
- *তুমি মহাসুখত আচা! আমি ইতা হাতী পুহি মূৰ দাংবা নৰা অৱস্থা।*
- *হাতী পুইছিহ?*
- *তিৰি পোহা, হাতী পোহা একেই।*
- *সুপ্ৰভাও হাতী নিকি?*
- *সুপ্ৰভাক আকৌ ক'ত হাতী বুলি ক'লো? তাইৰ দেখো বিয়া*

হ'ব়াই নাই?

- *তেন্তে তাইৰ বিয়া পাতো?*
- *পাতা।*
- *কাৰ লগত?*
- *তুমিহে জানা?*

অ' বামুণ -পুৰাণৰ কথা অমৃত সমান।
যিয়ে শুনে সিয়ে হয় মহা পুণ্যবান।।

ওঁ পদ্মৱতীং মহাভাগাং সৰ্ব্বদাভক্তবৎসলাং
ত্ৰিলোচনাং চতুবাহুং কিৰিতিকুণ্ডলান্বিতাং।

বামুণজনৰ মাতটো গুৰুগম্ভীৰ। গভীৰ দ কুঁৱাৰ পৰা ওলাই অহা মাতৰ দৰে। মিহি কিঞ্চিৎ দীঘল গলটোত ৰুদ্ৰাক্ষৰ মালাই শোভা কৰিছে। মানুহজন ওখ-পাখ। হাত ভৰিবোৰ দীঘল। নাকটো জোঙা। চকু দুটা ক'লা ভোমোৰাৰ দৰে। চুলিবোৰ দীঘল। কান্ধত পৰা। এখন হালধীয়া ধুতি পৰিধান কৰা পুৰোহিতে গাত নামাৱলী এখন মেৰাই লোৱাত তেল সনাৰ দৰে মিহি, পিচল দেহটো আৰু অধিক মোহনীয় হৈ পৰিছে।

সমগ্ৰ দেহটোতে ক'লা নোমবোৰ শোভা কৰিছে। বুকুৰ ঘন ক'লা নোমবোৰ যেন চেণিৰ ওপৰত জুম বন্ধা ক'লা মৌ-পিপৰাহে। ভমকা ফুলৰ গামোছাখন গলত লৈ মানুহজনে একান্তমনে স্তোত্ৰ আওৰাই আছে;

শুভ্ৰবৰ্ণেন নাগেন কেয়ুৰাং নৱযৌৱনাং
স্বৰ্ণবৰ্ণেননাগেন কংকনাং শুভ্ৰতিস্থিতাং ...

পিতাক হংসধৰ শৰ্মা আহি পোৱাত সুপ্ৰভাই মূল মণ্ডপৰ দাঁতিত বহি থকা আয়তীসকলৰ সৈতে বহি ল'লে। পিছে তাই মন কৰিলে এই বামুণ পুৰোহিতজনে পূজা কৰা অৱস্থাতো কায়দাকৈ চাই আছে। খাবলৈ পানী দিওঁতেও তেওঁ একত্ৰনয়নেৰে তাইলৈ চাইছিল। সুপ্ৰভাৰ দেহটো পুনৰ যেন কঁপি উঠিল। স্বয়ং পুৰোহিত তেওঁলৈ চাইছে? দেহ মন দেখো মৰনৈৰ দাঁতিত থকা কঁহুৱা ফুলৰ দৰে হালি-জালি পৰে! মনটো দেখো তেতেলি পাতৰ দৰে দুৰুকৈ দুৰুকৈ

কঁপিছে!

তেইঘিন ঘিনখিতেই খিত
তেইঘিন ঘিনখিতেই খিত
তিঘিনখিতেই তিঘিনখিতেই
ঘিন ঘিনেঘিন ঘিন ....

জয়ঢোলৰ শব্দত গোটেই গাঁওখনেই যেন ৰজনজনাই উঠিছে। সমবেত ভক্তসকলে হাতজোৰ কৰি পূজা বেদীলৈ মুখ কৰি আছে। ওজাপালি দলৰ এজনে পঠা ছাগলী এটি আনি খগুকৈ কটা আঠিয়া কলগছৰ ওপৰত ছাগলী মূৰটো থৈছে। আন এজনে বলি কটা দাখনেৰে একঘাপ দিছে। সুপ্ৰভাই চকু দুটা মুদি দিছে। আকৌ চকু মেলিছে। কটা মূৰটো পূজা বেদীৰ পিনে ঢলি পৰিছে। বলি কটা পালিজনে ছাগলীৰ বাকী অংশ চোতাললৈ ঠেলি দিছে। ভৰি চাৰিখন চটফটাই এটা সময়ত ছাগলী নিঃসাৰ হৈ পৰিছে। পিতাক হংসধৰ শৰ্মাই তৎমুহূৰ্তে কটা মূৰটো দাঙি লৈ মাটিৰ পাত্ৰ এটিত তেজ কিছু পৰিবলৈ দি অলপ পিছত পূজা বেদীৰ নিৰ্দিষ্ট স্থানত থৈ দিছে। এইদৰে এটা নহয় পাঁচটা নোদোকা পঠা ছাগলী , দহজোৰা পাৰ পালিজনে বলি দিছে। সুপ্ৰভাৰ মনটো বিষাদেৰে ভৰি পৰিল। এই পোনপ্ৰথমবাৰৰ বাবে তাই বলি দিয়া দেখিলে। এইদৰে যদি তাইৰ সযতনে পোহা ছাগলীটোকো বলি দিয়া হয় তাই সহ্য কৰিব পাৰিবনে?

ঃ এই প্ৰভা কি কেঁচুৱা চলিৰ দৰে কান্দি আছা?

হয় হয় সুপ্ৰভাই বুকুৰ আঁচলেৰে ঘনে ঘনে চকু নাক মচি আছিল। কিয় জানো বলি দিয়া ঘটনাটোৱে তাইৰ অন্তৰত জমা হৈ থকা শোকবোৰ চকু আৰু নাকেৰে সৰ সৰকৈ ওলাবলৈ আৰম্ভ কৰিছে। বানেশ্বৰী পেহীৰ কিলাকুটিৰ আঘাততহে সুপ্ৰভা সচকিত হ'ল। তাই ইমান সময়ে কান্দি আছিল। এইবাৰ সুপ্ৰভাই পূজা বেদীলৈ চালে। শাৰী শাৰী ছাগলীৰ মূৰবোৰৰ সন্মুখত বন্তি জ্বলাই পুৰোহিতে একান্তমনে মন্ত্ৰ মাতি পূজা কৰি আছে। পিতাকে ইটো সিটো বয়বস্তু দি সহায় কৰি আছে। কিন্তু সুপ্ৰভাই পুৰোহিত জনলৈ চাই এটা কথা পুনৰ মন কৰিলে— পুৰোহিতজনে মন্ত্ৰ শেষ হোৱাৰ পাছত কিবা বস্তু খোজা অথবা বিচৰাৰ ছলত তাই বহি থকালৈ আগ্ৰহেৰে চাইছে। কথাটো আৱিষ্কাৰ কৰি সুপ্ৰভাই শংকাৰে

আন আন মানুহবোৰলৈ চালে। নাই , নাই! কোনোৱেও কথাটো মন কৰা নাই।

কটা ছাগলীৰ দেহবোৰ নাইকিয়া হ'ল। জয়ঢোল বন্ধ হ'ল। পুনৰ ওজাপালিয়ে পদ আৰম্ভ কৰিছে। ডেকা পুৰোহিত পূজাত ব্যস্ত হৈয়েই আছে। বিন্দু বিন্দু ঘামবোৰ পুৰোহিতৰ কঁচুপাতৰ দৰে পিঠিত মুকুতা মালাৰ দৰে জিলিকি আছে। নিশা আকাশৰ তৰাবোৰৰ মাজত হাতীপতীৰ দৰে পুৰোহিতৰ লগুণডাল ওলমি আছে। পুৰোহিতে কাণে কাণে পিতাকক কিবা ক'লে। পিতাক উঠিল। তেওঁ চাৰিওপিনে চকুফুৰাই হঠাৎ সুপ্ৰভাক দেখি দুচকু বৈ গ'ল। সুপ্ৰভাই বুজিলে পিতাকে তাইক বিচাৰিছে। তাই লৰালৰিকৈ উঠিল। পূজা মণ্ডপৰ কিছু বাহিৰলৈ পিতাক ওলাই আহিছে। পিতাকে কাণে কাণে সুপ্ৰভাক নিৰ্দেশ দিলে। সুপ্ৰভা চিধাই মৌজাদাৰৰ কুৱাৰ পাৰলৈ আহিল। কুৱাৰ পৰা পানী দুবাল্টিং তুলি সযতনে আন এটি বাল্টিগুত ভৰালে। বাল্টিংটো কুঁৱাৰ দাঁতিত থৈ আঁতৰি আহিব খোজোঁতেই পুৰোহিতৰ সৈতে হঠাৎ মুখামুখি হ'ল।

ঃ তুমি ক'লৈ যোৱা?

বিদ্যাকান্তৰ প্ৰশ্নত পুনৰ থমকি ৰ'ল সুপ্ৰভা।

ঃ মই মই মানে ঘটি এটা আৰু গামছাখান আন্‌বা যাওঁ।

কৈয়েই সুপ্ৰভা নৰ'ল। বেগাবেগিকৈ তাই মৌজাদাৰণী আইৰ ওচৰ চাপি পুৰোহিতৰ বাবে গামোছা এখন খুজি ল'লে। পাগঘৰৰ পৰা পৰিস্কাৰ ঘটি এটি লৈ সুপ্ৰভা পুনৰ কুঁৱাৰ পাৰলৈ আহিল। এইবাৰ কুঁৱাৰ পাৰত কোনো নাই। চোতালত ওজাপালিৰ পদ আৰু খুটিতালৰ শব্দৰ মিশ্ৰিত ধ্বনি আহি কাণত পৰিছে। কুঁৱাৰ দাঁতিত থকা কঠালজোপাত দুটি শালিকা পৰি আছিল। সুপ্ৰভা সোমাই অহাত দুয়ো উৰি গ'ল। ঘটিটো বাল্টিঙৰ কাষত থৈ গামোছাখন পুৰোহিতক আগবঢ়াই দিলে সুপ্ৰভাই। নাই মানুহজনৰ কোনো সঁহাৰি নাই। সুপ্ৰভাই মুখখন ভয়ে ভয়ে ঘূৰাই মানুহজনলৈ চালে। পুৰোহিতে মিচিক-মাচাককৈ তাইলৈ চাই হাঁহি আছে। সুপ্ৰভাৰ দুভৰি তলৰ মাটিখণ্ড যেন কঁপি উঠিল। মানুহজনে তাৰ মানে তাইক লগ কৰিবৰ বাবেই এইদৰে প্ৰস্ৰাৱ কৰাৰ ছল কৰিছে নেকি?

ঃ গামছাখন লওঁক। মই যাওঁ।

তললৈ মূৰ কৰি কম্পিতকণ্ঠে সুপ্ৰভাই ক'লে।

ঃ মই আচলতে তোমাক লগ পাবৰ বাবেই – বিদ্যাকান্তই একো ক'বলৈকে নাপালে। সুপ্ৰভা দৌৰি অহাৰ দৰে তাৰ পৰা আঁতৰি আগৰ বহা ঠাইলৈ আহিল। নাই, নাই! ইয়াত থাকিব নোৱাৰি। কোনোবাই কথাটো মন কৰিলে বৰ বেয়া কথা হ'ব। তাই চিধাই ঘৰলৈকে গুচি আহিল।

মোক লগ পাবৰ বাবেই পূজা বেদী এৰি মানুহজনে প্ৰস্ৰাব কৰাৰ ছলেৰে .. ! ছিঃ ছিঃ! যদি মা মনসাই কিবা দোষ ধৰে? তেন্তে সৰ্বনাশ নহ'বনে তেওঁৰ? সৰ্বনাশ নহ'বনে তাইৰ? কি সাহস এই মানুহটোৰ! মা মনসা পূজা বেদী এৰি...।

নিজৰ শোৱা বিচনাত বাগৰি ঘন ঘন উশাহ লৈ চিন্তা কৰোঁতে সোমাই আহিল মাক শান্তিপ্ৰিয়া।

ঃ তই মা কিয়া এংকে গুচি আহিলি? একেবাৰে পূজা খাই আহাৰ কথা আছিল দেখো?

কি ক'ব বাৰু তাই এতিয়া মাকক? কি ক'ব? ক'ব নেকি... পুৰোহিতৰ বাবেই .. ছেঃ! কিয় ক'ব আকৌ এইবোৰ কথা?

ঃ গাটো হঠাৎ বেয়া লাগি গেল মা। সেয়ে গুচি আহিলোঁ।

হঠাৎ মুখৰ পৰা ওলাই আহিল তাইৰ। হয় বলি দিয়া দেখি তাইৰ মূৰ আচন্দ্ৰাই কৰিছিল। সেয়ে গোকাট মিছা কথা ক'বলগীয়া হোৱা নাই তাই!

ঃ কি জানো হয় তইঁতৰ ! এই গাভৰু বয়সতে বেমাৰী হ'লি, পিছলৈ দেখো মুদাই মৰিব?

অসন্তুষ্টিৰ বাক্য-বাণ এৰি মাক আঁতৰি গ'ল।

সুপ্ৰভাই গাৰুটোত মুখখন গুজি দুচকু মুদি দিলে। পানী দিওঁতে ডেকা পুৰোহিতৰ চকুহাল, মাজে সময়ে ছল কৰি চোৱা দৃষ্টি, কুঁৱাৰ পাৰৰ দৃষ্টি কি সনা আছে সেই ক'লা জামুটোৰ দৰে গোট গোট চকুজুৰিত? পুৰোহিতে কিয় তেনেদৰে চাই আছে? কিয় মা-মনসাৰ ৰোষলৈ ভয় নকৰিও ছল কৰি তাইক কুঁৱাৰ পাৰত লগ কৰিব আহিছে? চকু দুটাই আচলতে কি ক'ব বিচাৰিছে?

ঃ *অ' ওঝা?*

ঃ *কিবা কবা দাইনা?*

ঃ অ' ৰাতিপুৱা উঠি আপুনি ক'লা কঁচুৰ ওচৰলৈ যাওক।

ঃ ক'লা কচুৰ ওচৰলৈ।

ঃ নহ'লি কচন্দা ফুলৰ ওচৰলৈ?

ঃ কিয়া?

ঃ কঁচুৰ পাতৰ ওপৰত থকা নিয়ৰ অথবা কচন্দা ফুলত পৰা নিয়ৰ আপোনাৰ চকুত দিয়ক।

ঃ মোৰ চকুত ? কিয়া?

ঃ আকৌ বোলে কিয়া? কিবা বোলে চকুৰ অসুখ হৈছি বোলেহে?

ঃ মোৰ?

ঃ অ' আপোনাৰ! চকু যদি ৰাতি বন্ধ হৈ ৰঙা পৰি অথবা খচখচাই আছে তেন্তে কঁচুৰ পানী অথবা কচন্দাৰ পানীয়ে চকু ঠিক-ঠাক কৰি দিব।

ঃ তাৰ মানে তুমি ইতা ডেকা পুৰোহিত বিদ্যাকান্তৰ চকুৰ অসুখ হোৱাটোহে বুজিলা?

ঃ নাই বুজা!

ঃ তেন্তে?

ঃ দুয়োৰো চকু থৰ হোৱা অসুখ ভাল কৰাৰ কথাহে ভাব্ছো।

ঃ কেংকে?

ঃ শুনক তেন্তে—

হুংহুংকাৰ চাৰি যা

লংকাৰ পাৰ নাথাকিবি

ৰোগীৰ সীমাই সঞ্চাৰ

এই বাক্য লৰচৰ

মহাদেৱৰ জটাত থৰ

এই বাক্য লৰচৰ

পাৰ্বতীৰ স্তনত থৰ

সিদ্ধ বন্দো গুৰুৰ পাৱ
ৰক্ষা কৰা কামৰূপ কামাখ্যামাও
ওং হ্রিং ক্রীং ফট্ স্বাহা।

বিহলঙনি পাতেৰে শান্তিপ্ৰিয়াক ভৰিত তিনিবাৰ ফুঁৱাই দি জাৰা পাতবোৰ ঘৰৰ সীমাৰ বাহিৰত পেলাবলৈ কৈ বিদ্যাকান্তই সুপ্ৰভাই আগবঢ়াই দিয়া ঘটিটোৰে হাতখন ধূলে। গামোছাখনেৰে হাত দুখন মচি পুনৰ বৰপীৰাত বহি ল'লে। মানুজনীৰ মুখখন শেঁতা পৰি গৈছে। নিয়মিত ওখ-পাখ মানুহজনীৰ বয়স চল্লিশৰ ওচৰা-ওচৰি হৈছে যদিও স্বাভাৱিক সৌন্দৰ্যই এতিয়াও বাঁহনিৰ মাজত একাদশীৰ জোনটোৰ দৰেই লুকা-ভাকু খেলি আছে। তামোলৰ বটাখনৰ পৰা তামোল এখন ল'বলৈ হংসধৰ শৰ্মাই বাধা দিলে,—

ঃ ডেকাদেউ, অকণমান জলপান আগতে গ্ৰহণ কৰক। পাছে তামোল চালি।

বিদ্যাকান্তৰ হাত ৰৈ গ'ল, কিন্তু মুখখন নৰ'ল;

ঃ ঠিক আছে জলপান আগতে সেৱন কৰা হওঁক। পিছে আপুনি ৰাতিপুৱা সোনকালে উঠিয়েই খালী ভৰিৰে বনৰ ওপৰত খোজ কাঢ়িব। কমেও একমাইলমান পুৱা খোজ কাঢ়িব লাগিব। এৰা গুটিৰ তেলেৰে সদায় সন্ধিয়া আপুনি হাত ভৰি মালিচ কৰিব।

শান্তিপ্ৰিয়াই বিদ্যাকান্তৰ মুখলৈ চালে। এই দেখিলেই ভক্তিভাব ওপজা ডেকা পুৰোহিতজনে বিহলঙণিৰে মুখেৰে বিৰবিৰাই মন্ত্ৰ মাতি থাকোঁতেই যেন তেওঁ হাত ভৰিৰ গাঁঠিত হোৱা বাতবিষ ভাল পাইছে। হাত কটা কপাহী চোলা পিন্ধি, গোটেই দেহতে কপাহী বগা চাদৰ এখন উৰি আহিছে ডেকা পুৰোহিতে। এই বাতবিষটোৱে আজি এবছৰে শান্তিপ্ৰিয়াক জ্বলা কলা কৰিছে। এই লৈ ঘৰখনত কাৰো শান্তি নাই। সেইবাবেই পৰহি বৰুৱা মৌজাদাৰৰ ৰং পূজালৈও তেওঁ যাব নোৱাৰিলে। পূজা শেষ হোৱাৰ পাছত বিদ্যাকান্তই হংসধৰ শৰ্মাক সুধিছিল - পত্নী কিয় নাহিল বুলি! তেতিয়াই হংসধৰ শৰ্মাই বাতবিষৰ কথা কওঁতে আজি তেওঁ এবাৰ আবেলি আহিব বুলি কৈছিল। বিহলঙনিৰ পাত সাজু কৰিব কৈ বিদ্যাকান্তই কৈছিল —

ঃ মই এবাৰ চেষ্টা কৰি চাওঁচোন!

হংসধৰ শৰ্মা আচৰিত হৈছিল। কাৰণ এই নতুন ডেকা পুৰোহিতজনে বেজালি কৰিব জানে বুলি কোনোৱেও কোৱা নাছিল। চাৰিওফালে বৈদ বেজ লগাই থাউনি নোপোৱা তেওঁ বিদ্যাকান্তই উপযাচি আহিবলৈ ওলোৱাত ভালেই পাইছিল।

ঃ জলপান খাওঁক।

পুনৰ সেই চিনাকি কণ্ঠ। বিদ্যাকান্তই মূৰ দাঙি দেখিলে সুপ্ৰভাই সলজ্জভাৱে কাঁহৰ কাহি এখনৰ ওপৰত জলপানভৰ্তি বাণবাতিটো লৈ সযতনে তেওঁৰ সমুখত দাঙি ধৰিছে। ধুনীয়া তেজগোৰা মুখখন, চাদৰৰ ফাকেৰে প্ৰকট হৈ পৰা কমনীয়া বুকুখন-

ঃ তুমি পূজাৰ দিনা হঠাৎ গুচি আহিলা যে?

বাণবাতিটো হাতত লৈ বিদ্যাকান্তই সুপ্ৰভালৈ পোনপটীয়াকৈ চাই প্ৰশ্ন কৰিলে। প্ৰশ্ন শুনি সুপ্ৰভা থমকি ৰ'ল।

ঃ এ তাইৰ কথা নকবোহো দেউ, সিদিনা বলি দিয়া নিজচকুৰে চাই তাইৰ বোলে কিবা গাটো বেয়া লাগিল। আহিল গুচি।

কিমান ক'লো বোলে ভোজ খাই আহগেই। তাই নেগে'ল!

বিদ্যাকান্তই এতিয়াহে আশ্বস্ত হ'ল। অন্ততঃ সুপ্ৰভাই তেওঁক বেয়া পাই সিদিনা পূজাথলিৰ পৰা গুচি অহা নাই। বলিৰ দৃশ্য দেখিহে গুছি আহিছে।

ঃ মই আকউ দুদিন পাছত আহি আপোনাক জাৰিম। তেতিয়া মানে আপুনি বহুত ভাল পাব লাগে। মাথো মই দিয়া পৰামৰ্শ কেইটি পালন কৰি থাকিব।

চাহ খাই তামোল চালি মুখত দি বিদ্যাকান্তই যাবলৈ ওলাল। শান্তিপ্ৰিয়াই তামোলৰ বঁটাৰ পৰা একঅনা আৰু তামোল-পান এযোৰ সযতনে বিদ্যাকান্তৰ হাতত তুলি দিলে। সুপ্ৰভা কিছুদূৰৈত থিয় হৈ আছিল।

ঃ তুমি বলি দিয়া দেখিলে মন বেয়া নকৰিবা। এয়া আমাৰ ধৰ্ম। ধৰ্ম নামানিলে দেখো আমি বিধৰ্মী হৈ যাম? আহোঁ?

স্বাভাৱিক হাঁহিৰে বিদ্যাকান্তই সুপ্ৰভাৰ মনোযোগ আকৰ্ষণ কৰিবলৈ চেষ্টা

কৰিলে। সুপ্ৰভা কিছু সহজভাবে তেওঁক আগবঢ়াবলৈ ওচৰ চাপি আহিল।

ঃ আপোনাক কথা এটি সোধো বুলি ভাবিছোঁ?

পদূলিমূখ পাৰ হৈয়ে বিদ্যাকান্তই লগত আহি থকা হংসধৰ শৰ্মাক কোৱাৰ আগতে পুনৰ উভতি সুপ্ৰভা আৰু শান্তিপ্ৰিয়ালৈ চালে। তেওঁলোক দুয়ো কিছু আগবাঢ়ি আহিছিল।

হংসধৰ শৰ্মাই দুয়োকো আঁতৰি যাবলৈ ইংগিত দি ডেকা পুৰোহিতৰ ওচৰ চাপি আহিল ঃ কি সুধৰা খুজিছহ সোধক?

ঃ তিনি নিশা হ'ল মই আপোনালোকৰ গাঁৱত থকা। মই মন কৰিছোঁ গাঁওখনত যেন কৰবাত কিবা হৈছে। মানুহবোৰৰ মনবোৰ কিবা গোমা। সন্ধিয়া সন্ধিয়া মানুহবোৰ গোটখাই উত্তেজিত ভাবে কিবা আলচ কৰে। কথা বতৰাবোৰ শুনি মোৰ ভাব হৈছে – ক'ৰবাত যেন কিবা এটা হৈছে।

ঃ নকবহে ডেকাদেউ, এতিয়া খং শিঙা বাজি আছেই। কোনদিনা ৰণশিঙা বাজে পাত্তা নাই।

দুৰ্বোধ্যভাবে বিদ্যাকান্তই হংসধৰ শৰ্মাৰ মুখলৈ চালে।

ঃ আজি সন্ধিয়া আপুনি আমাৰ শিৱমন্দিৰৰ সমুখলৈ আহিব।

হংসধৰ শৰ্মাৰ আকস্মিক আমন্ত্ৰণত বিদ্যাকান্ত আচৰিত হ'ল-ঃ মই? কিয়?

এইবাৰ হংসধৰ শৰ্মাই ৰহস্যৰ হাঁহি মাৰি উত্তৰ দিলে,–

আপুনিও খং শিঙা বজাবা লাগ্‌বো!

আঁহত গছৰ খৰিৰ প্ৰকাণ্ড প্ৰকাণ্ড আঙঠাবোৰ টঁ টঁ কৈ জ্বলি আছে। মাজে মাজে চ'তমহীয়া বননীত ঘপহকৈ জ্বলি উঠা জুইৰ শিখাবোৰে যেন সাধুকথাৰ ৰাক্ষসৰ জিভাবোৰ দৰে খাওঁ খাওঁ মূৰ্তি ধৰি আছে। হয় হয়। কোনোবাই যেন তেওঁক জোৰকৈ দাঙি ধৰিছে। ক্ৰমাৎ তেওঁক সেই পকা আঙঠা, জ্বলি থকা জুইবোৰৰ ওচৰলৈ লৈ আনিছে। ওপৰৰ পৰা কোনোবাই যেন তেওঁক দলিয়াই দিছে। জুইৰ পোৰণিত যেন তেওঁৰ সৰ্বাংগদেহ ছটফটাই আছে। লাহে লাহে জুই পোৰণি নাইকিয়া হৈ গৈছে।

ক্ৰমাৎ তেওঁ মন কৰিলে যে তেওঁৰ দেহটো এতিয়া ছাঁই হৈ পৰিছে।

ধহমহকৈ বিচনাৰ পৰা উঠি পুনৰ বহি পৰিল বিদ্যাকান্ত! অষ্ঠ-কণ্ঠ শুকাই গৈছে । টিমিক টামাককৈ ঘৰৰ এচুকত জ্বলি থকা মিঠাতেলৰ বন্তি গচি শেষ হওঁ হওঁ। ততাতৈয়াকৈ তেওঁ বিচনাৰ পৰা নামি মাটিকলহৰ কাষত থকা কাহৰ ঘটিটো দাঙি ধৰি সাবধানেৰে পানী পিলে।

কিযে এটা অদ্ভুত সপোন। আজি পুনৰ দেখা পালে বিদ্যাকান্তই । আন এদিন দৰঙলৈ আহিব ওলাওঁতে আগনিশা তেওঁ এই হুবহু একে সপোন দেখিছিল। কিন্তু দেউতাকৰ সৈতে আহোঁতে শৈশৱত এই সপোন দেখা নাছিল। দেউতাকৰ মৃত্যুৰ পাছত তেওঁ যেতিয়া পোন প্ৰথম দৰঙী ৰজাঘৰৰ দুৰ্গা-পূজা কৰিবলৈ আহিছিল তেতিয়া দেখিছিল। নিজৰ মৃত্যু নিজে দেখিছে। তাকো নিজৰ শৰীৰ ক'লা ৰঙা আঙঠাৰ মাজত পুৰি ছাঁই হৈ গৈছে। প্ৰথমতে কিছু পোৰণি অনুভৱ কৰিছিল যদিও তাৰপাছত সেই অনুভূতি নাই। সপোনটোৰ অৰ্থ, পৰিনাম জানিবলৈ অকনো মন নগ'ল বিদ্যাকান্তৰ। নিজৰ মনতেই কথাষাৰ ভাবি হাঁহি উঠিল তেওঁৰ। নিজৰ মৃত্যু হোৱা সপোন! ছেঃ কিযে অদ্ভুত সপোন! কিন্তু আজি সেই একেই সপোনৰ পুনৰাবৃত্তি!

হংসধৰ শৰ্মাৰ ঘৰৰ পৰা আহি বিদ্যাকান্তই আবেলি বিচনাত এনেয়ে বাগৰ দিছিল। এক অদ্ভুত ৰমণীয় অনুভূতিয়ে দেহ-মন অশান্ত কৰি তুলিছিল। মৌজাদাৰৰ মাৰৈ পূজাত হঠাৎ সুপ্ৰভা আঁতৰি যোৱাত বিদ্যাকান্ত আচৰিত হৈছিল। নিজকে নিজে অপৰাধী যেনো লাগিছিল। ছোৱালীজনী মোৰ বাবেই তেনেদৰে আঁতৰি গ'ল নেকি। নে লাজ সংকোচত? দ্বিতীয়টো কাৰণত গ'লে তেওঁ বিশেষ চিন্তা কৰিবলগীয়া নাই, কিন্তু প্ৰথমটো কাৰণত গ'লে তেওঁ যে কোনোদিন মনত শান্তি নাপাব। নিজৰ গাঁও, অঞ্চলৰ বহু ছোৱালী দেখিছে। দৰঙী ৰজাঘৰত পূজা চলি থাকোঁতেও বহুত ছোৱালী দেখিছে। কিন্তু এইজনীৰ দৰে ধুনীয়া আকৰ্ষণীয় ছোৱালী তেওঁ কতো দেখা নাই। ছোৱালীজনীৰ চকুজুৰিত কিযে মায়া, যাদু সনা আছে। চালেই চাই থাকিবৰ মন যায়। যেন দুচকুৰ গভীৰত সোমাই পৰিব। অথবা গোটেই ছোৱালীজনীকে তেওঁৰ দুচকুৰ গভীৰতাৰ মাজত আকোঁৱালী ল'ব। যেতিয়াই হংসধৰ শৰ্মাৰ মুখত পত্নীৰ বাতবিষৰ খবৰ পালে তেতিয়াই

বিদ্যাকান্তই পুনৰ ছোৱালীজনীক লগ পোৱাৰ সুতীব্ৰ বাসনা পূৰণ হোৱাৰ সম্ভাৱনাত আনন্দিত হৈ পৰিছিল। আজি আবেলি সেয়ে তেওঁ কামনা কৰা মতেই কামবোৰ সুকলমে হৈ গ'ল। পিতৃ-দেৱৰ সৈতে সৰুৰে পৰা থাকি কিছু বেজালি শিকিছিল তেওঁ। জ্যোতিষৰ সৈতে সৰু সুৰা ৰোগৰ বেজালি। প্ৰত্যেক মানুহে জনা দৰকাৰ। বিশেষকৈ যি সকলে সংস্কৃত টোলত পঢ়া শুনা কৰে সেইসকলৰ বাবে জ্যোতিষ আৰু মন্ত্ৰৰ পুথিসমূহ পঢ়া, তন্ত্ৰ-মন্ত্ৰ আয়ত্ব কৰা কঠিন নহয়। আজি এই বেজালি বিদ্যাই বহু আশাই কঢ়িয়াই আনিছে বিদ্যাকান্তৰ মনলৈ। সুপ্ৰভাই বলি কটা দৃশ্য চোৱাৰ বাবে গা মন বেয়া লগাতহে তেনেদৰে ঘৰলৈ উভতি আহিছে। তেওঁক বেয়া পাই নহয়। অকল এয়ে নহয়-সুপ্ৰভাৰ মাকৰ চিকিৎসাৰ অজুহাতত তেওঁ এতিয়া মাজে সময়ে যাব পাৰিব তেওঁলোকৰ ঘৰলৈ। ইফালে আইৰো যাত্ৰা গঙ্গাৰো বাৰ্তাৰ দৰে মৌজাদাৰ বৰুৱাই বিদ্যাকান্তক আৰু এসপ্তাহ তেওঁৰ ঘৰতেই থাকিবলৈ অনুৰোধ কৰিছে। কাৰণ পাঁচ-দিনৰ পাছতেই তেওঁৰ মাকৰ শ্ৰাদ্ধ। শ্ৰাদ্ধৰ কামফেৰা আগতে হংসধৰ শৰ্মাই সম্পন্ন কৰে যদিও এইবেলি দুয়ো সম্পন্ন কৰক। বিদ্যাকান্তই মৌজাদাৰৰ অনুৰোধ শুনি চাওঁচোন বুলি কৈ থৈছিল। কিন্তু আজিৰ আকাশৰ ডাৱৰ মুক্ত যেন দেখি মনতে ভাবি থৈছে কাইলৈ পুৱা মৌজাদাৰক তেওঁ সন্মতি প্ৰদান কৰিব।

কিমান সময় এইদৰে বিচনাত বাগৰ দিছিল বিদ্যাকান্তই উমান নাই। বিচনাত উবুৰি হৈ দুচকু মুদি তেওঁ সুপ্ৰভাৰ চকুজুৰিত সোমাই পৰিছিল। তাইৰ ঢৌ খেলোৱা দীঘল চুলিটাৰিত নিজৰ মুখ গুজি দিছিল। তাইৰ পাভ মাছ হেন পিচল বুকুত সাতুৰি নাদুৰি থাকোঁতেই হঠাৎ বাহিৰত মাত শুনি তেওঁ খপজপকৈ বিচনাত উঠি বহি পৰিছিল। পুনৰ বাহিৰত কণ্ঠস্বৰ বুজিবলৈ চেষ্টা কৰিলে। এয়া দেখো হংসধৰ শৰ্মাৰ কণ্ঠস্বৰ? বিচনাৰ পৰা উঠিবলৈ চেষ্টা কৰোঁতেহে বিদ্যাকান্তই মন কৰিলে তেওঁৰ ঘৰটোৰ পোহৰ নাই। বাহিৰৰ পাতল এন্ধাবোৰে জুম বান্ধিছেহি।

ঃ আপুনি একেবাৰে কাপোৰ পিন্ধি আহক ভট্টদেউ। আমি মন্দিৰ প্ৰাংগণলৈ যাম। খং শিঙাৰ কথা কৈছিলোঁ যে!

হংসধৰৰ কথামতে বিদ্যাকান্তই উমানতে ধুতিখন ভালদৰে ঠিক কৰি ল'লে। ভাল কপাহী হাতকটা চোলাটো আৰু পাতল চাদৰ এখন গাত লৈ ওলাই

আহিল। পোহৰ আৰু নন্দলালে।

মাজত ক্ষীণ পোহৰ জ্বলি আছে। এন্ধাৰৰ মাজত বহি থকা মানুহবোৰক গছৰ মূঢ়াবোৰ যেনেই লাগিল বিদ্যাকান্তৰ। মানুহবোৰ যেন তেওঁ অহালৈকে বাট চাই আছিল। আটায়ে তেওঁক এই গাঁৱৰ, জিলাৰ অতিথি হিচাপে জ্ঞান কৰিছে। যি উপলক্ষ্যত সমবেত হৈছে সেই কথাবোৰ আলোচনা কৰিলে। পৰহি মানুহবোৰ পথৰুঘাটলৈ যাব। তহছিলদাৰক লগ কৰি তেওঁলোকৰ মনৰ কথা ক'ব। তেওঁলোকৰ অৰ্থাৎ সমস্ত দৰঙী প্ৰজাৰ মনৰ খবৰ, অসন্তুষ্টিৰ খবৰ তহছিলদাৰে জিলাৰ বৰচাহাবৰ আগত কওঁক। মুঠৰ ওপৰত নতুনকৈ বঢ়োৱা খাজানা প্ৰত্যাহাৰ নকৰালৈকে কৃষক ৰাইজ ক্ষান্ত নহয়। তেওঁলোকে বিদ্ৰোহ কৰিব।

বিদ্যাকান্ত ভট্টাচাৰ্য আচৰিত হ'ল।

ইমানবছৰৰ ধৰি তেওঁ দৰঙলৈ আহি আছে। ক'তা, নতুন সমস্যাবোৰৰ কথা তেওঁতো কতো শুনা নাই ? মাথো নগাঁওৰ কন্দলি টোলত পঢ়ি থাকোঁতে শুনিছিল ফুলগুৰিৰ আফিং খেতিৰ ওপৰত বৃটিছে কৰ লগোৱাৰ বাবে ডাঙৰ গণ্ডগোল হৈছিল। বহুতো লালুং সম্প্ৰদায়ৰ লোকক বৃটিছে হাৰাশাস্তি কৰি আছিল। আজি দৰঙৰ প্ৰজাসকলৰ মাজত যি ধৰণৰ অসন্তুষ্টিয়ে দেখা দিছে – এয়া মৌজাদাৰৰ ঘৰলৈ পূজা কৰিবলৈ অহাৰ বাবেহে তেওঁ গম পালে; দৰঙী ৰজাঘৰত থাকিলেতো গমেই নাপালেহেঁতেন। অথচ প্ৰজাৰ ওপৰত নাঙলৰ কৰৰ বোজা ? প্ৰজা অসন্তুষ্ট। ৰজাঘৰে এনে অসন্তুষ্টিক নেতৃত্ব দিব পাৰিলেহেঁতেন। পিছে কিযে অদ্ভুত নিৰ্লিপ্তি ৰজাঘৰৰ। এদিন ৰজা হৈ আজি বিদেশী কেইগৰাকীমানৰ ছত্ৰছায়াত যে আশ্ৰিত, লালিত পালিত। যি চিলাৰায়ৰ বীৰত্ব পৰাক্ৰমত এদিন দিল্লীৰ মছনদ কঁপি উঠিছিল, প্ৰবল প্ৰতাপী আহোম ৰাজশক্তি ৰংপুৰৰ পৰা ফৰিং চিটিকা দিছিল সেই চিলাৰায়ৰ বংশধৰসকল আজি আচৰিত ধৰণে নিৰ্লিপ্ত। বিলাসিতা আৰু সুৰাৰ ৰাগিত যেন আজি পৰাক্ৰমী সিংহ হাউলীৰ গুহাত নিদ্ৰামগ্ন। কোনোদিন ভুলতো তেওঁ বৃটিছৰ বিৰুদ্ধে এবাৰো বিষোদগাৰ শুনা নাই। পিছে ৰজা শুলেও প্ৰজাসকল হ'লে শুব পৰা নাই। শুব নোৱাৰে। ১৮৪১ চনলৈ কামৰূপ আৰু দৰঙৰ প্ৰজা সকলে হালখনে প্ৰতি বছৰে তিনি টকালৈ খাজানা পৰিশোধ কৰিব লাগিছিল। ১৮৪২ চনত সমূহ মাটি পিয়ল কৰি বস্তি, ৰূপীত আৰু ফিৰিঙতি

এই তিনি শ্ৰেণী কৰি ইংৰাজে খাজানা বৃদ্ধি কৰিলে। তেতিয়া প্ৰজাৰ মনত সন্দেহ আৰু অসন্তুষ্টিৰ ভাব বৃদ্ধি হয়। ১৮৬২ চনত ইংৰাজে মাটি পিয়ল কৰি পুনৰ খাজানাৰ নিৰিখ বৃদ্ধি কৰিলে। ইং ১৮৬৮ চনত দৰঙী প্ৰজাই পথৰুঘাটৰ ডাকবাংলাৰ সমুখত জিলাৰ বৰ চাহাবৰ আগত খাজানা বঢ়োৱাৰ বাবে প্ৰতিবাদ সাব্যস্ত কৰিছিল। পুনৰ ১৮৯৩ চনৰ আগতে 'কেডেষ্টেল চাৰ্ভে'ৰ দ্বাৰা দেশৰ সমূহ আবাদ মাটি ইংৰাজে পিয়ল কৰোৱাই জুখি লৈ বস্তিৰ মাটিৰ এটকা, ৰূপীত মাটিৰ দহ অনা আৰু ফিৰিঙতি মাটিৰ আঠ অনাকৈ প্ৰতি বিঘাত নিৰ্ধাৰণ কৰি দিলে। ফলত পুনৰ জনসাধাৰণ বিদেশী ইংৰাজৰ প্ৰতি খঙত জাগি উঠিছে। দৰং, কামৰূপৰ বিভিন্ন ঠাইত ৰাইজমেলৰ আয়োজন কৰি জনসাধাৰণ একত্ৰিত হোৱাৰ সম্ভেদ পাই চতুৰ ইংৰাজে এই ৰাইজমেলৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিলে। দিনত ৰাইজমেল অনুষ্ঠিত নহ'লেও নিশা ঠায়ে ঠায়ে গোপনে ৰাইজমেল অনুষ্ঠিত হৈ আছে। আজি তেনে এক ৰাইজমেলতেই বিদ্যাকান্ত ভট্টাচাৰ্য আমন্ত্ৰিত অতিথি হ'বলগীয়া হৈছে। অকল এখন গাওঁৰ মানুহেই এই গোপন ৰাইজমেলত উপস্থিত থকা নাই। অন্য গাঁৱৰ মুৰব্বী কেইজনমানো আহিছে। সকলোৰে মাথো এটাই কথা বিদেশী হৈ ইংৰাজে আমাৰ পৰা খাজানা আদায় কৰিব? বানপানী মহামাৰীৰ অত্যাচাৰত থাউনি নোপোৱা আমাৰ ওপৰত নাঙল কৰ লগাবলৈ সিহঁতৰ কি অধিকাৰ আছে? আমাৰ কৃষি উন্নতিৰ বাবে ইংৰাজে কি ভাল কৰিছে? বিদ্যাকান্তই মন কৰিলে হংসধৰ শৰ্মাৰ মতে সকলোৱে যেন এতিয়া খং শিঙা বজাই আছে। পৰহি কোনো সমাধান তহছিলদাৰে দিব নোৱাৰিলে। সকলোবোৰ ৰণশিঙা বজাবলৈকে সাজু। এটা সময়ত নাহৰ গুটিৰে জ্বলোৱা পোহৰ নাইকিয়া হ'ল। সকলোৱে তহছিলদাৰ অফিচলৈ অধিক ৰাইজক নিবৰ বাবে সংকল্প গ্ৰহণ কৰি মেলানি মাগিলে।

নিশা ঘৰলৈ উভতি আহোঁতে বাটত হংসধৰ শৰ্মাই তহছিলদাৰ ভবানী চৰণ ভট্টাচাৰ্যৰ কথা ক'লে। মানুহজন ইংৰাজৰ কৰ্মচাৰী হ'লেও খাজানা বৃদ্ধিত তেওঁ সন্তুষ্ট নহয়। সেই কথা দুই এজনৰ আগত মুকলিকৈ ব্যক্ত কৰিছেও।

হংসধৰ শৰ্মাক বিদায় দি নিজৰ কোঠালৈ আহি বিদ্যাকান্তই দেখিলে টৌ খুটি মৰা আছে। কাষতে টৌত মাটিৰ লেপন দিয়া আছে। কাষতে নিস্নাত

ধোৱা চাউল, কুটা তৰকাৰী সযতনে থোৱা আছে। মৌজাদাৰ বৰুৱা তেওঁলৈ বৈ আছিল। ততাতৈয়াকৈ গাটো ধুই এমুঠি সিজাবৰ দিহা কৰিলে বিদ্যাকান্তই। ভোক লাগিলেও দিনটোৰ অভিজ্ঞতাই দেহ-মন ভাৰাক্রান্ত কৰিছিল- তেওঁৰ। সেয়ে খাবলৈ মন নোযোৱা সত্বেও যা-যোগাৰ দেখি খৰধৰকৈ ৰান্ধি খাই শুই পৰিল।

আবেলিৰ সময়খিনিত বিদ্যাকান্তই যি এক ৰমণীয় পৰিবেশত নিজকে উটুৱাই দিছিল সন্ধিয়া সেয়া ধূলিস্যাৎ হৈ গ'ল। কাৰণ ইমানদিনে পুৰোহিতালী কামত নিজকে নিয়োজিত কৰি এনেবোৰ সামাজিক সমস্যাৰ প্ৰতি কোনোদিন সজাগ নাছিল তেওঁ। দেউতাকৰ মুখতো এনেধৰণৰ সামাজিক, অৰ্থনৈতিক অথবা ৰাজনৈতিক কথাবোৰ শুনিবলৈ পোৱা নাছিল। ৰজাঘৰ, প্ৰজাঘৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ হৈ ৰেৱকান্ত ভট্টাচাৰ্যই পূজা বিধি, জ্যোতিষ চৰ্চা অথবা সৰু সুৰা ৰোগৰ বেজালীতেই নিজকে নিয়োজিত কৰিছিল। বিদ্যাকান্তই এই বাটেৰেই বাট বুলিছিল। কিন্তু আজি বিদ্যাকান্তই ৰাইজমেলত থাকি অনুভৱ কৰিলে তেওঁৰো মানুহ হিচাপে সমাজৰ প্ৰতি এক বিশেষ দায়িত্ববোধ, কৰ্তব্যবোধ আছে। যি দায়িত্ববোধ কৰ্তব্যবোধৰ বাবে হংসধৰ শৰ্মা যজমানি কৰিও ৰাইজমেললৈ গৈছে। নাচিৰুদ্দিন শেখ মোল্লা হৈও ৰাইজমেললৈ গৈছে আৰু কণ্ঠিৰাম? তেওঁ গাঁৱৰ গাওঁবুঢ়া হৈয়ো নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ বাবে ৰাইজমেললৈ গৈছে।

অথচ তেওঁ? নিজে?

অলেখ চিন্তা ভাবনাৰ দোমোজাত পৰাৰ মাজে মাজে চন্দ্ৰৰ দৰে সুপ্ৰভাৰ মুখখনে বিদ্যা কান্তৰ মনলৈ এক অপৰিমেয় প্ৰশান্তি কঢ়িয়াই আনে। কেতিয়া তেওঁৰ টোপনি আহিছিল মনত নাই! হঠাৎ সেই অদ্ভুত সপোনটোৱে বিদ্যাকান্তক জগাই দি বিচাই ডকাদি ডাকিবলৈ ধৰিলে।

অ' শুনা ভাই দৰঙী কৃষকৰ বিলায়
পথৰুঘাটত বাজিল ৰণ শিঙা
বামুণ পুৰাণৰ কথা অতি বিমোহন
কিনো হৈলা বিদ্যাকান্তৰ মন দি শুনা।।

বৰপুখুৰীলৈ পানী আনিব যাওঁতে কপাহীয়ে দিলে কথাৰ খোচাটো, আমি বাটে ঘাটে বিচ্চেলিও নাপাওঁ। লোকৰ আকৌ অজান মুলুকৰপে আহি নিজ চোতালত স্বয়ং হাজিৰ।

প্ৰতিমাই যেন কিবা গূঢ় ৰহস্যহে সন্ধান পালে। খিলখিলাই হাঁহি উঠিল তাই। ওচৰৰ চতিয়ন জোপাৰ পৰা তাইৰ হাঁহিত কপৌ এহাল ভয় খাই উৰি গ'ল।

কিছু সময় নিমাত - নিতাল। কপাহীয়ে সুপ্ৰভালৈ চাই প্ৰতিমালৈ ইংগিতেৰে চালে। প্ৰতিমায়ো সুপ্ৰভালৈ চাই মুখ ভেঙুচালে। সুপ্ৰভা একান্তমনে খোজ দি গৈ আছে। প্ৰতিমা, কপাহীৰ কথাত কোনো প্ৰতিক্ৰিয়া নেদেখুৱালে। এই কেইজনী যিহে, সুবিধা পালেই বাঘৰ ওপৰত ঘোং পৰাৰ দৰে তাইক বখলিয়াইহে এৰিব। সেয়ে নমতাকৈ থকাই বেচি মংগল।

ঃ নমতা গৰুই বেচি গু গায়।

পুনৰ সুপ্ৰভালৈ চাই প্ৰতিমাই মুখ টিপি হাঁহিলে।

সুপ্ৰভাই বুজি পাইছে যে পৰহি উজনিৰ বামুণটো সিহঁতৰ ঘৰলৈ অহাৰ বাবেই এই দুই সখীৰ খোচা বিন্ধা। সুপ্ৰভাই মুখেৰে নামাতিলে।

পুখুৰী পাৰ পোৱাৰ লগে লগে কপাহীয়ে ক'লে—

ঃ অ' মই হলি পায় এই গাঁও, এই পুখুৰীৰ পাৰ এৰি উজনীকলেগি মৰ্‌বা নাযাওঁ। গাঁৱৰেই তিলেশ্বৰ, ভদ্ৰেশ্বৰ কোনোবা এটাক মৰদ কৰি ল'বা লাগ্‌বো। কপাল, কপাল কপাহী! -পাটেনীখন কিছু কোঁচাই পানীত নামি কলহটো পানীত জুবুৰিয়াই দি প্ৰতিমাই ক'লে- উজান উঠা মাছ চোতাল পাইছিহি। তই মই শুদা খালেইত বৰ্‌শী বাই থাকোঁতেই গে'ল।

আকৌ দুয়ো বান্ধবীৰ উচ্চল হাঁহি। পুখুৰীত মাছৰোকা চৰাই এটিয়ে মাছ ধৰিবলৈ বুলি তললৈ খাপ পিতি ঠাইতে বৈ আছিল। হাঁহিত চিকাৰ আঁতৰি যোৱাত কোঁ - কোৱাই সি অন্যফালে উৰি গ'ল।

কোনোপধ্যে সুপ্ৰভাক বলে নোৱাৰি এইবাৰ কপাহীয়ে পানী লৈ উভতি আহোঁতে বিপৰীত পিনৰ পৰা সুনন্দ পেহাক আহি থকা দেখি পুনৰ মাত দিলে,

ঃ আজি তাৰমানে আমাৰ নিমাতী কইনাৰ মাত উল'বা লাগিলি কোনবা

ৰাজকুমাৰকহে দৰ্কাৰ হ'বো। মই সুনন্দ পেহাক ইতাই মৌজাদাৰৰ ঘৰকলেগি পঠাও ৰ।

কপাহীৰ এইপাট বাণে কাম দিলে। শংকিত সুপ্ৰভাৰ মুখৰ পৰা হঠাৎ মুখৰ মাত ফুটিল;

ঃ সুনন্দ পেহাক মৌজাদাৰৰ ঘৰকলেগি কিয়া পঠাবা খুজছাহ?

আকৌ দুয়ো বান্ধবীৰ হাঁহি। এইবাৰ ৰণ জিকাৰ হাঁহি।

ঃ নাই, মই সুনন্দ পেহাক মৌজাদাৰৰ ঘৰকলেগি পঠ'বা নাল্‌গেই নহয়। পেহা তাকলেগি যাবাই আইছিহ।

কপাহীয়ে কথামতে সমুখত আহি পোৱা সুনন্দ শইকীয়াক সুধি দিলেই,-

ঃ পেহা মৌজাদাৰৰ ঘৰৰ পিনে যায় নিকি?

ঃ অ' আই! মৌজাদাৰৰ আইৰ শ্ৰাদ্ধৰ বাবে চোতালত ৰভা দিবা যাওঁ। তইঁতে পানী লৈ আহিলি? - স্বভাৱজাত ভংগীৰে কথাখিনি কৈ সুনন্দ গুছি গ'ল।

সুপ্ৰভাৰ গাল ৰং সেন্দুৰীয়া হৈ পৰিল।

ঃ গোসাঁই ঘৰত কোন?

প্ৰতিমাৰ প্ৰশ্ন। কপাহীৰ তাৎক্ষণিক উত্তৰ,

ঃ মই কল খাৱা নাই!

আকৌ এজাউৰী হাঁহি। সুপ্ৰভাই দুচকু মুদি দিলে। সেয়া যেন হাঁহি নহয়, দুয়ো বান্ধবীৰ শনাইত শৰ। গাঁৱৰ প্ৰত্যেক মানুহৰ কৰ্ণকুহৰত যেন সেই শৰে উদণ্ডাই দিব উজনীৰ বামুণটোক সুপ্ৰভাই ভাল পায়।

ন যযৌ ন তস্থৌ সুপ্ৰভাই নিজঘৰৰ ভিতৰলৈ সোমাই গ'ল। ৰান্ধনীঘৰটোত কলহটো থৈ ওলাই আহোঁতেই মাকৰ সৈতে ভেটাভেটি হ'ল সুপ্ৰভাৰ,—

ঃ কি হ'ল অ' এই লছপছি দুজনীৰ? হাঁহিত দেখো স্বৰগ ফুটবো এতিয়া?

সুপ্ৰভা মনে মনে আহি বৰঘৰত সোমাল। নিজৰ বিচনাত বহিহে তাই ভালকৈ উশাহ ল'লে। এই সময়খিনিত তাই জ্বৰে ঘমাদি ঘামিছে। এই কথাবোৰ

যদি মাক - পিতাকে গম পায়? গাঁৱৰ মানুহে গম পায়? তাই দেখো লাজত মুখ ওলাব নোৱাৰা হ'ব?

সুপ্ৰভা নিঃচিন্ত যে ডেকা বামুণজনে তাইক পচন্দ কৰিছে। কিন্তু উজনিৰ বামুণৰ কি বিশ্বাস? আজি গাঁৱলৈ দুদিনমানৰ বাবে আহিছে। পুনৰ নিজৰ ঠাইলৈ গুচি যাবগৈ। তাই বুকুত এসোপা শোক, হুমুনিয়াহৰ লগতে অপবাদৰ জোলোঙাটো পিঠিত বান্ধি জীয়াই থাকিব লাগিব। মাক-পিতাকৰ একমাত্ৰ সন্তান তাই।

বুঢ়া গোসাঁইৰ মন্দিৰ, খটৰা গোসাঁই ঘৰ, ৰুদ্ৰেশ্বৰ দেৱালয়, মুৰাদেওৰ দেৱাল, নাৰিকলীৰ শিৱমন্দিৰ একো বাকী নাই-হংসধৰ শৰ্মাৰ। সকলোতে খোজ কাঢ়ি বাটকুৰি বাই মন প্ৰাণ ঢালি পূজা আগবঢ়াইছিল। কেৱল এটি সন্তানৰ বাবে। অকল এনে নহয় সুদূৰ কামাখ্যা মন্দিৰ, শুক্ৰেশ্বৰ মন্দিৰ পৰ্যন্ত পূজা আগবঢ়াইছিল। কোনোবাই যদি কয় গোসাঁইৰ ছিদ্ৰ, কোনোৱাই গোসাঁনীৰ ছিদ্ৰ, আই শীতলা, মা দুৰ্গা, অপেশ্বৰী মা কালীৰ ছিদ্ৰ যিয়েই যি কৈছে হংসধৰ শৰ্মাই সকলোবিলাক পালন কৰিছে। তেওঁক এটি সন্তান লাগে। শান্তিপ্ৰিয়া মানুহজনী সন্তান নোহোৱাৰ বাবে ভাগি পৰিছে। তিনিবছৰ, পাঁচবছৰ, সাতবছৰ ধৰি সন্তান নোহোৱাৰ বাবে বহুতে তেওঁক বাজী বুলি ইতিকিং কৰিবলৈ আৰম্ভ কৰিছিল। দুই একে আন এজনী বিয়া কৰাবলৈ হংসধৰক উচটাইছিল। কিন্তু ধৈৰ্য্য, সহ্য গুণ হংসধৰৰ আছিল। আছে। এদিন শান্তিপ্ৰিয়া গৰ্ভৱতী হ'ল। হংসধৰৰ মনত বৰ স্ফুৰ্তি, মাতৃ হোৱাৰ আশাত শান্তিপ্ৰিয়াৰ চকু, মুখ পুনৰ উজ্বলি উঠিল। আৰু সঁচাকৈয়ে তেওঁ মাতৃও হ'ল। সুপ্ৰভাৰ জন্ম হ'ল। তাৰ পাছতেই শান্তিপ্ৰিয়াক বাত বিষে লম্ভিলে। কিন্তু সন্তানক লালন-পালন কৰাৰ গভীৰ দায়িত্বত এই বিষ নিৰাময়ৰ চেষ্টা নকৰিলে পোনতে। ফলত অসুখে লাই পালে। পিতাকৰ চকুৰ মণি, আলাসৰ লাৰু, মাকৰ হৃদয় সদৃশ সুপ্ৰভাই কেতিয়াও মাক-পিতাকৰ মনত দুখ নিদিয়ে। অপবাদ দিয়াৰ কথা বাদেই। দুয়ো যলৈকে উলিয়াই পঠিয়াই ত'তেই বিনা বাক্য ব্যয়ে গুচি যাবগৈ। ছোৱালী গচ্ছিত ধন। আনৰ ধন আনক দিবই লাগিব। এই কথা প্ৰায়ে পিতাকে আনক কোৱা শুনিছে। এইখন ঘৰৰ পৰা মাক-পিতাকক এৰি যাব লাগিব– এই কথা ভাবিলে সুপ্ৰভাৰ অন্তৰখন হাঁহাকাৰ কৰি উঠে।

বাৰিষাৰ কুলশীৰ পানীয়ে দুয়োকুল উপচাই পেলোৱাৰ দৰে শোকবোৰ হৃদয়ৰ দুয়ো পাৰ উপচি দুচকুৰে বৈ আহে।

তথাপিও কপাহী প্ৰতিমাই খোচা বিন্ধা কৰা স্বত্বেও সিহঁত দুটাক অন্তৰেৰে এজাউৰি গালি পাৰিবলৈ মন যোৱা নাই। সিহঁতৰ বাক্যবাণবোৰ দেখো তাইৰ অন্তৰত এক অদ্ভুত শিহৰণৰহে সৃষ্টি কৰে। যিমানে সিহঁতে তাইলৈ কটাক্ষ কৰে তিমানেই দেখো সেই উজনিৰ বামুণটোৰ কজলা বৰণৰ চকুহালে নিলাজৰ দৰে তাইৰ সমুখত দেখা দিয়ে। শান্ত, সৌম্য অথচ হাঁহিমুখীয়া ওখ পাখ মানুহজনে দং দং কৰে চকুৰ সমুখত ভাঁহি দেখা দিয়ে। মাক পিতাকৰ কথা ভাবিলে তেওঁ পটকৈ নাইকিয়া হয় যদিও ঘপহকৈ পুনৰ দেখা দিয়ে। লুকা-ভাকু খেলা বৰ পাকৈত মানুহটো! নিলাজো! মাক-পিতাককো লাজ নকৰে!

আজি গাঁৱৰ প্ৰায়বোৰ মতা পথৰুঘাটলৈ গৈছে। ঝকৰা, পন্টা ভাত, অথবা জা-জলপান যিয়ে যি পাইছে খাই গুচি গৈছে। দেশখনত কিবা শনিয়ে পাইছে। মানুহবোৰৰ অৱস্থা এনেয়ে বেয়া। তাতে মৰাশত শগুণ পৰাদি বিদেশী ইংৰাজে মানুহৰ ওপৰত কৰ বহুৱাইছে। তাতে নাঙলৰ কৰ। নিমখ তেলৰ কথা নাই; খাবলৈ চাউলৰো নাটনি। কাঠ আলু অথবা কঁচুখাই মানুহবোৰ জীয়াই আছে। বিদেশীমখাইনো খাজানা লগাব পায়নে? আগতে কোৱা মতেই বামুণটো আহিল। পিতাকে পথৰুঘাটলৈ যাওঁতে সোঁৱৰাই গৈছে। সেয়ে সুপ্ৰভাৰ মন বহো তাঁতৰ পাতত চকু আলি বাটত। আশা কৰামতেই বিদ্যাকান্ত আহিল। মাকক জাৰি প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিলে। সুপ্ৰভাই আগ বঢ়োৱা জলপান তামোলো খালে। আজি বামুণটোৰ ওচৰত সুপ্ৰভা বহুখিনি সহজ হৈছে। মানুহজনেও পিতাক নোহোৱাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে। প্ৰথম দিনাতকৈ বেচি সময় তেওঁ ঘৰখনত থাকি এটা সময়ত বিদায় ল'লে। বামুণটোৰ অনুসন্ধিৎসু চকু দুটালৈ চাবলৈকে বৰ ভয় লাগে সুপ্ৰভাৰ। চালেই যেন দহি নিব তাইৰ দুচকু!

ঃ প্ৰভা, অ' মোৰ মা?

খপজপকৈ বিচনাত উঠিল সুপ্ৰভা। পিতাক হংসধৰ শৰ্মাৰ মাত। চিধাই সোমাই আহিল তেওঁ।

ঃ মোৰ চোলা আৰু কাপোৰ বাহিৰত থৈছোঁ। গামোছা, ধূতি এখন

দেছোন মা। গাটো তিয়াই লওঁ।

ঃ পথৰুঘাটত আজি কি হ'ল পিতাই?

সুপ্ৰভাৰ পৰা গামোছা আৰু ধুতিখন লৈ হংসধৰ শৰ্মাই মাথো ক'লে,—

ঃ তহছিলদাৰে খবৰ দিলে দুদিন পাছত জিলাৰ বৰচাহাব আইভো আমাৰ গোচৰ শুনবালেগি। সেয়ে বেচি হৈ হাল্লা কৰ্‌বা লাগা নহ'ল।

ঃ তই শুদিৰৰ গা চুলিয়েই গা ধোৱা মানটোই ইতা মুছলমানকতো চুব লাগা হৈছি? লগুণ সলাবা লাগ্‌ছিল নেকি পিতাই?

কথাখিনি কৈয়েই মুখ টিপি হাঁহি সুপ্ৰভা ওলাই গ'ল। এইছোৱালীজনী মহাদুষ্ট হৈছে। ছল পালেই খোচাটো মাৰিব নাপাহৰে। হংসধৰ শৰ্মাই চকু ঘোপা কৰি তাই যোৱালৈ চাই ৰ'ল।

ঃ অ' দাইনা?

ঃ কওক ওঝা।

ঃ তুমি দেখো বাটৰ কঁচু গাত ঘুহিবা আৰম্ভ কচ্ছা?

ঃ বাটৰ কঁচু?

ঃ অ' অ' বাটৰ কঁচু।

ঃ কঁচু খুওৱাবাই লাগ্‌বো।

ঃ খুওৰবাই লাগ্‌বো? কিয়া?

ঃ বৰাই খাৱা কঁচুৰ কথা মই ক'ৱা নাই। মানুহে খাৱা কঁচুৰ কথাহে মই কৈছু। কঁচু খালে বাতবিষ ভাল হয়। কঁচুৰ ঠাৰিৰ তৰকাৰী তেজৰ বাবে ভাল। ক'লা কঁচুৰ ৰসে বিষ গুছৱেই। বৈদ্যবোৰে শোথ আদি অসুখ জাৰ্‌বা লেগি ক'লা কঁচুৰ পাত ব্যৱহাৰ কৰেই—

ঃ হ'বো হ'বো। তুমিও বিদ্যাকান্তৰ দৰে বেজালি কৰ্‌বা নালগেই। বিদ্যাকান্তৰ কথা আৰম্ভ কৰা।

ঃ হয় নিকি? কৰপে আৰম্ভ কৰোঁ? যৰপে কঁচুৰ কথা আৰম্ভ কৈচ্ছাহ?

আগতে ৰাইজমেলবোৰ সন্ধিয়া বা নিশা হৈছিল। এতিয়া দিনে ৰাতিয়ে হৈ আছে। গছৰ তলত, নৈৰ পাৰত, মঠ মন্দিৰ প্ৰাংগণ, ঘৰৰ ভিতৰত কেৱল এটি আলোচনা পথৰুঘাটলৈ মহিলা, শিশু, আলৰ বুঢ়া আৰু বেমাৰীসকলৰ বাহিৰে আটায়ে যাব লাগিব। কৃষক ৰাইজক দেখি জিলা বৰচাহাবে বুজিব লাগিব আমাৰ শক্তিৰ কথা। আমাৰ দাবীক উলাই কৰিলে কি ভয়ানক ঘটনা হ'ব পাৰে বৰচাহাবে দেখিয়েই বুজি পাব লাগিব।

পাতিদৰং, শিৱমন্দিৰ প্ৰাংগণত বটগছৰ ডালৰ তলত বৈ থকা যতীন, কনকহঁতক দেখি ফটিকে নিজকে নিজে নেতা বুলি জহাবলৈকেই পথৰুঘাটৰ কথা কৈ তাৰ হাতত বেচি সময় নাই বুলি বেগাবেগিকৈ ঘৰলৈ খোজ ল'লে। পথাৰখন পাৰ হ'লেই খাৰখোৱাপাৰা গাঁওখন। ফটিকৰ নিজৰ গাঁও। আচলতে পিতাক জয়নাথ শৰ্মাই তাৰ দ্বাৰাই পাতিদৰঙৰ গাওঁবুঢ়া আঠিয়ালৈ খবৰ এটি পঠিয়াইছিল। আজি সন্ধিয়া তেওঁ আহিব লাগে। দুয়ো বৰমপুৰলৈ যাব। বৰমপুৰৰ মানুহখিনিৰ দুই এক কথাবোৰ বুজি পোৱা নাই। ফটিকে আঠিয়া কোচক পালে। তেওঁ যাম বুলি সন্মতি দিলে।

পিচে ফটিকৰ উদ্দেশ্য বেলেগ। এই আবেলি চৰাই নিজ বাহলৈ ওভটা সময়ত সুপ্ৰভা প্ৰায়ে পুখুৰীলৈ পানী নিবলৈ আহে। প্ৰতিমাহঁতৰ লগত আহে যদিও সিহঁতৰ পানী নিয়া হ'লে সুপ্ৰভা দুই এবাৰ অকলেই আহে। কাৰণ তাইৰ মাকৰ অসুখ। এই সুবিধাতে তাইক লগ কৰি কথাটো সুধিব লাগিব।

পথাৰখন পাৰ হৈ ফটিকে নিজৰ গাঁৱত ভৰি থলে। প্ৰথমে নিজৰ ঘৰলৈ গৈ পিতাকক কথাটো কোৱা হওঁক। ভাবিয়েই সি ঘৰলৈ বুলি খোজ ল'লে।

ঔটেঙা জোপাৰ তল পাৰ হৈ বেতনি। এই বেতনি ডৰা পাৰ হ'লেই কলিতা চুবা। কলিতা চুবাৰ দাঁতিৰে গ'লেই বামুণ চুবা। এই চুবাৰ একেবাৰে মূৰৰ ঘৰটো হ'ল সুপ্ৰভাহঁতৰ। সিহঁতৰ ঘৰৰ পৰা বৰুৱা চুবালৈ যাব লাগে। বৰুৱা চুবাৰ দাঁতিতেই পুখুৰীটো। পুখুৰীটোৰ পাৰতেই গোসাঁই ঘৰ। এই বৰুৱা চুবাৰ নাম মৌজাদাৰৰ বাবেই হৈছে। ৰজাদিনীয়া পুখুৰীটো কোনে খন্দাইছিল সেই লৈ মত বিৰোধ

আছে। কোনোৱে কয় ভূঞা ৰজা, আকৌ কোনো কোনোৱে কোচ ৰজাসকলে এই পুখুৰীটো খন্দাইছিল বুলি কয়। গোসাঁই ঘৰটো মূলতঃ শিৱমন্দিৰেই আছিল। পিছে দামোদৰীয়া ভকতৰ প্ৰভাৱত ভাগৱতৰ পাঠো অন্তৰ্ভুক্ত হ'ল।

ইচ্ছা কৰিয়েই পোন বাটে নগৈ ফটিকে গোসাঁই ঘৰ হৈ আহিল। গোসাঁই ঘৰৰ সমুখত ক্ষন্তেক সময় ৰৈ সি পুনৰ খোজ দিলে। মৌজাদাৰৰ পদূলি মুখ পাওঁতে সি মন কৰিলে সুপ্ৰভা কাষত কলহ লৈ আহি আছে। লগত সেই ৰাংঢালি, মুখ - চহকী কপাহী আৰু প্ৰতিমা। সিহঁতৰ কাষেৰে পাৰ হোৱাই টান। অৱশ্যে তাৰ লগত কনক, চম্পকহঁত থাকিলে কথা সুকীয়া। চম্পকৰ আকৌ প্ৰতিমাৰ সৈতে বুজাবুজি। চম্পকেই কালি ৰাতি পুখুৰীৰ পাৰত বহি থাকোঁতে কথাষাৰ কৈছিল। শুনিয়েই তাৰ গা-মূৰ গৰম হৈ গৈছিল।

ঃ ব'ল একসেকা ভাল্‌কে দেওগৈ।

ফটিক উঠিছিলেই। কনকে বাধা দিলে। চম্পকে ক'লে ঃ

ঃ আগতে কথাটো সঁচানে মিছা তই প্ৰভাক সোধচোন।

গোটেই ৰাতিটো ফটিকৰ টোপনি নাহিল। যেন তৎমুহূৰ্ততে সি আহি সুপ্ৰভাক কথাটো সুধি পেলাব। যদি তাই না কৰে তেন্তে ভাল। আৰু যদি হঁা কৰে? পিতাকে আঠিয়া কোচক মাতিব দিয়াৰ বাবে তাৰ খঙেই উঠিছিল। পিতাকৰ কথা নুশুনিলেও বেয়া হ'ব। গোটেই বয়োবৃদ্ধ মানুহবোৰ এক গোট হৈছে। সিহঁত ডেকা ল'ৰাবোৰতকৈ তেওঁলোক এখোপ চৰা। মাটিৰ খাজানা নকমালে নহ'ব। এইবাৰ শেনৰ এজাত। সেয়ে পিতাকৰ কথা নমনা মানে দেশদ্ৰোহী , কাপুৰুষ আখ্যা পোৱা। পিতাকৰ যিহে মুখ। চিধাই অশ্ৰাব্য গালিৰ শিল বৰষুণ বৰ্ষিব। সেয়ে ৰাতিপুৱা মুখ-হাত ধুই জলপান অকনমান মুখত দি পাতিদৰঙলৈ খোজ লৈছিল।

কাষেৰে যেন গৰম এচাটি বতাহ পাৰ হ'ল। এই বতাহত উৰি অহা ডাল পাতৰ খোচটো ফটিকৰ গাত নলগাকৈ নাথাকিল।

ঃ হাপাই ৰখিলা তিৰী

কপাহীৰ কথাৰ লগে লগেই যোগ দিলে প্ৰতিমাই,—

ঃ শিয়াল হ'ল উপৰতে গিৰী!

এজাউৰী হাঁহি নহয় যেন বিজুলী ঢেৰেকণী।

ফটিক বৈ গ'ল। সি উভতি চালে। মুখ টিপি হাঁহি সুপ্ৰভাই খোজ দিছে বান্ধবীসকলৰ সৈতে। কপাহী, প্ৰতিমাৰ এই কথাষাৰৰ অৰ্থ কি হ'ব পাৰে বাৰু? জ্বৰে ঘমাদি সি আজিয়েই সুপ্ৰভাৰ পৰা সকলো কথাৰ বুজ ল'ব লাগিব। ভাবিয়েই খৰধৰকৈ খোজ ল'লে।

জয়নাথ শৰ্মাই চোতালৰ এদাঁতিত ৰ'দ পৰা ঠাইত ঢাৰি এখন বৈ আছিল। ফটিকে চিধাই গৈ খবৰটো দিলে। আঠিয়া কোচ আহিব। ভনীয়েকক ভাত-পানী দিবলৈ কৈ সি নিজ কোঠাত সোমাই চোলাটো সলালে। পিতাকে বুঢ়ী নগৰৰ দেউল চাবৰ বাবে আনি দিয়া নতুন চোলাটো পিন্ধি ল'লে। ভনীয়েক কদমীয়ে আগবঢ়াই দিয়া পানী ঘটিটো লৈ মুখখন, ভৰিখন ধুলে। মাকে ভাতৰ কাহি আগবঢ়াই দিলে। ভাত কি খালে ফটিকে ততেই নাপালে। ততাতৈয়াকৈ মুখখন ধুই ফটিকে পুখুৰীলৈ বুলি খোজ ল'লে।

চব খেলিমেলি হৈ যাব যদি সুপ্ৰভাই কথাটো হয় কৰে। খটম কৰি দিব সি কথাটো যদি সঁচা হয়। গাঁৱৰ ডেকা - ডেকেৰী প্ৰায়বোৰেই জানে সুপ্ৰভাক সি ভাল পায়। টিকা ফটা ৰ'দত পথাৰলৈ চাহ-জলপান দিবলৈ সি ঘামি-জামি উভতি আহি সুপ্ৰভাক দেখিলে তাৰ দেহ মন শাঁত পৰি যায়। পিতাকে অকৰ্মণ্য, ধোদ বুলি অশ্ৰাব্য ভাষাৰে গালি পাৰিলে খঙত চিৰকালৰ বাবে ঘৰ এৰি যাওঁ বুলি ওলাই আহি সুপ্ৰভাহঁতৰ ঘৰৰ সমুখ পালে তাৰ খং, ৰাগ- অভিমান ভেটোৰাৰ আঠা আৰু মুখৰ থুৰে তৈয়াৰ কৰা বুদবুদৰ দৰে পটকে নাইকিয়া হয়। সৰুৰে পৰা ফটিকে সুপ্ৰভাক দেখিছে। যিমানে তাই ডাঙৰ হৈছে তিমানে তাই অতি ধুনীয়া হৈ পৰিছে। সেই ধুৰেনী হোৱাৰ পৰা তাই যিমানে লাজুকী হৈছে দেহ আবুৰ কৰি চাদৰ মেখেলা পিন্ধিছে তিমানে ফটিকৰ মনত সংশয় হৈছে। তাইৰ ওপৰত বেলেগৰ দৃষ্টি নপৰেতো? কপাহী, প্ৰতিমাহঁতৰ সৈতে যোৱাবেলি বহাগত বুঢ়ী নগৰৰ দেউল চাবলৈ যাওঁতে সি চেগ চাই তাইক পকা মিঠৈৰ সৰু টোপোলা এটি দিছিল। পকা মিঠৈ মানে জিলাপী কেইখনমান, সৰু সৰু খুৰমা আৰু বুন্দিয়া অলপ। সাগৰহেন বুঢ়ীনগৰ পুখুৰী পাৰৰ বটগছজোপাৰ তলত বহি আছিল সিহঁত। ফটিকে কনকৰ বুদ্ধি মতে মিঠৈ খিনি চিধাই প্ৰতিমা, কপাহীৰ মাজত বহি থকা

সুপ্ৰভাক দিলে। সেয়াই তাৰ বাবে কালো হ'ল-ফলো হ'ল।

ঃ তই ফটিকদা সেইখিনি মোক নিদি প্ৰভাক কিয়া দিলি? -কপাহীৰ প্ৰশ্নত ফটিক উচপ খাই উঠিল।

ঃ নে তই বামুণৰ লিকিৰা বাবে বামুণৰ ঝিয়াক দিছ?

প্ৰতিমাৰ ওলোটা প্ৰশ্নবাণ কনকে খণ্ডন কৰিলে, ঃ সি তহঁত দুটাক নিদি প্ৰভাক কিয়া 'দিছি এয়া সুধৰা লাগা কথা নিকি?

ঃ অ' তই তাৰ মানে প্ৰভাৰ মনটো পাবাক লেগি মিঠৈই দি ভুলক'বা আইছহ?

কপাহীৰ কথাত সুপ্ৰভাই মিঠাইৰ টোপোলাটো প্ৰতিমাৰ হাতত দি উঠিছিলেই।

ঃ ফটিকে প্ৰভাক ভাল পাবা খোজেই। -কনকৰ কথাত সুপ্ৰভাৰ গাল-মুখ ৰঙা পৰি উঠিল। তাই খং কৰি উঠি আহিল,

ঃ তহঁত বৰ অসভ্য!

বচ! কনকে সমস্যাটো সমাধান কৰি দিছিল। সিদিনাৰে পৰা ফটিকক দেখিলেই সুপ্ৰভাই তললৈ মূৰ কৰে। লাজ লাজকৈ আঁতৰি যায়। ফটিক হতাশ হয়। কনকৰ মন্তব্য, ঃ তই এটা মস্ত বুৰ্বক! প্ৰভাই তোক ভাল পায়। সেইবাবেই তেনে কৰে। তই তাইৰ পিছ নেৰিবি?

ফটিকে ভবামতেই সুপ্ৰভা এইবাৰ পানী দিবলৈ অকলে আহিছে। এইবেলি তাইৰ খোজ খৰ। বান্ধবী কেইজনীৰ সৈতে আহিলে আকৌ খোজ দিবলৈকে পাহৰে। সি ততাতৈয়াকৈ পুখুৰী পাৰত বহি ল'লৈ। সি বহা ঠাইৰ কাষেৰে সুপ্ৰভা পানী নিবলৈ যাব লাগিব। কাৰণ সেয়া যে বৰুৱা চুবাৰ ঘাট। তামোল গছ কাটি পানী নিব পৰা সুবিধা কৰি দিয়া হৈছে।

সুপ্ৰভা সুৰ-সুৰকৈ কাষেৰে পানী ঘাটলৈ নামিছিলেই। ফটিকে মাত দিলে, — ঃ প্ৰভা?

সুপ্ৰভাই ঠাইতে ৰৈ তালৈ মুখ ঘূৰালে। যেন ইমান সময়ে জোপোহাৰ আঁৰ হৈ থকা জোনটোৱে হঠাৎ মুকলি ভাবে দেখা দিলে। ফটিকৰ অষ্ঠ-কণ্ঠ শুকাইছিল। তথাপি সি ক'বলৈ চেষ্টা কৰিলে,—

ঃ মই তোক এটা কথা সুধ্‌বা লাগ্‌ছিল

ঃ কি কথা?

ফটিকে সুপ্ৰভাই টানকৈ কথা ক'ব বুলি ভবা নাছিল।

ঃ নক'ৰ কিয়? মোৰ চুপেতি মাৰ্‌বা সময় নাই। দেখা নাই মুখ আন্ধেৰি হৈছি?

হয়তো? পুখুৰীৰ পাৰে পাৰে এন্ধাৰবোৰে লুকা-ভাকু খেলিবলৈ আৰম্ভ কৰিছে। চৰাইৰ দপদপনিত মুখৰ হৈ পৰা পুখুৰীটো এতিয়া শান্ত সমাহিত। সুপ্ৰভাৰ বাহিৰে এতিয়া কোনো নাই অহা পানী নিবলৈ। মন্দিৰৰ শংখ, ঘন্টা বাজেহে।

ঃ তহঁতৰ ঘৰকলেগি বোলে উজনিৰ বামুণটো ঘনকে যাবা আৰম্ভ কছ্ছি?

ভয়ে ভয়ে ফটিকে সুধিলে।

ঃ আমাৰ ঘৰত যাৱাটো সত্য। কিন্তু ঘন ঘনকে নহয়। দুদিন গেইছি। মাইক ঝাৰবা লেগি।

সাঁকোত উঠি কলহটোত পানী ভৰাই কঁকালত কায়দাকৈ আউজাই লৈ সুপ্ৰভা পাৰলৈ উঠি আহিল।

ঃ বামুণটো আমাৰ ঘৰকলেগি আইছি, তোৰ আকৌ কি হ'ল?

সুপ্ৰভাই এইদৰে ওভোটাই ধৰিব বুলি সপোনতো ভবা নাছিল ফটিকে। সি থতমত খালে। হয়তো? বামুণটো সিহঁতৰ ঘৰলৈ গৈছে। কিয় গৈছে? মাকক জাৰিবলৈ। তাতে আকৌ মোৰ কি হ'ল? মই আকৌ এইবোৰ কথা কিয় সুধিব লাগে? সুপ্ৰভাই খং খাবই । অথবা সি শুন্যমতে যদি বামুণটোই কিবা ধাণ্ডাত তাহাঁতৰ ঘৰলৈ গৈছে তেন্তে? সুপ্ৰভাই যদি ফাঁকি দিছে? তলে-পুতলে যদি তাইৰো মনে মনে ..... এই যাঃ! মাথা কিবা খাৰাপ হৈ যায়। ফটিকে সুপ্ৰভালৈ চালে। তাই ইমান সময়ে ওচৰত থাকিবনে? মন্দিৰ পাৰ হৈ বৰুৱা মৌজাদাৰৰ ঘৰৰ সমুখ পাইছে তাই। এন্ধাৰবোৰে তাইৰ পিছে পিছে খেদি ফুৰিছে।

অ' অ' ....

আন্ধাৰ নামিল আন্ধাৰ নামিল দৰঙ্গ দেশত।

কৃষক ৰাইজ সবে যাবা ওলাল পথৰুঘাটত।।

আহ ভাইহাত ওলেই আহ, আহ সাজি কাছি।
মাটিৰ খাজানা নক'মেলি ঘূৰি নাহোঁ আজি।।

বাঁহৰ বেৰৰ ফাঁকেৰে সোমাই অহা পোহৰবোৰে বৰকৈ আমনি কৰা বাবেই বিদ্যাকান্ত বিচনাৰ পৰা উঠিল। পিন্ধি থকা ধুতিখন ঠিক ঠাক কৰি বেৰত গুজি থোৱা সৰুৱাৰ থানিৰ অংশবিশেষ মুখত লৈ ওলাই আহিল। লগুণডাল কায়দাকৈ কাণত গুজি চেগ চাই বাটৰ দাতিঁতেই পেচাব কৰি পুনৰ উভতি আহিল। ঘৰটোৰ বাৰান্দাতেই ঘটি আৰু ডাবৰ থৈ দিয়া আছিল। তেওঁ ঘটিটো লৈ কিছু দূৰলৈ আহি মুখ হাত ধুলে। ঘটিটো পুনৰ আগৰ ঠাইত থওঁতেই হঠাৎ কিছু চিনাকি কিছু অচিনাকি কণ্ঠ শুনি তেওঁ ঘূৰি চালে। বৰুৱা মৌজাদাৰ।

ঃ আমাৰ ডেকাদেউ ৰাইজমেলৰপে আহোঁতে দেৰি হৈছিল বোধহয়? - কৈয়েই মৌজাদাৰ ওচৰ চাপি আহিল।

ঃ বস্তু বাহানিবোৰ অনোৱা হ'লনে?

ৰাইজমেলৰ প্ৰসংগ এৰাবলৈকে বিদ্যাকান্তই প্ৰশ্নটো সুধিলে। কিনো লাভ এইবোৰ বলকি? এখেত সকল চৰকাৰ বাহাদুৰৰ হৈ কাম কৰি আছে। বিৰুদ্ধাচৰণ কৰাৰ খবৰ পালেই বৃটিছ চৰকাৰে মৌজাদাৰৰ দায়িত্বৰ পৰাই এৰাই দিব।

পিচে মৌজাদাৰ নাচোৰবান্দা।

ঃ বস্তু বাহানি আটাইবোৰ অনোৱা হ'ল। ভঁৰাল ঘৰতেই থৈ দিছোঁ। আজি আপুনি এবাৰ ভালদৰে চাই চিতি দিব। ৰাইজমেলৰ সিদ্ধান্ত কিনো হ'ল?

বিদ্যাকান্তই দেখিলে মৌজাদাৰৰ পৰা ৰাইজমেলৰ কথা আঁতৰাই কোনো লাভ নাই। সাপো মৰক, লাঠিও নাভাঙক এইভাবে তেওঁ মাথোঁ উত্তৰ দিলে,—

ঃ সিদ্ধান্ত মানে তেনে বিশেষ সিদ্ধান্ত হোৱা নাই। মাথোঁ আগতকৈ ৰাইজ বেচি হ'ব লাগিব এই কথাতেই আটায়ে জোৰ দিছে।

ঃ আমাৰ অৱস্থা ইতা দুই নাৱত দুই ভৰি । আমি ৰাইজকো এ'ৰ্বা নৰোঁ। চৰকাৰৰ বিৰুদ্ধেও যাবা নৰোঁ। পৰ্হিদিনা কিবা এটা হেষ্ট-নেষ্ট হ'লেই হয়। - কৈয়েই মৌজাদাৰে হুমুনিয়াহ এটি এৰিলে।

ঃ নাই নাই? ৰাইজ যিদৰে জাগিছে চৰকাৰে কিবা এটা কৰিবই লাগিব।

বিদ্যাকান্তৰ মুখত আত্মপ্ৰত্যয়ৰ সুৰ শুনি বৰুৱা মৌজাদাৰে তেওঁৰ দুচকুলৈ পোনপতীয়াকৈ চালে। ডেকা মানুহ। সেইবাবেই এইদৰে কৈছে। উভতি যাওঁতে মৌজাদাৰে মাথোঁ কওঁ-নকওঁকৈ ক'লে—

ঃ জানো এই বিদেশী মখাৰ মন বুজাই টান!

মৌজাদাৰৰ মন্তব্যত বুকুখন মৃদুভাবে হ'লেও কঁপি উঠিল বিদ্যাকান্তৰ। তেওঁ পুনৰ মৌজাদাৰলৈ চালে। লাহে লাহে তেওঁ বাৰীৰ ভিতৰলৈ গৈ আছে। যদি মৌজাদাৰে ভবামতেই চৰকাৰে কৃষক ৰাইজৰ দাবী মানি নলয় তেন্তে কি হ'ব পাৰে বাৰু? দিন ৰাতি একাকাৰ কৰি মানুহবোৰ ঘূৰি ফুৰিছে। তেওঁলোকৰ উদ্দেশ্য তেনেই পৰিস্কাৰ। চৰকাৰ বাহাদুৰে দেখিয়েই বুজক যে মাটিৰ খাজানা কমোৱাৰ দাবী এমুঠি মানুহৰ নহয়। সমগ্ৰ দৰঙী ৰাইজৰ। সেয়ে এই হেজাৰ বিজাৰ ৰাইজৰ দাবী কি যুক্তিত নাকচ কৰিব পাৰে? আৰু যদি মৌজদাৰৰ কথাই সত্য হয়?

বিদ্যাকান্তৰ মনটো বিষাদেৰে ভৰি পৰিল। ৰাতি ভাল টোপনি অহা নাই। তাতে এনেবোৰ চিন্তাই এতিয়া মন আৰু দুৰ্বল কৰিব। প্ৰথমতে নিত্য কৰ্ম সম্পন্ন কৰি গাটো তিয়াই লোৱা যাওঁক! মনটো শাঁত পৰিব। ভাবিয়েই কাপোৰ আনিবলৈ তেওঁ ঘৰৰ ভিতৰলৈ সোমাই গ'ল।

ঃ অ' ওঝা?

ঃ কি হ'ল দাইনাপালি?

ঃ পথৰুঘাটত কিবা হৈ আছেই নিকি?

ঃ পথৰুঘাটত? বৃহস্পতিবাৰে জিলাৰ বৰচাহাব আইভো। সেয়ে মণ্ডলদৈৰ পুলিচ চাহাবৰ গাত তত্ নাই!

ঃ তত্ নাই? কিয়া?

ঃ শুনা তেন্তে—

মঙ্গলবাৰে কৃষক ৰাইজ গ'ল ঘৰা - ঘৰি।
পিচদিনা আহি পালা চাহাব চিপাহী।।

চিপাহীয়ে দেখি শুনি থিৰ কৰি পাছে।
দিৰ্গজ্যৰ দক্ষিণফালে বৰপথৰ আছে।।
শুনি গাঠি চিপাহীয়ে মন থিৰ কৰে।
কুলি লগেই পথৰৰ হাবি বন ঝোৰে।
বাঁহবেত আনি পাছে বৰ ঘৰ বান্ধিলা।
এইমতে চাৰিওফালে গড় বেৰা দিলা।।
যেনমতে বিশ্বকৰ্মে লংকাক সাজিলা।
সেইমতে বৰপথৰত ঘৰ সাজি লৈলা।।

ঃ *বিদ্যাকান্তই ইতা কি কৰি আছেই?*

ঃ *কি কৰ'বো আৰু? শিয়ালা গোসাঁইৰ থানলৈ গৈ আছেই?*

ঃ *শিয়ালা গোসাঁই?*

দৰঙৰ ৰজাৰ পৰিয়াল হাউলীমোহনপুৰৰ পৰা হাতীৰে অথবা গৰুগাড়ীৰে খাৰখোৱাপাৰাৰ এই বৰুৱা মৌজাদাৰ ঘৰলৈ আহোঁতে দেওমৰনৈ বুলি এখন ঠাই পায়। খাৰখোৱাপাৰাৰ দক্ষিণে বৈ যোৱা এসময়ৰ প্ৰতাপী নৈখন এতিয়া দেৰে মৰানৈ। সেয়ে দেওমৰনৈ হৈছে। সম্বৎসৰ ভূঞা নামৰ এজন ঋষিতুল্য ব্যক্তিৰ সাপ ভ্ৰষ্টা হৈ মৰানৈত পৰিণত হোৱা কাহিনী বিদ্যাকান্তক ধৰণী আৰু মনিয়াই কৈছে। ধৰণী মৌজাদাৰৰ ম'হৰ গাড়ীৰ গাৰোৱাল। মনিয়া মোজাদাৰৰ একমাত্ৰ হাতী মাউত। তেওঁলোক দুয়ো মুখে মুখে যি শুনিছে তাকেই তেওঁক কৈছে। দেওমৰনৈ নামৰ তিনিআলি লগ হোৱা চ'ক বা চৌকাৰ উত্তৰে মৰনৈ বৈ গৈছে। এই মৰনৈৰ উত্তৰে সৰু সৰু টিলাৰে বিস্তীৰ্ণ ভূ-খণ্ড গছ-গছনিৰে পৰিপূৰ্ণ। ইয়াৰ উত্তৰ মূৰত আছে ৰজাদিনীয়া ইক্সা আৰু কোদালধোৱা পুখুৰী। কোদালধোৱা পুখুৰীৰ পূৱে বৈ যোৱা মৰনৈৰ সীপাৰে শিয়ালা গোসাঁইৰ আশ্ৰম। এই আশ্ৰমৰ দক্ষিণে শিয়ালা গোসাঁইৰ থান।

বিদ্যাকান্তই শিয়ালা গোসাঁইৰ থানৰ নাতিদূৰৈৰ মৰনৈ পাৰত থিয় হৈ হাবি - বননিৰে পৰিপূৰ্ণ ঠাইডোখৰলৈ চাই পঠিয়ালে। মনতে কল্পনা কৰি চালে শিষ্য-প্ৰশিষ্যৰে পৰিপূৰ্ণ আশ্ৰমৰ প্ৰাত্যহিক জীৱনযাত্ৰা কেনে হ'ব পাৰে!

বিস্তীর্ণ, বোঁৱতী নৈ। যেন কৌশকি গংগা।

শুকুলা পালতৰা নাও-শুকুলা মেঘৰ ফাকে ফাকে উৰি যোৱা বগা বগা বগলী-শুভ্ৰ মেখেলা চাদৰ পৰিহিতা মুনি পত্নী - কাষলতিত সোণালী ৰঙৰ কলহ।

নৈৰ ঘাটত পানী তুলিবলৈ আহি দেখে ঘাটত এখন দুখন কেইবাখনো নাও। নাওৰ ওপৰত থিয় হৈ, বহি থকা কেইবাখনো অনিসন্ধিৎসু মুখমণ্ডলত তিৰ তিৰাই থকা কেইবাজুৰি চকু। ওৰণিখন যৎসামান্য বহলাই ৰূপহী মুনি-পত্নীয়ে নৈ ঘাটলৈ চালে! নাই - পানী তুলিবলৈ অকনো ঠাই নাই! নিৰাশমনেৰে গোসাঁনী আশ্ৰমলৈ উভতিল!

দেৱ প্ৰতিমা ধুৱাই সতেজ জল অপেক্ষা কৰি থকা শিয়ালা গোসাঁই অধৈৰ্য্য হৈ ৰৈ আছে। গোসাঁনীয়ে যেতিয়া নিজ অপাৰগতাৰ কথা বৰ্ণনা কৰিলে শিয়ালা গোসাঁই দুৰ্বাসা মুনিলৈ ৰূপান্তৰিত হ'ল।

তড়িৎবেগে নৈৰ ঘাটলৈ আহি জুম বান্ধি থকা নাও, নাৱৰীয়াসকলক অভিশাপ দিলে। যেন ভূমিকম্প আৰম্ভ হ'ল। এখন এখনকৈ নাও কৌশংকি গংগাত নিমজ্জিত হ'ল। স্তব্ধ হৈ গ'ল গংগা!

বিষাদগ্ৰস্ত মুনি শিষ্য-প্ৰশিষ্যসহিতে দক্ষিণলৈ গুচি আহিল।

অভিশপ্ত মৰানৈ এতিয়া তেনেই শীৰ্ণ।

ঠায়ে ঠায়ে মেটেকাই পোহাৰ মেলিবলৈ আৰম্ভ কৰিছে। মৰানৈৰ পশ্চিমে নাতি ওখ টিলাবোৰে যেন এই শিয়ালা গোসাঁইৰ ইতিহাসৰ সাক্ষী হৈ থিয় দি আছে।

ঃ দেউ!

বিদ্যাকান্তই উভতি চালে।

হাতযোৰ কৰি ৰৈ আছে ওখ, হটঙা এজন ব্যক্তি। আদহীয়া। মিঠা বৰণীয়া দেহটোৰ ওলমি থকা লগুণডালে তামবৰণীয়া ৰূপ লৈছে।

ঃ মোৰ নাম হৰকান্ত। হৰকান্ত শৰ্মা। ওচৰৰ বৰিগাঁওত মোৰ ঘৰ। এই শিয়ালা গোসাঁই থান ময়েই চোৱা চিতা কৰোঁ। আপোনাক দেখিহে ওচৰ চাপি আহিলোঁ।

বিদ্যাকান্তই মন কৰিলে হৰকান্ত শৰ্মাই তেওঁক চিনি পাইহে এনেদৰে ওচৰ চাপি আহিছে। ৰজা হাউলী, মৌজাদাৰৰ ঘৰৰ পুৰোহিত হিচাপে হৰকান্ত শৰ্মাই

তেওঁক যথেষ্ট মান সম্ভ্রম সহকাৰে বহু কথাই পাতিলে। খেৰৰ সাধাৰণ ঘৰৰ থানৰ মজিয়াত কঠ পাৰি বিদ্যাকান্তক বহুৱাই লৈ হৰকান্তই নজনা বহু কথাৰ সম্ভেদো দিলে।

যি ঠাইত হৰকান্ত থিয় হৈ আছিল- তিনিবছৰমান আগতে নিকটৱৰ্তী গাঁওৰ মানুহে খৰালীত মাছ মাৰিছিল।

ইয়াৰে এজন মানুহে মাছ মাৰি থাকোঁতে আবিস্কাৰ কৰিলে এডাল পুৰণি জিঞ্জিৰি। লৌহ জিঞ্জিৰি! জিঞ্জিৰৰ অৱশিষ্ট টুকুৰা তেওঁ কৌতুহলবশতঃ ঘৰলৈ লৈ গ'ল। নিশাই তেজ বমি কৰি মানুহজন ঢুকাল।

অভিশপ্ত নাওৰ জিঞ্জিৰি ঘৰলৈ লৈ যোৱাৰ বাবেই মানুহজন ঢুকাল!

আৰু তিনিজন গঞা ওচৰ চাপি বিদ্যাকান্ত আৰু হৰকান্তৰ আলোচনাত ভাগ ল'লে। তেওঁলোকেও হৰকান্তক সহায় কৰিলে শিয়ালা গোসাঁইৰ চৰিত আলচ কৰাত।

শিয়ালা গোসাঁইৰ জন্ম বৃত্তান্ত সাধুকথাৰ দৰে উপভোগ্য। গোসাঁইৰ পিতৃ বিপ্ৰ ভূঞাৰ দুগৰাকী পত্নী কুন্দতৰা আৰু চান্দতাৰা। চান্দতাৰাৰ গৰ্ভৱতী অৱস্থাতে এদিন বিপ্ৰভূঞা তীৰ্থ ভ্ৰমণলৈ বুলি যাত্ৰা কৰিলে। সন্তানহীনা জেষ্ঠ পত্নী কুন্দতৰাক চান্দতাৰাৰ যতন ল'বৰ বাবে দিহা-পৰামৰ্শ দি ভূঞা গুছি গ'ল যদিও কুন্দতাৰাই ভৱিষ্যতে স্বামীৰ এলাগী হোৱাৰ শংকাত প্ৰসৱৰ সময়ত চান্দতৰাৰ চকুত কাপোৰ বান্ধি থ'লে। এটি হৃষ্ট-পুষ্ট সন্তান জন্ম দিয়া চান্দতৰাক এটি মাংসপিণ্ড জন্ম হোৱা বুলি কৈ সন্তানটিক এটি চৰুত ভৰাই গভীৰ বননিত থৈ আহিল। তাতে এজনী শিয়ালীয়ে কেঁচুৱাটিক দেখি নিজ বাসস্থানলৈ লৈ গৈ লালন-পালন কৰিলে।

তীৰ্থভ্ৰমণৰ পৰা ঘূৰি অহা বিপ্ৰভূঞাই চান্দতৰাই প্ৰসৱৰ সময়ত মাংসপিণ্ড জন্ম দিয়া বুলি শুনি মনত বৰ দুখ পালে।

কেইমাহমানৰ পাছত বনৰ মাজলৈ ফুৰিবলৈ যোৱা বিপ্ৰভূঞাই হঠাৎ শিয়াল কেইটামানৰ মাজত এটি শিশু আৱিস্কাৰ কৰিলে। দেৱ সম এটি শিশু তেনে অৱস্থাত দেখি সন্দেহবশতঃ বিপ্ৰভূঞাই শিশুটো নিজ গৃহলৈ আনি কুন্দতৰা আৰু লিগিৰীসকলক জেৰা কৰাত সত্য ঘটনা উদ্‌ঘাটন হ'ল।

বিপ্ৰভূঞাই কুন্দতৰা আৰু সহযোগী তিৰোতাকেইগৰাকীক মূৰৰ চুলি খুৰাই আশ্ৰমৰ পৰা বাহিৰ কৰি দিলে।

শিয়ালৰ গৰ্তত লালিত পালিত সম্বৎসৰ ভূঞাই শিয়ালা গোসাঁই।

সুচন্দাই কবিৰাজ মিশ্ৰ নামৰ এগৰাকী ভ্ৰাম্যমান মগনিয়াৰ কবিয়ে অসাধাৰণ গুণৰ অধিকাৰী পণ্ডিত সম্বৎসৰ ভূঞাৰ বিষয়ে লিখা **শিয়ালা গোঁহিৰ বংশোবলী** নামৰ এখন সাঁচিপতীয়া পুথি কাষৰ কুমাৰপৰাৰ গাঁওত থকাৰ সম্ভেদো হৰকান্ত শৰ্মাই বিদ্যাকান্তক অৱগত কৰিলে।

হঠাৎ নাতিদূৰৈত মানুহৰ গণ্ডগোল শুনি হৰকান্ত শৰ্মা উঠিল। খৰখেদাকৈ তেওঁ গণ্ডগোলৰ উৎস আলিবাটেৰে আহি থকা মানুহৰ জুমৰ ওচৰলৈ বুলি যাবলৈ ধৰিলে। বিদ্যাকান্ত সহিতে আন তিনিজন গঞাই হৰকান্তৰ পিছ ল'লে।

কান্ধত বৈ পৰা চুলি, ধুতি পৰিহিত ওখ-পাখ মানুহজনৰ খালী দেহত মাথো এখন উত্তৰীয় বস্ত্ৰ, কপালত দীঘল চন্দনৰ ফোঁট সহ প্ৰায় সত্তৰ বছৰীয়া মানুহজনৰ পিছে পিছে কমেও সাত-আঠজন গঞা!

ঃ পৰশু দাদৌ, ইমান খৰখেদাকৈ ক'লৈ যায়?

হৰকান্তৰ প্ৰশ্ন শুনি মানুহজন ৰৈ গ'ল।

ঃ তুমি?

ঃ মই হৰকান্ত শৰ্মা- বৰিগাঁওত ঘৰ।

সবিনয়ে হৰকান্তই নিজৰ পৰিচয় দিলে।

ঃ কাইলৈ তোমালোকৰ গাঁওৰ মানহবোৰ যাবোঁনে?

মানুহজনৰ চিধা-চিধি প্ৰশ্নোত্তৰৰ বাবে হৰকান্ত যেন ৰৈয়েই আছিল।

ঃ যাবো যাবো— দাদৌ, কিয় নাযাবো?

ঃ অ' যাবাই লাগ্‌বো। এই চুৰাখাৰা হাৱালদাৰৰ কাৰ্যৰ কথা শুন্‌ছাহ? আজি পুৱাৰে পৰা সি চাল্লাই স্বজাতি হৈ ওচৰ-পাজৰৰ কৃষক ৰাইজক জোৰ জবৰদস্তি হালৰ গৰুৰ নিচিনাকে লাঠিৰে কুবেই সি বেটাই ৰাতিটোৰ ভিতৰতে মোমাই কটা গড় বন্ধাত লাগ্‌ছি। সোধ নাই পোচ নাই আৰ বাঁহ, তাৰ কাঠ-খেৰ জোৰ জুলুমকৈ আন্‌ছি। কাইলৈ চাহাবক তাৰ কথা লগেই মজা দিবা লাগ্‌বো! মই ইতা পাত্‌দণ্ডক লেগি যাওঁ!

ধুমুহাৰ দৰে মানুহজন আহিছিল। তেনেদৰেই গ'ল।

হৰকান্তই মানুহজনৰ বিষয়ে সবিশেষ বিদ্যাকান্তক ক'লে। ব্যাসপাৰা গাঁৱৰ পৰশু শৰ্মা। এই বয়সতো ঘৰ-দুৱাৰ বাদ দি কেৱল ইংৰাজৰ নাঙল কৰ আৰু মাটি খাজানা বৃদ্ধিৰ প্ৰতিবাদকল্পে জনমত গঠনত লাগি পৰিছে। কালি পথৰুঘাটৰ ৰাইজমেললৈ গৈয়েই বিদ্যাকান্তই হৃদয়ংগম কৰিছে দৰঙী প্ৰজাৰ সাহস আৰু ঐক্যমত্যৰ কথা! ইয়াৰ মাজতো ৰূপকান্ত শালৈ আৰু ঘণ্ঠিৰাম শৰ্মাৰ নাম মানুহৰ মুখে মুখে। বোৰঁতী পানীৰ বিপৰীতে যোৱা ৰূপকান্ত শালৈৰ ঘৰ নলবাৰীত। মঙলদৈ থানাৰ হাৱালদাৰ শালৈক অঞ্চলটোৰ মানুহে দেশদ্ৰোহী বুলি গণ্য কৰে। একেদৰে আৰ ঘৰে তাৰ ঘৰে যজমানী কৰি ঘূৰি ফুৰা ঘণ্ঠিৰাম শৰ্মা মানুহজন আকৌ ভয়াতুৰ। তেওঁৰ মতে আমি প্ৰতাপী ইংৰাজৰ সৈতে বাদ নকৰাই ভাল। আজি কেইদিনমান আগতে ৰঙিয়াৰ ইংৰাজ চাহাবৰ চিপাহীয়ে মাটিৰ খাজানা বৃদ্ধিৰ প্ৰতিবাদ কৰিবলৈ অহা কৃষকৰাইজক বোলে গৰু-পিতন দিলে। ঘোঁৰাত উঠি বন্দুক বাৰুদ লৈ অহা চাহাবৰ সৈতে যুঁজিবলৈ কোন যাব? খাৰখোৱাপাৰা গাঁৱৰ দক্ষিণে পাতিদৰং গাঁও। এই গাঁৱৰেই অগনমেৰা কেওঁট এজন অঞ্চলটোৰ শ্ৰদ্ধাশীল ব্যক্তি। তেখেতৰ নেতৃত্বতেই পাতিদৰং তথা ওচৰ-পাজৰৰ মানুহখিনি জাগিছে। এই পাতিদৰং গাঁৱৰেই ঘণ্ঠিৰাম শৰ্মা। সিংহ থকা হাবিত শিয়াল থাকিবই। কোচ ৰজা ৰঘুদেৱনাৰায়ণে গাঁৱৰ সোঁমাজৰ অৰ্ধ নাৰীশ্বৰ শিৱমন্দিৰ এটি সাজি দি মন্দিৰৰ আশে-পাশে ব্ৰাহ্মণ, কোচ, কেওট, কলিতা, গোসাঁই আৰু বনিয়া সম্প্ৰদায়ৰ মানুহখিনিক ভাগে ভাগে চুবুৰী সাজি থাকিবলৈ দিলে। দৰঙ্গৰ মধ্যত পৰিপাটিকৈ সজোৱা গাঁও বাবেই পাতিদৰং গাঁও।

ঃ দেউ?

সম্বিৎ পোৱা মানুহৰ দৰে বিদ্যাকান্তই হৰকান্তলৈ কিছু সময় চাই ৰ'ল।

ঃ আপুনি চিন্তা কৰি আছেই দেউ!

বিদ্যাকান্তই নিজকে সহজ কৰিবলৈ যত্ন কৰিলে।

ঃ পাতিদৰঙলৈ যাব লাগিছিল!

বিদ্যাকান্তৰ মুখৰ পৰা আপোনা-আপুনি ওলাল। যেন হৰকান্ত প্ৰস্তুত হৈয়েই আছিল;

ঃ বলক দেউ-ময়েই আপোনাক লৈ যাম। পৰশু শৰ্মাদাদৌ তাকলেগিয়ে গৈইছি!

এইখিনিলৈকে মনিয়াই আগবঢ়াই থৈ গৈছিল। সি কৈছিল পুনৰ লৈ যাম বুলি । বিদ্যাকান্তই মানা কৰিছিল। মৌজাদাৰৰ ঘৰলৈকে তেওঁ যাব পাৰিব। অসুবিধা নহ'ব। পাতিদৰং গাঁওখন নিচেই ওচৰত হ'লেও কোনোদিনে যোৱা নাই। সেয়ে আলি-পদূলি চিনা এজন মানুহ গ'লে ভাল। হৰকান্ত শৰ্মা যাবলৈ ওলোৱাত বিদ্যাকান্তই ভালেই পালে। তাৰ পৰা তেওঁ বাহিৰে বাহিৰে মৌজাদাৰৰ ঘৰলৈ যাব। পাতিদৰঙৰ পৰা খাৰখোৱাপাৰালৈ যাবৰ বাবে এটি চুটি পথ আছে। সেয়ে বিদ্যাকান্তৰ অসুবিধা নহ'ব।

কালিৰ ৰাইজমেলতেই বিদ্যাকান্তই পাতিদৰঙৰ বিষয়ে জানিবলৈ পাইছে। খাৰখোৱাপাৰাৰ পৰা বৰেৰী, বাণেইকুছি হৈ পথৰুঘাটলৈ যাওঁতে হংসধৰ শৰ্মাই বৰেৰী গাঁৱৰ আলিত থিয় দি দক্ষিণ-পছিমৰ বিশাল পথাৰৰ মূৰত থকা গাঁওখন দেখুৱাই কৈছিল সেইখনেই পাতিদৰং গাঁও। কোচবিহাৰৰ পীতাম্বৰ সিদ্ধান্ত বাগ্নীশ নামৰ মহাপণ্ডিতৰ বংশধৰ আৰু দামোদৰীয়া পন্থী গোসাঁই এঘৰক কোচ ৰজাই থাকিবলৈ দিয়া পাতিদৰঙৰ মন্দিৰৰ দেৱতা জাগ্রত। এই গোসাঁই ব্রাহ্মণসকলক ৰজাঘৰে ভাগে ভাগে জাগাৰ পূজা, দেউল, জগদ্ধাত্রী পূজা আৰু বাসন্তী পূজা পাতিবলৈ দায়িত্ব দিছিল। ৰাজকীয় তৌৰ্য্যত্রিক মুদ্রা লৈ জেঠ আহাৰৰ সংক্রান্তিত এই শিৱমন্দিৰত কমেও দহ-পোন্ধৰজোৰা বিয়হীয়া ওঝাই মালচী গীত গায়। কেইবাটাও যজ্ঞেৰে সম্পন্ন হোৱা এয়াই জাগাৰ পূজা। বসন্তকালত দেৱী দুৰ্গাৰ বোধন পৰ্ব-দুৰ্গা বা বাসন্তী পূজা। শৰালী , বগলীৰ শব্দ শুনি বিদ্যাকান্তই তৰানিৰে ভৰপুৰ পুখুৰীটোলৈ চাই পঠিয়ালে। ওচৰতে পৰিস্কাৰ জলেৰে পৰিপূৰ্ণ এটি সৰু পুখুৰী। এই পুখুৰীটোৰ পাৰতেই অৰ্ধ নাৰীশ্বৰ মন্দিৰটো।

ঃ দেউ- এয়া নখুন্দা পুখুৰী। সেইটো বৰপুখুৰী।

ঃ হৰকান্তৰ মুখলৈ চাই বিদ্যাকান্তই সুধিলে।

ঃ তুমি তাৰমানে এই গাঁৱৰ আলি-পদূলিৰ কথা ভালদৰেই জানা?

ঃ কিয় নাজানিম দেউ? সৌখন সংস্কৃত টোল। সেই টোলতেই মই পঢ়িছিলোঁ।

বিদ্যাকান্তই হৰকান্তৰ আঙুলিৰ পোনে পোনে নখুন্দা পুখুৰীৰ পশ্চিমে এটি খেৰীঘৰলৈ মন দি চালে। এজোপা কঠাল গছ। নিচেই কাষতে এজোপা বৰগছ। ইয়াৰ কাষতেই খেৰী ঘৰটো। এয়াই সংস্কৃত টোল। ন-খুন্দা পুখুৰীটোৰ উত্তৰে শিৱমন্দিৰটো। কঠাল, আঁহত, বৰগছেৰে পৰিপূৰ্ণ আহল-বহল ঠাই। পুখুৰীটোৰ উত্তৰ -পশ্চিমকোণত থকা প্ৰকাণ্ড কৃষ্ণচূড়া গছজোপাৰ তলত থিয় হ'ল বিদ্যাকান্ত। ইতিমধ্যে মন্দিৰটোলৈ দুই এগৰাকীকৈ কেইবাগৰাকী মহিলাৰ আগমন হৈছে। থিয় দি থকাৰ পৰাই তেওঁ মন্দিৰটোলৈ হাতজোৰ কৰি সেৱা এটি কৰিলে। এদিন নৈবদ্য সহকাৰে মন্দিৰটোলৈ আহিব লাগিব।

ঃ সৌযে বাঁহনিডৰাৰ মাজেৰে তামোল পাণৰ বাৰীখান দেখ্ছি সেয়াই ভট্টাচাৰ্যৰ ঘৰ। কোচবেহাৰৰ পণ্ডিতৰ বংশধৰ।

নোসোধাকৈয়ে হৰকান্তই কথাখিনি কোৱাত বিদ্যাকান্তৰ কৌতুহল বাঢ়িল;

ঃ গোসাঁইৰ ঘৰ আৰু অগনমেৰা কেওটৰ ঘৰ আকৌ কোনপিনে শৰ্মা?

ঃ সেইয়া!

হৰকান্তৰ আঙুলিৰ নিৰ্দেশমতে বিদ্যাকান্তই কিঞ্চিৎ দক্ষিণ-পশ্চিমে চালে;

ঃ বৰপুখুৰীটোৰ দক্ষিণ দাঁতিতেই গোসাঁই প্ৰভুৰ ঘৰ। আৰু এইপিনেৰে গ'লে-

মন্দিৰৰ সমুখেৰে পশ্চিমলৈ যোৱা পথটোলৈ আঙুলিয়াই হৰকান্তই ক'লে —

ঃ সোঁ হাতে আধা ফাৰ্লংমান গ'লেই কেওঁট পাৰা চুবা। তাতেই অগনমেৰা কাইটিৰ ঘৰ। যাবো নেকি দেউ - তাক্‌লৈগি?

ঃ নাই নাই এতিয়া নাযাওঁ। আজি এই ভৰদুপৰীয়া তেখেত ঘৰত থকা ভকত নহয়। কাইলৈ ৰাইজমেল! আজি বা তেখেত ক'ত মানুহ গোটাই আছেগৈ!

বিদ্যাকান্তৰ মন্তব্য শুনি হৰকান্তই শলাগিলে,

ঃ হয় অৱশ্যে! পৰশু দাদৌ আহিছিল নহয়— দুয়ো চাগে' কৰ্‌বাত ওলেই গে'ল!

এ-ই, এই - এই ধৰ্ ধৰ্! মাৰ্ মাৰ্ মাৰ!

এজন ডেকা ল'ৰাক খেদি এজুম মানুহ। ন-খুন্দা পুখুৰীৰ পূবপিনে পিতনিৰে ঘেৰা বৰপুখুৰীৰ উত্তৰ পাৰে থকা সৰু পথটিৰে প্ৰাণটাকি দৌৰি আহিছে এজন ডেকা ল'ৰা। হঠাৎ ন-খুন্দা পাৰ পোৱাৰ লগে লগে মাটিত কৰ্ফাল খাই সি পৰি গ'ল। পিছে পিছে অহা মানুহৰ জুমটো তাৰ ওপৰত উবুৰি খাই পৰিল!

ঃ চাল্লা দেশদ্ৰোহী! কেইটামান টকাৰ লোভত তই স্বদেশ, স্বজাতিৰ বিৰুদ্ধে গৈছা? হাৱালদাৰৰ চুৱাপাত খোৱা, বিদেশী ইংৰাজৰ গোলাম! ক'ব নোৱাৰাকৈয়ে বিদ্যাকান্তই জুমটোৰ ওচৰ পালেহি।

ঃ এনেদৰে শাস্তি দিলে মানুহজন মৰি থাকিব! -জুমটোৰ ওচৰত থিয় দি থকা এজনক উদ্দেশ্যি বিদ্যাকান্তই ক'বলৈহে পালে-- মানুহজনৰ মুখমণ্ডল জিলিকি উঠিল,-- ঃ দেউ? আপুনি? আপুনি আকৌ ইয়াত কিয়?

মানুহজনক বিদ্যাকান্তই মৌজাদাৰৰ ঘৰত দেখা পাইছে। পিছে চিনাকিহে হোৱা নাছিল। জুমৰ পৰা কায়দাকৈ তেওঁক আঁতৰাই আনি মানুহজনে ক'লে, –

ঃ মই উমাকান্ত শৰ্মা। মণ্ডল। সৌ বৰপুখুৰীটোৰ পশ্চিম পাৰত যে দেখ্‌ছি বকুলজোপা? তাৰ কাষত থকা বাৰীখনেই মোৰ ঘৰ। ব'লক ব'লক দেউ এবাৰ মোৰ ঘৰত ভৰি থবাই লাগ্‌বো। আপুনি এংকে আইভো বুলি ভাবাই নাই নহয়!

বিদ্যাকান্তই তেওঁৰ নিচেই ওচৰত থিয় হৈ থকা হৰকান্তলৈ আৰু মানুহৰ জুমটোলৈ চালে। মানুহবোৰে দেশদ্ৰোহী বুলি শাস্তি দিয়া ডেকাজনক ধৰি-বান্ধি লৈ গৈ আছে মন্দিৰৰ ওচৰলৈকে বুলি।

উমাকান্ত মণ্ডলে ইতিমধ্যে হৰকান্তৰ সৈতে চিনাকি হৈ ল'লে,

ঃ আপোনাক মই চিনি পাইছোঁ- আমাৰ টোলত পঢ়া নাছিল জানো? ইতা যে শিয়ালা গোসাঁই থান চাৰা চিতা কৰৈই?

হৰকান্তই হয়ভৰ দিলে। মণ্ডলে তেওঁকো নিজ ঘৰলৈ যাবলৈ অনুৰোধ কৰিলে।

বৰপুখুৰীৰ পাৰে পাৰে তিনিও আগবাঢ়িল।

মণিৰাম ডেকা। নিকটৱৰ্তী কৈকৰা গাঁৱত ঘৰ। বিয়া কৰাবলৈ মাথোঁ সাতমাহ হৈছেহে। সিয়েই ৰাইজমেলৰ আগৰণুৱা মানুহবোৰৰ নাম ঠিকনা হাৱালদাৰক দিয়ে। যোৱা ৰাতি হাৱালদাৰ তাৰ ঘৰলৈ আহিছিল। আহোঁতে লৈ আহিছিল এটি পঠা ছাগলী। মণিৰামে পঠা ছাগলীটো মাৰি কাটি ঘৈণীয়েকক মাংস ৰান্ধিবলৈ দিলে। মাজনিশা মণিৰামে যোগান ধৰা মদ-মাংস খাই ৰূপকান্ত শালৈয়ে মাতাল হৈ পৰশু শৰ্মা, অগমনমেৰা কেওট আদিৰ বিৰুদ্ধে অশালীন মাত মাতিছিল। আৰ ঘৰে তাৰ ঘৰে হাঁহ - পাৰ ছাগলী ডকা হিকা দি নিয়া শালৈ হাৱালদাৰ সমগ্ৰ পথৰুঘাটৰ ৰাইজৰ দৃষ্টিত এজন শোষক। দেশদ্ৰোহী। আজি পুৱা ৰাইজ মণিৰামৰ ঘৰলৈ গৈ তাক পোৱা নাছিল। হঠাৎ কিছুসময়ৰ আগতে পাতিদৰঙলৈ আহি থকা দেখি ৰাইজে পিছ লৈছিল।

ঃ ইমানদিনে মণিৰামক এসেকা দিবা লেগি অঞ্চলটোৰ ৰাইজে চেগ চাইআছিল। কালি ৰাতিৰ ঘটনাটোত অতীষ্ঠ হৈ ৰাইজে তাক ৰেহাই নিদিলে। মণ্ডলৰ কথাৰ পৰা বিদ্যাকান্তই ইতিমধ্যে সংঘটিত ঘটনাটো স্বাভাৱিক বুলি ভাবি সান্ত্বনা লভিলে।

পিছে উমা মণ্ডলে ঘৰলৈ মাতি নি যেন উঠি আহিবলৈকে নিদিব এতিয়া। বনি চাউলৰ জলপান দৰঙী ৰাইজৰ প্ৰিয় জলপান। তাৰ সৈতে গৰু গাখীৰ, চুৰা মানে পনিয়া গুৰ, ভঠ্ঠা কল অতি সুন্দৰকৈ বান বাটিত সজাই মণ্ডলৰ পৰিবাৰে খাবলৈ দিলে। তাৰপাছত আকৌ ভাত খোৱাৰ দিহা কৰিছিলেই। জোৰ জবৰদস্তি উঠিল বিদ্যাকান্ত।

আজি এবাৰ হংসধৰ শৰ্মাৰ ঘৰলৈ যাব লাগিব। ঘৈণীয়েকক জৰা-ফুকা কৰিব লাগিব। বেলি ডুবিলে সেইফেৰা কাম নহ'ব আকৌ! উমা মণ্ডল আৰু পৰিয়ালৰ পৰা বিদায় লৈ বিদ্যাকান্ত যেতিয়া শিৱমন্দিৰৰ ওচৰ পালে তেতিয়া তেওঁ দেখিলে মহিলাসকলে মন্দিৰৰ ভিতৰত নাম গাই আছে।

ঃ কালি যাতে পথেইঘাটৰ ৰাইজমেল ভালে কুশলে পাৰ হৱেই তাৰবাবেই তিৰীমখাই নাম ধছিছ!

মন্দিৰৰ সমুখলৈ আগবঢ়াই থ'ব অহা উমাকান্ত মণ্ডলে ক'লে। থিয়ৈ থিয়ৈ মন্দিৰৰ প্ৰতি সেৱা জনাই বিদ্যাকান্তই হৰকান্তকো তাৰপৰাই বিদায় দিলে। মন্দিৰৰ

পশ্চিমে যোৱা পথটিৰে গ'লেই দলনি পথাৰখন। দলনি পথাৰখন পাৰ হ'লেই খাৰখোৱাপাৰা গাঁও। মাজতে বলন নৈখন। উমা মণ্ডলে কিছুদূৰ আগবাঢ়ি আহি বিদ্যাকান্তক পথচোৱা দেখুৱাই দিলে। নিচিন্তমনে তেওঁ আগবাঢ়িল।

ঃ *দাইনা?*

ঃ *কওঁক ওঝা?*

ঃ *বিদ্যাকান্ত তাৰপাছত নিজৰ বাহাকলেগি গে'ল?*

ঃ *হয় ওঝা।*

ঃ *গাপা ধুই ভাতপানী ৰান্ধিলা।*

ঃ *ওহো উজনীৰ বামুণটোৱে ভাত পানী আৰু নাৰান্ধিলা!*

ঃ *কিয়া?*

ঃ *উমা মণ্ডলৰ ঘৰতেই ঠিক্‌চে বনি চাউলৰ জলপান খালা নহয়। ভাত ৰান্ধবাকলেগি মন নেগেল। বিচনাখনতে একবাগৰ মাল্লা!*

ঃ *একবাগৰ?*

ঃ *একবাগৰ মানে মুখখান ঘৰৰ মুধচলৈ কৰি এনেয়ে চকু দুটা মুদিলে।*

ঃ *টোপনি?*

ঃ *টোপনি নাহিল। আমাৰ ঘষ্টিৰ-সোপন দেখ্‌বা আৰম্ভ কল্লা-*

ঃ *ঘষ্টিৰ সোপন?*

ঃ *অ' আমাৰ গাঁওৰ ঘষ্টিৰে য'তে ত'তে সোপন মানে স্বপ্ন দেখাৰ কথা নাজানেই? ভাত খাবলৈ বহোঁতে ঘৈণীয়েকে ভাতৰ কাঁহী দেৰিকৈ লৈ আহিলিও সোপন দেখেই নহয়? তেনে সোপনকে ঘষ্টিৰ - সোপন বুলি কৰেই?*

ঃ *আমাৰ বিদ্যাকান্তই আকউ কি সোপন দেখ্‌ছি?*

ঃ *উষাৰ সোপন।*

ঃ *উষা?*

ঃ *অ'। হংস যজমানীৰ ঝিয়াটোক চকু মুদিলেই দেখা পায়!*

ঃ *চকু মুদিলেই দেখা পাই মানে কিবা-বেমাৰ নিকি?*

ঃ *আচল বেমাৰেই। পে-ৰে-ম বেমাৰ। মানে প্ৰেম ৰোগ।*

ঃ *এই বেমাৰৰ উপশম হওঁক বুলি।*

ঃ *এ বিদ্যাকান্ত উষাৰ ঘৰক্‌লেগি গে'ল।*

ঃ *উষাই আথে-বেথে বহ্‌বা দিলা। পিতাক ক'কগেইছি?*

ঃ *পথেইঘাটক মানুহ মাত্‌বা।*

ঃ *তেন্তে পথেইঘাটত কি হৈছি?*

ঃ *শুনো আহক— !*

বাৰিষাত জীয়া সাপ! খৰালিত আধা মৰা সাপ- এই দ্বিগজ নৈখন। পথৰুঘাটৰ পৰা কিছুদূৰ গৈয়েই ননৈত হিয়া উবুৰিয়াই দিছেগৈ। উত্তৰ-দক্ষিণে বৈ যোৱা দ্বিগজৰ এই ঠাইখিনিতে পথৰু শ্বেখ নামৰ মুছলমান এজনে এখনি সৰু নাও লৈ বাৰিষা মানুহ পাৰ কৰাই। ইয়াৰ বাবদ কোনোবাই এক দুই - সিকি দিয়ে। পথৰুয়ে একো আপত্তি নকৰে। খৰালিতো পথৰুৱে সৰু- ল'ৰা ছোৱালী আৰু মাইকী মানুহক পাৰ কৰায়। পুৰুষ অথবা দুই এজনী মাইকী মানুহ নিজেই খোজ কাঢ়ি পাৰ হয়। দ্বিগজৰ এই মানুহ পাৰ হোৱা ঘাটটোৱেই পথৰুৰ নামেৰে পথৰুঘাট হিচাপে জনাজাত হ'ল। পথৰু আছিল প্ৰথমতে হীৰা। হীৰাপাৰা গাঁৱৰ পথৰুৱেই নহয় সকলোৱেই মাটিৰ বাচন-বৰ্তন তৈয়াৰ কৰে। এই বাচন-বৰ্তন সমগ্ৰ দৰঙৰ মানুহৰ বাবে আপুৰুগীয়া। হীৰাপাৰা, পাতিদৰং, খাৰখোৱাপাৰা, বৰমপুৰ মাজৰ বিস্তীৰ্ণ পথাৰখনৰ মাজেৰে বৈ যোৱা বলন নৈ খন এই হীৰাপাৰাৰ মাজেৰে বৈ যোৱা দ্বিগজৰ সৈতে লগ লাগিছে। দৰঙী ৰজাঘৰলৈকো মাটিৰ বাচন-বৰ্তন যোগান ধৰা এই হীৰাপাৰা গাঁওৰ মানুহখিনিৰ অৰ্থনৈতিক অৱস্থা তেনেই শোচনীয়। দলনি পথাৰৰ আলতীয়া মাটি ঘৰৰ নিত্য-নৈমিত্তিক বাচন-বৰ্তনৰ বাবে অতি লাগতিয়াল। হঠাতে অহা বাৰিষাৰ পানীয়ে কেতিয়াবা হীৰাপাৰা গাঁও ডুবায়। তেতিয়াই হাঁহ-নচৰা অৱস্থা হয় গাঁওবাসীৰ। জয়পাল ফকীৰ, আজান ফকীৰ, বৰফকীৰ, কামপাল ফকীৰসকলে পথৰুঘাটৰ আশে পাশে থকা মুছলমানসকলৰ মাজত ইছলাম ধৰ্মমত প্ৰচাৰ কৰিছিল। সেই সময়ত দৰঙৰ মুছলমান সমাজত কোনো মছজিদ নাছিল। হিন্দুৰ নিয়ম নীতিয়েই মুছলমান

লোকসকলে পালন কৰিছিল। মুছলিমঘোপাত এটি প্ৰাৰ্থনা গৃহ সাজি মুছলমানবোৰে কুকুৰা কাটি পূজা-পাতল কৰিছিল। এনেতে আহক জোলকাদ আলি পীৰ চাহাব। সময় প্ৰায় ১৮৮০ খ্ৰীষ্টাব্দ। এই জোলকাদ আলি চাহাবেই বৰকলিয়াঝাৰৰ জয়পাল পুখুৰীৰ উত্তৰে দৰঙৰ প্ৰথম মছজিদটো সজায়। তেখেতেই মুছলিমঘোপাৰ এই প্ৰাৰ্থনা গৃহ বন্ধ কৰি ইছলামৰ ধৰ্মীয় প্ৰাথমিক বিদ্যালয় মোক্তাব স্থাপন কৰে। এই পীৰসকলেই দৰঙৰ গৰীব জনসাধাৰণৰ মাজত সোমাই পৱিত্ৰ ইছলামৰ উদাৰ নীতি নিয়মবোৰ প্ৰচাৰ কৰে। ফলত এই পীৰসকলৰ প্ৰতি আকৃষ্ট হৈ দৰঙৰ বহু হিন্দু মুছলিম ধৰ্মত দীক্ষিত হয়। একেদৰে পথৰু হীৰাও পথৰু শ্বেখ হ'ল। এই পথৰুঘাটটোৰ পূবে বিস্তীৰ্ণ জাৰ্মান বনৰ জাৰণি। মাজে মাজে বাঁহ বেতৰ ভুমুকা ভুমুকি। এই জাৰণি চাফা কৰি শালৈ হাৱালদাৰৰ তদাৰকত গাঁঠি চিপাহীয়ে গাঁৱৰ মানুহ লগাই এদিনতেই বাঁহ-কাঠৰ ঘৰটো চকুত লগাকৈ সাজি অটালে। নামঘৰৰ টুপৰ দৰে তেজগোৰা খেৰৰ চাল। বাঁহ - বেতৰ বেৰ। কাঠৰ দুৱাৰ খিৰিকি। সমুখত বাৰান্দা এখন। তাত তিনিখন কাঠৰ চকী পৰা আছে। যাতে তাতে বহি চাহাব কেইজনে ৰাইজৰ সৈতে কথা পাতিব পাৰে। ঘৰটোৰ তিনিওপিনে বাঁহৰ গড় বেৰা। ভিতৰত এখন কাঠৰ পালেং। ভাত খাবৰ বাবে কাঠৰ এখন মেজ। আঠখন চকী। চাৰিখন ভাত খাবৰ বাবে আৰু আন চাৰিখন চাহাবকেইজনে বহি জিৰাবৰ বাবে। চাহাবৰ এই বাংলাৰ পিছপিনে গাত খান্দি তাৰ ওপৰত কাঠ বাঁহ পাৰি দিয়া আছে শৌচ-পেচাব কৰিবৰ বাবে। বাঁহেৰে ঘেৰা এই সৰু ঘৰটোত চাহাব কেইজনে প্ৰয়োজন হ'লে হাত-মুখো ধুব পাৰিব।

তহছিলদাৰ ভবানীচৰণ ভট্টাচাৰ্যই কেইবাখনো গামোছা আনি থৈছে। ভাত-পানী সময়মতে দিবৰ বাবে আগদিনাই মণ্ডলদৈৰ পৰা ইন্দ্ৰ সিং ঠাকুৰক অনা হৈছে। চাহাবী খানা ৰন্ধা বঢ়াত সিং ঠাকুৰ পাকৈত।

দ্বিগজৰ পশ্চিমপাৰে তহছিলদাৰৰ অফিচটো। কাঠ-বাঁহ খেৰৰ দুটা কোঠাৰ অফিচটোৰ মাটিৰে লিপা বেৰ কেইখনত নতুনকৈ তহছিলদাৰে চূণ-তেল দিছে। প্ৰয়োজনীয় মাটিৰ খাজানা সম্পৰ্কীয় কাগজ পত্ৰবোৰো তেওঁ চাহাবৰ নতুন বাংলাৰ টেবুল এখনত সজাই থৈ দিছে। এই তহছিদাৰৰ অফিচটোৰ সমুখতেই আধাফাৰ্লংমান আঁতৰৰ সাপ্তাহিক বজাৰখন। অ'ত ত'ত দুই এটা বেৰ নোহোৱা

খেৰৰ চালি। তাতেই প্ৰতি বৃহস্পতিবাৰে বজাৰখন বহে। বৃহচ্‌পেতিয়া বাজাৰ বুলি প্ৰখ্যাত এই পথৰুঘাট লৈ আগদিনাই সৰ্থেবেৰীয়া বেপাৰীবোৰে কাঁহৰ বাচন-বৰ্তন লৈ আহে। শুৱালকুছীয়া বেপাৰীয়ে আনে পাট-মুগাৰ কাপোৰ। পাণ্ডু ঘাটৰ বৰবাজাৰৰ পৰা প্ৰতাপ ঘোষে মহৰ গাড়ীৰে লৈ আহে কলকতীয়া নিমখ। ৰুদ্ৰবাহাদুৰে আনে শিলিগুৰিৰ কাপোৰ। ওচৰ-পাজৰৰ গএগ্ৰা ৰাইজে লৈ অহা হাঁহ-পাৰ- গৰু - ছাগলী, বিভিন্ন তৰকাৰীয়ে উভৈনদী হৈ পৰা বৃহস্পতিবাৰৰ বজাৰখন পথৰুঘাট অঞ্চলৰ ৰাইজৰ বাবে যেন সাপ্তাহিক মেলা।

ঃ অ' ডাইনা?

ঃ ওঝা-

ঃ বিদ্যাকান্তৰ খবৰ দেখো নাই? তেওঁ ইতা কি কৰি আছেই?

ঃ অ' ক'বা লাগ্‌ছো।

ঃ ৰামায়ণ এৰি দেখো মহাভাৰতত ধচ্চাহ?

ঃ ওহো- এই পথেইঘাটৰ কথা ইতা যদি নকওঁ-

ঃ তেন্তে?

ঃ বিদ্যাকান্তৰ কাহিনীও আধাপেটি হ'ব।

ঃ আধাপেটি?

ঃ ভাতকিটা যদি পেটভৰেই নাখাই তাকে আধাপেটি বোলেই।

ঃ তাৰ মানে তুমি আমাক আধাপেটি ৰাখ্‌বা খোজা নাই?
তেন্তে আৰম্ভ কৰা

ঃ ক'চ্চো!

বিদ্যাকান্তই ধুতিখন ভালদৰে পিন্ধি আকাশী ৰঙৰ চোলাটো পিন্ধি ল'লে। কান্ধত ঘিউবৰণীয়া চাদৰ এখন সযতনে লৈ হংসধৰ শৰ্মাৰ পদূলিমুখ পালে। হংকলা দিয়াই আছিল। এডাল হংকলা গুছাই তেওঁ আগবাঢ়িল পদূলিৰ দাঁতিত ভমকা নাৰ্জীফুলবোৰে যেন তেওঁকেই সম্ভাষণ জনাই হাঁহি আছে।

সুপ্ৰভা তেওঁলৈকে বাট চাই আছিল। তেওঁক দেখি আগবাঢ়ি আহিল।

আথেবেথে তাই চোতালৰ এদাঁতিত হাতেৰে ঠাইখিনি মচি কঠ এখন পাৰি বহিবলৈ দিলে। বিদ্যাকান্তই তাইলৈ চালে। পছিমৰ তামোল পাণৰ মাজেদি সৰকি অহা হেঙুলী পোহৰৰ এচমকা সুপ্ৰভাৰ গালত পৰিছে। যেন সঁচাকৈয়ে তাই সৰগৰ পৰী। বেণী গঁঠা চুলিবোৰ তাই কায়দাকৈ সমুখৰ ওখ জোঙা বুকুখনত পেলাই লৈছে। কিঞ্চিৎ হাত দীঘল ৰঙা ব্লাউজৰ ওপৰত পাতল নীলাৰঙৰ চাদৰখন পিন্ধাত আৰু অসম্ভৱ কমনীয় হৈ পৰিছে তাইৰ লৱণু কোমল দেহ। খামুচীয়া ঘিউবৰণৰ কঁকালখনে তাই পিন্ধা চাদৰ মেখেলাজোৰক আটিল কৰি পেলাইছে।

ঃ আপুনি বহক। মই ঢেকীয়াৰ আগ আনি থৈছোঁ। লৈ আহোঁ।
আইকো ইয়াকলেগি লৈ আহোঁ।

সুপ্ৰভা যেন প্ৰস্তুত হৈয়েই আছিল। তাই খৰধৰকৈ ভিতৰলৈ সোমাই গ'ল। যেন এচাটি স্নিগ্ধ বতাহে বিদ্যাকান্তৰ দেহ-মন চুই গ'ল। যেতিয়াৰ পৰা পিতাকৰ সৈতে এই দৰঙলৈ আহিছে তেতিয়াৰ পৰা দৰঙত বহুত ছোৱালী তেওঁ দেখিছে। সচৰাচৰ দৰঙৰ বামুণ-গোসাঁইৰ ছোৱালীবোৰ ধুনীয়া। কিন্তু ধুনীয়া ফুলনীৰ মাজত এই এপাহ ধুনীয়া ফুলে কিয় বাৰু তেওঁক ইমান দুৰ্বল কৰি পেলাইছে!

সুপ্ৰভাই মাকক গাত ধৰি চোতাললৈ লৈ আহিল। মানুহজনী লাহে লাহে দুৰ্বল হৈ পৰিছে। গাল-মুখ শেঁতা পৰি গৈছে যদিও মুখ মণ্ডলত এক অদ্ভুত কমনীয়তা এতিয়াও ওলমি আছে। শান্তিপ্ৰিয়াই একান্ত বাধ্য শিষ্যাৰ দৰে তেওঁৰ সমুখত বহি ল'লে।

বঁটা এখনৰ ওপৰত এখন গামোছা, তাৰ ওপৰত এটা সিকিসহ পাণ-তামোল এজোৰ। তাৰ নিচেই দাঁতিত সন্তৰ্পনে থোৱা আছে এমুঠি ঢেকীয়া আগ। থাওকতে সুপ্ৰভাই পানী এঘটি আনি দিলে। বিদ্যাকান্তই ঘটিটোৰে কিঞ্চিৎ পানী সোঁহাতত লৈ হাতখন বহা ঠাইৰ দাঁতিতেই ধুই লৈ ঢেকীয়াখিনি হাতত ল'লে।

ঃ হাতৰ আঙুলিৰ গাঁঠি আৰু ভৰিৰ গাঁথিবোৰত বেচি বিষ নহয় জানো?
বিদ্যাকান্তই চাওঁ নাচাওঁকৈ শান্তিপ্ৰিয়াৰ মুখলৈ চাই সুধিলে।

ঃ যতেই গাঁঠি তাতেই বিষ বাপা!
শান্তিপ্ৰিয়াই মূৰ দুপিয়াই উত্তৰ দিলে।

ঃ আপুনি হাত দুখন আগবঢ়াই দিয়কচোন। সুপ্ৰভা-

বিদ্যাকান্তই সুপ্ৰভাৰ মুখলৈ পোনপটীয়াকৈ চোৱাৰ এয়াই যেন সুযোগ। সুপ্ৰভাই আগ্ৰহেৰে বিদ্যাকান্তৰ মুখলৈ চাই কিঞ্চিৎ আগবাঢ়ি আহিল। ক'তা এচমকা পোহৰলৈ, পূৰ্ণিমাৰ জোনটোলৈ জানো চাওঁ বুলি ঘপহকৈ চাব পাৰি? তাতে মাক আছে যে! চাওঁ নাচাওঁকৈ চাব খুজিও চাব নোৱাৰিলে তেওঁ; - ঃ তুমি মাৰাক সহায় কৰাচোন। হাত দুখনত ধৰি থাকা। সুপ্ৰভাই তাকেই কৰিলে। বিদ্যাকান্তই দুই হাতত ঢেকীয়াৰ মুঠি লৈ আকাশলৈ চাই মুখৰ ভিতৰতেই বিৰবিৰাই ভগৱন্তক স্তুতি কৰিলে। ঢেকীয়াৰ আগকেইটাত ফুক দি তেওঁ শান্তিপ্ৰিয়াৰ দুই হাতৰ কান্ধৰ পৰা আঙুলিলৈকে ঢেকীয়াৰ আগকেইডাল বুলাই দি মন্ত্ৰ মাতিবলৈ ধৰিলে;

শ্ৰীকৃষ্ণই নমোঃ শ্ৰীগনেশাই নমোঃ গুৰুধনন্তৰীয়ে নমোঃ।
গুৰুব্ৰহ্মা, গুৰু বিষ্ণু, গুৰু আদি দেৱ।
গুৰুবিনে সংসাৰত আন নাহি কেৱ।।
হুংকাৰ নিকাৰ সবাকে কৰিয়া গুচাও গুৰুবাক্যে
মাৰ বাণী অমুকাৰ বেদ ব্যাধি বাত - বিষ হৈ পৰ পানী
ওং হুং স্বাহ্বাঃ!

যেন বিদ্যাকান্তৰ মুখেৰে অৰ্গল শব্দৰ নিজৰা এটিহে হোঁ-হোৱাই বৈ আছে। মাজে মাজে তিনিটা ফুঁ মাৰি পুনৰ আৰম্ভ হয় মন্ত্ৰৰ ফল্গু প্ৰবাহ। সুপ্ৰভাই একান্তমনে চাই আছে মানুহজনলৈ। দুচকুৰ পটা অৰ্ধ উন্মোচিত কৰি এই ডেকা বামুণটোৱে যেন নিমিষতে মাক শান্তিপ্ৰিয়াৰ দেহৰ পৰা বিষবোৰ আঁতৰাই দিব। এতিয়াই যেন সুস্থ হৈ পৰা মাকে হাত-ভৰি জোকাৰি দৌৰ দিব পদূলিমুখলৈ। নিমিষতে যেন মানুহজনীয়ে লাগি পৰিব তাঁতশালত, ঢেকীশালত অথবা ৰান্ধনীশালত। হে প্ৰভু! এয়াই হওঁক। মাকে দেহৰ বিষত যেতিয়া কেকাই কেকাই বিচনাত বাগৰ দি থাকে সুপ্ৰভাৰ নিজৰেই কিবা কাম - বন কৰিবলৈ মন নাযায়।

বিদ্যাকান্তই পুনৰ দীঘলীয়া তিনিটা ফুঁক মাৰি ঢেকীয়া কেইডাল মাটিত থ'লে। পুনৰ ঘটিটো বাওঁহাতেৰে লৈ উঠি আহিল। পদূলিমুখৰ দাঁতিত তেওঁ হাতখন ভালদৰে ধূলে। ওচৰতে সুপ্ৰভাই গামোছাখন লৈ থিয় হৈ আছিল।

গামোছাখন লৈ তেওঁ চিধাই সুপ্ৰভাৰ মুখলৈ চালে। সুপ্ৰভাই তলমূৰ কৰিলে।

ঃ লাজ কৰিলে তোমাক আৰু ধুনীয়া দেখি।

কোনে ক'লে কথাষাৰ? ইমান মিহি-কোমল শব্দ অথচ অনুচ্ছ! সুপ্ৰভাই বিদ্যাকান্তৰ মুখলৈ চালে। তেওঁ তাইলৈ একেথৰে চাই আছে। হাতখন মচিবলৈ পাহৰিয়েই গৈছে। মাকে যদি দেখে এই দৃশ্য। কি বুজিব বাৰু? সুপ্ৰভা ততাতৈয়াকৈ মাকৰ ওচৰলৈ আহিল। মাকে ইতিমধ্যে নিজে কষ্টেৰে উঠি বহা কঠখন সামৰিব লৈছিল।

ঃ চাওঁ তই নাল্‌গেই। মই কঠ-ঠিক কৰিম।

সুপ্ৰভাই প্ৰায় জোৰ কৰিয়েই মাকৰ পৰা কঠখন টানি আনিলে।

ঃ দেউটোক খাবলৈ জা-জলপান

শান্তিপ্ৰিয়াই ক'বলৈহে পালে। সুপ্ৰভাই মুখতে ধৰিলে,-

ঃ মই মা ঠিক্ কৰি থৈছোঁ। আপুনি বহক। -বিদ্যাকান্তই নালাগে বুলি ক'ব খুজিছিল। কিন্তু ইতিমধ্যে জোনাকী পৰুৱা ঘৰৰ ভিতৰ সোমালগৈ। শান্তিপ্ৰিয়াৰ ওচৰ চাপি পীৰা এখনত অতি কষ্টেৰে বহি ল'লে।

ঃ শৰ্মাদেউ-

শান্তিপ্ৰিয়াই মুখতেই ধৰিলে, ঃ এই মানুহজনৰ গাত কিহে জানো লম্ভিছে। মই মানুহজনীয়ে বেমাৰী দেহাৰে গাভৰু ঝিয়াটো লৈ ঘৰত একলাই থাকোঁ। মান্‌টোৱে কিবা দেশ উদ্ধাৰত লাগি পৰ্ছি। ৰাতি আহি ওল্‌বো। আকৌ কালি কুকুৰে গু নাখাওঁতেই ওলেই যাবো।

যেন বন্ধ হৈ থকা জুৰি এটিৰ পাৰহে বিদ্যাকান্তই খুলি দিলে। মানুহজনীয়ে এইখিনি কথা ক'বলৈ পাইহে যেন মনটো শান্তি পাইছে।

ঃ আচলতে দেশৰ সমস্যাটো গভীৰেই। আমিও পাৰিলে শৰ্মাদেউৰ দৰে খাটিব পাৰিব লাগিছিল।

বিদ্যাকান্তই কওঁ নকওঁকৈ কোৱা কথাখিনিৰ আঁত ধৰি শান্তিপ্ৰিয়াই পুনৰ কথাৰ জুৰি বোৱাই দিলে;

ঃ দেশ উদ্ধাৰত তেখেত লাগ্‌ছি মই বাপা বেয়া পাৱা নাই। দেশ উদ্ধাৰ কৰ। কিন্তু প্ৰথমে নিজৰ ঘৰখনহে উদ্ধাৰ ক'ৰ্‌বা লাগেই! নিজৰ ঘৰৰ

দুটা পেটক লঘোণে ৰাখি যদি দেশ উদ্ধাৰ কৰ্‌বা যায় তেওঁ আকৌ দেশৰ মানুহক কি খুৱবো ?

বিদ্যাকান্তই শান্তিপ্ৰিয়ালৈ চালে। ভাবিছিল মানুহজনীয়ে কম কথা কয়। সেয়ে চকু মুখত লাগি থকা কমনীয়তাখিনিয়ে সেই গাম্ভীৰ্য্যক বেচি মোহনীয় কৰি তুলিছে। পিছে নহয়– মানুহজনীয়ে সৰ সৰকৈ কথাৰ নিজৰাও বোৱাব জানে!

ঃ আজি এমাহমান হ'ল মানুহটোৱে ক'তো কাম-কাজত যাব্‌বা নাই। মৌজাদাৰৰ পূজা বুলিহে আপোনাক সহায় ক'ৰ্‌বা গেইছি! ফলত হৈছি কি ? ঘৰখন চ'ল্‌বা লেগি উপায় নাই। গাভৰু ঝিয়াটোয়ে আক খুজি তাক খুজি সংসাৰ চলেই আছে! আজি আপুনি মোক ঝাৰ্‌বা আইছি অথচ মোৰ মতাটো নাই! ৰাতি আহি গা পা ধুই ঝিয়াটোক ভাত খুজি খাবো। পাছদিনাই ওলেই যাবো। এয়া বাপা কিবা সংসাৰ হ'লনে ? ঘৰৰ তিৰী চলিক লঘোণে ৰাখা এই মানুহবোৰে জানো দেশ ৰক্ষা ক'ৰ্‌বা পাৰ্‌বো ?

সুপ্ৰভাই জলপান লৈ আহি নাপালে শান্তিপ্ৰিয়াই আৰু হয়তো কিবা ক'লেহেঁতেন। সুপ্ৰভা বুধিয়ক।

ঃ তই মা ভিতৰকলেগি গৈ তামোলচালি এখন ঠিক কৰি আনগৈ যা। আপুনি খাওঁক।

বৰ সযতনে সুপ্ৰভাই জলপান আগবঢ়াই দিলে। বাণ বাটিত সযতনে দিছে অলপ চিৰা, পনীয়া গুৰ মানে চুৰা, বাটি এটাত অকনমান গাখীৰ আৰু ভঠ্‌ঠা কল এটি।

ঃ ইমানবোৰ কিয় আনিছা ? খাব পাৰিম জানো ? - বিদ্যাকান্তই কথাখিনি কৈয়েই সুপ্ৰভাৰ মুখলৈ চালে। সুপ্ৰভাৰ চকু-মুখত নাই কোনো লাজ- সংকোচৰ আভৰণ। অতিথি সৎকাৰৰ দায়বদ্ধতাত তাই যেন এক পৈণত নাৰী।

ঃ মতা মানুহ। কিয়া নৰ্‌'বো ? শুনচোহ, আজি বোলে আপুনি পুয়াৰ্‌পে ঘূৰি-পকি আছেই ? তাতে কালি মৌজাদাৰৰ ঘৰত শ্ৰাদ্ধ আছেই। আজি ৰাতি লঘণ খাট্‌বা লাগ্‌বো নহয় ?

পুনৰ আচৰিত হৈ বিদ্যাকান্তই সুপ্ৰভাৰ মুখলৈ চালে। মই দিনটো ঘূৰি পকি আছোঁ-- এই খবৰ ছোৱালীজনীয়ে কেনেকৈ পালে? কাইলৈ শ্ৰাদ্ধ বাবে মই ৰাতি লঘোণ খাটিব লাগিব- এয়া বাৰু তাই পিতাক যজমানী বাবে জানিব পাৰে কিন্তু-

ঃ মোৰ মুখকলেগি কি চাই আছে? জলপান খাওঁক। গাখীৰখিনি ঠাণ্ডা হ'লি- খাই বেয়া লাগ্‌বো! - আনক সহজে আপোন কৰিব পৰা স্বভাৱৰ বাবেই নাৰীয়ে সদায় পুৰুষৰ আকৰ্ষণৰ মূল কাৰণ নেকি বাৰু? যেন সুপ্ৰভাই নিৰ্দেশ দিছে আৰু একান্ত বাধ্যৰ দৰে তেওঁ নিৰ্দেশ মানি লৈছে। কিহৰ বাবে?

বিদ্যাকান্তই জলপান খাবলৈ আৰম্ভ কৰিছেহে মাক শান্তিপ্ৰিয়া আহি পালেই।

ঃ এ বাপাৰু দেখো খাৱা হ'ৱাই নাই?

আথেবেথে তামোলৰ বঁটাখন আনি শান্তিপ্ৰিয়াই তেওঁৰ ওচৰত থ'লেহি। জলপানখিনি খাই পানী এবাটি পি বিদ্যাকান্তই পুনৰ ঘটিটো বাওঁহাতেৰে লৈ মুখ ধুবলৈ বুলি আহিল। পিছে পিছে গামোছাখন লৈ সুপ্ৰভা।

ঃ কি এ - আই, নতুন আলেহী পাই মোকলেগি পাহেৰি গেলি নিকি?

উচপ খাই উঠিল সুপ্ৰভা। বৰ আন্তৰিকতাৰে আগ্ৰহেৰে এই ডেকা দেউটোৰ ওচৰত গামোছাখন লৈ থিয় হৈ দেহটোলৈ কায়দাকৈ চাই আছিল তাই। কেতিয়ানো এই ভাদেইবাই আহি পালে ততকে পোৱা নাছিল। বিদ্যাকান্তয়ো সুপ্ৰভা ওচৰত থকাৰ বাবে এক গভীৰ আমেজ পাই আছিল। এক কৰ্কশ অথচ আপোনমিহলি শব্দৰ ধ্বনিত তেৱো উচপ খোৱাৰ দৰে মানুহগৰাকীলৈ চালে। এগৰাকী আদহীয়া মহিলা। চুলিবোৰ আধা পকা। খোপা বন্ধা, বুকুলৈকে মেখেলাখন বন্ধা। গাত এখন সাধাৰণ বগা কপাহী চাদৰ।

ঃ ভাদেই বাই! আপোনাক বাৰু কোন্‌বাই পাহেৰৱা পাৰেইনে? সৌৱা মা তাতেই আছে। বহকগৈ।

পৰিস্থিতি স্বাভাৱিক কৰিবলৈকে সুপ্ৰভাই ভাদেইক কথাৰে আগবঢ়াই দিলে। বিদ্যাকান্তই ঘটিটো সুপ্ৰভাৰ হাতত দি গামোছাখন লৈ মুখ মচিলে।

ঃ এই মানুহজনী?

ঃ ভাদেই বাই। বেজেনী বাই বুলিয়েই ৰাইজে জানেই। -বিদ্যাকান্তৰ কথাৰ উত্তৰ দি সুপ্ৰভা আগবাঢ়িল। পিছে পিছে বিদ্যাকান্ত!

ঃ আপুনি আহি বহক। বাইৰ সৈতে চিনাকি কৰেই দিও।

বিদ্যাকান্ত আগৰ আসনত বহিল।

ভাদেইয়ে মানুহজনলৈ কেৰাহীকৈ চাই শান্তিপ্ৰিয়ালৈ চালে।

ঃ বাপা, এয়া ভাদেইবাই। আমাৰ গাঁওৰে। তামোল খাওঁক বাই। -শান্তিপ্ৰিয়াৰ ওচৰতে পীৰা পাৰি বহা ভাদেয়ে পুনৰ সুপ্ৰভালৈ চালে। তাই মাকৰ ওচৰতে থিয় হৈ আছে।

ঃ নতুন আলহীক জলপান খুৱেলি। মোক কি একো নেদা?

ভাদেইৰ কথা শুনিয়েই সুপ্ৰভা প্ৰায় দৌৰি আঁতৰি আহিল, -

ঃ কিয় নিদিম বাই? অকনমান সময় কথা পাত। মই লৈ আহিম।

ঃ আপুনি কি এইখন গাঁওত থাকিম বুলি আইছি নিকি দেউ?

এই মানুহজনীয়ে এনে প্ৰশ্ন কৰিব বুলি বিদ্যাকান্তই মুঠেই ভবা নাছিল। অপ্ৰত্যাশিত প্ৰশ্নত সহাবেঙা লগা তেওঁ এবাৰ শান্তিপ্ৰিয়ালৈ চালে। শান্তিপ্ৰিয়াও অস্বস্তিত পৰিছে।

ঃ ক'ত ইয়াত থাকাকে আইভোহে বাই! মৌজাদাৰ দেউতাই মাতি আন্ছি বাবেহে আইছিহ।

তামোলৰ পিকখিনি কায়দাকৈ চোতালৰ দাঁতিত পেলাই ভাদেই পুনৰ বহি বিদ্যাকান্তলৈ চাই ক'লে,—

ঃ আপুনি আকৌ এংকে সোধা বাবে বেয়া নাপাবো। মই ভাদেই চাধাচিধা। গাঁৱৰ মানুহৰ মুখত যি শুনছোহ তাকেহে সোধছোহ। এইখন ঘৰ চলি আছেই যজমানী কৰি- মই চলি আছোঁ বেজালি কৰি। তই শান্তি চ'ল্বা পাৰ্বি। যজমানী তেওঁ নক'ল্লিও তই চ'ল্বা পাৰ্বি!

বিদ্যাকান্তৰ গা-মূৰ গৰম হৈ পৰিল। কি কথাবোৰ কৈ আছে এই মানুহজনীয়ে। শান্তিপ্ৰিয়াই মুখতে ধৰিলে,-

ঃ ভাদেইবাই আলেহীৰ আগত সংযত হৈ কথা ক'বা নৰা নিকি? যি আহে মুখত তাকে ক'বা ধচ্ছা কিয়া? যেন জ্বলা জুইত ঘিউ ঢালিলে শান্তিপ্রিয়াই।

ঃ তোৰ বেমাৰ হ'লি কোনে তোক চাই? কোনে তোক ঝাৰেই? অ' এই উজনীৰ ডেকা বামুণটোক পাই এই ভাদেইক কি শান্তি তই পাহেৰি গে'লি? এওঁক মই দোষ দিয়া নাই। আম দেখিলি লোকে ফমুটি মাৰবোয়ে। গাভৰু ঝিয়া থাকিলি ডেকাবোৰে বেজালি জানো বুলি ঘৰ সোমাহিএ!

বিদ্যাকান্ত খঙে-ৰাগে উঠিল। এনেতে সুপ্রভা দৌৰি আহিল;

ঃ এই বাই পাগেলী হৈছে নিকি আপুনি? এইবোৰ কিয়া কৈ আছেই? ভাদেই উঠিল,

ঃ পাগেলী হৈছোঁ মই? হেৰ নাককাটি তই মোক পাগেলী বুলি ক'লি?

বিদ্যাকান্তই দেখিলে পৰিস্থিতি আৰু বেয়া হ'ব। তেওঁ ততাতৈয়াকৈ যাবলৈ সাজু হ'ল,–

ঃ আপোনালোক থাকক। মই আহিছোঁ।

বিদ্যাকান্তই পদূলিমুখ পোৱালৈকে শুনি থাকিল ভাদেই বেজেনীৰ বেজীৰে দেহত হনা-খোচা কৰা কথাবোৰ;

ঃ মই ভাদেই বেজেনীয়ে কৈছোঁ– এই উজনীৰ বামুণৰ বিশ্বাস নাই। ই এইখন ঘৰক তোক ঝাৰ্‌বা লেগি, তোৰ বেমাৰ ভাল ক'ৰ্‌বা লেগি আহা নাই? সি আইছি তোৰ এই পকা আমৰ দৰে ঝিয়াটোক ভূত জাপি দিবা। যাতে তাই তাৰ বাবে পাগেলী হয়। হোঃ! মোক পাগেলী বুলি কৰেই!

- *অ' দাইনা?*
- *ওঝা।*
- *এ উজনীৰ বামুণটোক কিয়া বোন্দা ঠেক্‌চা দিলিয়েই?*
- *উপায়তো নাই। ভাদেই বেজেনীৰহে মুখ!*

- *ভাদেই বেজেনীয়ে এংকে নক'বো কিয়া?*
- *কিয়া নক'বো?*
- *আক তাক ঝাৰি ফুকি তাই পেটৰ ভাত মুঠি মোকলেই আছিল।*
- *ইতা বিদ্যাকান্তই সেই ভাত মুঠিৰ মুদা মাৰবো খুজছিহ দেখোন এ-*
- *সেইকোন্তে*
- *এ ভাদেই বেজেনীয়ে বিদ্যাকান্তক ভালকে ঝাৰ্লা।*
- *বিদ্যাকান্তই পাছে কি ক'ল্লা?*
- *বৰুৱাপাৰা চৌকাত ফটিকহঁতে তেওঁক মুখ-চুখ আন্ধেৰি কৰি আহা দেখা পায় ফিচ ফিচ্কে হাঁহ'বা ধচ্ছি!*
- *ফটিকহঁতে আকো কিয়া হাঁহেই?*
- *কথা আছেই।*
- *কি কথা?*
- *এ বেং কথা আকউ!*
- *কউচোন কউ কি বেং কথা?*
- *শুনা তেন্তে!*

বিদ্যাকান্তই সপোনতো ভবা নাছিল এই বুঢ়ীজনীয়ে তেওঁক এইদৰে অপমান কৰিব বুলি। বৰ সাংঘাতিক বুঢ়ী। মুখখন লাওপাত কচুপাত।

ঃ পকা আম খাবা যাওঁতে কটিৰ চাল বাকেতি গেল নিকি অ' ফটিক!

ঃ নহয় ভাই! চাল বাকেতি যাৱা নাই। আমডেলি পৰুৱাইহে কামেল্লা!

ঃ আমডেলি পৰুৱা?

ঃ অ'! ভাদেই বেজেনী আকউ!

বিদ্যাকান্তই ডেকা ল'ৰাকেইজনৰ মুখলৈ চালে। বৰুৱাপাৰাৰ চ'কৰ বকুলৰ তলত থিয় হৈ সিহঁতে তেওঁলৈকে চাই চাই কথাবোৰ কৈ আছে।

ঃ ঐ ঐ ফটিক কৈ নিদিয় কিয় তই? সেই পকা আমৰ গৰাকী তই বুলি?

ঃ মই কিয় ক'ম- সুপ্ৰভাই নিজে ক'ব নহয় এদিন।

বিদ্যাকান্তই তললৈ মূৰ কৰি বেগাই খোজ ল'লে। ফটিকে চম্পকৰ পিঠিত

থপৰিয়াই ক'লে—

ঃ তোৰ বুদ্ধিয়ে বৰ কাম দিলে অ' চম্পক ! মই ভাদেই বাই যে এডাল ফমুঁটি হবো ভাবাই নাছিলোঁ। এইডাল ফমুঁটিয়ে বৰ কাম দিলে দেই !- ফটিকৰ কথা শেষ হ'বলৈকে নিদিলে চম্পকে,

ঃ ইতা তই ভাদেই বাইক যদি টকা কড়ি নিদিয়; তেন্তে বায়ে বোৱেতী নৈৰ পানী ওভতেই বোৱেই দিবো !

ফটিকে ইমান সময়ে ভাদেই বাইক দিব লগা টকা কড়িৰ কথা ভবাই নাছিল। হঠাতে ভাদেই বাই আহি থকা দেখি চম্পকেহে বুদ্ধিটো উলিয়ালে। বিদ্যাকান্ত নামৰ এই উজনীৰ বামুণটো যেই সুপ্ৰভাহঁতৰ ঘৰ সোমাইছিল তেতিয়াই ফটিকৰ বুকুখন টিপলিং টিপলিং কৰিছিল। বৰুৱা চ'কৰ এই বকুলজোপাৰ তলত বহি সিহঁতে ডেকা বামুণটোক কেনেদৰে সুপ্ৰভাহঁতৰ ঘৰলৈ নোযোৱা কৰিব পাৰি ইয়াৰে আলচ কৰি থাকোঁতেই চম্পকে দিলে বুদ্ধিটো। বোলে এইদৰে ডেকা বামুণে সুপ্ৰভাৰ ধাওাত ঝাৰা-ফুকা আৰম্ভ কৰিছে আজি সুপ্ৰভাহঁতৰ ঘৰত। কাইলৈ তেওঁ যাব আন এখন ঘৰলৈ। এইদৰে উজনীৰ বামুণটোৱে যদি গোটেই গাঁও অঞ্চলটোৰ বেজ পুৰোহিত বুলি জনাজাত হৈ পৰে তেন্তে দেখো ভাদেই বেজেনীৰ চাউল কথাৰ মুদা মৰিব এতিয়া। প্ৰথমতে ভাদেই বায়ে কথাটো তৎ ধৰিব পৰা নাছিল, যেই ওৰহিৰ গছৰ ওৰ বিচাৰি পালে তেতিয়াই তাতৈয়াকৈ সুপ্ৰভাহঁতৰ খোজ ল'লেই নহয় !

ঃ অ' বাই, অ' বাই ?

চম্পকৰ মাতত ভাদেই বাই ৰৈ গৈছিল।

ঃ উজনীৰ বামুণটো অকল টকাৰ লোভতেই যাৱা নাই তাকলেগি ?

ঃ বুজা নাই !

ভাদেই বায়ে চম্পকৰ মুখলৈ চাই সুধিছিল।

ঃ সুপ্ৰভাৰ দৰে গাভৰু ঝিয়াটোৰ বাবেহে তেওঁ তালৈ গৈছে। তাইক আকৌ আমাৰ এই ফটিকে বৰ ভাল পাৱেই নহয় ? তই বাই বামুণটোক আমাৰ গাঁওৰপে খেদাৰ বুধি কৰ। ফটিকে তোক এক সিকি দিবো দে ! দিবি নহয় ফটিক ?

ফটিকে লগে লগে সমৰ্থন কৰিছিল,

ঃ কিয়া নিদিম- কিয়া নিদিম?

ঃ অ' পকা আম খাবা লেগিহে বামুণটো তাকলেগি মৰ্বা গেইছি? মুখেৰে ভোৰভোৰাই ভাদেই বাই সোমাই গ'ল যে গ'লেই!

- *তাৰ পাছত?*
- *তাৰ পাছত কি হ'ল দেখাতো পালেই;*
- *দাইনা?*
- *কওঁক ওঝা।*
- *হংসধৰ শৰ্মা আহি পালেনে?*
- *ৰাতি হংসধৰ শৰ্মাই ঘৈণীয়েকৰ মুখে; ঝিয়েকৰ মুখে এই কথা শুনি খণ্ডত একো নাই হৈ পৰিল!*
- *চিঃ চিঃ! মোৰ ঘৰত মৌজাদাৰৰ পুৰোহিতক অপমান! বৰ বেয়া কথা হ'ল! বৰ বেয়া কথা হ'ল!!*
- *এইবুলি কাপোৰ কানি সোলকাবা বাদ দি চিধাই মৌজাদাৰৰ ঘৰকলেগি গুছি আহিল।*
- *মৌজাদাৰৰ ঘৰ পাই*
- *এই বোলো ডেকা দেউ, বৰ বেয়া কথা হ'ল, বৰ বেয়া কথা হ'ল! মোৰ ঘৰত আৰঘৰে তাৰঘৰে চুৰা খোৱা এই বেজেনী বুঢ়ীটোৱে বোলে আপোনাক বৰ বেয়াকৈ অপমান কল্লাহ? মই তাইক কালি পথেইঘাটৰপে আহাৰ পাছত মজা দিম। আপুনি মোক বেয়া নাপাবো দেউ?*
- *হাতজোৰ কৰি যেতিয়া হংসধৰ শৰ্মা বিদ্যাকান্তৰ ওচৰকলেগি গেল*
- *এ শৰ্মাদেউ - কি কৰে আপুনি? বোলে হাতী যায় বাজাৰে*
- *কুকুৰ ভুকে হাজাৰে!*
- *কুকুৰে ভুকিলে বুলি ময়ো কি ভুকিম?*
- *ভাদেই বুঢ়ী পুতলাহে।*

- পুতলা? মানে?
- মানে তাইক আনে নচুৱাইছে!
- ইতা নকওঁ শৰ্মাদেউ? কাইলৈ ভালে ভালে পথেইঘাটৰপে আহক। তেতিয়া ক'ম।
- হয় নিকি?
- হয়।
- তাৰপাছত মনৰ দুখত ৰাতি উজনীৰ বামুণটোৱে ভাত পানী নাৰান্ধি।
- শুই থাকিল?
- হয় শুই থাকিল।
- তাৰ পাছ দিনা কি হ'ল?
- পথেইঘাটৰ ৰণ হ'ল?
- কি ৰণ হ'লেই?
- শুনবো নিকি?
- শুনউ আকউ!

ৰৰাপেৰীয়া যুগী গৈলা হাতত টোকন ধৰি।
ব্যাসপেৰীয়া গণক গৈলা দীঘল ফোটা মাৰি।।
থেকেৰাবেৰীয়া ধনী গৈলা চাউলৰ বেপাৰী।
প্ৰদীপৰাই পাটগিৰি গৈলা গোফ কেঁইডাল মোচাৰি।।
বানেইকুচিয়া ডেকা গৈলা জোলোঙা জোকাৰি।
ভুৰেঁই গেএ্ৰা গৰীয়া গৈলা আল্লা আল্লা কৰি।।
শিশুৰাম ওলেই গৈলা তিৰী ঘৰত থৈ।
আমচকলীয়া ৰাম গৈলা পাঁজি হাতত লৈ।।
নৰহৰি মুক্তিয়াৰ গৈলা কাণত কলম ধৰি।
ভাঠি ৰাই গাঁওবুঢ়া গৈলা খদৌ মদৌ কৰি।।
ডাঁহীৰ তপধন ডেকা গৈলা কথাৰ জানে গতি।
কলাজেৰীয়া গৰীয়াহাঁতে ফুৰেঁই মানুহ মাতি।।

দুতিৰাম বামুণে লিখেই চিঠি গাত নাই উলি।
বুদু ওঝা ওলেই গৈলা নাবান্ধিলা চুলি।।
সৰাবেৰীয়া কমলা গৈলা টকাৰ মহাজন।
পাতদণ্ডীয়া অগন ওলাল ৰাইজৰ মানীজন।।
বানেশ্বৰ দলেই ওলাল খাই ডিমা ভাজা।
উমা মণ্ডল কুবুদ্ধিয়া ওলাল বুদ্ধিৰ ৰাজা।।
পাতদণ্ডীয়া আঠিয়া ওলাল ঝকৰা ভাত খাই।
ৰামচন্দ্ৰ পাটগিৰি ওলাল কথাৰ পিনে ঘাই।।
লোক্ৰেই গেএগ্ৰা জয়ধন ওলাল আৰু ওলাল হৈ।
পাতদণ্ডীয়া বহু দাঢ়িয়া ওলাল ধানৰ ভাৰ থৈ।।
বামুণপেৰীয়া সাৰদা ওলাল সেওতাটি ফালি।
লোজেৰীয়া গাঁওবুঢ়া ওলাল চুলিকিদাল মেলি।।
চুৰামণি ধৰমাৰ ওলাল গঢ়শালি সামেৰি।
বিহুৰাম শালেই গৈলা লৰা লৰি কৰি।।
কালিৰাম ডেকা গৈলা পিন্ধি মুগাৰ ডুনি।
ৰংমেনা ওলেই গৈলা মেলৰ কথা শুনি।।
বৰমেনা ওলেই গৈলা কথা কয় সেহেই।
সাধিমেনা ওলেই গৈলা পাচত ৰোহেই।।
ৰঞ্জিৎ শালেই ওলেই গৈল জালৰ পাহি গুঠি।
বোধৰু কোচ ওলেই গৈলা শৰ্য্যাপেৰে উঠি।।
খটেৰীয়া ধনী গৈলা কিলত আধা মৰা।
বৰলিগিৰা ওলেই গৈলা পাচত লোতোমখোৰা।।
মিহিৰাম ওলেই গৈল ভৰিৰ মাৰি গোৰ।
সিফালৰপে ওলেই গৈলা পেৰা হাঁহচোৰ।।
হাঁহি মাতি তামোল কাটি ওলাল হৰি।
লোজেৰীয়া হাইদিয়া গৈলা ভবাচিন্তা কৰি।।
পাতদণ্ডীয়া পুনু ওলাল গোহাঁই ধুৰেই।

মণ্ডলদৈৰ ধৰ্মপাণ্ডা যায় পৰমান্ন খায়।

- *হংসধৰ শৰ্মা ? তেওঁ আকো গেল নে নেগে'ল?*
- *তেওঁ আকৌ নায্‌বোনে? নিজৰ তিৰীৰ গালি-গালাজ খায়ো দেশৰ কামত ঘূৰি ফুৰা হংসধৰ শৰ্মাই পথৰুঘাটকলেগি যাবা সাজু হ'ল।*
- *কেংকে?*
- *শুনক তেন্তে!*

কাউৰীয়ে কা নৌকৰোঁতেই হংসধৰ শৰ্মা বিচনাৰ পৰা উঠিল। শান্তিপ্ৰিয়াও উঠিব খুজিছিল। শৰ্মাই বাধা দিলে। বেমাৰী মানুহ শুই থাকা। পিছে সুপ্ৰভা পিতাকতকৈ আগতেই উঠিছিল। পিতাকে গা ধোৱাৰ বাবে ধূতি-গামোছা আদি তায়েই ঠিক-ঠাক কৰি দিলে। পুৰা কুঁৱাৰ পানী ঠাণ্ডা দিনত উমাল হৈ থাকে। সেয়ে হংসধৰ শৰ্মাই চিধাই কুঁৱাৰ পাৰলৈ গৈ নিজে পানী তুলি গাটো ধুই ভঁৰাল ঘৰৰ সমুখলৈ আহি সেৱা কৰিলে। তাৰপাছত ঘৰৰ গোসাঁইৰ কোঠাত সোমাই ততাতৈয়াকৈ পূজা পাতল কৰিলে। সুপ্ৰভাই যতনাই দিয়া জা-জলপান গো গ্ৰাসে গিলি কাপোৰ কানি ভালদৰে পিন্ধি বৰঘৰৰ পৰা ওলাই আহিল।

শান্তিপ্ৰিয়া ইতিমধ্যে উঠি কাঠিত পীৰা এখন পাৰি বহি আছিল।

ঃ ঠাণ্ডা পানী দি গা পা নুধুবি। মা তই আয়েৰাক চাবি। মই আইছোঁ। কৈয়েই হংসধৰ শৰ্মাই ততাতৈয়াকৈ বাহিৰলৈ বুলি খোজ ল'লে। ধূতিৰ লোচটোত অতিৰিক্ত সূতা লাগি আছিল। সুপ্ৰভাই সেয়া গুচাই দিলে।

ঃ পাতদণ্ডৰ গোসাঁই ঘৰৰ পুনু পাণ্ডাই চাগে মোকলেগি ৰখি গুছি গেল। মই মা আহিছোঁ - তই আৰু আইহ্‌বা নাল্‌গেই।

তথাপি সুপ্ৰভা কিছুদূৰ আহিল, ঃ তই পিতাই খটৰা গোসাঁই ঘৰৰ পিনে যাবি নহয়? দূৰৰপে হ'লিও সেৱা কৰি যাবি।

হংসধৰ শৰ্মাই শলাগি গুছি আহিব খোজোঁতেই হঠাৎ মুখামুখি হ'ল বিদ্যাকান্তৰ সৈতে।

ঃ শৰ্মাদেউ যাবলৈ আহিল?

হংসধৰ শৰ্মা ৰ'ল;

ঃ আপোনাক দেখিলো যিতিয়া আমাৰ আজি ৰাইজমেল ভাল হবোই।

ঃ ব'লক মই অকনমান আগবঢ়াই দিও আপোনাক।

বিদ্যাকান্তৰ কথা শুনি হংসধৰে ভালেই পালে। তথাপি এবাৰ মৃদু আপত্তি কৰিলে,

ঃ কিয়নো আপুনি যাবা লাগেই? নাল্গেই দে। আজি আকৌ মৌজাদাৰৰ শ্ৰাদ্ধ আছেই নহয়। মইহে আপোনাক সহায় কৰ্বা ন'ল্লো!

ঃ আপুনি দেশৰ কামত যাবলৈ আহিছে। ইয়াতকৈ পবিত্ৰ কাম আৰু একো নাই। মই নিজে যাব নোৱাৰি বৰ দুখ পাইছোঁ। শ্ৰাদ্ধখন বাৰু আজিহে পৰিব লাগেনে?

যথেষ্ট বিনম্ৰ সহকাৰে কোৱা কথাখিনিত হংসধৰ শৰ্মা উচপ খাই উঠিল,

ঃ আপুনি নকবো তেংকে। পিতৃ-মাতৃৰ শ্ৰাদ্ধ উলেই ক'ল্লি পাপ হবো। আপুনি আৰু আইহ্বা নালগেই। যাওঁকগে!

হংসধৰ শৰ্মাই ততাতৈয়াকৈ নমস্কাৰ দি আঁতৰি আহিল। বিদ্যাকান্তই মানুহজনলৈ চাই হুমুনিয়াহ এটি এৰিলে। উভতি খোজ ল'ব খোজোঁতেই দেখে নাতিদূৰৈত সুপ্ৰভা ৰৈয়েই আছে। এই নিচেই পুৱাতে গাঁওৰ কোনোৱাই আমাক এনেদৰে দেখিলে বৰ বেয়া কথা হ'ব। কালিৰ ঘটনাটোৱে গোটেই ৰাতি শুব নিদিলে। মৌজাদাৰৰ শ্ৰাদ্ধখন শেষ কৰিয়েই ঘৰৰ ল'ৰা নিজৰ ঘৰলৈ যাবগৈ। ইচ্ছা কৰিয়েই বিদ্যাকান্তই সুপ্ৰভাৰ সন্মুখীন নহ'বলৈকে আলিটোৰ দাঁতিত অকনমান থিয় হৈ বিস্তীৰ্ণ দলনি পথাৰখনলৈ চালে। এতিয়াও নৰানিৰ মাজে মাজে কুঁৱলীবোৰে খেলি আছে। পূবৰ শেঁতাপৰা আকাশখনত কণীৰ কুহুমৰ দৰে বেলিটোৱে লাহে লাহে যেন ৰঙীণ বৰণবোৰ গাৰ পৰা গুচাবলৈ আৰম্ভ কৰিছে। ৰজনী বিদূৰ দিশ ধৱলি বৰণ-তিমিৰ ফেৰিয়া ৱাজ ৰবিৰ কিৰণ...! চামগুৰি সত্ৰৰ কেইবাজনো ভকতে মিলি কলিয়াবৰৰ তেওঁলোকৰ ঘৰৰ কাষতেই নামঘৰ এটি সাজি নিত্য প্ৰসংগ আৰম্ভ কৰিছিল। নৰহৰি আতৈয়ে তেৰ/চৈধ্য বছৰীয়া বিদ্যাকান্তক মাতি আনি মাধব গুৰুৰ বৰগীতটো গাবলৈ শিকাইছিল। আতৈৰ মতে-হেৰ তই যদি সলসলীয়াকৈ গায়ত্ৰী মন্ত্ৰ, শিৱ - পাৰ্বতীৰ স্তোত্ৰ, সৰস্বতী

বন্দনা গাব পাৰ- আমাৰ মাধৱ গুৰুজনাৰ গীতটো গাবলৈ শিকচোন। কোনো সংকোচ নকৰাকৈ বিদ্যাকান্তই **তেজৰে কমলাপতি পৰভাতে নিন্দ** বৰগীতটি শিকিছিল। ঘৰলৈ আহি পিতাকক এই কথা কোৱাত তেখেতে মাথো কৈছিল গীত গীতেই। ইয়াত ধৰ্ম-অধৰ্মৰ কথা কি আছে? ডাঙৰ হোৱাৰ লগে লগে বিদ্যাকান্তই বুজিছিল এই বৰগীতটোৰ অৰ্থ। কেইবাদিনো সূৰ্যোদয়ৰ আগে আগে উঠিলেই এই বৰগীতটো মুখেৰে গুণগুণাই।

বিদ্যাকান্তই পুনৰ উভতি চালে। নাই সুপ্ৰভা গুছি গৈছে। তাই বুধিয়ক ছোৱালী। মই ইচ্ছা কৰিয়েই যে লগ কৰিব খোজা নাই - এই কথা তাই বুজি পাইছে। বিদ্যাকান্তই পুনৰ উভতি খোজ ল'লে।

মৌজাদাৰৰ শ্ৰাদ্ধ শেষ কৰিয়েই তেওঁ যে নিজ ঘৰলৈ যাবলৈ মনটো বান্ধি পেলালে- সঁচাকৈয়ে ঘোঁৰাৰ দৰে মনটোক বান্ধিব পাৰিলেনে? ঘোঁৰাটো বান্ধিব পাৰি- কিন্তু মনটোক জানো পাৰি? কিয় জানো একেবাৰেই এই গাঁও এৰি যাম আৰু দুনাই নাহোঁ বুলি ভাবিবলৈ আৰম্ভ কৰাৰ লগে লগে বুকুৰ একোণত এক তীব্ৰ গধুৰ বিষ আৰম্ভ হৈছে। কিয় বাৰু হৈছে এই বিষ? ভাদেই বেজেনীৰ কথাবোৰ একোপাত শনাইত কাঁড় যেন লাগিলেও তেওঁতো ঠিকেই কৈছে- বিদ্যাকান্তই যদি এইদৰে ঘৰে ঘৰে বেজালী আৰম্ভ কৰে, যজমানী কৰে তেন্তে ভাদেই বেজেনীৰ, হংসধৰ শৰ্মাৰ দেখোন পেটৰ ভাতমুঠিৰ মুদা মৰিব? সুপ্ৰভাৰ মাকক জৰা-ফুকা কৰিবলৈ যে তেওঁ আহিছে কিয় আহিছে? এইখন ঘৰত বেজালি কৰিবলৈ অহাৰ আঁৰৰ মূল জানো সুপ্ৰভা নহয়? সুপ্ৰভা পকা আম...! ঠিকেই কৈছে ভাদেই বেজেনীয়ে। গাঁওৰ ডেকা ল'ৰাবোৰে তেওঁক দেখি ঠাট্টা মস্কৰা কৰিবই! কি ঠিক এই ডেকামখাৰ মাজত কোনোবাই চাগে সুপ্ৰভাক ভাল পায়। তেওঁ যিধৰণে ভাল পাই পেলালে। হয়নে মই জানো সুপ্ৰভাক ভাল পাই পেলাইছোঁ? সেইবাবেই কি বুকুখন গোটেই ৰাতি বিষাই আছে? ঘনে ঘনে সুপ্ৰভাই নিশা আহি যে আমনি কৰে- কিয় বাৰু? দুচকু মুদিলেই তাইৰ সেই মনোমোহা লাজ হাঁহি মিশ্ৰিত মুখমণ্ডল ঘৰলৈ গ'লে সুপ্ৰভাক নেদেখাকৈ জানো থাকিব পাৰিম?

- *দাইনা?*
- *কওঁক ওঝা*
- *বিয়া হ'ব্বাৰ আগতে ঘৈণীৰে সৈতে কৰা প্ৰেমৰ কথা মনত পৰিচ্ছি নিকি?*
- *এ - কিযে কয়!*
- *যেংকে বিদ্যাকান্তৰ প্ৰেমৰ বৰ্ণনা দিবা ধচ্চাহ মোৰ আকৌ সন্দেহ হচ্চি। বুইছাহ প্ৰেম বেমাৰ।*
- *বেমাৰ?*
- *বেমাৰ নহয়নো কি? যেই বিয়া কৰেলি বেমাৰ শেষ। আজি যে ঘৈণীক এৰি ওঝা গাবা আইছাহ বেলেগ গাঁওকলেগি-দুদিন হ'ল ঘৈণীৰেক নেদেখি বুকুখন বিষেইছি?*
- *নাই।*
- *অথচ সেই ঘৈণীক বিয়া নকৰোতে এদিন নেদ্‌খিলি থাক্‌বা নচ্চিলি?*
- *হয় অৱশ্যে।*
- *বিদ্যাকান্তৰো বিয়া পাতি দে।*
- *বিয়া ইতাই?*
- *অ' ইতাই? নহ'লি তেওঁৰ বেমাৰ কেংকে ভাল হ'বো?*
- *অ' ওঝা?*
- *কিবা ক'বা?*
- *বিদ্যাকান্তৰ বিয়া পাত্‌বালেগি অসুবিধা হৈছি?*
- *কি অসুবিধা?*
- *পথেইঘাটৰ ৰণখান হবা লাগবো?*
- *হয় নিকি? তেন্তে ৰণখান নকৰা কিয়া?*
- *তাৰ আগতে হংস যজমানীৰ কথা অলপ কৈ লওঁ।*
- *কউ তেন্তে!*

হংসধৰ শৰ্মাই পাতিদৰঙৰ পশ্চিম সীমাৰে পথৰুঘাটলৈ যোৱা আলিটোৰে

খৰখোজেৰে আহি আছিল। পাতিদৰং পাৰ হৈ মেদাৰ আলিত ভৰি দিছিলহে- পথাৰৰ মাজেৰে আহি প্ৰায় একেলগ হ'ল পাতিদৰঙৰ আঠিয়া কোচ, পুনু পাণ্ডা আৰু বহুদাৰীওয়াৰ সৈতে। দেৰি হোৱা বুলি তেওঁলোকেও খৰখেদাকৈ আহি আছিল।

ঃ এ শৰ্মা দাদৌ দেখো?

আঠিয়া কোচে মাত লগালে।

ঃ বৰ ভাল লাগিল আপোনালোকক লগ পাই। মই আকৌ ভাবছিলু মোৰেই দেৰি হ'ল নিকি বুলি।

ঃ নাই নাই দাদৌ! বিশেষ দেৰি হোৱা নাই। সৌৱা চাকচোন ৰাইজ গৈ আছে।

হংসধৰ শৰ্মাই সমুখলৈ চালে। হয় হয়! জুমে জুমে মানুহবোৰ গৈ আছে। কৈকৰা, লোজোৱা, বানেইকুছি, সমলা, বাঘৰবাৰী, বড়িগাঁও আদিৰ পৰা মানুহবোৰ জুমাজুমে গৈ আছে।

আটাইবোৰ হীৰাপাৰাত লগ হ'ব। হীৰাপাৰা, মেদা পাৰ হ'লেই পথৰুঘাটৰ তহছিলদাৰৰ কাৰ্যালয়। তাৰ কাষতেই হাবি জংগল কাটি চাফা কৰি ইংৰাজ চাহাবসকলৰ বাবে অস্থায়ী বাংলা সজা হৈছে। তাৰ সমুখলৈকে ৰাইজ যাব পাৰিব। ইংৰাজ চাহাবক নিজ মুখে ওজৰ আপত্তি শুনাব পাৰিব।

ঃ আজি দেখো আকাশত শগুণ উৰি আছেই বহুদাৰীয়া? কিবা অঘটন নঘটিলেই ৰক্ষা!

ঃ ধেৎ দাদৌ! - বহু দাৰীয়াই প্ৰায় ধমকিৰ সুৰতেই থমকি ৰৈ পুনু পাণ্ডাক ক'লে,- ঃ দেশৰ কামত আইছোহ। এনে অমংগলীয়া কথা ক'বা নাপায় নহয়।

ঃ মল্লিও মৰিম দেঅ' দাদৌ? ইংৰাজৰ হাতত মল্লিও মৰা, যমে মাল্লিও মাৰা।

আঠিয়া কোচে কঁকালত গামোছাৰ গাঁঠিটো টানকৈ মাৰি কৈ কৈ গৈ থাকিল। হংসধৰ শৰ্মাই পুনৰ তেওঁলৈ চালে? মানুহজন একাচেকা। স্পষ্টবাদী। ইংৰাজৰ সৈতে যেন তেওঁ যুদ্ধ কৰিবলৈ আহিছে। ৰ'বলৈ সময় নাই। ঘোঁৰাৰ

খোজৰ দৰে সমুখলৈ তেওঁ দৌৰাৰ দৰে গৈ আছে।

হীৰাপাৰাৰ গাঁও পাৰ হ'বলৈহে পালে— মানুহেই মানুহ। যেন বুঢ়ীনগৰৰ দেউল চাবলৈহে মানুহ আহিছে। হংসধৰ শৰ্মাৰ খোজ বেচি খৰ হ'ল। সঁচাই আজি পৰহি দিনাতকৈ বহু ৰাইজ আহিছে। মানুহ তেন্তে জাগিছে। বগা বঙাল ইংৰাজে খাজানা বঢ়োৱাৰ বাবে গোটেই দৰংবাসী অসন্তুষ্ট।

নতুনকৈ ইংৰাজ চাহাবৰ বাবে সজা বাংলাৰ সমুখত সকলো প্ৰজা বহি আছে। হংসধৰ শৰ্মাই দেখে লগত অহা আঠিয়া, পুনু পাগুা, বহু দাৰীয়া জুমৰ মাজত হেৰাল। তেওঁ সমুখলৈ আগবাঢ়ি গ'ল। পৰশু, অগনমেৰা, মানিক, প্ৰদীপৰায় আদি কেইজনমানে মানুহবোৰক বহিবলৈ, হাই-উৰুমি নকৰিবলৈ কৈ আছে।

- *এনেতে চাহাবসকল বাংলাৰপে ওলাল।*
- *মানুহবোৰ আকো হাই উৰুমি ক'ৰৰা ধ'ল্লা।*
- *তেতিয়া পৰশু, অগনমেৰাহঁতে ৰাইজক হৈ হাল্লা নকৰিবালেগি অনুৰোধ ক'ল্লা।*
- *ৰাইজ মনে মনে থাকিল?*
- *হয়। মনে মনে থাকিল। তাৰপাছত দাইনা?*
- *তাৰপাছত গাঁওক ওঝা,-*

হে-ই-ইতু
ৰাইজে উঠি বোলে হুজুৰ খাজানা দিবা নৰো।
পাঁচটকীয়া খাজানা আমি কেনকে আদায় কৰো।।
পাঁচসিকিয়া খাজানাকে দিবাৰ উপায় নাই।
ক'লাজেৰীয়া মাণিকে আগবাঢ়ি কয় যায়।
হেনশুনি চাহাবে মনে শুনি চাই।।
হাতযোৰ কৰি কয় ৰাইজৰ দিকে চাই।।
হেঁচা-থৈলা কৰি ৰাইজে ওজৰ কৰেই যাই।
চাহাবে কথা কয় কেৰা কৰি চাই।।

চাহাবে বোলে ৰাইজ কিনো উপায় কৰো।
মহাৰাণীৰ হুকুম মই ল'ৰাব নোৱাৰো।।
মনে মনে থাক ৰাইজ মোৰ কথা লবি।
পাঁচটকীয়া খাজানাৰ অলপ কম পাবি।।
নেপেলাও ৰাইজৰ কথা সাৰোগত ল'লো।
টকাই দুই আনা হিচাবে খাজানা কমেই দিলোঁ।।

- *হেন শুনি ৰাইজসকলৰ গাত নাই উলি*
- *টকাই দুই আনা হিচাপে কমেইলি হ'বোনে? আমি মৰ্‌বা লাগ্‌ছো পেটত গাঁঠি দি - তইঁতে খাজানা বঢ়াবা- ল'বালেগি কোন?*
- *পৰশু শৰ্মাই এইকথাখিনি ক'বাহে পালা-*
- *ৰাইজ দুগুণে উত্তেজিত হ'ল।*
- *খাজানা নকেমিলি চাহাব, এই জাগাৰপে যাবা নেদো।*
- *কোন আকো এইটো?*
- *কোন হ'বো? পাতদৰঙৰ আঠিয়া কোচ!*
- *ৰাইজখান ক্ৰমাৎ চাহাবৰ ওচৰকলেগি উত্তেজিত হৈ*
- *আগবাঢ়ি আহিল।*
- *চাহাবকেইজনে মনে মনে ভয় খাই শালৈ হাৱালদাৰক চকুৰে ইংগিত দিলা।*
- *হাৱালদাৰে চিপাহী কেইটাক হাতে হাতে বন্দুক লৈ সাজু হ'বা কলা।*
- *হাৱালদাৰক দেখি ৰাইজৰ খং আৰু বাঢ়িল।*
- *কেংকে?*
- *এ ঘিউত জুই দিলি*
- *ঘিউত জুই?*
- *আব্বাঃ! জুইত ঘিউ দিলি ঝেংকে জুইৰ কোব বেচি হয়েই, জাতিদ্ৰোহী, দেশদ্ৰোহী শালৈ হাৱালদাৰক দেখি ৰাইজ দুগুণে উত্তেজিত হ'ল।*
- *পুলিচৰ বৰচাহাবে তেতিয়া-*
- *বন্দুকৰ কুন্ডাৰে, লাঠিৰে ৰাইজক খেদি পঠাবা লেগি নিৰ্দেশ দিলা*

- শালৈ হাৰালদাৰক আৰু কোনে পায়!
- তাৰ গা উঠিল। চিপাহীমখাক লগত লৈ ৰাইজক উধাই মুধাই কোবাবা ধ'লাহ!
- খণ্ডে ৰাগে ৰাইজ পিছুৱেই গে'ল! তাৰপাছত?
- গাবা আৰম্ভ কৰক তেন্তে-!
- অ'-অ'-অ'

খেদা খোৱা ৰাইজৰ গাত নাই উলি।
ঢেকী ঠোৰা লৈ গেল ওজৰ কৰো বুলি।।
হেন দেখি চাহাবৰ গাত নাই উলি।
চিপাহীক হুকুম দিলা বন্দুক দিয়া বুলি।।
ইতিক্ষণে চিপাহীয়ে বন্দুক মাৰিলা।
গুলি খাই কতলোক বাগৰি পৰিলা।।
হেনশুনি ৰাইজসকলে মনে গুণি চাইলা।
লাহে লাহে ভাবি চিন্তি হাতে ফৰ্বোত লৈলা।।
ৰঙাই মাৰে দলি চপৰা লয়নে মাৰেই খৰি।
ফৰ্বোত পৰি চাহাবৰ টুপি গৈলা পৰি।।
প্ৰলয় কালত যেন সৃষ্টিক নাশিলা।
সেইমতে পথৈহিঘাটত ৰণ ভৈলা।।
প্ৰথমতে শিশুৰাম মৰিল গলত পৰি গুলি।
ৰাইজসকল লৰ মাৰেই ধাৱা দিলা বুলি।।
প্ৰাণহৰি মৰি গেল গলত পৰি গুলি।
ৰাইজসকল লৰ মাৰেই মানুহ মাৰেই বুলি।।
লয়ন কোচ লৰ মাৰেই বৰ কথা কৈ।
ৰঙা সোলেং লৰ মাৰেই হাতে ফৰ্বোত লৈ।।
পথক সেখ লৰ মাৰেই কেনে পালি জুতি।
ধাতু জন্মি লৰ মাৰেই কৰি কাতি কুতি।।
ভুবন কোচ লৰ মাৰেই লৰৌ ফৰৌ কৰি।

কত ৰাইজ মৰি গ'ল বৰ ধাৰাত পৰি।।
প্ৰদীপ ৰাই লৰ মাৰেই হৰি হৰি কৰি।
আলিৰ কাষত থাকিল উজুতি খাই পৰি।।
গুৰুম গুৰুম কৰি পাচে বন্দুক মাৰিলা।
কত মানুহ গুলি পৰি কেঁকাই থাকিলা।।
কতৰ প্ৰাণ বাহিৰ হ'ল কত গ'ল মৰি।
গছ এডালত গুলি পৰি সিও হ'ল চিৰা চিৰি।।
শুনাহে শুনা ভাই শুনা বিদ্যমানে।
পুৰাণৰ লীলাখেলা কলো সাৱধানে।।
শত শত মানুহ মৰিল তাৰ সীমা নাই।
চোৰা ভাই খেদা খোৰা ৰাইজৰ বিলাই।।
কপালঁত পৰি আঠিয়াৰ দেৰী হ'ল তেজ।
কান্ধত গুলি পৰি মৰিল সৰু বাপু বেজ।।
ৰাতিৰামৰ হাত ভাল হোৱা টান।
লোক্ৰেই গেএগা হলিৰ চিণ্ডি গ'ল কাণ।।
তপধন ডেকাৰ গুলি পৰি বাহিৰ হ'ল নাৰি।
বাগৰু কোচ পৰি আছেই বাপা বাপা কৰি।।
কিনাৰামৰ হাতত পৰি বাহুগেল ফুটি।
শম্ভু কোচৰ আঠুত পৰি সিও পালা জুতি।।
বাটৰুৱা ভিক্ষুক এজনে আছিল চাই।
বুকুত গুলি পৰি মৰিল হামখুৰি খায়।।
চাউলো গ'ল চৰুও গ'ল আৰু গ'ল চিৰা।
পেটত গুলি পৰি মৰিল বৰ লিকিৰা।।

- অ' ওঝা হংসধৰ যজমানীৰ কথা দেখো কোৱা নহ'ল?
- ক'বা বেয়াই লাগছি!
- কিন্তু ক'বাতো লাগবোয়ে!
- নহ'লি কাহিনী কেংকে আগবঢ়বো?

- *কোৱা তেন্তে-।*

হসংধৰ শৰ্মাই চকুৰ সমুখতে হঠাতে কি হ'ল তৎ ধৰিব নোৱাৰিলে। ইংৰাজ চিপাহীৰ বন্দুকৰ কুণ্ডা আৰু লাঠিৰ কোব খোৱা মানুহবোৰ হঠাতে যেন ৰণৰ শিঙা হৈ পৰিল। বিদেশী ইংৰাজে আমাক এইদৰে গৰু পিটন দিবলৈ কোন? কি অধিকাৰ আছে সিহঁতৰ? আমাৰ দেশ, আমাৰ মাটি। আমি নিজৰ মাটিত থাকোঁতে ইহঁতে আকৌ আমাৰ পৰা খাজানা আদায় কৰিব, নিদিওঁ বুলি আমাকেই গৰু পিটন দিব- নাই নাই এয়া হ'ব নোৱাৰে। পিছ মুহূৰ্তত চেদেলি-ভেদেলি হোৱা মানুহবোৰে সমুখত যিয়ে যি বস্তু পাই হাতত লৈ ইংৰাজ চাহাব থকা বাংলাটোলৈ বুলি খেদি আহিল। হৰিবোল- হৰিবোল!! আল্লাহু আকবৰ!! ধ্বনি-প্ৰতিধ্বনিৰে আকাশ-বতাহ মুখৰিত হ'ল। হংসধৰ শৰ্মাই দেখিলে চকুৰ সমুখতে আঠিয়া কোচে পাকেৰি গছ এজোপাত উঠি ডাল পাত চিগি দুটামান ফমুটি তৈয়াৰ কৰিলেই। কোনো -কোনোৱে ল'লে ওচৰ-পাজৰৰ কুঁহিয়াৰ পেৰিবলৈ ফালি থোৱা বাঁহ, ফলা খৰি, কাৰোবাৰ ঘৰত থকা হুলাবাৰী, ঢেকী থোৱা আদি। পিছ মুহূৰ্তত বৈ যোৱা হংসধৰ শৰ্মাই পুনৰ মানুহবোৰে উত্তেজিত হৈ উভতি অহাত তেৰো ওচৰতে দেখা এখন বাঁহৰ জেওৰাৰ বাঁহৰ খুটি এটি উভালি লৈ একেলগে আহিল। কিন্তু কি আচৰিত! তেওঁৰ পিছে পিছে ঘণ্ঠিৰাম শৰ্মা! সদায় ইংৰাজ চাহাবৰ হকে মানুহক পতিয়ান নিয়াবলৈ অহোপুৰুষাৰ্থ কৰা ঘণ্ঠিৰামৰ হাতত এটা দলি চপৰা!

ঃ ঘণ্ঠি দাদৌ?

ঃ অ' হংস! গোটেই গাঁওৰ মতা মানুহমখা পথেইঘাটক আইছিহ। মই একেলাই ঘৰত থাকা দেখি তিৰীটোৱে গালি পাৰ্‌ৱা ধ'ল্লাহ। মই ভাবি চিন্তি আহিলোঁ। চা চোন চা হংস-সিহেঁতে মোকো লাঠিৰে কুবেইছিহ। -হংসধৰে খোজ কাঢ়া অৱস্থাতেই ঘণ্ঠিৰাম শৰ্মাৰ সোঁ হাতৰ বাউসিটো চালে। ৰঙা পৰি উখহি আছে।

ঃ এই বামুণটোক যদি সিহেঁতে মাৰ্‌ৱা পাৰেই তেন্তে সিহেঁত অধৰমী বাপা! সিহঁতক মজা দিবা লাগ্‌বো।

খণ্ডৰ কোবত ঘণ্ঠিৰাম শৰ্মা হংসধৰতকৈ আগুৱাই গ'ল। এই ঠাইখিনি

বাকাৰাতলি। কোৰেৰে কাটি সমান কৰিছে যদিও ঠায়ে ঠায়ে সৰু টিলাৰ দৰে ঢাপবোৰ আছে। আশে-পাশে জাৰ্মান আৰু বেতৰ জোপোহাবোৰ।

হঠাৎ কণ্ঠিৰাম শৰ্মাৰ সমুখতে হামখুৰি খাই পৰিল বৰলিকিৰা সেখ। মুছলমান দেখিলেই দূৰতে বিদূৰ হোৱা ঘণ্ঠিৰাম শৰ্মাই বৈ হংসধৰৰ মুখলৈ চালে। হংসধৰ বৰলিকিৰাৰ ওচৰ চাপিল। তাৰো আগতে ঘণ্ঠিৰাম শৰ্মাই বৰলিকিৰাৰ গাত ধৰি তাক উঠালে। তাৰ হাতত থকা ফৰ্মুটিটো কিছু দূৰৈত চিটিকি পৰিছিল। হাতৰ কিলাকুটিত তেজ বিৰিঙিছিল বৰলিকিৰাৰ। তালৈ কাণসাৰ নকৰি সি ফৰ্মুটিটো লৈ পুনৰ দৌৰ দিলে চাহাবসকলৰ ওচৰলৈ বুলি। উভতি পলাই যোৱা বহুবোৰ মানুহ ৰণচণ্ডী ৰূপ লৈ যেন আহিছে। ইতিমধ্যে বাংলাৰ ওচৰ পোৱা মানুহবোৰে ফৰ্মুটি , দলিচপৰা আদিৰে চাহাবৰ গালৈ মাৰি পঠিয়াইছেই! বাংলাৰ তিনিওফালৰ পৰা মানুহবোৰ আহি আছে। মানুহৰ চিঞৰ-বাখৰত গছ-গছনি, বন-বননিৰ ওপৰত থকা চৰাই-চিৰিকতিবোৰেও হাত উজান দিছিল। পথাৰত দৰখ দিয়া, চৰি থকা গৰু ছাগলীবোৰে ভেবা লাগি মানুহবোৰলৈ চাই আছিল।

গুৰুম, গু-ৰুম, গুৰুম!!!

হংসধৰে দেখে সমুখৰ জুমত থকা বহুকেইজন বিকট-চিঞৰ মাৰি ঢলি পৰিছে। ঢলি পৰিছে ঘণ্ঠিৰাম শৰ্মা, আঠীয়া কোচ, পুনু পাণ্ডা! মানুহবোৰ ক্ৰমাৎ আগুৱাই আছে। হাতত থকা দলি চপৰা ফৰ্মুটিবোৰ চাহাবৰ গালৈ মাৰি পঠিয়াইছে।

গুৰুম-গুৰুম-গুৰুম!!!

পাতল ধোৱাৰ মাজৰ পৰা মৃত্যু দূতবোৰ সৰকি কাৰোবাৰ দেহত আঘাত কৰিছে। হংসধৰ শৰ্মাইয়ো হাতত থকা বাঁহৰ খুটাটো লৈ আগবাঢ়ি গৈ আছিল। হঠাৎ বুকুত আহি মৃত্যু দূতে প্ৰচণ্ডভাবে খুন্দিয়ালে।

ঃ আ-স!

ঢলি পৰিল হংসধৰ শৰ্মা!

আকাশত যেনি-তেনিয়ে উৰি চৰাইবোৰে কোৰ্হাল কৰিলে। দৰখ দিয়া গৰু-ছাগলীবোৰে পঘা চিগিবৰ বাবে চিঞৰত গগন ফালিলে। বাংলাৰ কাষত বান্ধি থৈ দিয়া ঘোঁৰাবোৰে বিকট চিঞৰেৰে জপিয়াই উঠিল। আঘাতপ্ৰাপ্ত মানুহবোৰে উৰাদিহ নাপায় ওচৰৰ দ্বিগজত জপিয়াই দিলে।

দ্বিগজৰ পানী গুলীৰ আঘাত পোৱা মানুহৰ তেজেৰে ৰাঙলী হৈ পৰিল। আঘাতপ্ৰাপ্ত মানুহবোৰৰ আৰ্তনাদত পথৰুঘাটৰ আশে-পাশে থকা গাঁৱৰ শিশু-মহিলাসকলৰ মাজত কান্দোনৰ ৰোল উঠিল!

- *কি হ'লহে দাইনা, মাত দেখো থোকাথুকি হৈছি? চকুৰ পানী, নাকৰ 'পানী দেখো একেলগ হৈছি?*
- *ইমান শোকৰ কাহিনী ওঝা কওঁ কেনেকৰি?*
- *কাৰ কপালৰ সেন্দুৰ মচা গেল, কত ঝিয়া-লিকিৰা*
- *হেই-মাউৰা, ঘাট মাউৰা, পানী মাউৰা হ'ল-*
- *তাৰ কোনো সীমা সংখ্যা নাই। পিছে দাইনা-পানী মাউৰা আকউ কি?*
- *পানীত ডুবি কৰুবকাই থাকাৰ নিচিনা। মানে পিতাকটো মৰিল নে জীয়েই আছেই আচল খবৰ পাৱা নাই। মাকে ইতা সিন্দুৰ ফোঁটটো মচবাও নৰেই, ঝিয়া-লিকিৰাকেইটাই পিতেক আইভো বুলি বাট চাই থাকাকে পানী মাউৰা বোলেই।*
- *বিদ্যাকান্তই ইতা কি কৰি আছেই?*
- *কি কৰ্‌বো আৰু? উৰা বাতৰি শুনি উচপিচেই আছেই।*
- *কেংকে?*
- *শুনক তেন্তে-।*

বিদ্যাকান্তই মাকৰ শ্ৰাদ্ধৰ কামখিনি শেষ কৰাৰ পাছত বৰুৱা মৌজাদাৰে চোতালত ভোজৰ পাত দিবলৈ ক'লে। মৌজাদাৰৰ মনটোও অস্থিৰ-অশান্ত। বিদ্যাকান্তৰো অৱস্থা তথৈবচ। গাঁৱৰ প্ৰায়বোৰ পুৰুষ পথৰুঘাটলৈ গৈছে। মৌজাদাৰৰ খাতিৰতহে মহৰী, পিয়দাকে আদি কৰি পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে জৰিত কৰ্মচাৰীসকল, জ্ঞাতি-কুটুম্ব কিছু আৰু গাঁওৰ শিশু, মহিলাবোৰ সকামলৈ আহিছে। পিছে দুপৰীয়া হোৱাৰ লগে লগে সকামৰ সকলো মানুহৰে মনবোৰ অশান্ত, উদ্বিগ্ন। মাজতে মৌজাদাৰক পতিৰামে আহি খবৰ দিলে বোলে পথৰুঘাটৰ পৰা মানুহবোৰক চাহাবৰ চিপাহীয়ে কোবাইছে। সেই সময়তেই পলোৱা এই

গাঁৱৰ পতিৰামে পুঠিটোকে ৰৌ বুলি ক'লেহি বোলে চিপাহীৰ মাৰৰ কোবত বহুতৰ মূৰ ফালিছে। কোনোবা মৰিছেও।

মৌজাদাৰে পতিৰামক একাষৰীয়াকৈ মাতিলে। চোতালত পাতবোৰ দিয়া হৈছে। হৰি কাণিয়াই পাতবোৰ মচি আছে। পাতিদৰঙৰ পদ্মকান্ত শৰ্মাক মাতিছে ভোজ ৰান্ধিবলৈ। তেওঁৰ নাম আছে ভোজ ৰন্ধাত। মৌজাদাৰে নিজৰেই তিনিটা খাহী ছাগলী মাৰিছে। নিজৰ পুখুৰীৰ ডাঙৰ ডাঙৰ ৰৌ ভকুৱা মাছ উঠাইছে। পতিৰামক একাষৰীয়াকৈ মাতি নিওঁতে মৌজাদাৰে পদ্মকান্তক সোনকালে ভোজ ভাত দিয়াৰ কাম শেষ কৰিবলৈ ক'লে। প্ৰথমতে বিদ্যাকান্তই আহাৰ গ্ৰহণ কৰাৰ পাছতহে ৰাইজে খাব পাৰিব। সেয়ে ভোজঘৰৰ কাষতেই পৰিস্কাৰ কৰা ঠাইত কাহৰ কাঁহী আৰু বাটিত বিদ্যাকান্তৰ বাবে খাদ্য প্ৰায় তৈয়াৰ কৰা হৈছিলেই। খাদ্য গ্ৰহণ কৰিবৰ বাবে মুখ হাত ধুবলৈ অহা বিদ্যাকান্তই হঠাতে পতিৰামক ভোজঘৰৰ পিছপিনে মৌজাদাৰে মাতি নিয়া দেখা পালে। এই পতিৰাম বোলাজনো পথৰুঘাটলৈ গৈছিল তাৰমানে? দিনটো তাক দেখা নাই। ধিতিঙালি কৰি ভাং খাই ঘূৰি ফুৰা এই মানুহজনে বা মৌজাদাৰক কি খবৰ দিয়ে? ভালে ভালে ৰাইজমেল পাৰ হৈ গ'লেই হয়।

ঃ তই আং বাং নবকিবি। ৰাইজমেলত কি হৈছি কউচোন?

পতিৰামলৈ পোনপতীয়াকৈ চাই মৌজাদাৰে সুধিলে।

ঃ কি হৈছি কবা নৰো দেউতা। আমি ৰাইজমেলৰ পাছত আছিলোঁ। হঠাৎ শুন্‌লো চাহাবৰ চিপাহীয়ে বোলে মানুহবোৰক লাঠি বন্দুকেৰে কুবেই আহি আছেই। মই একেলৰে এইখিনি পালোঁহি।

পতিৰামে তললৈ মুখ কৰি ভয়ে ভয়ে ক'লে।

ঃ বচ! তই ভোজভাত খোৱা শেষ নোহোৱাক্‌লেগি মুখ নুখুলিবি! যি কলি কলি!

ঃ হ'ব দেউতা!

ঃ ইতা ভোজ খাগেই যা! মুখ খুল্লি কথা বেয়া হ'বো কিন্তু!

অনুচ্চকণ্ঠে ধমকি দি মৌজাদাৰ পুনৰ উভতি আহিল।

ঃ পুৰোহিত দেউ খাদ্য কেনে হৈছি?

ইমান সময় খাদ্য গ্ৰহণ কৰিলেও মৌজাদাৰৰ আলেখলেখ চাই থকা বিদ্যাকান্তই থোৰতে ক'লে,

ঃ বৰ উপাদেয় হৈছে!

বিদ্যাকান্তই ততাতৈয়াকৈ খাদ্য খোৱা শেষ কৰি মুখ হাত ধুলে। ইতিমধ্যে চোতালত থকা বাকী ৰাইজেও খাদ্য খাবলৈ আৰম্ভ কৰিছে। পাতিদৰং, বৰমপুৰৰ বামুণে খাদ্য বিলাইছে। বামুণে খাদ্য ৰান্ধিলে কোচ, কলিতা, গণক, বামুণ, গোসাঁই সকলোৱে খাব পাৰে। কিন্তু আন জাতিৰ মানুহে খাদ্য ৰান্ধিলে অথবা বিলালে কোনো কোনোৱে খাব নোৱাৰে বাবেই বামুণৰ নিৰ্দিষ্ট ৰান্ধনীৰ জৰিয়তে ভোজভাত ৰান্ধা হয়। মৌজাদাৰেও তাকেই কৰিছে।

মৌজাদাৰে খাদ্য দিয়াৰ তদাৰক কৰি অকনমান সময়ৰ বাবে পদূলিমুখলৈ ওলাই আহিছিল।

ঃ মৌজাদাৰ দেউতা?

মৌজাদাৰে উভতি চালে। বিদ্যাকান্ত। তেওঁৰেই প্ৰিয় পুৰোহিত।

ঃ অ' পুৰোহিত দেউ? কিবা লাগছিল?

ঃ নাই মোক একো নেলাগে। - বিদ্যাকান্ত তেখেতৰ ওচৰ চাপি আহিল,

ঃ পথৰুঘাটৰ কিবা খবৰ পাইছেনে আপুনি?

মৌজাদাৰ অলপ চিন্তিত হ'ল। তেওঁ বিদ্যাকান্তৰ মুখলৈ চালে। এই ডেকা ল'ৰাজনে বৰ আগ্ৰহেৰে, আন্তৰিকতাৰে কথাটো সুধিছে। এতিয়া ফাঁকি দিবলৈও মন যোৱা নাই তেখেতৰ, ঃ শুন্ছোঁ অলপ গণ্ডগোল হৈছি। কিন্তু এই হংসধৰ দেউহাত ইতাক্লেগি আহি নাপাৱাৰ বাবে মোৰ চিন্তা হৈছি! ইতিমধ্যে ৰাইজমেলত যাৱা মানুহতো ভোজৰ পাতত বইছিহ! আৰু ইয়াতকৈ কিবা বেয়া ঘটনা নঘটিলেই ভাল হয়! - তাৰমানে ৰাইজমেলত কিবা অঘটন ঘটিছে। নহ'লে মৌজাদাৰে কিয় ক'বো- আৰু ইয়াতকৈ বেচি অঘটন...! বিদ্যাকান্তই পুনৰ চিন্তিত হৈ পৰা মৌজাদাৰৰ ওচৰ চাপি সুধিলে-

ঃ মৌজাদাৰ দেউতা কিবা অঘটন ঘটিছে নেকি?

ঃ নাই এজনে ক'লেহি বোলে কিবা ঠেলা-গটা লাগ্ছি। যিমানহে মানুহ হৈছি, ঠেলা-গটা নাল্‌গিবোনে?

কৈয়েই মৌজাদাৰ বক্তব্য আঁতৰিল। বিদ্যাকান্তই মন কৰিলে তেখেত ইচ্ছা কৰিয়েই পথৰুঘাটৰ প্ৰসংগ এৰাবলৈকে আঁতৰি গৈছে। বিদ্যাকান্ত আলিটোৰে কিছু আগবাঢ়ি আহিল। মৌজাদাৰৰ ঘৰৰপৰা দক্ষিণে আধা ফাৰ্লমান আহিলেই বিস্তীৰ্ণ দলনি পথাৰখন। তাৰপৰাই দূৰণিৰ মেদা, হীৰাপাৰা গাঁওখন দেখি।

ইতিমধ্যে গাঁৱৰ তিৰোতাবোৰে নিজ নিজ পদূলিমুখত জুম বান্ধিছেই। ইটোৰে-সিটোৰ মুখলৈ চোৱাৰ বাহিৰে কোনো উপায় নাই।

বিদ্যাকান্তই মন কৰিলে কোনোবাই যেন তেওঁৰ পিছ লৈছে। তেওঁ ৰ'ল আৰু উভতি চালে। সুপ্ৰভা! তায়ো ৰৈছে।

ঃ তুমি? তুমি আকউ মোৰ পিছে পিছে কিয় আহিছা?

আচৰিত হৈ সোধা প্ৰশ্নত সুপ্ৰভাই থতমত খালে যদিও তাই অনুচ্চকণ্ঠে ক'লে,-

ঃ মৌজাদাৰ দেউতাই কিবা খবৰ পাইছি নিকি? পিতাই দেখো ইতাকলেগি আহি পোৱা নাই?

বিদ্যাকান্তই চাৰিওফালে চালে। নাই, কোনোৱেও তেওঁলোক দুজনক মন কৰা নাই। ফটিকইঁত পথৰুঘাটলৈ গৈছে।

ঃ তুমি ভাত খালানে!

বিদ্যাকান্তই যেন নাভূত-নাশ্ৰুত প্ৰশ্ন এটিহে সুধিলে। সুপ্ৰভাই লগে লগে উত্তৰ দিলে,

ঃ ভাত? ভাত কেংকে খাওঁ? পিতায়ে কৈ গৈছিল সোনকাল্তে আইভো বুলি। মায়ে চিন্তা কৰি আছেই। মই মা-পিতাইক এৰি ভাত কেংকে খাওঁ।

বিদ্যাকান্ত অথাই সাগৰত পৰিল। এই মুহূৰ্তত যদি মৌজাদাৰে কোৱা কথাখিনি কয় বোলে ৰাইজমেলত কিবা অঘটন ঘটিছে বুলি তেন্তে মহাপয়মাল হ'ব। তাই কান্দি কাটি হায়ৰাণ হ'ব!

ঃ সুপ্ৰভা!

বিদ্যাকান্তৰ মাতত সুপ্ৰভাই তেওঁলৈ চালে। বৰ মৰমলগা এইজনী ছোৱালী। মন মাৰিলেও ধুনীয়া দেখি! এই মুহূৰ্তত্ত যেন তাইৰ সেন্দুৰী আমৰ দৰে গাল

দুখন চুই, চুলিকেইডাল লিৰিকি বিদাৰি সান্ত্বনা দিব - তুমি একো চিন্তা নকৰিবা ভাত খোৱাগৈ।

ঃ আপুনি দেখো একো নক্‌লাক?

বিদ্যাকান্তই উচপ খোৱাৰ দৰে সুপ্ৰভালৈ চালে।

ঃ তুমি সুপ্ৰভা ঘৰলৈ যোৱা। নহ'লে মাৰাই চিন্তা কৰিব। ৰাইজমেলত আজি মানুহ বহু হৈছে বোলে। চাহাবে দাবী নমনালৈকে ৰাইজ আজি সোনকালে নাহে। তুমি আৰু মাৰাই ভোজ ভাত খোৱাগৈ। পিতাৰালৈ ভোজ লৈ যোৱা। তেখেতসকল অহাত দেৰি হ'ব।

তেতিয়ামানে ভোজভাত শেষ হ'ব। ৰান্ধনীবোৰ যাব!

বিদ্যাকান্তৰ মুখলৈ ভেবা লাগি চাই থকা সুপ্ৰভাক পুনৰ সোঁৱৰাই দিলে,ঃ মই কি কৈছোঁ শুনিছানে? তুমি আৰু মাৰাই ভোজভাত খাই পিতাৰালৈও লৈ যোৱা।

মূৰ দুপিয়ায় সুপ্ৰভা আঁতৰি গ'ল। তাইৰ চকু-মুখত যেন আশ্বস্তৰ চিহ্ন।

হে প্ৰভু! ৰাইজমেলৰ পৰা যাতে মানুহবোৰ সুস্থভাৱে ঘূৰি আহে। বিদ্যাকান্তই থিয় হৈ থকাৰ ঠাইৰ পৰাই অদৃশ্য ভগৱন্তক সেৱা জনালে। পুনৰ বিস্তীৰ্ণ পথাৰৰ সীপাৰলৈ চালে। আকাশখনৰ নীলাবোৰ ক্ৰমাৎ ম্লান পৰিছে। দিগন্তত ধোঁৱা বৰণে ভুমুকি মাৰিছে। হয় হয়! দক্ষিণৰ পৰা দুই এজনকৈ মানুহ আহি আছে পথাৰৰ মাজে মাজে। কোনোবা দুজন পাতিদৰং গাঁৱৰ আহত দুজোপাৰ গুৰি পাইছে। বিদ্যাকান্ত কিছু আগবাঢ়ি আহিল।

চম্পক আৰু ফটিক!

নাই নাই! সিহঁতে তেওঁক দেখিয়েই আন এটি পথেৰে গাঁওলৈ সোমাই গ'ল। সিহঁতৰ চকু-মুখ বিবৰ্ণ! নিশ্চয় কিবা ডাঙৰ অঘটন ঘটিছে! নহ'লে ইহঁত দুয়ো এইদৰে পলোৱাৰ দৰে গুছি গ'ল কিয়?

আহিছে আহিছে। দুই এজনকৈ মানুহবোৰ আহি আছে। তাৰে কোনোবা পাতিদৰঙত সোমাইছে।

হঠাৎ কান্দোনৰ বোল শুনি বিদ্যাকান্তই উভতি বেগাবেগিকৈ খোজ ল'লে। হয় হয়! এই কান্দোন-এই কান্দোন দেখো সুপ্ৰভাহঁতৰ ঘৰৰ কাষৰ পৰাই আহিছে?

এয়া দেখো সুপ্ৰভাৰ কান্দোন? তাৰমানে ফটিকহঁতে কিবা বেয়া খবৰ কঢ়িয়াই লৈ আহিল নেকি?

বিদ্যাকান্ত প্ৰায় দৌৰাৰ দৰেই সুপ্ৰভাহঁতৰ ঘৰৰ পিনে আগবাঢ়ি আহিল।

- *সুপ্ৰভাহঁতৰ ঘৰৰ কন্দা কটা শুনি-*
- *গোটেই গাঁওৰ ঘৰে ঘৰে কান্দোনৰ ধুম উঠিল!*
- *ধুম?*
- *ধুম মানে ওঝা কাৰোৱাৰ ঘৰৰ ল'ৰাটো নাই। আন কাৰোবাৰ মতাটো নাই! কোনবাটো আকউ ওল্ছি ভাঙা হাত, ভাঙা ভৰি লৈ। কাৰোৱাৰ চকুটো নাই। কাৰোৱাৰ মূৰটো ফাটা। কোনোবাৰ আকউ আঠুত গুলি লাগ্ছি, কোনবাৰ বাহুত!*
- *মুঠতে ক'ত কি হৈছি লেখ - জোখ নাই। সেয়ে ঘৰে ঘৰে কান্দা কাটা আৰম্ভ হৈছি।*
- *কোনবাই আকউ উল্টা খোৰ মাৰ্ছি।*
- *উল্টা খোৰ?*
- *অ' অ' উল্টা খোৰ। উল্টাখোৰ মানে ভৰি দুখন ওপৰ কৰি দুইহাতেৰে খোজকঢ়া।*
- *নুবুঝিলোঁ!*
- *কোনবা এখন ঘৰলৈ হয়তো নিজৰ মতাটো, ল'ৰাটো ভালে ভালে আহি পাইছিহ- সি আহি নিজৰ তিৰীটোক বা মাকজনীক আহি পাৱা নাই বুলি ৰাউচি জুৰি কান্দবা দিছি। কোনবাই আকউ একো দুখ-চুখ নোপোৱাকে তিৰীটোক বা মাকক আহি দুখ পাৱাৰ ভাও জুৰি দেহা মালিচ কৰ্বা দিছি!*
- *কিয়া?*
- *যাৰ ঘৰৰ মানুহ মৰ্ছি বা আহি পাৱা নাই তেওঁলোকে গম পাক চিপাহীৰ লাঠি- গুলিৰ ভয়ত যে পলেই আহা নাই বুলি! নহ'লি পাছদিনা লোকে কাপুৰুষ বুলি কবো যে!*

- *পতিৰামৰ দৰে?*
- *অ' হাতীৰ লাদ দেখি শহাই দৌৰ মাৰা পতিৰামৰ দৰে!*
- *সুপ্ৰভাই কি কৰি আছেই?*
- *কি কৰ্‌বো আৰু? মাকে ঝিয়েকে মিলি গাছৰ পাত সৰেই কান্দা-কাটা কৰি আছেই।*
- *আৰু বিদ্যাকান্তই?*
- *শুনক তেন্তে!*

বিদ্যাকান্তই সুপ্ৰভাইঁতৰ ঘৰৰ চোতালত ভৰি দিবলৈহে পালে তেওঁক দেখি সুপ্ৰভাই বেছিকৈ কান্দিব ধৰিলে। বৰঘৰৰ কাথিত বহি শান্তিপ্ৰিয়াই আউলি-বাউলি হৈ কান্দি আছে। কাষত আছে কেইবাগৰাকী তিৰোতা। তেওঁলোকে শান্তিপ্ৰিয়াক ধৰি আছে। বাতবিষত অতীষ্ঠ এই মানুহজনীয়ে এইদৰে শোকত ভাগি পৰিলে আৰু বিপদ হ'ব। বিদ্যাকান্ত ওচৰ চাপিবলৈহে পালে শান্তিপ্ৰিয়াই আৰু অধিক জোৰে কান্দি কান্দি তেওঁক ক'লে, ঃ অ' বাপা! মোৰ মানুহটোক এবাৰ আনি দে অ'। মই এবাৰ তেওঁক চাবা খোজো! অ' বাপা-তোক কাবৌ কৈছোঁ মানুহটোক এবাৰ চাবা খোজো!

কি বুলি সান্ত্বনা দিব বিদ্যাকান্তই ভাবি নাপালে। বান্ধবীকেইগৰাকীমানে আগুৰি ৰখা সুপ্ৰভাৰ ওচৰলৈকে যাবলৈ তেওঁৰ সাহস হোৱা নাই। কি বুলি বাৰু এই মুহূৰ্তত তেওঁ সান্ত্বনা দিব? মানুহজন ঢুকাইছেনে, আঘাত পাইছে- এই সম্পৰ্কে তেওঁ একো জানিবও পৰা নাই। এই ডেকাকেইজনে বা কি বুলি খবৰ দিলে?

বিদ্যাকান্ত পদূলিমুখলৈ আহিল। অ' অ' তাতেই আছে ফটিক, চম্পকহঁত। লগত আৰু কেইজনমান গঞা। তেওঁলোকক কিবা কৈ আছে।

ঃ মই নিজ চকুৰে দেখ্‌ছো- হংসদাদৌ গুলি খাই পৰি গৈইছি! তাৰ আগতে পাতদণ্ডৰ আঠিয়া কোচ, ঘষ্ঠি দাদৌও মৰ্চ্ছি! মোৰ গাতো গুলি লাগিল হয়- কিন্তু ঠেলাহেঁচাত মই মাটিত পৰি গেলোঁ। গুলিৰ শব্দ শুনি মাটিতেই চকুমুদি পৰি আছিলোঁ। চিপাহীবোৰ যাৱাত দৌৰি পলেই আইছোহ!

হয় হয় এইজন ফটিক! ফটিকেই কৈ আছে কথাখিনি গঞাৰ কেইজনমানৰ আগত। বিদ্যাকান্ত আৰু নৰ'ল। তেওঁ খোজ ল'লে মৌজাদাৰৰ ঘৰলৈ বুলি।

আকাশখনৰ অ'ত ত'ত সিঁচৰতি হৈ পৰা মেঘবোৰে ৰঙা ৰং সানি লৈছে। বেলিটো ডুব যাওঁ যাওঁ। আশে পাশে সেন্দূৰ হেন ৰংবোৰ যেনি তেনি বিয়পি আছে। শান্তিপ্ৰিয়াৰ কপালখনৰ দৰে? বিদ্যাকান্তই মন কৰিলে গাঁৱৰ কোনোবা তিৰোতাই শান্তিপ্ৰিয়াৰ শিৰৰ সেন্দুৰকণ মচিবলৈ চেষ্টা কৰোঁতে গোটেই কপালতেই সেন্দুৰৰ ৰংবোৰ সিঁচৰতি হৈ পৰিছিল। আজিৰ পৰা শান্তিপ্ৰিয়াৰ কপালখন উকা হৈ পৰিব। বাত বিষে লম্ভিলেও সেই সেন্দুৰৰ ফোটটোৱে শান্তিপ্ৰিয়া মানুহজনীৰ সৌন্দৰ্য্যক অধিক মোহনীয় কৰি তুলিছিল। আজিৰ পৰা মানুহজনী বিধবা হ'ব। পুৰুষ নাইকিয়া ঘৰখনত একমাত্ৰ গাভৰু ছোৱালী সুপ্ৰভাক লগত লৈ..

ঃ ডেকা পুৰোহিত দেউ!

চিনাকি মাতত বিদ্যাকান্ত ৰৈ গ'ল। পদূলিমুখতেই ৰৈ আছে বৰুৱা মৌজাদাৰ। মৌজাদাৰৰ ওচৰলৈকে আহিছিল। তেওঁক সহজে লগ পাই বিদ্যাকান্তই ভালেই পালে।

ঃ এই হংসধৰ বোলে ঢুকাল?

তাৰমানে মৌজাদাৰে খবৰ পালেই? নেপাব কিয়? এই গাঁওৰ, অঞ্চলৰ মুখীয়াল ব্যক্তি। কোনোবাই চাগে খবৰ দি থৈ গ'ল।

ঃ হয়!

ঃ বৰ বেয়া কথা হ'ল! আজিৰ ৰাইজমেলখান এনে হবো বুলি ভাবা নাছিলু। বৰ বেয়া ঘটনা ঘটিল!

মৌজাদাৰ পিছুৱাই আহিল, ঃ আহক দেউ চ'ৰাঘৰতেই বহোঁ?

বিদ্যাকান্তই ঠাইতেই থিয় হৈ ক'লে, ঃ বহিবলৈ মন যোৱা নাই কথা পাতিবলগীয়া আছিল!

মৌজাদাৰ ৰ'ল, ঃ কথা? কি কথা? আপুনি ঘৰকলেগি যায় নিকি?

যেন উতলা তেলতহে নিমখ চটিয়াই দিলে মৌজাদাৰে,-

ঃ চিঃ চিঃ! কি কথা কয় আপুনি? দেশৰ, গাঁৱৰ এনে পৰিস্থিতিত মই আকউ ঘৰলৈ যাম কিয়?

মৌজাদাৰে পোনপটীয়াকৈ বিদ্যাকান্তৰ মুখলৈ চালে। এই ডেকাজন ইতিমধ্যে অঞ্চলৰ সমস্যাটোৰ সৈতে, হংসধৰৰ সৈতে একাত্ম হৈ পৰিছিল। আজি হংসধৰ ঢুকোৱাৰ খবৰে তেওঁক মৰ্মাহত, বিচলিত কৰিছে। মই ঘৰৰ প্ৰসংগ উলিয়াই তেওঁক অপমান কৰাৰ দৰেহে হ'ল!

ঃ মই তেংকে কৰাৰ বাবে বেয়া নাপাব দেউ! আজিৰ ঘটনা শুনি মই বৰ চিন্তাত পৰ্ছোঁ! কি কথা পাত্ৱা লাগা আছেই কওঁক!

বিদ্যাকান্ত ওচৰ চাপি আহিল। মহৰী তিলকে ইতিমধ্যে ঠাইতে বহিবলৈ দুখন কাঠৰ চকী আনিছিল। মৌজাদাৰ বহাৰ পাছত বিদ্যাকান্তও বহিল।

ঃ হংসধৰ শৰ্মাৰ মৃতদেহটো অনাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

বিদ্যাকান্তৰ প্ৰস্তাৱ শুনি মৌজাদাৰে সামান্যভাবে হ'লেও উচপ খাই উঠিল। এই কথাটো তেওঁ মনেই কৰা নাই। হংসধৰ মৰাৰ খবৰহে পালোঁ। কিন্তু মৃতদেহটো ক'ত? মৃতদেহবোৰ জানো ইংৰাজ চিপাহীয়ে আনিবলৈ দিব? এতিয়া নিশা হওঁ হওঁ! তাতে-

ঃ আপোনাৰ যদি অসুবিধা হয় তেন্তে

মৌজাদাৰে পুনৰ তেওঁলৈ চালে, ঃ নাই নাই! অসুবিধা আকো কিয়া হ'বো। পিছে নিশা এইদৰে মৰা মানুহ আনা ভাল হবো জানো? আৰু চিপাহীয়ে আনবা দিবো জানো?

বিদ্যাকান্তক পোনপতীয়াকৈ সুধিলে যদিও তেওঁৰ ওচৰতো ইয়াৰ সমিধান তেনেকৈ নাই! ইংৰাজৰ মতি গতি ধৰা টান। কিন্তু তেওঁলোকে কিয় মৃতদেহ আনিবলৈ নিদিব?

ঃ আপুনি ইতা জিৰণি লওঁক। মই হংসধৰৰ ঘৰৰপে খবৰ লৈ আহোঁ। মই মহৰী, পিয়দা দুজনমানক পঠেই দেও। সেহেঁতে আলেখ লেখ চাই আহক। পাৰেই যদি মৰা লাচটো লৈ আহক। আপুনি চিন্তা কৰ্বা নালগেই।

মৌজাদাৰ উঠিলেই । বিদ্যাকান্তও উঠিল, ঃ যদি পাৰোঁ কাইলৈ পুৱা?

ঃ অ'! যদি ৰাতি একো নহয় তেন্তে পুৱা আপুনি মোৰ লগত ওলাবো। একেলগে যাম!

- *এইবুলি মৌজাদাৰ শান্তিপ্ৰিয়াৰ ঘৰক্‌লেগি গুছি গেল।*
- *মোজাদাৰক দেখি শান্তিপ্ৰিয়া, সুপ্ৰভাই হাউ হাউকে কান্দবা ধ'ল্লা।*
- *বোলো মৌজাদাৰ দেউতা, আমি ইতা কেংকে জীয়েই থাকিম, কেংকে খাম?*
- *মৌজাদাৰে বোলে-*
- *চিন্তা নকৰ্‌বি। মই আছোঁ নহয়? শান্তিপ্ৰিয়াই মৌজাদাৰৰ ভৰিত ধৰ্‌ৱা আইছিল। মৌজাদাৰ পিচুৰেই আহিল,- নাপাই নহয় - তহঁত মোৰ পুৰুহিত। মোৰ পুৰুহিত ঢুকেইছি! তই যিমান দুখ পাইছ ময়ো পাইছোঁ।*
- *শান্তিপ্ৰিয়াই বোলে মৌজাদাৰ দেউতা- এবাৰ মোক মতাটোৰ দেহটো চাবাৰ ব্যৱস্থা কৰি দিয়ক।*
- *কালি মই পুৱা পথেইঘাটত জাই আছোঁ। কি কৰ্‌ৱা পাৰোঁ চাওঁ।*
- *এইবুলি মৌজাদাৰ তাৰপে গুছি আহিল। ঘৰকলেগি আহি বাহিৰতে কাপোৰকানি সোল্‌কেই গা পা ধূলা, মৌজাদাৰণীয়ে আগবঢ়োৱা কাপোৰ কানি পিন্ধি ওলেই আহিল-*
- *ক'ক লেগি?*
- *বিদ্যাকান্তৰ ওচৰকলেগি। বিদ্যাকান্তক বিহেই পুৱা-*
- *বিহেই পুৱা?*
- *তাৰমানে কুকুৰে গু নাখাওঁতেই বিচনাৰপে উঠ্‌ৱা দিলা।*
- *বোলো ডেকাদেউ-*
- *কালি পুৱাই আমি পথেইঘাটকলেগি যাওঁ ব'লক। এই পুৰুহিতৰ ঝিয়াটোৰ, তিৰীটোৰ মনোবাঞ্ছা*
- *পূৰণ কৰ্‌ৱা পাৰোঁ নিকি চাওঁ। খাই বৈ আপুনি সোনকাল্‌তে শোওঁক।*
- *বিদ্যাকান্তই বোলে মৌজাদাৰ দেউতা, খাবাকলেগি একদম মনচন নাই! মৌজাদাৰে শল্‌গিলে। গাঁওত মানুহ ঢুকেইছি তাকো আপোন মানুহ।*

খাওঁ ইতা কেংকে?

- *বিদ্যাকান্ত ইতা অথাই সাগৰত পৰিল!*
- *অথাই সাগৰত? নুবুজিলো!*
- *শুনা তেন্তে-*

'গোটেই ৰাতিটো যেন এক ভয়াবহ দৈত্যহে। নাযায়-নুপুৱায় এডাল ক'লা সাপ। সমগ্র ৰাতিটো যেন বিদ্যাকান্তক মেৰিয়াই আছে। সুপ্রভাই চাগে' কান্দি কান্দি লেবেজান হৈ পৰি আছে। মাকজনীয়ে গাৰ বিষ, মনৰ বিষত ঘনে ঘনে মূৰ্চ্ছা যোৱা নাইতো? এইখন গাঁওত প্রথম অহাৰ পৰা মৌজাদাৰৰ পাছতেই আপোন হৈ পৰা মানুহজন আছিল হংসধৰ শৰ্মা। অকল সকামৰ ক্ষেত্রতেই নহয়- এইকেইদিন খাজানা বঢ়োৱাৰ বাবে ৰাইজমেল পতা আৰু তালৈ লৈ যোৱাৰ বাবে হংসধৰ শৰ্মাৰ প্রতি এক নির্মোহ শ্রদ্ধাৰ ভাবে তেওঁৰ অন্তৰত তিৰবিৰাই আছিল। সেই মানুহজনে তেওঁক এৰি যাবগৈ এনেদৰে? নাই নাই! মুঠেও বিশ্বাস কৰিবলৈ মন নাযায়। অথচ শান্তিপ্রিয়া আৰু সুপ্রভাই কেনেদৰে বিশ্বাস কৰিব? কেনেদৰে সহ্য কৰিব- স্বামী আৰু পিতৃ বিয়োগৰ শোক? দুচকু মুদিলেই হংসধৰ শৰ্মাই জলজল পটপটকৈ দেখা দিয়ে। ইকাটি-সিকাটি হ'লেই শান্তিপ্রিয়াৰ অবিন্যস্ত সেন্দূৰেৰে ৰাঙলী কপালখনলৈ মনত পৰে। মনত পৰে ৰাউচি জুৰি কন্দা সুপ্রভাৰ মুখখনলৈ। হংসধৰ শৰ্মাৰ দেহাটো আনিবলৈ শান্তিপ্রিয়াই কিয় বাৰু তেওঁকো এইদৰে কাকুতি কৰিলে? শান্তিপ্রিয়াই তেওঁকো ঘৰৰে এজন বুলি ভাবি এনেদৰে কোৱা নাইতো? ঘৰৰে এজন? নাই নাই! এয়া হ'ব নোৱাৰে। যোৱা নিশাই তেওঁ সিদ্ধান্ত কৰি পেলাইছে যে শ্রাদ্ধ হোৱাৰ পিছদিনাই তেওঁ এই গাঁও এৰি মঙলদৈ তাৰপৰা গুৱাহাটী হৈ নিজ গাঁওলৈ যাব! মৰি গ'লেও নেথাকে। কালিয়েই সুপ্রভাৰ মোহ ত্যাগ কৰিবলৈ বহু চেষ্টা কৰি শেষত যোৱাটোকে শেষ সিদ্ধান্ত কৰি পেলাইছিল!

পিছে সকলোবোৰ দেখো ওলট-পালট হৈ গ'ল?

কাইলৈ পুৱাই মৌজাদাৰৰ সৈতে পথৰুঘাটলৈ যোৱাৰহে সিদ্ধান্ত হ'ল! ঘৰলৈ যোৱাটো তেন্তে কি হ'ল?

· প্ৰথমে মানৱতা! মানৱতাৰ খাতিৰতহে তেওঁ মৌজাদাৰক হংসধৰ শৰ্মাৰ মৃতদেহটো অনাৰ বাবে লগ ধৰিছিল। মৌজাদাৰে এতিয়া পুৱাই যোৱাৰ বাবে সাজু হ'বলৈ কৈছে। তাৰমানে কাইলৈ পুৱাই তেওঁ পথৰুঘাটলৈ যাব? নিজ ঘৰলৈ যোৱাৰ পৰিকল্পনা তাৰ মানে ইমানতে শেষ?

হংসধৰ শৰ্মাৰ অকাল বিয়োগ, দৰঙী কৃষকৰ বিলাই বিপত্তিৰ এই দুৰ্যোগত তেওঁ যদি এইদৰে গুছি যায় তেন্তে মানুহবোৰে কি ভাবিব? মৌজাদাৰে ভাবিব পলৰীয়া উজনিৰ বামুণ বুলি! গাঁৱৰ মানুহে? ফটিকহঁতৰ দৰে ডেকা ল'ৰাকেইটামানে ভাল অৱশ্যে পাব। ভাল পাব ভাদেই বেজেনীয়ে। ভাদেই বেজেনী, কেইটামান ডেকা ল'ৰাৰ সন্তুষ্টিৰ বাবেই তেওঁ কলিয়াবৰলৈ যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি? সুপ্ৰভা, শান্তিপ্ৰিয়া, মৌজাদাৰ আদিৰ সন্তুষ্টিক কি তেওঁ গুৰুত্ব নিদিব নেকি? গুৰুত্ব নিদিব নেকি - জীৱনত পোন প্ৰথম তেওঁৰ অন্তৰ্প্ৰদেশত আটোমটোকাৰিকৈ টোকোৰা চৰায়ে সজা বাঁহৰ দৰে মৰম-প্ৰীতিৰ কুটীৰ ঘৰটিলৈ! যি ঘৰটিত তেওঁ সংগোপনে, আলফুলে সজাই ৰাখিছে সুপ্ৰভা নামৰ প্ৰথম ভালপোৱাক। যি ভালপোৱাৰ বাবে তেওঁৰ মনত খোপনি পুতিছে এই দৰঙী গাঁওৰ আমোলমোল সুবাস! যেন এতিয়াই দৌৰি গুছি যাব সুপ্ৰভাহঁতৰ ঘৰলৈ। যেন কৈ দিব তোমালোকে চিন্তা নকৰিবা- মই আছোঁ নহয়! মই চাম তোমালোকক! মই চাম তোমাক সুপ্ৰভা! ধেৎ! কিযে আংবাং চিন্তাবোৰ মনলৈ আহিছে! বহুচেষ্টা কৰিও টোপনিক বশ কৰিব পৰা নাই। শান্তিপ্ৰিয়াৰ কান্দোন, সুপ্ৰভাৰ ক্ৰন্দনৰত মুখখন জ্বলজ্বল পট পটকৈ ভাঁহি উঠে। ইকাটি-সিকাটিকৈ, ওপৰ মুৰাকৈ অথবা পেট পেলাই শুই টোপনিক আমন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিলে বিদ্যাকান্তই। ওহো! নাহে দেখো টোপনি! হে ভগৱান আজি মুঠেও টোপনি মাৰিব পৰা নহ'ব! এতিয়াও দূৰৈৰ তিৰোতাৰ কান্দোনৰ ধ্বনি তেওঁৰ কাণত পৰিছে। তাৰ মাজতেই মিশ্ৰিত হৈ আছে শান্তিপ্ৰিয়া আৰু সুপ্ৰভাৰ বিৰহ বেদনাৰ আৰ্তি। হায় হায়! তেওঁৰ হৃদয়ৰ আলফুল টোকোৰা চৰাইটোৱে ইনাই বিনাই কান্দিছে আৰু তেওঁ শুই আছে? ধহমহকৈ বিচনাৰ পৰা উঠিল বিদ্যাকান্ত। বাহিৰত ঘিটমিটিয়া আন্ধাৰ। মাজে মাজে চিন-অচিন পোক পৰুৱাৰ মাত, তিৰোতাৰ কান্দোন ধ্বনিয়ে নিশাটোক আৰু অধিক জয়াল কৰি তুলিছে। সন্তৰ্পনে দুৱাৰৰ

দাং লগাই বাহিৰ ওলাল। উমানতে মৌজাদাৰৰ পদূলিমুখ পালেগৈ। পদূলিমুখ পাই তেওঁ থিয় হ'ল। যোৱাটো জানো উচিত হ'ব? সুপ্ৰভাইঁতৰ ঘৰত নিশ্চয় অঙহি বঙহি থাকিব। কি ঠিক ফটিক চম্পকহঁতো থাকিব পাৰে! গাঁৱৰে বুলি ভাদেই বেজেনীও থাকিব। তেতিয়া তেওঁলোকে কি ভাবিব? শুনাইঁক ঐ আমি নকৈছিলুনে এই উজনিৰ বামুণটো ধাগুাবাজী বুলি! এই পুৱেতি ৰাতি সি সুপ্ৰভাইঁতৰ ঘৰত মৰ্‌ৱালেগি আইছিহ। কিয়া আইছিহ সি? পুৱেতি ৰাতি কিয়া আহ্‌ৱা লাগেই? কিবা কাৰণ থাক্‌ৱা লাগবো! পকা আম আছেই যে! সুপ্ৰভা পকা আম! - বিদ্যাকান্তৰ ভৰি দুখন, হাত দুখন সংকুচিত হ'ল। নোযোৱাই মংগল। তেওঁৰ বাবেও, সুপ্ৰভাৰ বাবেও। যদি এই ফটিকহঁতে দেখা পাই খণ্ডতে তেওঁক আক্ৰমণ কৰে? নাই নাই! নোযোৱাই ভাল। অন্ততঃ সুপ্ৰভাৰ দৰে বুধিয়ক ছোৱালীয়ে গম পাব যে মোৰ হাত ভৰি কিয় বন্ধা! বিদ্যাকান্ত পিছুৱাই আহিল। দুৱাৰখন খুলিবলৈ লওঁতেই হঠাৎ গল খেকাৰি আৰু কাঁহৰ শব্দ শুনি বিদ্যাকান্তৰ বুকুখন কঁপি উঠিল। এয়া দেখো মৌজাদাৰৰ গল খেকাৰি! মৌজাদাৰৰো তাৰ মানে এই নিশা টোপনি নাই! ঠাইতে থিয় হৈ বিদ্যাকান্তই মন কৰিলে - মৌজাদাৰে চাগে' তেওঁক দেখা নাই। নহ'লে মাত দিলেহেঁতেন। পুনৰ সাৱধানেৰে দুৱাৰখন খুলি আকৌ বন্ধ কৰি বিদ্যাকান্তই বিচনাত বাগৰ দিলে।

- তাৰ পাছত?

- তাৰ পাছত ওঝা- এইদৰে কুৰ্চুতিয়া ৰাতিটো গুছি গেল।

- কুৰ্চুতিয়া?

- লোকৰ সুখ দেখিব নোৱাৰা- লোকৰ মনত অশান্তি কৰাকে কুৰ্চুতিয়া বুলি ক'ৰেই আকো!

- ৰাতি যেতিয়া পুৱাল

- এ মৌজাদাৰ আৰু উজনীৰ বামুণটো যাবা ওলাল।

- ক'কলেগি?

- এ পথেইঘাটক লেগি।

- কেংকে?

- যেংকে আপুনি গাবেই।

বিহেই পুৰা মৌজাদাৰ ওলাল পথেইঘাটকলেগি ।

উজনীৰ বামুণেও পিছ লবেই খোজ লেখি লেখি।।

পাতদণ্ডৰ পথৰ পাৰ হ'লি মেদা পায়।

মেদা পাৰ হৈ হীৰাপাৰা গাঁওত উঠিল যায়।।

হীৰাপাৰাৰ গাঁওবুঢ়া ঘৰত আছেই কুছি মুছি।

মৌদাজাৰক দেখি গেল জীৱ উৰি।।

হে প্ৰভু, দেউতা ইচৰ মই কিবা দোষ কৈল্লু।

পথেইঘাটৰ ৰাইজমেলত মই যাবা ন'ল্লু।।

বগা চাহাবৰ ওচৰত মই ওজৰ কৰ্‌বা যাবা নাই।

ব্যাসপাৰা পৰ্শু, পাতদণ্ডৰ অগনমেৰাই যুদ্ধ কৰ্‌বা যায়।।

তিৰী চলি সাক্ষী আছেই, সাক্ষী আছেই আই।

গাঁৱৰ মানুহ কোন গেইছি সীমা সংখ্যা নাই।।

- মৌজাদাৰে বোলে হেই গাঁওবুঢ়া

- মোক ভয় কৰ্‌ৰা নাল্‌গেই

- মৰাশবোৰ ক'ত আছেই

- দেখেই দিবা লাগেই।

- বগা বণ্ডলৰ মই হ'বা পাৰোঁ চাকৰ

- ৰাইজমেলৰ প্ৰতি মোৰ আছে সমৰ্থন।

- তাৰ পাছত গাঁওবুঢ়াই কি ক'ল্লে?

- শুনক তেন্তে-!

গোটেই নিশা মানুহবোৰৰ পেটত হাতভৰি লুকোৱা অৱস্থা। হীৰাপাৰা গাঁও মানুহবোৰৰ চকুৰ আগেদিয়েই কৃষকবোৰ গৈছিল। আকৌ দৌৰাদৌৰি কৰি পিছুৱাই আহিল। আৰ ঘৰৰ ঢেকী থোৰা, কাৰোবাৰ ঘৰৰ হুলাবাৰী, হংকলা, ফলাখৰি আদি লৈ মানুহবোৰে আকৌ হৰি বোল, হৰিবোল , আল্লাহু আকবৰ বুলি গুছি গৈছিল। তাৰ পাছতেই গণ্ডগোল। বন্দুকৰ শব্দ। মানুহৰ আৰ্তনাদ,

ক্ৰন্দন, চিৎকাৰ! পুনৰ দৌৰাদৌৰি। নিশা হোৱাৰ লগে লগে ওচৰ পাজৰৰ কুমাৰপাৰা, মেদা, ঘোপা, আলিখাপাৰা, ব্যাসপাৰা, আঠকুৰীয়া, নিৰণচুবা, কৈকৰা, বৰমপুৰ, দিপীলা আদি গাঁৱৰ ৰাইজ বিবুধিত পৰিল। যি সকলৰ ঘৰলৈ পুৰুষজন উভতি নাহিল সেইখন ঘৰত উঠিল কান্দোনৰ ৰোল। আকস্মিক ঘটনাত সকলোৱেই মৰ্মাহত!

মৌজাদাৰে ৰাইজমেলৰ খবৰ ল'বলৈ অহা বুলি শুনি ঘৰৰ ভিতৰত সোমাই থকা গাঁওবুঢ়াৰ মুখলৈ পানী আহিল। ঘৰৰ ভিতৰত সোমাই থকা ডেকা ল'ৰা দুজন ওলাই আহি কালি সংঘটিত ঘটনাৰ বিৱৰণ দাঙি ধৰিলে।

ঃ দেউতা ইতা কউচোন আমি আপোনাক কি সহায় কৰ্‌বা পাৰোঁ?

মৌজাদাৰে গাঁওবুঢ়াৰ মুখলৈ চালে। চকু মুখত অলপ আগতে দেখা পোৱা আতংকৰ ভাবটো নাই!

ঃ আপুনি মোৰ লগত বলক গাঁওবুঢ়া!

মৌজাদাৰৰ প্ৰস্তাৱ শুনি ঘৰৰ পৰিয়াল আটায়ে ইটোৱে-সিটোৰ মুখলৈ চালে। গাঁওবুঢ়াৰ চকু মুখত পুনৰ আতংকৰ ভাব ফুটি উঠিল। মৌজাদাৰে দেখিয়েই গম পালে,

ঃ আপুনি গাঁওবুঢ়া! অৰ্থাৎ আপুনি, মই চাহাবৰেই গোলাম। ভয় খাবা নাল্‌গেই। হেৰেই যাৱা মানুহবোৰ উদ্ধাৰ কৰা, মৰাশবোৰ ঘৰে ঘৰে পঠিয়াবালেগি আমাৰো দায়িত্ব আছেই। আপুনি ওলওক!

মৌজাদাৰৰ কথামতে গাঁওবুঢ়া যাবলৈ ওলাল। ঘৰৰ বাকী পৰিয়ালবোৰে যোৱাৰ বাবে বিশেষ ভাল পোৱা নাই। এই কথা বিদ্যাকান্তই মন কৰিছিল। গোটেই পৰিয়ালটোৱেই ভয় শংকাত সমগ্ৰ নিশাটো পেঁপুৱা লাগি আছিল। তেৱো নিদ্ৰাহীন এটি নিশা অতিক্ৰম কৰিলে। কিন্তু ভয়-শংকাত নহয়। অন্য কাৰণতহে। এই কাৰণ তেওঁ আন কাকো ক'ব নোৱাৰে।

টোপনি নোহোৱাৰ বাবে দুচকু খচখচাই আছে।

বিদ্যাকান্তই মৌজাদাৰ আৰু গাওঁবুঢ়াৰ পিছ ল'লে।

ঃ আমাৰ এই শান্ত-শিষ্ট দৰংখানত যে এংকে জুই লাগ্‌বো ধৰ্‌বা পাৰা নাছিলু।

মৌজাদাৰৰ কথাত গাঁওবুঢ়াই বিশেষ উৎসাহবোধ কৰা নাই। আচলতে মৌজাদাৰ চৰকাৰৰ পক্ষৰ সমৰ্থক নে ৰাইজৰ পক্ষৰ গাঁওবুঢ়াই একো ধৰিব পৰা নাই বাবেই একো হা-না কৰা নাই। বিদ্যাকান্তইহে মৌজাদাৰৰ কথা শলাগি গৈ আছে।

বাঁহ-বেত-জাৰ্মান বনৰ মাজে মাজে লুং-লুঙীয়া পথ। তিনিও গৈ বলন আৰু দ্বিগজৰ সংগমস্থলি পাৰ হৈ তহছিলদাৰৰ কাৰ্যালয়লৈ বুলি আগবাঢ়িল।

ঃ আপুনি দেউতা তহছিলদাৰৰ অফিচকলেগি যাবোনে, নে কালি ঘটনা ঘটা জাগাকলেগি যাবো?

গাঁওবুঢ়াই পোন প্ৰথম মাত লগালে। মৌজাদাৰ ৰ'ল।

ঃ কালিৰ ঘটনা ক'ত ঘট্‌ছিল?

গাঁওবুঢাই লগে লগে উত্তৰ দিলে- ঃ চাহাবকলেগি নতুনকে সজা বাংলাৰ সমুখত।

ঃ তেন্তে তাঁকলেগি যাওঁ ব'ল!

পুনৰ তিনিও দ্বিগজৰ দক্ষিণ পাৰে পাৰে গৈ থাকিল।

আগত গৈ থকা গাঁওবুঢ়া হঠাৎ ৰৈ গ'ল,

ঃ দেউতা!

গাঁওবুঢ়াৰ মাতত ভয় আৰু শংকা। মৌজাদাৰ আৰু বিদ্যাকান্ত ৰৈ গ'ল। সমুখলৈ চালে। বহল বাকৰাতলি। নাতিদূৰৈত নতুনকৈ সাজা বাঁহ খেৰৰ চাৰি চালিয়া বাংলাটো। সমুখত দলিচপৰা, ফমুটি, বাঁহ, খৰি, হুলাবাৰী, ঢেকী ঠোৰা, মানুহৰ গাৰ কাপোৰ অবিন্যস্ত হৈ পৰি আছে। যেন যুদ্ধৰ অভিনয় হৈ যোৱা ভাওনাথলি! দুজন চিপাহী খেদি আহিছে তেওঁলোকলৈ বুলি।

গাঁওবুঢ়াই ভয় খাইছিল যদিও মৌজাদাৰে দৃঢ়ভাবে থিয় হৈ থকাৰ বাবে তেওঁ ৰৈ থাকিল।

ঃ তুমলোক কাহা জানা হ্যাই? মত যাওঁ।

বিদ্যাকান্তই মন কৰিলে চিপাহী দুজনৰ এজন বাহিৰৰ যদিও আনজন অসমীয়া,

ঃ এখেত স্থানীয় মৌজাদাৰ! কালি বহুত মানুহ নিখোজ হৈছে - ঘৰলৈ

যোৱা নাই। খবৰ কৰিব আহিছে। এখেত হীৰাপাৰা গাঁওৰ গাওঁবুঢ়া।

এইবাৰ অসমীয়া চিপাহীজন আগবাঢ়ি আহি সবিনয়ে ক'লে,ঃ মৌজাদাৰ দেউতা, আপোনালোক ঘৰলৈ যাওঁকগৈ। শুনিছোঁ মণ্ডলদৈৰ পৰা বহুত চিপাহী লৈ চাহাবসকল আহিব।

ঃ মৃতদেহবোৰ ক'ত?

মৌজাদাৰৰ পোনপতীয়া প্ৰশ্নত চিপাহীজনে থতমত খালে। সি লগৰজনলৈ চালে। লগৰজনে গ'লটো বেঁকা কৰি বাওঁফালে থকা নাতিদূৰৈৰ প্ৰকাণ্ড আমগছজোপালৈ চালে।

ঃ মৃতদেহবোৰ কালি সন্ধিয়া নৌ হওঁতেই সৌ যে দেখিছে আমগছজোপা তাত এটা খৰা আছে, তাতেই পুতি থৈছে। আহতবোৰক মণ্ডলদৈলৈ গৰু গাড়ীত তুলি লৈ গৈছে। আপোনালোক উভতি যাওঁক!

চিপাহীজনৰ কণ্ঠত শংকা ফুটি উঠিছে। মৌজাদাৰ, গাঁওবুঢ়াৰ লগতে বিদ্যাকান্তইয়ো গল মেলি আমজোপাৰ তললৈ চালে। কিজানি কিবা দেখা পায়েই। ওহো! একো মনিব নোৱাৰি।

ঃ আমজোপাৰ তলত দেখো প্ৰকাণ্ড এটা খৰা আছে। খৰাটো পানী মেটেকাৰে ভৰি আছিল।

উভতিব লোৱা গাঁওবুঢ়াই মন্তব্য দিলে।

মৌজাদাৰে পুনৰ বৈ চিপাহী এটাক মাতি সুধিলে,-

ঃ তহছিলদাৰ দেউতা ক'ত?

ঃ আমি নাজানো। - চিপাহীৰ উত্তৰ।

মৌজাদাৰে বিদ্যাকান্তলৈ চালে। বিদ্যাকান্তই চালে মৌজাদাৰলৈ। কি হ'ব এতিয়া? হংসধৰৰ মৃতদেহটো? সেই মৃতদেহটো নিবলৈকেহে তেওঁ আহিছিল?

অনিচ্ছাস্বত্বেও তিনিও উভতিল।

ঃ হংসধৰৰ ঘৈণকক ইতা মই কি বুলি কওঁ?

হয় হয়! মৌজাদাৰে বিদ্যাকান্তক সুধিছে। বিদ্যাকান্তৰো মনত সেই এটা ভাব- কি বুলি ক'ব সুপ্ৰভা আৰু মাকক? কি বুলি সান্ত্বনা দিয়া হ'ব?

ঃ কোন ঢুকেইছি দেউতা আপোনাৰ গাঁৱৰ? -উভতি খোজ লোৱা গাঁওবুঢ়া

চাগে' আশ্বস্ত হ'ল মৌজাদাৰ ৰাইজৰ পক্ষৰ বুলি।

মৌজাদাৰে তেওঁৰ মুখলৈ চাই উত্তৰ দিলে, ঃ মোৰ গাঁৱৰ হংসধৰ শৰ্মা! মোৰ পুৰুহিত!

ঃ অ' শৰ্মা যজমান? তেওঁতো মৰিল?

মৌজাদাৰ আৰু বিদ্যাকান্ত থমকি ৰ'ল। এই গাঁওবুঢ়াই তাৰমানে সকলো জানে। তেওঁলোকক ভয়তহে কথাবোৰ ভাঙি কোৱা নাই।

ঃ মই নিজ চকুৰে দেখছো দেউতা-শৰ্মা যজমানৰ মূৰত গুলি লাগা। মূৰৰ খোলা উৰি গেইছিহ!

খন্তেক সময় নিৰৱতা। পুনৰ গাঁওবুঢ়াই সেই নিৰৱতা ভংগ কৰিলে;

ঃ একো লাভ নাই দেউতা! ৰাতি ময়ো শুনচোহ! মৰাশবোৰ চোচৰাই চোচৰাই আমৰ তলকলেগি চিপাহীবোৰে নিয়া বুলি। আশে পাশে গুলিৰ আঘাতত চটফটাই থাকা; বহুতকে চোঁচৰাই গৰু গাড়ীত তুলি নিশা মঙলদৈক লেগি লৈ গেইছি। শুনচোহ বাটতে কোনবা কোনখ্ৰ ঢুকেইছি!

তিনিও নিৰৱে খোজ দি আহি আছে। ভাঠিৰাম গাঁওবুঢ়াই কথাখিনি কৈ গৈ আছে।

ঃ তহছিলদাৰ ভট্টই কাবাৰ আগত কৈ পঠৈইছি- আজি বোলে চিপাহী লৈ চাহাববোৰ আইভো। তেওঁলোকে ইতা আৰু কি ভাউৰীয়া দেখৱেই - কণা বিধাতাইহে জানে!

হয় হয়! এই বিদেশী ইংৰাজে এইখন দেশৰ জনগণৰ স্বাৰ্থত অহা নাই। আহিছে নিজৰ স্বাৰ্থত। সেয়ে তেওঁলোকৰ বিৰুদ্ধে থিয় দিয়া এই নিৰক্ষৰ প্ৰজাক কঠোৰভাবে শাসন কৰিবই। প্ৰতিজন প্ৰতিবাদীৰ কণ্ঠৰোধ কৰিবৰ বাবে, কঁকাল ভাঙিবৰ বাবে যত্ন কৰিবই। বিদ্যাকান্তই মৌজাদাৰলৈ চালে। চিন্তিত, বিমৰ্ষ মৌজাদাৰে লাহে লাহে খোজ দিছে। এই মৌজাদাৰেই এদিন কৈছিল এই ইংৰাজৰ সজাত নাই বুলি। ঠিকেই কৈছিল তেওঁ!

অ' আহিল ইংৰাজ চাহাব আকো মঙলদৈৰ পৰা।

ঘোঁৰাত উঠি চিপাহী লৈ ঘৰে ঘৰে গৈলা।।
কাৰ ঘৰত আছে মতা কাৰ ঘৰত লিকিৰা।
ঝাকে ঝেংকে পাই আটক কৰি নিলা।
ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ইমান তইঁতৰ সাহ।
এইবুলি লাঠিৰে ভাঙেই ভৰি হাত।।
চাহাব আহা বুলি শুনি মতাবোৰ গে'ল পলেই।
ঘৰে ঘৰে শিশু - মাইকীয়ে কান্দা কাটা কৰেই।।
ঢোলবজেই শালৈ চিপাহীয়ে ঘোষণা কৰ্‌বা ধ'ল্লা।
ভৰ'ৱা লাগ্‌বো খাজানা আৰু পাইকাৰী জৰিমনা।।

- অ' দাইনা, পাইকাৰী জৰিমনা?
- এ নকবোহে ওঝা-মুঠৰ ওপৰত ভূতৰ ওপৰত দানহ!
- এনেয়ে মাটিৰ খাজানাৰ বাবে ক'ল্লো যুদ্ধ-
- অ' খাজানা কম'বো ক'ত আৰু ঝাপি দিলা।
- গুলেই মাল্লি আমাৰ মানুহ, খাৰৈত পেলেই দিলি
- ক'তৰ ভাঙিলি কঁকাল মূৰ, কতৰ হাত ভৰি
- অ' ইমানতো হুতাহ নপলাল তইঁতৰ
- আকো ঝাপি দিলি জৰিমনাৰ পাহাৰ!
- অ' দাইনা এইখান দেশ চাৰি যাৱাহে কথা।
- গে'ল!
- গে'ল?
- বহুত মানুহ উত্তৰক লেগি পলেই গে'ল।
- উত্তৰক লেগি?
- অ' ভূটান পাহাৰৰ কাষকলেগি।
- তাত গৈ কি ক'ল্লা?
- পাম ধ'ল্লা।
- বিদ্যাকান্তৰ খবৰ কি?
- কোন বিদ্যাকান্ত?

- *সেই উজনীৰ বামুণটো?*
- *অ' সেইখান পুৰাণৰ কথাকেই কৈ আছোঁ!*
- *নক'ৰা কিয়া?*
- *শুনক তেন্তে-!*

খাৰখোৱাপাৰাৰ গাঁৱৰ মানুহে গম পাইছিল যে মৌজাদাৰ ব্ৰহ্মপুৰাতে পথৰুঘাটলৈ যোৱা বুলি। সেয়ে বহু মানুহ গাঁৱৰ দক্ষিণে থকা পথাৰৰ দাঁতিত গোট খাইছিল। বিস্তীৰ্ণ দলনি পথাৰ। মাজেৰে বৈ গৈছে বলন নৈ খন। খৰালিত মৰা সাপ, বাৰিষাত জীয়া সাপ এই বলন নৈখনেই পথৰুঘাট নৌপাওঁতেই আঠকুৰিয়াত দ্বিগজৰ সৈতে লগ লাগিছে। বহুতে আশা কৰিছে- মৌজাদাৰ গৈছে যেতিয়া হংস যজমানৰ মৃতদেহটো আহিবই। শান্তিপ্ৰিয়া আৰু সুপ্ৰভা নিশ্চিত মৌজাদাৰে নিজমুখে কৈছে যে পথৰুঘাটলৈ গৈ মৃতদেহটো আনিবই। সেয়ে দুয়ো নিজঘৰৰ পদূলিমুখত কান্দি কান্দি বৈ আছে- দুই এক অঙহী-বঙহীৰ সৈতে।

আশা কৰাতকৈ বহু সোনকালে মৌজাদাৰ আৰু বিদ্যাকান্ত উভতি আহিছে। সৌৱা পাতিদৰং গাঁওৰ সিমূৰ পাইছে। এতিয়া মাজ পাইছে। কিন্তু তেওঁলোক দেখো দুজনহে। হংস যজমানৰ মৃতদেহটো ক'ত? ৰাইজৰ উৎকণ্ঠাৰ অন্ত নাই!

দুয়ো আহি বলন নৈ পাৰ হ'লেই।

মানুহবোৰ ক্ৰমাৎ আগবাঢ়ি গ'ল। নাই ! মৌজাদাৰ আৰু বিদ্যাকান্তৰ খোজবোৰ তেওঁলোক ওচৰ পোৱাৰ লগে লগে খৰহে হ'ল। দুই একে কিবা কিবি সুধিলে। কিন্তু দুয়ো নিৰুত্তৰ। মানুহবোৰে দুয়োৰে পিছ ল'লে। দুয়ো হংস যজমানৰ ঘৰলৈকে আগবাঢ়িছে।

পদূলিমুখত বৈ থকা সুপ্ৰভা বৈ থাকিব নোৱাৰিলে। তাই কান্দি কান্দি দৌৰি আগবাঢ়ি আহিল মৌজাদাৰৰ কাষলৈ। নাই! মৌজাদাৰ নিৰুত্তৰ। তাই বিদ্যাকান্তলৈ চালে। তেৱো তলমূৰ কৰিলে। দুয়ো হংসধৰ শৰ্মাৰ পদূলিমুখ পালে। মৌজাদাৰে শান্তিপ্ৰিয়ালৈ চাই ক'লে, ঃ আপুনি ভিতৰকলেগি আহক!

শান্তিপ্ৰিয়া আচৰিত হোৱাৰ পাল। তেৱো মৌজাদাৰ আৰু বিদ্যাকান্তৰ পিছ ল'লে। চোতালৰ সোঁমাজত মৌজাদাৰ থিয় হ'ল। মানুহবোৰে তেওঁলোক

দুয়োজনকে বেৰি ধৰিছিল। শান্তিপ্ৰিয়া আৰু সুপ্ৰভাক কেইজনমানে ধৰি তেওঁলোকৰ ওচৰলৈ লৈ আহিছিল। মৌজাদাৰে শান্তিপ্ৰিয়াৰ চকুলৈ চাব নোৱাৰিলে। সমৱেত ৰাইজক উদ্দেশ্যিয়েই যেন তেওঁ ক'লে, ঃ ইংৰাজে মৃতদেহবোৰ পুতি থৈছি। আন্‌বা ন'ল্লো!

শান্তিপ্ৰিয়া আৰু সুপ্ৰভা আটাহ পাৰি উঠিল। পুনৰ কান্দোনৰ ৰোল উঠিল। মৌজাদাৰে প্ৰয়োজনতকৈ অধিক উচ্চ কণ্ঠে চিঞৰি উঠিল- ঃ ইতা কান্দি থাকিলি হংস ফিৰি নাহেই। সি দেশৰ কাৰণে মৰ্চ্ছি! তাৰ আত্মাই শান্তি পাবাক্‌লেগি আমি তাৰ কাজ কৰ্ম কৰ্‌ৱা লাগ্‌বো। বোৱাৰী, আইজনী- তেওঁৰ কাজ কৰ্মৰ খৰছ মই দিম। আৰু দহদিন আছেই। মই এই ডেকা পুৰুহিতক কাজ কৰ্ম ভালে ভালে কৰ্‌বালেগি অনুৰোধ ক'ল্লো!

উচপ খাই উঠিল বিদ্যাকান্ত। আকাশবাণীৰ দৰে মৌজাদৰে এয়া কি ঘোষণা কৰিলে! হংসধৰ শৰ্মাৰ সকাম কৰিব লাগিব তেওঁ? যিজন মানুহে আজিৰ এই দিনটোতেই এইখন গাঁও ত্যাগ কৰাৰ বাবে চৰম সিদ্ধান্ত গ্ৰহণ কৰিছিল, তেওঁ কি এইদৰে কৰ্তব্যৰ জালত ফঁচিব লাগিব বুলি জানো ভাবিছিল? কি কৰা যায় এতিয়া?

ইতিমধ্যে মৌজাদাৰে হংসধৰ শৰ্মাৰ আত্মীয় বুলি ভবা দুই এজনক ওচৰ চপাই শ্ৰাদ্ধাদিৰ বাবে দিহা পৰামৰ্শ দি যাবলৈ ওলালেই!

ঃ আপুনি আহক।

মন্ত্ৰমুগ্ধ সাপৰ দৰে বিদ্যাকান্তই মৌজাদাৰৰ পিছ ল'লে। নাই, - এবাৰো সুপ্ৰভাক ভালদৰে চোৱা নহ'ল। মৌজাদাৰে সকামৰ দায়িত্ব তেওঁক দিয়াত তাইৰ মুখৰ প্ৰতিক্ৰিয়া চাবলৈ কোনো সুযোগ সুবিধাই তেওঁ নাপালে।

ইতিমধ্যে হংসধৰৰ চোতালৰ উচ্চ কান্দোনৰ ধ্বনিবোৰ উচুপনিলৈ পৰ্যবসিত হৈছে!

চাউল গে'ল চৰু গে'ল আৰু গে'ল লোটা।
হাতৰ মুঠাৰ্‌পে হেৰেলু সোণৰ টুকুৰা।।
ভোটোৰাৰ গোজ আজি গাছ হ'বো ইতা।
খাল কাটি চপেই আন্‌লা ঘৰিয়ালৰ ছানা।।

কি কৰো ইতা ভাই উপাই নাই পাৱা।
উজনীৰ বামুণটো দেখো বহিল পাৰি বৰপীৰা।।

- অ' দাইনা - কোনে ক'ৰেই এই কথা?

- কোনে ক'বো আৰু । সেই ফটিক ফটুৱাই।

- ফটুৱা?

- কটিত নাই চাল বাকেলি মদ খাই সাত টেকেলি। তেৱেঁই ফটুৱা।

- ফটিকে ভাল পায় সুপ্ৰভাক। আজি যদি সুপ্ৰভাক বিয়া কৰ'ৱেই-

- কি খুউবো তাইক? নিজৰেই পেটৰ চিন্তা-

- আন এটা পেটক কেংকে খুউবো ইতা?

- পুৱা দুপেৰীয়া সন্ধিয়া যেতিয়া উজনীৰ বামুণটো সুপ্ৰভাহঁতৰ ঘৰকলেগি যাৱা আৰম্ভ ক'ল্লা, ফটিকৰ চিন্তা সিমানে বাঢ়বা ধ'ল্লা।

- চম্পকহঁতৰ লগত সি আলচ কৰেই নিতে

- শ্ৰাদ্ধখান শেষ হ'ল্লি মজা দিম বাপ্পেকে।

- উজনীৰ বামুণটোই কি কৰ্ছি নক' কিয়া ইতা?

- কওঁ শুনা -।

বিদ্যাকান্ত আগতকৈ বেচি ব্যস্ত হৈ পৰিল।

মৌজাদাৰে কোনো হীন-দেৰি নোহোৱাকৈ শ্ৰাদ্ধখন পাতিব দিছে। যি লাগে তাকেই দিছে। হংসধৰৰ ভাগি-বংশ আটাইবোৰে হাতত ধৰা ধৰিকৈ শ্ৰাদ্ধখনত লাগি পৰিছে। বস্তিত থকা পাকেৰি গছজোপা বংশৰ মানুহে কাটিব খুজিছিল, মৌজাদাৰে নিদিলে। নিজৰ ঘৰৰ সীমাত থকা প্ৰকাণ্ড কদমগছ এজোপা কাটি ৰ'দত শুকাব দিলে। ভাগি বংশই মিলি অৰণ্যে বাঁহৰ ৰভাখন আৰু কলপাতৰ চালিখন দিলে। গাঁৱৰ কোনো মানুহ যাতে বাদ পৰি নাযায় তেনেকৈ হিচাপ - নিকাচ কৰি চাউল দালি বিভিন্ন তৰকাৰী মৌজাদাৰে ব্যৱস্থা কৰিলে। হংসধৰৰ পেহীয়েকৰ পুতেকে, শহুৰেকৰ ঘৰখনে দুটা খাহী দিলে যদিও মৌজাদাৰে নিজৰ ফালৰ পৰা আৰু তিনিটা খাহী ছাগলী কিনি দিলে। আদ্য শ্ৰাদ্ধৰ পাছত মৎস্য স্পৰ্শ, জ্ঞাতি ভোজন একো বাদ পৰিব নালাগিব। গাঁৱৰ শিশুৰ পৰা আবাল-

বৃদ্ধ-বনিতা সকলোৱে হংসধৰৰ চোতালত এসাজ খাই শান্তিপ্ৰিয়া আৰু সুপ্ৰভাক মাত লগাইহে যাব পাৰিব।

বিদ্যাকান্তই মন কৰিলে মৃতকৰ সকাম-নিকামত সকলোৱে বিভিন্ন ধৰণে সহায় আগবঢ়ায়। তিলনিলৈকে ওচৰ-চুবুৰীয়াই খোৱা বস্তুৰ যোগান ধৰে। ফলমূল বুট-মগু-চাউল-দালি-আলু আদি এইকেইদিন উভৈনদী হৈ পৰিছে। শান্তিপ্ৰিয়া, সুপ্ৰভাৰ সেইবোৰলৈ কাণষাৰ নাই। বানেশ্বৰী, হংসধৰৰ নিজা ভনীয়েক। মানুহজনী বিধৱা যদিও বেচ সপ্ৰতিভ। তেৱেঁই অভিভাৱকৰ দৰে কাম-কাজ তদাৰক কৰিছে। মানুহজনীয়ে প্ৰয়োজনতকৈ অধিক যেন তেওঁৰ প্ৰতি মনোযোগ দিছে এনে ভাৱ হ'ল বিদ্যাকান্তৰ। হয়তো দূৰৈৰ পৰা অহা বাবেও তেওঁ এনে গুৰুত্ব দিব পাৰে। পেহীয়েকৰ কথা মতেই সুপ্ৰভাই বিদ্যাকান্তক মাজে মাজে দুই-এপদ বস্তুৰ যোগান ধৰি গৈছে। কেইদিনমান আগতে ফলে - ফুলে জাতিষ্কাৰ ফুলপাহ যেন ৰ'দ বৰষুণত জুপুকা পৰি গৈছে। দুচকুৰ গুৰি ক'লা পৰিছে। ধুনীয়া মৈৰাৰ পেখমৰ দৰে চুলি কোচা অবিন্যস্ত হৈ গৈছে। গাৰ কানি কাপোৰ আগৰ দৰে যেন পৰিপাটী নহয়। প্ৰায়ে বৰঘৰৰ কাঠিত জুপুকা লাগি বহি থকা সুপ্ৰভাৰ ওচৰত বহি যেন তাইৰ অবিন্যস্ত চুলিবোৰ ঠিক কৰি দিব, কানি-কাপোৰবোৰ ঠিক কৰি দিব। নিজৰ কোলাত তাইৰ মূৰটো থৈ গাল দুখন মোহাৰি দিব...! প্ৰবল ৰ'দ- বৰষুণ আঁতৰাই যেন আলফুলে ফুলপাহ সতেজ হ'বলৈ দিব। ৰূপে-ৰসে ফুলপাহ আগৰদৰে ফুলি উঠক। বিদ্যাকান্তৰ মন ফুলনি ডৰা আৰু অধিক বৰ্ণময়, ৰসময় হওঁক-

ঃ অ' দেউ ঘৰকলেগি মনত পৰ্ছিে নিকি?

বানেশ্বৰীৰ আকস্মিক মাতত ঘৰৰ চোতালত শ্ৰাদ্ধৰ বাবে কলগছৰ বাকলিৰে দোনা কাতি থকা বিদ্যাকান্ত উচপ খাই উঠিল। ঘৰৰ কাঠিত বহি থকা সুপ্ৰভালৈ চাই থকা এই মানুহজনীয়ে দেখা নাইতো?

ঃ মনত পৰবাও পাৰেই। শুন্‌ছোহ বহুদিন হ'ল বোলে আমাৰ গাঁৱত থাকা। আমাৰেই ভাগ্য দেছোন আপোনাৰ দৰে সবল-সুঠাম ডেকা যজমান পাৱা!

এই পেহীয়েকজনীয়ে এইবোৰ কি কৈছে? সবল-সুঠাম? মানুহজনীয়ে কিবা বেলেগ ইংগিত দিয়া নাইতো? বিদ্যাকান্তই নিজৰ কৰ্মত মনোনিবেশ কৰিবলৈ

চেষ্টা কৰিলে! ওচৰৰে হৰনাথে তেওঁক সহায় কৰি আছে। হংসধৰ শৰ্মাৰ বংশৰেই এই ডেকা ল'ৰাজন তেওঁতকৈ বয়স কম। যজমানী শিকি আছে। প্ৰায়ে হংসধৰ শৰ্মাৰ লগত বাহিৰলৈ গৈছিল। ওচৰতে থকা ভঁৰালঘৰৰ পৰা প্ৰয়োজনীয় বয়বস্তুবোৰ এই হৰনাথেই আনি দি আছে।

ঃ হৰনাথ, এই ডেকা বামুণটোক ভাল্‌কে সহায় কৰ্‌বি। খাৱা-ল'ৱাত চকু দিবি! তেওঁ অসন্তুষ্ট হ'লি আকো মৌজাদাৰ দেউতাও হ'বো! ভাল কপাল সাধি আহা ডেকা দেই এইটো!

হয় হয়! মাতটো শুনিয়েই বিদ্যাকান্তই ধৰিব পাৰিলে এইজনী ভাদেই বেজেনী। ছল পালেই হানা-খোচা কৰিবলৈ হ'লে মৰি গ'লেও নাপাহৰে!

ঃ মই থাকোঁতে তই চিন্তা কৰ্‌ৱা নাল্‌গেই বাই!

হৰনাথে সম্ভ্ৰমেৰে উত্তৰটো দিলে। ভাদেই বেজেনীয়ে চোতালৰ এদাঁতিত সন্তৰ্পণে পিকখিনি পেলাই একেবাৰে সুপ্ৰভাৰ ওচৰত বহি পৰিল।

এই বেজেনীয়ে আকো সুপ্ৰভাৰ কাণত আজি বেলেগ মন্ত্ৰ শুনাই নিদিয়েতো?

হংসধৰ শৰ্মাৰ কোনো ককায়েক-ভায়েক নাই। একমাত্ৰ ভনীয়েক বানেশ্বৰী। বানেশ্বৰীৰ একমাত্ৰ সৰু ল'ৰা ভুবন। সাত-আঠবছৰমান হৈছে। গোটেই শ্ৰাদ্ধখনতেই সি ঘূৰি পকি আছে। তাৰ মানত এইখন যেন বিয়াহে। মাজে মাজে গৈ সুপ্ৰভাকো আমনি কৰিছে। সুপ্ৰভাই সেই আমনি সহজে গ্ৰহণ কৰিছে।

ভাদেই বেজেনীয়ে সুপ্ৰভাক কাণে কাণে কিবা ক'লে। তাই উঠিল। অলপ পাছতে বিদ্যাকান্তই দেখিলে তামোলৰ বটাখন সুপ্ৰভাই আনি বেজেনীৰ আগত থৈছে। সুপ্ৰভা ভিতৰলৈ গুছি গ'ল।

এই বেজেনীয়ে চব পণ্ড কৰি দিলে! মন মাৰি ঘৰৰ কাঠিত বহি থাকিলেও শ্ৰাদ্ধস্থলিৰ পৰা মাজে সময়ে সুপ্ৰভালৈ চাই বিদ্যাকান্তই কিবা এক অহৈতুকী সন্তোষ পাইছিল। মনটো কিবা ভৰি থাকে। কাম কৰিবলৈ এলাহ নালাগে। নিচেই পুৱাতে ঠাণ্ডা পানীৰে গা ধূলেও যেন দেহে ঠাণ্ডা নাপায়। সুপ্ৰভা সুপ্ৰভা লগা এক গভীৰ তৃপ্তি অথবা সুগন্ধই যেন তেওঁৰ দেহৰ পৰা ঠাণ্ডা নাইকিয়া কৰি এক সতেজ উষ্ণতা আনি দিয়ে। বাৰীৰ চুকত ফুলি থাকিলেও তগৰৰ

আমোলমোল সুগন্ধই ফুলপাহৰ অস্তিত্ব সোঁৱৰাই দিয়াৰ দৰে সুপ্ৰভাই যতেই নাথাকক বিদ্যাকান্তই যেন এক গোন্ধ পায়। নাৰিকলৰ তেল, খোপাত থকা বকুল ফুলৰ মিশ্ৰিত গোন্ধ। সুপ্ৰভা নিজেই যেন গাভৰু গাভৰু গোন্ধ!

ঃ দাদৌ, এই দুবেৰিখিনি ক'ত থওঁ?

হৰনাথৰ প্ৰশ্নইহে বিদ্যাকান্তক বাস্তৱ জগতলৈ ওভতাই আনিলে।

ঃ সৌ দোনাটোত থোৱা।

ওচৰতে থকা কলগছৰ দোনাটো বিদ্যাকান্তই দেখুৱাই দিলে।

ইতিমধ্যে শ্ৰাদ্ধৰ বাবে হংসধৰ শৰ্মাৰ পেহীয়েকৰ ল'ৰাটো আহি উপস্থিত হৈছে। চৈধ্য-পোন্ধৰ বছৰীয়া ল'ৰাটো দেখিলেই মৰম লগা। মুখখন সুপ্ৰভাৰ সৈতে মিল আছে। ল'ৰাটোৰ ওচৰত বানেশ্বৰী থিয় হৈ আছে।

ঃ ঐ বানেই, তই তাৰপে আহ!

ভাদেই বেজেনীয়ে বহি থকা ঠাইৰ পৰাই যেন নিৰ্দেশহে দিলে। বানেশ্বৰী ক্ষন্তেক সময়ৰ বাবে যেন কঁপি উঠিল। তাই লাহে লাহে তাৰ পৰা আঁতৰি গ'ল।

কিয় বেজেনীয়ে তাইক আঁতৰি যাব ক'লে? মানুহজনীৰ দেহত এতিয়াও যৌৱনে লুকাভাকু খেলি থকাৰ বাবে, নে অন্য কাৰণত? বিদ্যাকান্তই বেজেনীলৈ চালে। তাই একান্তমনে তামোল কাটি আছে। নিৰ্দেশটো দিয়াৰ বাবে কোনো প্ৰতিক্ৰিয়া নাই। যেন এই শ্ৰাদ্ধস্থলিত তাই অঘোষিত হাকিমহে! ইংৰাজ চাহাবৰ হাকিম!

হৰনাথে কোৱামতে বানেশ্বৰী বিয়া হোৱাৰ দুই বছৰৰ পাছত গিৰিয়েকটো ঢুকাল। ঢুকাল মানে নিজ ঘৰত থকা আমগছৰ ডাল কাটি আছিল- প্ৰকাণ্ড ডালেৰে সৈতে গিৰিয়েকটো গছৰ পৰা বাগৰি পৰিল যি পৰিল আৰু নুঠিল। কেইদিনমানৰ পাছতেই ঢুকাল। একমাত্ৰ ল'ৰাটোক ডাঙৰ কৰাৰ স্বাৰ্থত শহুৰ-শাহুয়েকৰ ককৰ্থনা খায়ো তেওঁ জীয়াই আছে!

ঃ বামুণৰ তিৰী বিধৱা হ'লি বৰ যান্ত্ৰনা অ' দাদৌ!

হৰনাথে বানেশ্বৰী সম্পৰ্কে কথাখিনি কোৱাৰ অন্তত এই মন্তব্য কৰিছিল। হয় হয়, একমাত্ৰ বিধবা হোৱাৰ বাবেই বেজেনীয়ে বানেশ্বৰীক শ্ৰাদ্ধস্থলিৰ পৰা আঁতৰি যাব কৈছে। সেইবাবেই কোনো প্ৰতিবাদ নকৰি তেওঁ নিৰৱে আঁতৰি

গৈছে। এক বিমৰ্ষ মন এটি লৈ আঁতৰি যাওঁতে বিদ্যাকান্তৰ খঙেই উঠিছিল ভাদেই বেজেনীলৈ। পিছে এই সমাজত তেওঁৰ দৰে নাৰী পুৰুষবোৰেহে সংস্কাৰবোৰ অধিক কটকটীয়া কৰি আছে। ভাদেই বেজেনীয়ে স্বভাৱজাত চৰিত্ৰৰে নিজৰ কাম কৰিবই। ফটিক আৰু লগৰীয়াবোৰে কেৰাহীকৈ তেওঁৰ ফালে চাই যাবই! মই এইবোৰত মন দিলে শ্ৰাদ্ধৰ কামতহে খেলিমেলি হ'ব।

বিদ্যাকান্তই শ্ৰাদ্ধৰ কামত মনোনিবেশ কৰিলে।

- তাৰপাছত শ্ৰাদ্ধ ভালে ভালে হৈ গ'ল?

- হয়, হৈ গ'ল!

- শ্ৰাদ্ধত কি খুৱালা?

- কি খুৱ'বো আৰু? ভিজ'ৱা বনি চাউলৰ জলপান, দৈ গাখীৰ আৰু চুৰা।

- চুৰা?

- এই- কুঁহিয়াৰ পেৰি ৰস পাগি যি মিঠৈ হয় সেয়ে চুৰা!

- গোটেই ৰাইজখানে-

- এই গোটেই ৰাইজ, বংশ-পৰিয়াল-জ্ঞাতি-কুটুম্ব গাঁও আৰু বাহিৰত য'ত যিমান আছেই সকলোৱে আহি শ্ৰাদ্ধৰ জলপান খালাক-

- তাৰ পাছদিনা মৎস্যস্পৰ্শৰ দিনাও -

- গাঁৱৰ গেৰ নসৰা চলি-পলি, ঝিয়া-লিকিৰা, বুঢ়া-বুঢ়ী সকলোৱে মিলি মাছ আৰু খাহী মাংসৰে ভোজ-ভাত আনন্দমনে খালাক-

- তাৰপাছত কি হ'ল?

- আপুনি গাই থাকক ওঝা-

ভোজভাত শেষ হ'ল সকাম-নিকাম শেষ হ'ল
যাবাৰ হ'ল উজনীৰ বামুণ।
কাম কৈল্লু কাজ কৈল্লু এঘাৰ দিনে দেহা মাল্লু
যাবা খুজিলিও ইতা নৰো দেখোন।।

কেংকে কওঁ, কেংকে যাওঁ নিজ ঘৰকলেগি।

এই বামুণৰ ঘৰখান দেখো নিজ নিজৰ লাগৃছি।।

- তাৰপাছত দাইনা?

- শুনক তেন্তে!

এই কথাই কথা নহয়। মোৰ নিজৰ ঘৰ আছে, নিজৰ মা তথা আত্মীয়-স্বজন আছে। আজি একমাত্ৰ পেটৰ দায়ত তথা মৌজাদাৰৰ আন্তৰিকতাৰ বাবেহে এই গাঁওখনলৈ আহিলোঁ। এইদৰে যদি মই সুপ্ৰভাৰ মোহত এইখন গাঁও এৰি নাযাওঁ তেন্তে বৰ বেয়া কথা হ'ব! অঘটনো ঘটিব পাৰে। সুপ্ৰভাক মই ভাল পাওঁ, তায়ো যদি মোক ভাল পাই তেন্তে এদিন মই বিয়াৰ প্ৰস্তাৱ লৈ এইখন ঘৰলৈ আহিম। অন্ততঃ এবছৰৰ পাছত আহিব পাৰিম। দেউতাক ঢুকালে পৰাপক্ষত এবছৰৰ ভিতৰত বিয়া বাৰু পাতিব পৰা নাযায়। মই এবছৰ ৰ'ব লাগিব। ৰ'ব পাৰিব লাগিব। জ্ঞাতি ভোজন শেষ হোৱাৰ পাছত নিশা নিজৰ বিচনাত বাগৰ দি বিদ্যাকান্তই সিদ্ধান্ত ল'লে যে তেওঁ পাছদিনা পুৱাই মৌজাদাৰক কথাটো ক'ব আৰু তাৰপাছতেই সুপ্ৰভা আৰু মাকক কৈ বিদায় ল'ব।

পাছদিনা পুৱাই বিদ্যাকান্ত উঠিল। গা পা ধুই মৌজাদাৰৰ ঘৰুৱা মন্দিৰটোতেই সেৱা কৰি মৌজাদাৰৰ চ'ৰাঘৰলৈ আহিল। মৌজাদাৰণী ৰম্ভাই সান্দহ গুৰি আৰু গৰমপানী দিলে খাবলৈ। পুৱাৰ জলপান মৌজাদাৰৰ ৰান্ধনীঘৰত সযতনে ৰম্ভাই সজাই দিয়ে। বিদ্যাকান্তই গ্ৰহণ কৰে।

ঃ মৌজাদাৰ দেউতাক অলপমান লগ পাব লাগিছিল আই?

ৰম্ভাই সম্ভ্ৰমেৰে ক'লে, ঃ আপুনি চ'ৰা ঘৰত বহক। মই পঠেই দিছোঁ।

মৌজাদাৰৰ ওচৰত কথাখিনি কেনেদৰে আৰম্ভ কৰিব বিদ্যাকান্তই মনতে জুকিয়াই ল'লে। কোঠাটোত থকা হৰিণাৰ শিং আৰু বাঘৰ ছালখনলৈ চালে তেওঁ। খেৰৰ ছালৰ ঘৰটোৰ ওপৰৰ ভাগত কাঠৰ চিলিং লগোৱা আছে। চিলিঙত ক'লা ৰং লগোৱা দুই এঠাইত মকৰাই জাল বান্ধিছে। স্বভাৱজাত গল খেকাৰি মাৰি মৌজাদাৰ আহি সোমাল আৰু নিজৰ চকীত বহি ল'লে।

ঃ ডেকাদেউ, আমাক বিচেৰিছিল বোলে?

ঃ হয়, মই বিচাৰিছিলোঁ। আপুনি কোৱামতে মই হংসধৰ শৰ্মাৰ সকাম-

নিকাম সম্পন্ন কৰিলোঁ। এতিয়া মই ঘৰলৈ যাব খোজা। সেয়ে আপোনাক ক'বলৈ আহিলোঁ।

কথাখিনি কৈয়েই বিদ্যাকান্তই চাওঁ-নাচাওঁকৈ মৌজাদাৰৰ মুখলৈ চালে। কথাখিনি শুনি মৌজাদাৰক খুউব চিন্তিত যেন লাগিল। দুৱাৰ মুখেৰে বাহিৰলৈ চাই অলপ পাছতে মাত লগালে,ঃ আপুনি যাবা খুজিলি যাবাতো দিবাই লাগ্‌বো। হংসটো গ'ল যদিও আপুনি থাকাৰ বাবে মই বৰ সকাহ পাইছিলু। ভাব্‌ছিলু হংসৰ এমাহৰ কামখিনি কৰি আপুনি যাবো। পৰিয়ালটো নিঠৰুৱা হৈ গ'ল!

পৰিয়ালটো নিঠৰুৱা হৈ গ'ল! এই কথাটো মৌজাদাৰ দেউতাই মোৰ আগত কিয় ক'লে? নে মোকো পৰিয়ালৰ এজন বুলি ভাবি ক'লে। অথবা সেইখন ঘৰ হংস দাদৌ যোৱাৰ পাছত ময়ো গুছি গ'লে আৰু নিঠৰুৱা হ'ব- এই ভাবত কথাখিনি ক'লে নেকি মৌজাদাৰে? কওঁক নকওঁক- যি ভাবে ভাবক -মোৰ কৰ্তব্য শেষ হৈছে মই যাব লাগে! সেয়ে মই এই মুহূৰ্তত কঠোৰ হ'বই লাগিব! বিদ্যাকান্তই মনটো দৃঢ় কৰিবলৈ যত্ন কৰিলে।

মৌজাদাৰ এইবাৰ উঠিল । পুনৰ চিন্তিত কণ্ঠে ক'লে, ঃ যদি পাৰেই এমহীয়া কামখিনি কৰি যাওঁক। যদি নৰেই তেন্তে উপায়তো নাই! কালি পুৱা মই যাৱাৰ ব্যৱস্থা কৰি দিম।

মৌজাদাৰ ওলাই গ'ল। তেখেতৰ অনুৰোধ ৰক্ষা নকৰাৰ বাবে তেওঁ বেয়া পালে নেকি বাৰু? তেখেতৰ বাবেইতো এই প্ৰথম এই গাঁওলৈ আহিছোঁ। তেখেতে কোৱাৰ বাবেই হংসধৰ যজমানৰ এঘাৰদিনীয়া সকাম-নিকাম শেষ কৰিলোঁ? এতিয়া আৰু এমহীয়াৰ বাবে থাকিব লাগিলে...!

নাই, নাই! মনটোক ঢিলা কৰিলে নহ'ব। মই যাবই লাগিব। ভাবিয়েই বিদ্যাকান্ত ওলাই আহিল। এতিয়াই এই পুৱাই সুপ্ৰভাইঁতৰ ঘৰলৈ যাবনে? গ'লে জানো ভাল হ'ব? এইখিনি সময়ত প্ৰত্যেকটো পৰিয়ালে ঘৰ সৰা-মচা কৰে। নাৰীসকলে গা পা ধোৱে। অকনমান দেৰিকৈ গ'লে সুবিধা হ'ব। বিদ্যাকান্ত ওলাই আহিল। গাঁৱৰ দুই-একে তেওঁক মাত লগাই গৈছে। গাঁৱৰ পুৰুষবোৰ এইকেইদিন ভয় আৰু সন্ত্ৰাসত আছিল যদিও হংসধৰ শৰ্মাৰ সকামে কিছু পৰিমানে পৰিবেশটো সহজ কৰি দিলে। হীৰাপাৰা, মেদা, পাতিদৰং, কৈকৰালৈকে ইংৰাজ

চাহাবৰ চিপাহী আহি পথৰুঘাটলৈ যোৱা পুৰুষবোৰৰ নামবোৰ সংগ্ৰহ কৰাই নহয় ঘৰে ঘৰে বিচাৰিছেও। ইতিমধ্যে মৃত্যু মুখত পৰা অগনমেৰা কেওট, আঠিয়া কোচ, পুনু শৰ্মা, বহুদাৰীয়া আদিৰ ঘৰলৈ আহি তেওঁলোকৰ ঘৰৰ আন আন পুৰুষ আছে যদি আটক কৰিবলৈ আহিছিল। নাপালে। পাইকাৰী জৰিমনা পোন্ধৰ দিনত আদায় নিদিলে ঘৰ সম্পত্তি ক্ৰোক কৰি লৈ যাব বুলি ৰাজহুৱা ঘোষণা দি-দিলে। এইখন গাঁওলৈ মৌজাদাৰেই আহিব নিদিলে। মই চৰকাৰৰ আদেশ সকলোকে জনাই দিম। আমাৰ গাঁৱৰ মানুহ চৰকাৰ বাহাদুৰৰ বিৰুদ্ধাচৰণ কৰা নাই, সেয়ে চিপাহী অহাৰ প্ৰয়োজন নাই বুলি মৌজাদাৰে তহছিলদাৰক জনাই দিয়াত কোনো নাহিল। ফলত পাতিদৰং, মেদা, হীৰাপাৰা, কৈকৰা আদি গাঁৱৰ বহু ডেকা ল'ৰা আৰু বয়স্ক পুৰুষ এইখন গাঁৱত ৰাতি থকাৰ কথাটোও বিদ্যাকান্তই শুনিছে।

ঃ দেউ?

আকস্মিক মাতত ৰৈ গ'ল বিদ্যাকান্ত। আৰে এইজনী দেখো বানেশ্বৰী? সুপ্ৰভাৰ পেহীয়েক। ইমান পুৱাই বৰ পুখুৰীৰ পৰা পানী লৈ উভতি আহিছে, তাকো অকলে।

ঃ ক'কলেগি যায় আপুনি?

বানেশ্বৰীৰ প্ৰশ্নোত্তৰ দিবলৈকে বিদ্যাকান্ত তেওঁৰ ওচৰ চাপি আহিল। বুকুলৈকে মেখেলাৰ মেঠনি মৰা বানেশ্বৰীয়ে এখনি বগা চাদৰ কায়দাকৈ পিঠি আৰু বুকু ঢকাকৈ গাত লৈছে। চুলিখিনি পাছফালে অবিন্যস্ত খোপাত সযতনে একগোট কৰি থৈছে। মানুহজনীৰ মুখখন তেজগোৰা। এতিয়াও চকু-মুখ আৰু বুকুত গাভৰুজনীয়ে যেন লুকাভাকু খেলি আছে।

ঃ এনেয়ে এইপিনে ফুৰিব আহিলোঁ।

ঃ আমাৰ ঘৰকলেগি নাযায়?

আকাংক্ষিত প্ৰশ্নই যেন সুধিছে বানেশ্বৰীয়ে।

ঃ যাম বুলি ভাবিছোঁ। ইমান পুৱা মানুহৰ ঘৰলৈ যাবলৈ বেয়া দেখি যে? দেৰিকৈ গৈ আছোঁ।

বানেশ্বৰীয়ে বিদ্যাকান্তৰ উত্তৰত উৎসাহবোধ কৰিলে, ঃ বেচি দেৰি

নকৰ্‌বো। আপুনি সোনকাল্‌তে আইভো। আমি বৈ থাকিম।

বানেশ্বৰীয়ে স্বভাৱজাত হাঁহিটোৰে গুছি গ'ল। বিদ্যাকান্ত আগবাঢ়িল যদিও ঔতলৰ বাঁহনি ডৰা পাওঁতে তেওঁৰ বুকুখন কিঞ্চিৎ হ'লেও কঁপি উঠিল। গোটেই পথচোৱা কটাহ, ভলুকা, জাতি বাঁহেৰে ঠাহ খাই আছে বাবে এন্ধাৰ। কিবা জয়াল জয়াল লাগে। তাতে প্ৰকাণ্ড ঔ গছ জোপা গেলাতে টেঙা হৈ পৰিছে। এই গছজোপাতেই বোলে দীঘলা গোঁসাই থাকে। প্ৰতিমাহৰ পূৰ্ণিমাৰ নিশা এই দীঘলা গোঁসাই বৰপুখুৰীৰ পিতনিৰ মাজৰ পৰা ঔগছজোপালৈ আহে। পিছৰ পূৰ্ণিমাত ঔগছজোপাৰ পৰা বৰপুখুৰীলৈ যায়। ঘোঁৰাত উঠি এই গোসাঁয়ে অহা-যোৱা কৰে।

হঠাৎ ঘৰ্ ঘৰ্ শব্দ শুনি বিদ্যাকান্তৰ ভয়াতুৰ বুকুখন চিৰিংকৈ গ'ল। ভয়ে ভয়ে ওচৰৰ বাঁহনি ডৰালৈ চালে? দেখিলে ভাদেই বেজেনী। শৌচ কৰাৰ ভংগীত তাই খৰধৰকৈ ভিতৰ সোমাই গৈছে। হয়তো পথৰ কাষতেই তাই শৌচ কৰিব লৈছিল, তেওঁক দেখিহে ভিতৰ সোমাই গ'ল! বিদ্যাকান্তই নিজৰ বুকুখনত নিজে থুৱাই ভয় শংকা আঁতৰাই পুনৰ খোজ ল'লে।

বিদ্যাকান্তই প্ৰায়ে ভাবে এদিন কোৰধোৱা আৰু ইক্সা এই দুটা পুখুৰী ভালদৰে চাব। দূৰে দূৰে দেখিছে অহা-যোৱা কৰোঁতে। পাৰত থিয় হৈ পোৱা নাই। কিন্তু কাইলৈ যাবই, সেয়ে আজিয়েই চোৱা যাওঁক। সৰু সৰু টিলাৰ দৰে মাটিৰ ঢাপবোৰ জপিয়াই জপিয়াই গ'লেহে দুয়োটা পুখুৰী পায়। এটি ডাঙৰ আনটো সৰু। ওচৰা-ওচৰি এই দুয়োটা পুখুৰীৰ পূবে মৰনৈ। মৰনৈ পাৰ হ'লেই শিয়ালা গোঁসাইৰ আশ্ৰম অৰ্থাৎ সম্বৎসৰ ভূঞাৰ আশ্ৰম। বিদ্যাকান্তই বাটতে লগ পালে এজন গঞাক। কথা সোধোতে গঞাই বোধহয় গম পালে - এইজন স্থানীয় ব্ৰাহ্মণ নহয় বুলি।

ঃ আপুনি বিচেল্লি লগত যাবা পাৰোঁ?

বিদ্যাকান্তই মানুহজনলৈ চালে। পানী গামোছা আৰু কপাহী চোলা পিন্ধা মানুহজন আহিছিল গৰু দৰখ দিবলৈ। দৰখ দিয়া হ'ল। ঘৰলৈ যাবলৈ আহিছিল। ওচৰৰে বাঘৰবাৰীত ঘৰ।

ঃ ব'লক তেন্তে!

দুয়ো আহি ইক্সা পুখুৰীৰ পাৰ পালে। প্ৰকাণ্ড পুখুৰী। নাতিদূৰৈত কোৰধোৱা পুখুৰী।

ঃ উত্তৰে কিছু দূৰ গেলি আৰু দুটা প্ৰকাণ্ড পুখুৰী পাতদণ্ডৰ আছেই। ইয়াতকৈয়ো ডাঙৰ বুন্নাগড় আৰু লক্ষীমপুৰ পুখুৰী। দক্ষিণে কাউনকা পুখুৰী। মুঠৰ ওপৰত প্ৰভু, এই জাগাত পুখুৰীয়েই পুখুৰী।

ইতিমধ্যে মানুহজনৰ সৈতে কথা বতৰা পাতি বিদ্যাকান্তই গম পালে মানুহজনৰ নাম বিপিন বৈশ্য। খেতিয়েই জীৱিকাৰ সম্বল। বয়স আঢ়ৈ কুৰিৰ ওপৰ।

ঃ পথৰুঘাটলৈ যোৱা নাছিল?

বিপিন বৈশ্যই বিদ্যাকান্তৰ মুখলৈ চালে। তাৰপাছত কওঁ-নকওঁকৈ ক'লে,

ঃ যাবা খুজ্‌ছিলুঁ! পিছে পেট চ'লা হ'ল বেয়াকে। যাবা ন'লুঁ!

বিদ্যাকান্তই কথা আৰু আগবঢ়াব নুখুজিলে। বানেশ্বৰীয়ে বাৰে বাৰে কৈছে সোনকালে যাবলৈ। তেওঁ যাব বুলি চাগে পৰিয়ালটোৱে অপেক্ষা কৰিছে। সুপ্ৰভাই?

ঃ মই আহিছোঁ।

বিদ্যাকান্তই উভতি খোজ ল'লেই। বিপিন বৈশ্য কিছু আচৰিত হ'ল। বৰ হেঁপাহেৰে পুখুৰী চাবলৈ অহা মানুহজন দেখো কিবা মনত পৰি ঘপহকৈ গুছি গ'ল। এই ডেকা ল'ৰাৰ মনবোৰ বুজি পাৱাই টান!

হয়! বানেশ্বৰী পদূলিমুখত তেওঁলৈকে অপেক্ষা কৰি আছিল।

ঃ মোৰ অকনমান দেৰি হ'ল।

বিদ্যাকান্তই স্পষ্টীকৰণ দিলে।

ঃ আহক। আৰু ক'বাত গৈইছিল নিকি?

বানেশ্বৰীৰ প্ৰশ্নোত্তৰৰ বাবেই যেন সাজু হৈ আছিল বিদ্যাকান্ত, ঃ আপোনালোকৰ পুৰণি পুখুৰী দুটা সদায় চাম বুলি ভাবোঁ- সময় নাপাওঁ। আজি চালোঁ গৈ।

বানেশ্বৰীয়ে বহিবলৈ ঘৰৰ কাথিতেই কঠখন সযতনে পাৰি দি থকাৱস্থাতেই ক'লে, ঃ অ' ইক্সা আৰু কোধোৰা? আপুনি তাক্‌লেগি গে'ল?

বিদ্যাকান্ত বহিল, ঃ হয়।

ঃ তেন্তে মুখ ধুই লওঁক। সুপ্রভা?

বানেশ্বৰীয়ে মাতিবলৈহে পালে, ভিতৰৰ পৰা সঁহাৰি আহিলেই, ঃ গৈছোঁ পেহী।

নিমিষতে হাতত ঘটি আৰু গামোছা লৈ সুপ্রভা আহি হাজিৰ হ'লেই!

ঃ আহক।

সুপ্রভাৰ আহ্বানত বিদ্যাকান্ত উঠিল। ৰান্ধনীঘৰ আৰু বৰঘৰৰ মাজতেই খালী ঠাই এডোখৰ। তাতেই সুপ্রভাই পানী ঢালিলে আৰু বিদ্যাকান্তই মুখ হাত ধূলে। গামোছাখন হাতত লৈ বিদ্যাকান্তই সুপ্রভালৈ চালে। ক'লা ভোমোৰাৰ দৰে চকু দুটি জিকমিকাই উঠিল। লগে লগে নিষ্প্রভ অথচ নিমজ গালখনিত কেনেকৈ জানো পলকতে সিন্দূৰ এসোপাই জুমুৰি দি ধৰিলেহি। সুপ্রভাই তলমূৰ কৰি গামোছাখন আৰু ঘটিটো লৈ আঁতৰি আহিল।

ঃ জলপান মোজাদাৰ দেউতাৰ ঘৰত খাই আহিছোঁ। সেয়ে নেলাগে।—

বিদ্যাকান্তই জানে যে অলপ পাছতে জলপানৰ সামগ্রী আহি হাজিৰ হ'ব- সেয়ে আগতিয়াকৈ কোৱাই ভাল। পিছে বিনয় সহকাৰে জাঙুৰ খাই উঠিল বানেশ্বৰী। ইতিমধ্যে বিমৰ্ষ শান্তিপ্রিয়া বৰঘৰৰ ভিতৰৰ পৰা ওলাই আহিছিল।

ঃ চাচোন বৌ, এখেতে বোলে জলপান নাখ'ৱেই! থিয়ৈ থিয়ৈ মাত দি গুছি গেলিয়েই ভাল আছিল। আইছিহ যেতিয়া জলপান খাবাই লাগ্‌বো। অৱশ্যে আমাৰ জলপান মৌজাদাৰ দেউতাৰ ঘৰৰ নিচিনা নহ'ৱেই দেছোন!

শান্তিপ্রিয়া ওচৰতে পীৰা এখন পাৰি বহিল। শান্তিপ্রিয়াই বিদ্যাকান্তৰ মুখলৈ চালে।

ঃ মৌজাদাৰ দেউতাৰ ঘৰত সদায় পুৰা জলপানৰ যোগান ধৰেই। মই বোলো খাই আহিছোঁ যেতিয়া

আকৌ বিদ্যাকান্তই মুখৰ পৰা বানেশ্বৰীয়ে কথা কাঢ়ি আনিলে, ঃ তেখেতসকলৰ ঘৰত জলপান খাৱা বহুত সময় হ'ল। খাবা পাৰ্‌বো। সুপ্রভা-

পুনৰ ভিতৰৰ পৰা বিদ্যাকান্তৰ মনৰ কুলি চৰাইৰ মাত ভাঁহি আহিল;

ঃ লৈ গৈছোঁ পেহী!

হয়, হাতত জলপান লৈ সুপ্ৰভা ঘৰৰ ভিতৰৰপৰা বাহিৰ ওলালেই!

সুপ্ৰভাই সযতনে আগবঢ়াই দিয়া জা-জলপান খাই বিদ্যাকান্তই মুখ হাত ধুই গামোছাৰে মুখ মচি থাকোঁতেই সুপ্ৰভাই পুনৰ তামোলৰ বটাখন আগবঢ়াই দিলে।

ঃ আপোনাৰ সহায়-পাহ'ৰবা নৰোঁ। আমাৰ বাবে আপুনি বহুত ক'ৰ্‌ছি।'

বিদ্যাকান্তই দেখিলে এয়ে সুবৰ্ণ সুযোগ তেওঁৰ কথাখিনি কোৱাৰ,

ঃ নাই নাই! এনে বিপদৰ সময়ত মই সহায় নকৰিলে কেনেকৈ হ'ব?

পাণৰ পৰা চূণ অলপ কমাই কায়দাকৈ তামোলখন পাণেৰে সৈতে মেৰিয়াই বিদ্যাকান্তই মুখত ভৰাই ল'লে, ঃ মই কিবা দোষ কৰিছোঁ যদি ক্ষমা কৰিব!

ঃ ক্ষেমা? ক্ষেমা আকো কিহৰ?

বানেশ্বৰীয়ে মুখতেই ধৰিলে।

ঃ নাই নাই। অজানিতে ভুল হ'ব পাৰে- সেইবাবে-

ঃ আমাৰ যদি কিবা ভুল হৈছি ক্ষমা কৰ্‌বো!

সুপ্ৰভাই? সুপ্ৰভাই কৈছে এই কথাষাৰ? বিদ্যাকান্তই সুপ্ৰভাৰ মুখলৈ চালে। তাই কথাখিনি কৈ জলপানৰ সামগ্ৰীখিনি সামৰিবলৈ আৰম্ভ কৰিলে।

ঃ মই কাইলৈ যাম!

সুপ্ৰভাই ঘটিটো হাতত লৈছিল মাত্ৰ। বিদ্যাকান্তৰ কথাখিনি শুনি তাই থমকি ৰ'ল। বিদ্যাকান্তৰ মুখলৈ চালে তাই।

ঃ বহুতদিন থাকিলোঁ। এইদৰে ইয়াত থাকিলে মানুহে ভুল বুজিব। তাতে মোৰ ঘৰেও চিন্তা কৰিব!

হঠাৎ কথা নাই বাৰ্তা নাই সুপ্ৰভাই ঘটিটো মাটিত থৈ প্ৰায় দৌৰি দৌৰি বৰঘৰৰ ভিতৰলৈ সোমাই গ'ল!

বানেশ্বৰীয়ে সুপ্ৰভা যোৱালৈ চাই বিদ্যাকান্তৰ মুখলৈ পোনপতীয়াকৈ চালে। শান্তিপ্ৰিয়াই পৰিবেশটো সহজ হ'বলৈকে বুলি ক'লে, ঃ পিতাকক হেৰেই আইজনীয়ে বৰ মনোকষ্ট পাইছিহ। ইতা আপুনি যাৱা খবৰ শুনি তাই আঘাত পাইছিহ। মোৰ মানুহটোৰ লগত একেলগে কাম কৰ্‌ছিল যে!

শান্তিপ্ৰিয়াই ঠিকেই কৈছে-কিছুদিন আগতে নিজৰ দেউতাকক হেৰুওৱা

সুপ্ৰভাই আজি মই যোৱা বুলি শুনি কন্দাটো একো অস্বাভাৱিক নহয়। কিন্তু এই যে পেহীয়েক বানেশ্বৰীৰ চকুহাল - যি চকুহালত অলেখ প্ৰশ্ন, ৰহস্য সোমাই আছে, সেই চকুহালে যেন বিদ্যাকান্তৰ দেহ মনত এক অস্বস্তিৰ খজুৱতীৰ সৃষ্টি কৰিলে।

ঃ আপুনি নিজৰ ঘৰক যাবা খুজ্‌ছিহ্‌ যাওঁক। কিন্তু কেইদিনমান পাছত যাবা নৱেইনে?

বানেশ্বৰীয়ে পোনপতীয়াকৈ বিদ্যাকান্তৰ চকু মুখলৈ চাই সুধিলে। তেওঁ কি ক'ব কি নক'ব ভাবি নাপালে। ক'লেহেঁতেন মই যাবই লাগিব বুলি। কিন্তু সুপ্ৰভাই এইদৰে ভিতৰলৈ দৌৰি সোমাই যোৱাৰ লগে লগে বিদ্যাকান্ত দোমোজাত পৰিল। সুপ্ৰভা এইদৰে কিয় গুছি গ'ল?

ঃ এখেতৰ মাহেইকিয়া কাম কাজখিনি শেষ কৰি গেলি ভাল আছিল।

বৌয়েকৰ কথাখিনিত বানেশ্বৰীয়ে অজুহাত বিচাৰি পালে, ঃ দৰ্কাৰ হ'লি মৌজাদাৰ দেউতাকু আমি কৈ দিম, নে কি কয় বৌ?

ঃ তেখেতক মই কৈছোঁ!

বিদ্যাকান্ত উচপ খাই উঠিল। সমান সন্তুষ্টিৰে উচপ খাই উঠিল বানেশ্বৰী,

ঃ কি কৈছি দেউতাই?

বানেশ্বৰীৰ প্ৰশ্নোত্তৰ লগে লগে দিলে শান্তিপ্ৰিয়াই,

ঃ তেখেতে হবো বুলি কৈছি!

কি মৌজাদাৰে এই মানুহজনীক আশ্বাস দি গৈছে? আৰু সেইবাবেই আজি তেখেতে মোক অনুৰোধ কৰিছিল? মই অনুৰোধ ৰক্ষা কৰিব নোৱাৰিলোঁ! তাৰমানে এইখন ঘৰৰ পৰাই মৌজাদাৰক অনুৰোধ জনোৱা হৈছিল?

বানেশ্বৰী উৎফুল্লিত হোৱাৰ পাল, - ঃ মৌজাদাৰ দেউতাই কৈছি যেতিয়া বৌ চিন্তা কৰ্‌ৱা নাল্‌গেই। দেউ থাক্‌বো!

যেন এই বিধৱা মানুজনীয়ে সমস্যাৰ সমাধান কৰি দিলেই। বিদ্যাকান্ত থাকিবই। এই যে যোৱা নিশা তেওঁ সিদ্ধান্ত লৈছিল এইখন গাঁও এৰি গুছি যাবই, কিয় আজি সেই সিদ্ধান্ত এইঘৰখনে টিলিকতে উঠাই দিবলৈ সমৰ্থ হওঁ হওঁ? সুপ্ৰভাই মুখ ওফোন্দাই গুছি গ'ল। শান্তিপ্ৰিয়াই হংসধৰ শৰ্মাৰ এমহীয়া সকামখিনি কৰাৰ বাবে মৌজাদাৰৰ জৰিয়তে তথা নিজমুখে ইতিমধ্যে তেওঁৰ কাণ চোৱালেই!

কি কৰা যায় এতিয়া?

- *কি ক'লা ইতা উজনীৰ বামুণটোৱে?*

- *কি কৰ্‌বো আৰু? চাওঁচোন বুলি কৈ চিধাই নিজৰ কোঠাত জাই বিচনাত বাগৰ দিলা। ওপৰকলেগি মুখ কৰি*

- *চিন্তা কৰ্‌বা ধ'ল্লা। তাৰ পাছত?*

অ' কোনপিনে আহিলো কোনপিনে ইতা যাওঁ।

মাজপানীত উটি মই ঢোকাঢোকে পানী খাওঁ।।

যাওঁ বুলি ইতা দেখো মই যাবা নৰো।

কঠালৰ আঠা দেখো গুছ'বা নৰো।।

হে প্ৰভু তুমি মোক কি প্ৰমাণ চাইছা।

বাৰে বাৰে প্ৰভু তুমি মায়াজাল ত'ৰ্‌চা।।

- ***তাৰ পাছত দাইনা?***

বিদ্যাকান্ত আশ্বস্ত হ'ল যে সুপ্ৰভাইয়ো এই গাঁও এৰি যোৱাটো নিবিচাৰে। অকল এয়ে নে? নিশ্চয় নহয় - হয়তো বিদ্যাকান্তই বিচৰাৰ দৰে তায়ো বিদ্যাকান্ত নামৰ নৈখনত সাঁতুৰিব বিচাৰে। যদি সহজভাবে ল'লেহেঁতেন তেন্তে বানেশ্বৰীৰ দৰে কথা ক'লেহেঁতেন। এই যে হাতত লোৱা ঘটিটো পুনৰ মাটিত থৈ মুখ ওন্দোলাই দৌৰি মাৰিলে- বানেশ্বৰীৰ তিৰ্যক চাৱনী-এমহীয়া সকাম শেষ কৰি যাবলৈ শান্তিপ্ৰিয়াৰ কাতৰ আহ্বান-নাই নাই, এইবোৰ নেওচি তেওঁ যাব নোৱাৰে! দুভৰি আগবাঢ়িলেও মন আগ নাবাঢ়িব। মনটো যে ইয়াতেই থাকিব খোজে। ইয়াতে মানে হংসধৰ শৰ্মাৰ ঘৰত? অৰ্থাৎ সুপ্ৰভাৰ মনৰ গহন বনত?

মৌজাদাৰৰ গল খেকাৰি শুনি বিদ্যাকান্তই ততাতৈয়াকৈ উঠি আহিল। মৌজাদাৰে চ'ৰাঘৰৰ বাৰান্দাত বহি আছিল পিয়দা এজনৰ সৈতে কথা পাতি। পিয়দা আঁতৰি গ'ল।

ঃ অ' ডেকাদেউ? বহক।

বিদ্যাকান্ত বহিল।

ঃ মোৰ কথাটো কিবা চিন্তা ক'লেনে?

মৌজাদাৰে কথাটো উলিওৱাত বিদ্যাকান্তই ভাল পালে।

ঃ আজি মই হংসধৰ শৰ্মাৰ ঘৰলৈ গৈছিলোঁ। তেখেতৰ পত্নীয়ে ক'লে কথাটো। আপুনি যেতিয়া কথা দি আহিছে-

মৌজাদাৰে বিদ্যাকান্তৰ কথা শেষ হ'বলৈ নিদিলে,-

ঃ চাওঁক ডেকাদেউ, মই কথা দিছোঁ যদিও আপোনাৰ যদি কিবা অসুবিধা হৈছি - যাবাতো লাগবোয়ে! মই অৱশ্যে আপোনাক নোসোধাকে কথা দিবা নাল্‌গিছিল!

ঃ নহয়, ময়ো বহু চিন্তা কৰিলোঁ- এমহীয়া সকাম শেষ কৰি গ'লে শৰ্মাদেউৰ আত্মাইও শান্তি পাব!

বিদ্যাকান্ত উঠিল।

ঃ আপোনাক বহুত ধন্যবাদ।

মৌজাদাৰ ওচৰৰ পৰা আহি বিদ্যাকান্তই বিচনাত বাগৰ দিলে। আৰু পোন্ধৰদিন থাকিব লাগিব? হয়তো এই পোন্ধৰ দিন কেনেকৈ পাৰ হৈ যাব - তেওঁ গমকে নাপাব। মাথো সুপ্ৰভাক দিনটোত এবাৰ দেখা পালেই হ'ল!

কিনো দুখে জন্মিলো মই অ' হৰি
দুখে খেদেই পাছে পাছে।
পিতাক হেৰেই মই দুখৰ নৈত উটি ভাহি
মজিলো দুখৰে সাগৰে।।
আপোন আছিল পিতা মোৰ অ'
সিউ গে'ল গুছি
যিবা এটাক আপোন ভাবলু
যায় লাঠি মাৰি
মোৰ হৰি হৰি
মজিলো দুখৰে সাগৰে।।
- অ' দাইনা? কিনো বিলাপ গীত কাৰ কাৰ্নে গাইছা?

- *এ কিনো ক'ম উজনী বামুণটোৰ কাৰ্নে গাইছি আমাৰ মাইছানাই!*
- *মাইছানা?*
- *এ- হংস যজমানৰ ঝিয়াটোই।*
- *হয় নিকি? তাইৰ কথা দেখো বহুত সময় ক'ৱাই নাই? কউচোন পিতেক মৰা ঝিয়াটোৰ মনৰ কথাগিলা?*
- *শুনক তেন্তে!*

বিচনাত পৰি গাৰুটোত মুখ গুজি কান্দি উঠা সুপ্ৰভা হঠাৎ উঠিল। বিচনাত বহি চাদৰৰ আঁচলেৰে সিক্ত দুচকু মচি আক্ষেপ কৰি উঠিল। এয়া মই কি কৰিলোঁ? তেনেকৈ ঘটিটো ঠাইতে এৰি মই কিয় দৌৰি গুছি আহিলোঁ? পেহী অথবা আয়ে বা কি ভাবিলে? ভাবিলে কি বাৰু সেই উজনীৰ দেউটোৱে? কিয় বাৰু দৌৰি আহিল তাই? কাৰোবাৰ ওপৰত খং কৰি- নে কাৰাবাৰ ওপৰত অভিমান কৰি? কাৰ ওপৰত? পেহী বা মা? এই দুগৰাকীৰ প্ৰতি ? নহয়! দেউটোৰ প্ৰতি! কিন্তু কিয়? এই খং বা অভিমান তেখেতৰ ওপৰত দেখুৱাবলৈ তাইৰ কি অধিকাৰ আছে? অ' কি অধিকাৰ?

চিঃ, চিঃ! সঁচাকৈয়ে আজি বৰ বেয়া কথা হ'ল! বেয়া কথা হ'ল মানে তাই কি ধৰা পৰি গ'ল নেকি? কি ধৰা পৰা? দেউৰ প্ৰতি থকা অহৈতুকী দুৰ্বলতা বাৰু কেতিয়াৰ পৰা আৰম্ভ হ'ল? পিতাক প্ৰথম পথৰুঘাটৰ ৰাইজমেললৈ যোৱাৰ দিনা। সিদিনা পিতাকৰ হৈ দেউৰ বাবে আলপৈচান ধৰিছিল। সিদিনাই এই ডেকা বামুণটোৰ চাৱনিয়ে যেন তাইক গিলিহে পেলাব। প্ৰথমতে অস্বস্তি লাগিছিল। লাগিছিল সংকোচ। কিন্তু লাহে লাহে অস্বস্তি সংকোচ দেখো নাইকিয়া হ'ল? কিয় জানো মাকক আৰোগ্য কৰিবৰ বাবে ঢেকীয়াৰে জৰা -ফুকা কৰিবলৈ অহাৰ পৰা এই ডেকা বামুণটোক কিবা আপোন আপোন লগা হৈছিল। বান্ধৱীহঁতে জোকাওঁতে খং দেখুৱালেও কিয় জানো এক তৃপ্তিৰ শিহৰণে তাইৰ দেহ মনত প্ৰশান্তি আনি দিছিল। দিনত অথবা নিশা বিচনাত বাগৰ দিওঁতে সেই ডেকা দেউটো নিলাজৰ দৰে তাইৰ সমুখত দেখা দিয়ে। কিয় দেখা দিয়ে বাৰু তেওঁ? তাই বিচৰাৰ বাবে নিশ্চয়! এদিন সুপ্ৰভাই চাৰিওপিনে হঠাৎ অনাকাংক্ষিত অন্ধকাৰ

দেখি হতাশ হৈ পৰিছিল। পিছে হতাশাৰ মাজতো এটি প্ৰত্যাশাই তাইক জীয়াই থকাৰ বাবে প্ৰেৰণা দিছিল। কি বাৰু এই প্ৰত্যাশা? এই ডেকা দেউ নহয় জানো? প্ৰতিদিনে সকামৰ বাবে তাঁহাতৰ ঘৰলৈ অহা এই উজনীৰ বামুণটোক দেখো পিতাৰ অবৰ্তমানত কিবা আপোন আপোন, ঘৰৰে এজন যেন লগা হ'ল! সেইবাবেই আজি হঠাৎ যাবলৈ ওলোৱাত তাইৰ খং উঠিছিল নে অভিমান উঠিছিল? নে দুয়োটাই? হয় হয় দুয়োটাই! কিয় বাৰু খং আৰু অভিমান হঠাৎ জাগি উঠিল তেওঁৰ প্ৰতি? কিয় বাৰু? পুনৰ গাৰুটোত মুখখন গুজি বামুণৰ অপ্ৰস্তুত চকু মুখখনলৈ মনত পেলালে। এইদৰে অপ্ৰস্তুত হোৱা অৱস্থাত এই উজনীৰ দেউটোক বৰ সহজ-সৰল যেন লাগে। নে ভাল লাগে?

ঃ তই কিন্তু বৰ বেয়া কাম কৰ্‌লি সুপ্ৰভা! এইদৰে অভদ্ৰামী কৰ্‌বি বুলি মই সপোনতো ভবা নাছিলু। চিঃ চিঃ! মানুহটোৱে বা কি ভাবে ইতা!

পেহীয়েক বানেশ্বৰী হঠাৎ তাইৰ ওচৰলৈ আহি প্ৰায় উষ্ম সুৰত কথাখিনি ক'লে। সুপ্ৰভাই একো নামাতিলে। কওঁক। কিবা বুজিলেও পেহীয়েকে বুজক। মই নিজক ফাঁকি দিব নোৱাৰোঁ। খং অভিমানত গুছি আহিলোঁ। কিয়, কিহৰ বাবে সেয়া আন কোনোবাই নুসুধিলেই ভাল। এয়া তাইৰ একান্ত নিজৰ কথা। একান্ত ব্যক্তিগত। এনে একান্ত কথা সেই মাউৰত মৰাটোৱে গম পালেই যথেষ্ট। মাউৰত মৰা! কি বুলি ক'লোঁ? মাউৰত মৰা! ধেৎ নিজৰ মানুহটোক বাৰু এনেদৰে ক'ব পায়নে?

ভোৰভোৰাই বানেশ্বৰীৰ গুছি গ'ল। যদি সুপ্ৰভাই কিবা উত্তৰ দিলেহেঁতেন তেন্তে প্ৰত্যুত্তৰত পেহীয়েকে হয়তো তাইক কপাহ ধুনা দিলে হয়। পেহীয়েক মৰ্মাহত হ'বই।

আকৌ দেখো ফিৰি আহিল পেহী? সুপ্ৰভাই পুনৰ গাৰুটোত মুখখন গুজি পেহীয়েকৰ শব্দৰ বজ্ৰপাতলৈ অপেক্ষা কৰিলে।

ঃ মই তোৰ পেহেইৰে! সঁচাকে কউচোন সুপ্ৰভা তোৰ এই বামুণটোক কি বেয়া লাগ্‌ছি?

হে প্ৰভু! অগ্নি পৰীক্ষাৰহে যেন সন্মুখীন হৈছে সুপ্ৰভা। কাষত অগ্নিৰূপী পেহীয়েক বৈ আছে। ভাল লগা বুলি ক'লেও বিপদ, বেয়া লগা বুলি ক'লেও

বিপদ! তাতকৈ মনে মনে থকাই ভাল!

আকৌ ফোঁচ ফোঁচাই পেহীয়েক আঁতৰি গ'ল, ঃ টাঙানমান্নাইমাৰীয়ে মুখখানত সোপা দি থৈছি নিকি!

সুপ্ৰভাই মুখ টিপি হাঁহিলে মাথো। মুখ খুলিলেই বিপদত পৰাতকৈ মুখ নোখোলাই ভাল। কেনেদৰে কোনখন মুখেৰেনো পেহীয়েকক কয়-পেহী মই মাউৰত মৰাটোক ভাল পাওঁ বুলি?

- অ' ওঝা?

- কি হ'ল আকউ?

- এ সৰ্বনাশ হ'ল নহয়?

- কি সৰ্বনাশ হ'ল?

- বানেশ্বৰী চিধাই মৌজাদাৰৰ ঘৰকলেগি গুছি আহিল।

- বোলো এই উজনীৰ বামুণটোক লগ কৰি যাওঁ!

- বামুণটো আছিল শুই।

- বানেশ্বৰীয়ে যেতিয়া মাতব্া ধ'ল্লা- বামুণটো ধহমহকৈ বিচনাৰপে উঠিল।

- তাৰাতাৰি ধুতিখান পিন্ধি

- লেংটিডাল ভাল্‌কে মাৰি ল'লাক।

- কিয়ানো আহিল অ' এইজনী? কিবা হ'ল? আৰু কিবা বিপদ হ'ল নিকি? সুপ্ৰভাৰ একো হোৱা নাইতো?

- বামুণে বানেশ্বৰীক দেখি আৰু আচৰিত হ'ল।

- তাৰপাছত দুয়ো কি কথা পাত্‌লা?

- বহুত কথা পাত্‌লা।

- দুয়ো কথা পাতি পাতি

- এ বকুল তলকলেগি গে'ল। তাতো দুয়ো

- বহুত সময় কথা পাত্‌লা!

- পাত্‌লা পাত্‌লা কি হ'ল ইতা?

- বেং কথা হ'ল?

- বেং কথা?

- গাঁৱৰ মাজত তেজ ফুটো ফুটো বিধবাৰ লগত উজনীৰ ডেকা বামুণৰ ফিচিণ্ডা ফিচিণ্ডি-

- এ চাৰিওপিনে ওলেই গে'ল?

- কি ওলেই গে'ল? বদনাম ?

- অ'বদনাম মানে উজনীৰ বামুণটোৰ লগত বিধবা বানেশ্বৰীৰ ইয়ে-

- ইয়ে মানে?

- দুয়ো দুয়োকো বিচাৰেই আকো!

- এই কথা যাই

- সুপ্ৰভাৰ কাণত প'ল্গা!

- শুনি-সুপ্ৰভাৰ

- ৰাতি -দিন টোপনি নাই!

- খাৱা লোৱা প্ৰায় বাদেই দিলে।

- তাৰপাছত?

- শুনক তেন্তে-

মাউৰত মৰাটো ঘৰলৈ যোৱাই ভাল আছিল। মাহেকীয়া সকামৰ বাবে গাঁৱত থকা বাবে হিতে বিপৰীতহে হ'ল। কপাহী আৰু প্ৰতিমাই বৰপুখুৰীলৈ পানী আনিবলৈ যাওঁতে ক'লে কথাবোৰ বোলে সিহঁতেও শুনিছে। উজনীৰ দেউ আৰু পেহীয়েকক কেইবাদিনো বকুলতলত, দলনি পথাৰ নৌপাওঁতেই জোৰ আহতৰ তলত হাঁহি - মাতি কথা পতাৰ কথা। ফটিকহঁতে বোলে বামুণটোক এসেকা দিবই! বুকুখন চিৰিংকৈ গ'ল সুপ্ৰভাৰ। তাইৰ মাউৰত মৰাটোক সিহঁতে এসেকা দিব ? কিয় দিব?

ঃ এনে দুষ্ট বামুণ আমাৰ গাঁওৰপে খেদবালেগি!

প্ৰতিমাৰ উত্তৰত সুপ্ৰভাই অনুনয় বিনয় সুৰত ক'লে,-ঃ প্ৰতিমা, কপাহী-সিহঁতক এইবিলাক কৰ্‌বা নিদ্‌বি! তেওঁ আমাৰ কথামতেহে এই গাঁৱত আছেই!

মাহেকীয়া কাজ শেষ হলিয়েই গুছি যাবোগৈ।

কপাহীয়ে সুপ্ৰভাৰ মুখলৈ চালে। প্ৰতিমাই মন্তব্য দিলে,-

ঃ আমি বাৰু ক'বা লাগেই ক'ম। ডেকা লিকিৰা সিহঁত। বিশ্বাস নাই-ক'ত কি কৰেই। আমি আকো ভাবছিলু উজনীৰ বামুণটোৱে তোক এইবাৰ ঘৰত যাওঁতে লগত লৈ যাবো বুলি! পিছে কথা দেখো কিবা উল্টাহে হ'ল!

পানীৰ কলহটো ৰান্ধনীঘৰত থৈয়েই সুপ্ৰভাই বিচনাত পৰি হুকহুকাই কান্দি উঠিল। এই পেহীয়েকে বাৰু ইমান বিশ্বাসঘাটকতা কৰিব লাগেনে? নিজৰ প্ৰথম ভালপোৱা কাল ধুমুহাই উৰুৱাই উৰুৱাই নিও নিও!

ঃ সুপ্ৰভা?

মাক শান্তিপ্ৰিয়াই তাইৰ কাষত বহি সান্তনা দিলে,

ঃ পিতেৰেকলেগি মনত পৰ্ছি নহয় আই? সন্ধ্যা হ'বা আৰম্ভ হৈছি- তই সদায় পদূলিমুখত থিয় হৈ চাই থাকা নহয়- পিতাই আইভো বুলি! ময়ো জানা ভুলতেই পদূলিমুখকলেগি চাই হতাশ হওঁ!

সুপ্ৰভাই কান্দোন সামৰি মাকৰ মুখলৈ চালে। মাকৰ দুচকুৰ পৰা কাৰ্শলা সাপৰ দৰে দকুলো নিগৰি আহিছে! তাই মাকৰ বুকুত মুখখন গুজি আগতকৈ বেচি জোৰে কান্দিবলৈ ধৰিলে!

ঃ এইদৰে মাক-ঝিয়েকে সন্ধ্যা কান্দবা নাপায়। কান্দিলে দাদাৰ আত্মাই শান্তি পাবোঁনে?

হঠাৎ পেহীয়েক বানেশ্বৰী সোমাই আহি কোৱা মন্তব্য শুনি সুপ্ৰভাই কান্দিবলৈ এৰি তেওঁলৈ কেৰাহীকৈ চালে।

আমি এনেদৰে কান্দাৰ বাবে বাৰু পিতাই আত্মাই শান্তি নাপায়- কিন্তু আপুনি যি পাপ কাম কৰি আছে সেয়া দেখি জানো পিতাইৰ আত্মাই শান্তি পাইছে? বিধবা হৈ, এটি সন্তানৰ মাতৃ হৈ ডেকা বামুণটোৰ সৈতে...! সুপ্ৰভাই ভাবিছিল মুখ ফুটাই কথাবোৰ পেহীয়েকক ক'ব। কিন্তু ক'ব নোৱাৰি পুনৰ মাকৰ কোলাত মুখ গুজি হুকহুকাই কান্দিবলৈ ধৰিলে।

অ' আজি কিনো প্ৰভু কি দোষ কৰিলোঁ।
বিনা দোষে কিয় বাৰু অপমান পাইলোঁ।।
যি কথা কোনো কালে নাই মই ভবা।
ফুকনীয়া ডেকা ল'ৰাই দিলে ডকা-হুকা।।
কি কৰো ক'ত মৰো ঘোৰ অপমান।
টালি-টোপোলা বান্ধি মই যোৱাহে ভাল।।
- এইবুলি উজনীৰ বামুণটোৱে
- এ টালি টোপোলা বান্ধ'বা আৰম্ভ ক'ল্লা।
- তাৰ পাছত?
- শুনক তেন্তে-।

ক'ৰপৰা যে কি হ'ল বিদ্যাকান্তই তৰ্কিবই নোৱাৰিলে। আজি দুপৰীয়া হংসধৰ শৰ্মাৰ ঘৰলৈকে গৈ আছিল। পৰহি মাহেকীয়া। বস্তু বাহানিবোৰ ঠিক ঠাক কৰিব লাগে। কি জানো হৈছে এই সুপ্ৰভাৰ এইকেইদিন! ভালদৰে মাত-বোল নকৰে। মুখখন দেখো অনবৰতে ওফোন্দাই থাকে। কিবা হৈছে ধৰিবই নোৱাৰি! হঠাতে পাকেৰি গছজোপা পাৰ হোৱাৰ লগে লগে ফটিক চম্পক আৰু কেইজনমান ডেকা ল'ৰাই তেওঁক আগছি ধৰিছিল।

ঃ ঐ, তই বোলে বিধবা বামুণীৰ লগত লীলা খেলা আৰম্ভ কৰছাহ? - চম্পক বোলাটোৱে প্ৰথমে তাৰ গাত সোঁহাতখন থৈ সুধিছিল।

ঃ তই ইতা টালি-টোপোলা বান্ধি নিজৰ ঘৰ্কলেগি যা।

ঃ নহ'লি ইয়াৰপে যাবা নৰ্বি। জান খটম কৰি দিম মাৰেক্‌মোহাই! -আৰু বহু কিবা-কিবি অশ্ৰাব্য ভাষাৰে সিহঁত পাঁচজনমানে তেওঁক ঠেলা-গতা কৰিছিল। বিদ্যাকান্তই চকুৰে ধোৱা কোৱা দেখিছিল সিহঁতৰ ব্যৱহাৰত নহয়। সেইযে সিহঁতে ক'লে বিধবা বামুণীৰ লগত লীলা খেলা কৰা বুলি, তাৰমানে সিহঁতে মোক ভুল বুজিছে, নে অপবাদ দিছে? যদি সুপ্ৰভাক লৈ সিহঁতে অপমান কৰিলেহেঁতেন তথাপিও মনত শান্তি পালেহেঁতেন, সত্য কথাত সিহঁতে প্ৰৰোচিত হৈ মোক আক্ৰমণ কৰা বুলি! সুপ্ৰভাহঁতৰ ঘৰলৈ নগৈ তেওঁ উভতি আহিছিল

নিজৰ কোঠালৈ। আহিয়েই তেওঁ টালি-টোপোলা বান্ধিলে। সুপ্ৰভাৰ পেহীয়েকৰ সৈতে লীলাখেলা ? ছিঃ ছিঃ ! যিজনী সুপ্ৰভাৰ বাবে তেওঁ নিজৰ গাঁও, পৰিয়াল এৰি এই গাঁৱত আছে সেইজনীৰ পেহীয়েকৰ সৈতে, তাকো বিধবা মানুহজনীৰ সৈতে... !

টোপোলাটো ভালদৰে বান্ধি বিচনাৰ ওপৰত থৈ বিদ্যাকান্ত মৌজাদাৰৰ বহালৈ আহিল। তেওঁ একান্তমনে মহৰীৰ সৈতে কিবা কথা পাতি আছিল। হঠাৎ বিদ্যাকান্ত ওচৰত থিয় হৈ থকা দেখি বহিবলৈ ক'লে।

ঃ মই নবহো মৌজাদাৰ দেউতা !

বিদ্যাকান্তৰ ৰুক্ষ তথা ভগ্ন কণ্ঠত মৌজাদাৰ আচৰিত হ'ল। থিয় হৈ তেওঁ সুধিলে, ঃ কি হৈছি দেউ ?

ঃ মই এতিয়াই নিজৰ ঘৰলৈ যাব খোজো। এখন্তেকো মই ইয়াত নাথাকোঁ।

মৌজাদাৰ এইবাৰ বিদ্যাকান্তৰ ওচৰ চাপিল, ঃ চাওঁক, আপুনি মোৰ আলহী, মই আপোনাক ইয়াকলেগি মাতি আন্ছোহ। আপোনাৰ যদি কিবা অসুবিধা হৈছি মোক কওঁক ? যাবা খুচ্ছি মোক কওঁক, মই ব্যৱস্থা কৰি দিম নহয় ?

বিদ্যাকান্তৰ পুনৰ সেই একে ভগ্ন বা ৰুক্ষকণ্ঠ, ঃ মই কৈছোঁ নহয়- এখন্তেকো মই এই গাঁৱত থাকিব নোখোজোঁ ?

মৌজাদাৰ বিচলিত তথা অপ্ৰস্তুত হৈছিল উজনীৰ বামুণটোৰ ব্যৱহাৰত। এনেতে দেখিলে হংসধৰৰ বিধবা ভনীয়েকজনী প্ৰায় দৌৰি অহাৰ দৰে তেওঁলোকৰ ওচৰলৈকে আহি আছে।

ঃ বানেই তই ?

মৌজাদাৰৰ প্ৰশ্নোত্তৰৰ বাবেই যেন বানেশ্বৰী সাজু হৈ আছিল তেওঁ, - ঃ বৰ বেয়া কথা হৈছি দেউতা, এই ফটিক, চম্পকহঁতে এই দেউটোক বৰবেয়াকৈ বোলে আজি অপমান কৈচ্ছি। সিহঁতে মোৰ লগত - মোৰ লগত এই বেচেৰা দেউটোক -!

হুকহুককৈ কান্দিবলৈ ধৰিলে বানেশ্বৰীয়ে। তাইৰ কান্দোন শুনি ইতিমধ্যে ৰম্ভাও আহি ওচৰ পাইছিলহি!

ঃ আপুনি ব্যৱস্থা কৰি নিদিলেও মই খোজ কাঢ়ি হ'লেও গুছি যাম দেউতা !

বিদ্যাকান্তৰ আকোৰগোজ স্বভাৱ দেখি মৌজাদাৰৰ একপ্ৰকাৰ খঙেই উঠিছিল, ঃ যাব খুজ্‌ছিহ্ যাওঁক। ঐ মণিয়া, ইতাই মহৰ গাড়ীখন ব্যৱস্থা কৰ। এই দেউটোক পাণ্ডু ঘাটকলেগি থৈ আহ্।

মৌজাদাৰৰ নিৰ্দেশ শুনি কিং কৰ্তব্য বিমূঢ় হৈ পৰিছিল বানেশ্বৰী। তাই বিদ্যাকান্ত আৰু মৌজাদৰৰ মুখলৈ চাই কোনো সঁহাৰি নাপাই পুনৰ দৌৰি উভতি গ'ল। ঘৰৰ ভিতৰলৈ সোমাই যাব খোজা মৌজাদাৰ পুনৰ ফিৰি আহিল, ঃ এই গাঁৱৰ কোনবা ডেকা ল'ৰাই আপোনাক অপমান কৰ্ছ্ছি, আপুনি মোক ক'বা লাগেই। মোৰ ঘৰৰ আলহীক কোন্‌বাই অপমান কৰ্‌বো - মই এৰি দিম নিকি? আপুনি যাবা খুচ্ছি যাক। কিন্তু এই ডেকাকেইটাৰ বিচাৰ মই কৰিম। আজিয়েই কৰিম!

মৌজাদাৰ ভিতৰলৈ সোমাই গ'ল।

ৰম্ভা ওচৰ চাপি আহিল, ঃ বাপা এংকে গুছি গেলি আমাৰ বেয়া লাগ্‌বো নহয়। হংসৰ কাজখান দেখো পালেই?

বিদ্যাকান্তই মৌজাদাৰণীৰ মুখলৈ চালে। নাই নাই! এনেবোৰ কথা শুনিয়েই তেওঁ এই গাঁৱত থাকিল আৰু আজি এইবোৰৰ মোহত পৰিলে ভয়ানক বিপদত পৰিব। মানুহৰ সজাত নাই! একো নকৈ বিদ্যাকান্ত নিজৰ কোঠালৈ আহিল। মৌজাদাৰণীয়ে নিৰাশ হৈ তেওঁক যোৱালৈ চাই হুমুনিয়াহ এটি এৰিলে!

- তাৰ পাছত দাইনা?

- উজনীৰ বামুণটো মৌজাদাৰে ঠিক কৰি দিয়া ম'হৰ গাড়ীত উঠিল।

- মৌজাদাৰে যিখিনি টকা কড়ি, বয়বস্তু দিবা লাগেই

- গাড়ীত ভৰেই দিলা!

- মৌজাদাৰ, মৌজাদাৰেণী আৰু পিয়দা মহৰীক মাত দি

- এ ডেকা বামুণ যাবা ধ'ল্লাহ! ক'কলেগি?

- গুৱাহাটীৰ পাণ্ডুঘাটক লেগি।

- এই হংস যজমানৰ ঝিয়াটোই ইতা কি কৰ্ছ্ছি!

- শুনক তেন্তে-!

পুৰাই মাকে কৈছে যে আজি ডেকা পুৰোহিত আহি কলৰ দোনা কাটিব যাতে পৰহিৰ মাহেকীয়া সুকলমে সম্পন্ন হয়। সেয়ে যা-যোগাৰবোৰ ঠিক ক ৰিব লাগে। বেচি উৎসাহবোধ নকৰিলেও সুপ্ৰভাই পেহীয়কেৰ সৈতে ঘৰ-দুৱাৰ সৰা-মোছা কৰি গা-পা ধুই বাৰীৰ পিছফালে কাপোৰ মেলি দিয়া বাঁহৰ খুটাৰ ওচৰলৈকে গৈছিল। মাজতে চম্পকহঁতে পেহীয়েকক মাতি নিছিল পদূলিমুখলৈ। পেহীয়েকে চাগে সিহঁতক মাহেকীয়া কিবা কামত লগাব। সেই পদূলিমুখত ফটিককো তাই দেখিছে ফিচিঙা-ফিচিঙি কৰি থকা। তাৰপাছত আমো নাই, ফমুটিও নাই। অৰ্থাৎ পেহীয়েকো নাই সিহঁতো নাই। মাজতে মাকে চিঞৰিছিল বানেই, বানেই বুলি। ওহো, দাংকাইটি পেহীয়েকে চাগে সোনকালে গা পা ধুবলৈ গ'ল। মাউৰত মৰাটো আহিব যে! সেইবাবেই চাগে তেওঁৰ গা ইচাট-বিচাট!

তিতা চাদৰখন মেলিবলৈ লৈছিল মাথো। এনেতে দেখো উধাতু খাই আহক পেহীয়েকজনী।

ঃ ঐ সুপ্ৰভা মহা পয়মাল হ'লেই! দেউটো ঘৰক্‌লেগি গুছি গে'ল!

বুকুত খুন্দা মৰা কথাখিনি শুনি সুপ্ৰভাই পেহীয়েকৰ মুখলৈ চালে। মাউৰত মৰাটো ঘৰকলেগি গে'ল ভালেই হ'ল। মই আকৌ ইয়াৰ বাবে দুখ কৰিব লাগে কিয়? পেহীয়েকে এই খবৰটো আকৌ মোক দিবলৈ কিয় আহিছে? যোৱাৰ বাবে আপোনাৰ মন বেয়া লাগিছে। মই কি কৰিব লাগে?

ঃ গে'ল-গে'ল মই কি কৰ্‌বা লাগেই?

নিতান্তই ৰুক্ষ উত্তৰটো বানেশ্বৰীয়ে কামনা কৰা নাছিল। হতবম্ব হৈ পুনৰ তাইৰ মুখলৈ চাই ক'লে, - ঃ কি কৈছ- তই কি কৰ্‌বা লাগেই? এই মানুহটো তোৰ বাবেই এইখন গাঁৱত আছেই! দাদা নমল্লি সি তোক্ বিয়া কৰেই নিলা হয়। তই ইতা মোক কৈছ - মই ইতা কি কৰ্‌বা লাগেই?

সুপ্ৰভাই আচৰিত হৈ বানেশ্বৰীৰ মুখলৈ চালে, ঃ পেহেই!

ঃ কি ভেবা লাগি মোৰ মুখকলেগি চাই আছ? মই কেংকেং সেই দেউটোৰ সৈতে বিয়া পাত্‌বা পাৰোঁ তাৰ চিন্তাত আছোঁ। তেওঁ তোক ভাল পায়। তেওঁ গুছি গে'লি তোৰ আৰু মুদা মৰ্‌বো। লিকিৰাটোৰ স্বভাৱ-চৰিত্ৰ ভাল। বংশও ভাল।

আজি কিছুদিন আগতে সতিনী হৈ পৰা এই মানুহজনীৰ মুখৰপৰা ওলাইছেনে এইবোৰ কথা? নে সপোন এয়া? সুপ্ৰভাই ভেবা লাগি বানেশ্বৰীৰ মুখলৈ চাই থাকিল!

ঃ তই যদি গৈ অনুৰোধ কৰ- তেন্তে মোৰ বিশ্বাস তেওঁ ঘূৰি আহিভো। আন কোনোৱে তেওঁক আন্‌বা নৱেই! নাযা কিয়া? গাড়ীখন চাগে বৰ পুখুৰীৰ পাৰ পালেই! সপোন নহয় দিঠকেই! পেহীয়েকে তাইৰ গাত ঠেলা মাৰি দিলে। সেই ঠেলাতেই সুপ্ৰভাই দৌৰিবলৈ ধৰিলে।

এ ম'হৰ গাড়ী চলি যায় টিলিং টিলিং কৰি।
উজনিৰ বামুণে কান্দেই ফিচিং ফাচাং কৰি।।
যাবা আইছোহ ঘৰকলেগি মনত স্ফুৰ্তি নাই।
মনটোক মই দৰখ দিলো এই গাঁৱক হায়।।
বালু টিল টিল পখী কান্দেই বালুতে পৰিয়া।
এই বামুণে যাবা খৈৰ্চ্ছো কান্দিয়া কান্দিয়া।।

- অ' দাইনা-বামুণটোই কিয়া কান্দেই?

- এ নক'বোহ ওজা, প্ৰথম পেৰেম নহয়!

- দ্বিতীয় পেৰেমো আছেই নিকি?

- আছেইতো? প্ৰথম পেৰেমত যদি হংসধৰ ঝিয়াটোক বামুণটোই পাৰেই তেতিয়া সি কান্দৰা চান্দবা বাদ দিবো। নাপাৰাক লেগি কান্দিয়েই থাক্‌বো কান্দিয়েই থাক্‌বো!

- হয় নিকি? তাৰপাছত?

- তাৰপাছত যেই প্ৰথমটো পেৰেমৰ ঠাইৰ তিৰী হৈ গৈ'ল- তাৰপাছত দ্বিতীয় এজনীয়ে পিৰিক পাৰাক্‌কে চালিয়েই দ্বিতীয় পেৰেমে গোজেই গাছ হৈ পৰবো।

- আৰু যদি দ্বিতীয় পেৰেমো তিৰী হৈ যায় তেন্তে?

- *তৃতীয় পেৰেমে ভুমুকি মাৰ্বো!*

- *নিজৰ অভিজ্ঞতাৰপে কৈছা নিকিয়েই দাইনা?*

- *হ'বা পাৰেই!*

- *হ'বা পাৰেই? তাৰপাছত সেই গৰুগাড়ীখন গৈ আছেই*

- *এই- হংস যজমানৰ ঝিয়াটো পিছে পিছে দৌৰি গৈ আছেই হেফাই-ফোফাই*

- *উজনীৰ বামুণটোই দেখা পাই*

- *গাৰোৱানক গাড়ীখন ৰাখ্বা ক'লাক।*

- *তাৰাতাৰি নামি গে'ল বামুণ। বোলো কিয়া খেদি আইছাহ? নিজ ঘৰকলেগি গুছি যা!*

- *সুপ্ৰভাই বোলে দেউ যদি আপুনি নাযাৱেই, মই নাযাওঁ ঘূৰি, ইক্সা পুখুৰীত মৰিম ঝাপ দি।*

- *পিতেইতো মৰ্বালেগি হোৱা নাই দেৰি, আপুনি ইতা গুছি গে'লি মই ঝিম কেনেকৰি?*

- *বামুণে বোলে সুপ্ৰভা তই ভুল নকৰ্বি, এবাৰ যাবা আইছো যেইতা নাযাওঁ আৰু ঘূৰি।*

- *দুই ঝিয়া-লিকিৰাৰ কান্দা-কাটা আছেই গাৰোৱানে চাই, গাঁৱৰ মানুহবোৰে দুইকো ঘেৰি ধ'ল্লা যায়!*

- *ইফালে বৰুৱা মৌজাদাৰৰ ঘৰত ঘটনা ঘট্‌ছি!*

- *কি ঘটনা?*

- *শুনক তেন্তে!*

মোৰ অলহীক গাঁৱৰ ফুকলীয়া লিকিৰাই অপমান কৰ্বো, ইমান সাহ সিহঁতৰ? মৌজাদাৰে তপো মহৰীক পঠিয়াই গাঁওবুঢ়াক মাতি পঠিয়ালে। অকল এয়ে নহয়, ফটিক, চম্পক আৰু সিহঁতৰ লগৰীয়া কেইজনকো মাতি পঠিয়ালে সোনকালে। গোটেই গাঁও ৰজনজনাই গ'ল, - মৌজাদাৰে নিজৰ ঘৰৰ চোতালত

মেল পাত্‌ছি। গাঁৱৰ মুখীয়ালবোৰ যতে যেনেকৈ আছিল - মৌজাদাৰৰ ঘৰলৈ আহিল।

ইতিমধ্যে মৌজাদাৰে ঘৰৰ চোতালতেই পীৰা, মূঢ়া, দুই এখন কাঠৰ চকী পাৰি থৈছিল। ভাগে ভাগে মানুহ আহিল। ভয়ে ভয়ে চম্পক, ফটিকহঁতো আহি থিয় হৈ থাকিল। মৌজাদাৰে মেল পতা বুলি শুনি বানেশ্বৰীও আহিল।

মৌজাদাৰেই আৰম্ভ কৰিলে। মোৰ আলহী। মই মনসা পূজা কৰিবলৈ অনা সুদূৰ কলিয়াবৰৰ পুৰোহিতক এইখন গাঁৱৰ ডেকা ল'ৰাই কিয় অপমান কৰিব? যদি পুৰোহিতে দোষ কৰিছে মোক কিয় নক'লে? মই বিচাৰ কৰিলোঁহয় নহয়? মণ্ডলদৈ ৰজাঘৰত খাতনি ধৰি অনা এই ডেকা পুৰোহিতে কি জগৰ লগালে ফটিকহঁতে ক'ব লাগে।

উপস্থিত আটায়ে মৌজাদাৰৰ কথাত হয় ভৰ দি ফটিকহঁতলৈ চালে। চম্পকহঁতে ফটিকক ক'বলৈ দিলে। ফটিকে ভয়ে ভয়ে কওঁ-নকওঁকৈ ক'লে,ঃ এই বামুণটোৱে বেয়া কাম কৰ্‌ছিল!

ঃ বেয়া কাম?

সকলো ৰাইজ জেকজেকাই উঠিল।

ঃ কি বেয়া কাম নক'ৱা কিয়া?

ফটিকে বানেশ্বৰীলৈ ভয়ে ভয়ে চাই তলমূৰ কৰিলে।

ঃ কি বেয়া কাম মই কৈছু শুনক ৰাইজ!

এইবাৰ সকলোৰে দৃষ্টি বানেশ্বৰীৰ ওপৰত। হংসধৰ শৰ্মাৰ বিধবা ভনীয়েক।

ঃ এই ফটিকহঁত এইখান গাঁৱৰ বীৰ। মহাবীৰ! সি সুপ্ৰভাক ভাল পাৱেই। বিয়া পাত্‌ৱা খোজেই। কটিত নাই চাল বাকেলি মদ খাই সাত টেকেলি! এই ডেকা দেউ আমাৰ ঘৰলৈ যায়-সেয়াই তাৰ হিংসা। মোৰ লগত ডেকা বামুণটোৱে কথা পাতেই সেয়াই সিহঁতৰ আপত্তি। বিধবা হ'লোঁ বাবে কি মই পুৰুষৰ লগত কথা পাত্‌বা নাল্‌গেই? এই ডেকা পুৰোহিতক মোৰ ভাল লাগ্‌ছি। যদি সি আমাৰ সুপ্ৰভাক বিয়া কৰ'ৱেই তেন্তে মই বিয়া দিম। দাদা ঢুকোৱাত তাইৰ দৰে গাভৰু ঝিয়া এটাক এইদৰে বেমাৰী মাকক গটেই মই কেংকে বাহিৰত থাক্‌বা পাৰোঁ? সেইবোৰ কথাই মই দেউটোৰ সৈতে মুকলিকে পাতোঁ! আৰু এই গাঁৱৰ লিকিৰাকেইটাই ইয়াকে সহ্য কৰ্‌বা নৰি-!

হুকহুকাই কান্দি উঠিল বানেশ্বৰী।

ঃ তইঁতে সেই দেউটোৰ সৈতে মোক সাঙুৰি কিমান পাপ কাম ক'ছাহ ভাবি চাইছানে? তেওঁৰ গাত হাত দিয়াত্কে তইঁতে মোৰ গাত হাত নিদিলি কিয়া?

বানেশ্বৰীৰ কথা শুনি জাঙুৰ উঠিল মৌজাদাৰে, ঃ কি ইহাতে মোৰ আলহীৰ গাত গাত দিঁছি?

বানেশ্বৰীয়ে সমান উছাহেৰে কান্দি কান্দি ক'লে, ঃ অ' অ' তেখেতক ইহাতে ঠেলা-গটা কৰ্‌ছি। আজিৰ ভিতৰতে গাঁও নেল্লি মাৰি পেলম বুলি ধমকি দিছি!

সকলোৰে ফটিক চম্পকইঁতলৈ চালে। সিহঁতে তলমূৰ কৰি আছে।

ঃ হয় ফটিক তইঁতে ডেকা পুৰোহিতক অপমান কৰ্ছাহি?

গাঁওবুঢ়াৰ প্ৰশ্নত যেতিয়া সিহঁতে কোনো মাত নামাতিলে সকলোৰে ধৰি ল'লে যে মৌনেন সন্মতি লক্ষণম। চোঁচা মাৰি খেদি আহিল জয়নাথ শৰ্মা! ফটিকৰ দেউতাক!

ঃ তই চাল্লা, আমাৰ এই গাঁৱৰ আলেহীৰ গাত হাত দিছ?

ফটিকৰ গালে মুখে চৰিয়াই চৰিয়াই চিঞৰী উঠিল দেউতাক;

ঃ তই পথেইঘাটৰ ৰণত মৰি গেলিও মই শান্তি পালোঁ হয়। বাণেইক তই অপবাদ দিছ?

জয়নাথ শৰ্মাক টানি আনিলে বানেশ্বৰীয়ে;

ঃ খুড়া , যি হ'ছি হ'ছি! এই ডেকা বামুণটো গাঁও এৰি গুছি গেলেই। ইহঁতক মাৰি কি লাভ হ'বো?

ঃ ফিৰি আহিল, ফিৰি আহিল!

এজাক শিশু কিৰিলি পাৰি সোমাই আহিল।

ঃ কি ফিৰি আহিল ঐ কাউৰীৰ জাক?

মৌজাদৰে উভতি ধৰিলে সিহঁতক।

ঃ মহৰ গাড়ীখান ফিৰি আইছিহ?

জুমৰ মাজত এজন শিশুৱে উত্তৰ দিলে।

ঃ ম'হৰ গাড়ী ফিৰি আইছিহ?

মৌজাদাৰ বহাৰ ঠাইৰ পৰা উঠিল। মৌজাদাৰৰ পিছে পিছে সকলোবোৰ আহিল পদূলিমুখলৈ। পদূলিমুখৰ পৰাই চালে প্ৰায় একফাৰ্লংমান দূৰৈত গাড়ীখন। গাড়ীখনৰ আগে আগে খোজকাঢ়ি সেই ডেকা পুৰোহিত আৰু সুপ্ৰভা। পিছে পিছে মানুহৰ জুম।

বানেশ্বৰীৰ চকু মুখ উজ্বলি উঠিল। তেওঁ ৰ'ব নোৱাৰি আগবাঢ়ি দৌৰি গ'ল।

•••••

।। উপসংহাৰ ।।

অ' কোম্পানীৰ জাহাজ চলে
উজনীলৈ বুলি
ডেকা বামুণৰ মন উৰে
উজান ভাটি কৰি।

- দাইনা?
- কওঁক ওঝা।
- কাহিনীটোৰ মোখেনি মাৰ্বা লাগ্ছিল।
- আগতে পেট পূজা পাছত হৰি কথা। সেয়ে পেটৰ খুজুৰটি মাৰ্লো। ৰাইজেও ডিঙিত লেগি পেটফুলেই ভোজভাত খালাক।
- কাহিনীটো পাহৰা নাইতো?
- পাহেলিউ মই আকউ আগে পিছে সান্দহৰ লাডু কৰি খুৰেই আছোঁ।
- সান্দহৰ লাডু?
- আগতে খাই লওঁক, পিছে পৰেও মন্তব্য দিবো,—

(১)

যেন কাষৰ গছ-বিৰিখবোৰ, পৰ্বতখন, পাহাৰখন জাহাজৰ কাষেৰে দৌৰি দৌৰি পাৰ হৈ গৈছে। ঠাণ্ডা বতাহ এছাটিয়ে, বিদ্যাকান্তৰ কান্ধৰ চাদৰখন, দীঘল চুলি কোচাক আমনি কৰি আছে। বিদ্যাকান্তই চাদৰখন আৰু চুলিকোচা হাতেৰে ঠিক ঠাক কৰি সুপ্ৰভালৈ চালে। সুপ্ৰভাই বহি থকা আসনৰ পৰা বাহিৰলৈ চাবলৈ প্ৰয়াস কৰিছিল। ওৰণিৰ চাদৰখন হঠাতে মূৰৰ ওপৰৰ পৰা তললৈ নামি আহিল। চাদৰখন নামিল নে ইমানসময়ে আঘোণৰ পূৰ্ণিমাৰ জোনটোক আবৰি থকা ডাৱৰবোৰ আঁতৰিল? বিদ্যাকান্তই তন্ময় হৈ সুপ্ৰভালৈ চাই আছিল। সুপ্ৰভাৰ কপালৰ অস্তমিত ৰঙা বেলিটো যেন সিন্দূৰৰ ফোটটো, ফোটটোৰ ঠিক ওপৰতে চুলিৰ সেওতাৰ মাজেৰে ৰঙীণ ৰশ্মি সূঁতিয়ে মানুহজনীৰ মুখমণ্ডল অধিক প্ৰোজ্জ্বল কৰি তুলিছে। বতাহত কঁপি থকা চাদৰখন ওপৰলৈ তুলি ধৰিবলৈ বৃথা চেষ্টা কৰোঁতে পদুমৰ ঠাৰিযেন সুকোমল হাত দুখনি ৰূপালী গামখাৰু জোৰে, বাওহাতৰ আঙুলিত জিলিকি থকা সোণৰ আঙঠিটোৱে সুপ্ৰভাৰ হাতদুখনৰ সৌন্দৰ্য যেন আৰু বঢ়াই তুলিছে।

এই হাত, এই মুখমণ্ডল, পাভ মাছ হেন পিছল দেহ, শিৱৰ ডম্বৰুৰ দৰে কঁকাল, বিয়াহৰ ওজাপালিৰ তালৰ দৰে কিঞ্চিৎ ওখ বুকুৰ দুই স্তন, মৈৰাৰ পেখমৰ দৰে চুলিকোচা, তিলফুল হেন নাক, ক'লা ভোমোৰাৰ দৰে দুচকু— পোন প্ৰথম সুপ্ৰভাক দেখিয়েই একপ্ৰকাৰ চক খাই উঠিছিল বিদ্যাকান্ত। উজনীত মানে শিলঘাট, জখলাবন্ধা, কলিয়াবৰ, বোকাঘাট, গোলাঘাট, যোৰহাট— এই সকলো ঠাইলৈকে তেওঁ গৈছে পিতাকৰ সৈতে। পিতাকে ৰজাঘৰীয়া যজমানৰ বংশৰ হোৱা হেতুকে বৰ বৰ অভিজাত লোকৰ কামকাজবোৰ কৰে। নিমন্ত্ৰণো পায়। কলিয়াবৰৰ কন্দলি টোলত পিতাকৰ খেচখেচনিতেই সংস্কৃতৰ শ্লোকবোৰ মুখস্থ

কৰি যজমানৰ পদ্ধতিবোৰ শিকিছিল। পিতাকৰ যহত ব্যৱহাৰিক জ্ঞানো লাভ কৰি দৰঙৰ ৰজাঘৰৰ বংশৰ পৰিয়ালৰ আমন্ত্ৰণ ক্ৰমে এদিন হাউলীমোহনপুৰ আৰু তাৰপৰা দেওমৰনৈ খাৰখোৱাপাৰা ...! এই খাৰখোৱাপাৰাৰ বৰুৱা মৌজাদাৰৰ বাবেই আজি বিদ্যাকান্তৰ জীৱনত সাংঘাতিক পৰিবৰ্তন। মৌজাদাৰৰ নিমন্ত্ৰণ ক্ৰমে তেখেতৰ ঘৰত দেউতাকৰ শ্ৰাদ্ধ কৰিবলৈ আহি হংসধৰৰ জীয়েক সুপ্ৰভাৰ সৈতে প্ৰথম সাক্ষাৎ। যেন এয়া প্ৰথম সাক্ষাৎ নহয় যুগযুগান্তৰৰ কোনো নিকট আত্মীয়ক, ঠিক নিকট আত্মীয় নহয় গভীৰ প্ৰেমৰ মণি- কাঞ্চন সংযোগ। মৌজাদাৰৰ শ্ৰাদ্ধৰ কামখিনি কৰিয়েই ঘৰৰ ল'ৰা ঘৰলৈ উভতি যাম বুলি ভবা বিদ্যাকান্ত যাব নোৱাৰিলে— একমাত্ৰ এই সুপ্ৰভাৰ দেউতাক হংসধৰ শৰ্মাৰ বাবে। কাৰণ তেখেতেই প্ৰথম এখন নতুন জগতৰ সৈতে তেওঁক চিনাকি কৰাই দিলে। এইখন জগত ৰং শিঙাৰ নহয় খং শিঙা বজোৱা জগত। মানুহবোৰ যে ইমান ক্ষোভ - খং-ৰাগ থাকিব পাৰে নিজৰ অধিকাৰৰ বাবে এইকথা বিদ্যাকান্তৰ দৰে এগৰাকী সাধাৰণ যজমানে ভাবিবই পৰা নাছিল। ভাবিবই পৰা নাছিল স্বাধীন বুলি আমাৰ এখন দেশ আছে- আমি পৰাধীন দেশৰ নাগৰিক। বগা চাহাব সকল সাত সাগৰ তেৰ নদীৰ সীপাৰৰ মানুহ।

আমাৰ মাটি, আমাৰ দেশ, আমি খেতি কৰিছোঁ আমাৰ পেটটোৰ বাবে - বগাচাহাবে আকৌ এই মাটিৰ বাবে খাজানা বঢ়াই দি খাজানা তুলিবলৈ কোন? খেতি আমি কৰিছোঁ- আমাৰ মাটিত আমাৰ অধিকাৰ -তোমালোকে আমাক খাজানা বঢ়াই সেইবোৰ জোৰ জবৰদস্তি সংগ্ৰহ কৰিবলৈ কোন? কি অধিকাৰ আছে তহঁতৰ?

অতো! ইমানবোৰ কথা বিদ্যাকান্তই ভবাই নাছিল। আচলতে ভাবিবলৈ কোনো সুৰুঙা পোৱাই নাছিল। এই হংসধৰেই যত অথন্তৰৰ মূল। তেৱেঁই এদিন সন্ধিয়া বিদ্যাকান্তক ফুৰাবলৈ নি নিকটৱৰ্তী পাতিদৰং গাঁৱৰ শিৱমন্দিৰ প্ৰাংগনত বহি থকা মানুহৰ জুমৰ মাজত বহুৱাই দিছিল। সেয়া হেনো ৰাইজমেল। তাত উত্তেজিতভাৱে হোৱা আলোচনাৰ বাবেহে বিদ্যাকান্তই গম পালে যে পথৰুঘাটৰ তহছিলদাৰ ভবানীচৰণ ভট্টাচাৰ্যই সমগ্ৰ অঞ্চলত ৰাইজক বৰ্ধিত হাৰত খাজানা দিবলৈ আদেশ দিছে। সেয়ে এই সভাৰ আয়োজন। পেটত গামোচা বান্ধি থকা

লঘোণীয়া পেটেৰে এতিয়া কেনেদৰে এই প্ৰবল প্ৰতাপী বগা বঙালক খেদে এতিয়া?

বৰুৱা মৌজাদাৰে ৰং পূজা শেষ হোৱাৰ পাছত বিদ্যাকান্তক একেবাৰে মাকৰ শ্ৰাদ্ধখন শেষ কৰি যাবলৈ খাতনি ধৰিছিল। পিছে এই খাতনিয়েই যেন বিদ্যাকান্তই আশা কৰি আছিল। কিয় বাৰু? ইয়াৰ আঁৰত সেই মাটিৰ পূজাত তেওঁৰ সহায়কাৰী হিচাপে নিয়োগ কৰা কমলাকান্তৰ একমাত্ৰ জীয়াৰী সুপ্ৰভা নাছিল জানো? ৰং পূজাতেই হঠাৎ পিতাকৰ নিৰ্দেশমতে পূজাৰ বয়বস্তু যোগান ধৰা সুপ্ৰভাক পোন প্ৰথম দেখি উচপ খাই উঠিছিল বিদ্যাকান্ত। নাৰী ইমান ধুনীয়া- ইমান মোহময়ী হ'ব পাৰেনে? হংসধৰে শ্ৰাদ্ধৰ পাছদিনা বিদ্যাকান্তক যেতিয়া নিজৰ ঘৰলৈ মাতিছিল তেতিয়া একমুখে বিদ্যাকান্তই হাঁ কৰিছিল। ঘৰলৈ গৈহে গম পালে সুপ্ৰভাৰ মাকৰ বাতবিষ। আৰু এই বাতবিষৰ বেজালি জানো বুলি কোৱাৰ বাবে পুনৰ সেইখন ঘৰলৈ যোৱাৰ সুযোগ মিলিল।

(২)

- *অ' দাইনা আগতে বকা কথাবোৰ কিয়া বক বকাই আছা?*
- *কাহিনীটোৰ মোখেনি মাৰবা লাগিলি অলপ আগকথা বখানবাই লাগবো। ঘৰকলেগি যাবা আহা বিদ্যাকান্তই আগৰ কথাবোৰ মনত পেলেইছি!*
- *বোলো কেংকেনো দৰঙৰ ঝিয়া ইমান সহজে তাৰ বাহুত সোমাল। ভাব্‌বা পাৰ্ছিল নে ইমান সহজে আকাশৰ তৰাটোই আহি—*
- *এ - তাৰ বুকুত সোমাই পৰবো। বোলো ভাবা কথা নহয় সিদ্ধি-*
- *অ' বাটত আছেই কণা বিধি। এই ঘনে ঘনে সুপ্ৰভাহঁতৰ ঘৰকলেগি যাবা আৰম্ভ কৰাৰ বাবে গাঁৱৰ ফটিক, চম্পকহঁতে*
- *বিদ্যাকান্তক সন্দেহ কৰ্‌বা ধৰ্লা। ভাদেই বেজেনীৰ দ্বাৰাই অপমান ক'ৰ্লা। হেন সময়তে হংসধৰ মৰিল।*
- *মৰিল মানে?*
- *মৰিল মানে পথেইঘাটৰ ৰণত গুলী খাই মৰি থাকিল।*

- *সিদিনাখন আছিল মৌজাদাৰৰ মাকৰ শ্ৰাদ্ধ। বিদ্যাকান্তই পুৰোহিত মৰা বুলি শুনি বৰ দুখ পালা।*
- *মৌজাদাৰৰ কথামতে আৰু থাক্‌বা লাগা হ'ল*
- *আৰু থাক্‌বা লাগা হ'ল? কিয়া?*
- *মৌজাদাৰে বোলে ডেকা পুৰোহিত একেবাৰে হংসধৰৰ শ্ৰাদ্ধখন কৰিয়েই যাৱা।*
- *পিছে থাকিল জানো পুৰোহিত?*
- *ফটিক, চম্পকহঁতৰ কেৰা চাৱনিত, ঠাট্টা মস্কৰাত থাক্‌বা ইচ্ছা কৰা নাছিল। পিছে-*
- *পিছে কি?*
- *এই সুপ্ৰভাৰ বাবে থাক্‌বা লাগা হ'ল!*
- *শ্ৰাদ্ধ*
- *ভালে ভালে শেষ হ'ল। যদিও ফটিক চম্পকহঁতে ডেকা পুৰোহিতক সুপ্ৰভাৰ পেহীয়েকৰ সৈতে হলিগলি কৰা বুলি বদনাম দি বিদ্যাকান্তক ঠেলা-গটা ক'ল্লা-*
- *এ লাজে অপমানে ডেকা পুৰোহিত ঘৰত যাবা লেগি মৌজাদাৰৰ পে জোৰকৈ বিদায় লৈ গুছি আহিল। তাৰপাছত?*
- *তাৰপাছত আপুনি গাই যাওঁক ওঝা- মই কৈ যাওঁ।-*

(৩)

হয়- লাজ- অপমানে এইজনী সুপ্ৰভাৰ মোহ ত্যাগ কৰি গুছি আহিছিল ঘৰলৈ বুলি। পিছে সঁচাকৈয়ে ঘৰলৈ উভতি আহি থাকিব পাৰিলেহেঁতেন নে তেওঁ? এই যে ফাগুণৰ মৃদু মৃদু পৱনত ওৰণি খহি খহি বিচ্ছুৰিত হৈছে জোনাকৰ পোহৰ- পাৰিলেহেঁতেন নে এই জোনাকৰ পোহৰৰ পৰা নিজক আঁতৰাবলৈ? সুপ্ৰভাই কান্দি কান্দি ম'হৰ গাড়ীৰ পিছে পিছে দৌৰি আহিছিল। উধাতু খাই দৌৰি অহা সুপ্ৰভাক দেখি অন্তৰৰ হাঁহাকাৰ অন্তৰতে দমন কৰি বিদ্যাকান্তই নিজকে কঠোৰ কৰিবলৈ বৃথা চেষ্টা কৰিছিল। ম'হৰ গাড়ীৰ সমুখত থিয় হৈ সুপ্ৰভাই

কাতৰভাবে কৰযোৰে প্ৰাৰ্থনা কৰিছিল,- মোক মাফ কৰক। মোৰ বাবেই আপুনি অপমান পালে। পিছে মোক এৰি আপুনি গুছি গে'লি মই কাৰসৈতে থাকিম? পিতাই গুছি গে'ল! মই মই ইতাই ইঙ্গা পুখুৰীত আত্মজাহ দিম! -ৰ'ব নোৱাৰিলে বিদ্যাকান্তই! হিয়া উজাৰি ভাল পোৱা মানুহজনীয়ে তেওঁ গুছি গ'লে আত্মহত্যা কৰিব? এয়া কি সম্ভৱ?

নামি আহিছিল বিদ্যাকান্ত গাড়ীৰ ওপৰৰ পৰা। নিজৰ আলহীক অপমান কৰাৰ বাবে মৌজাদাৰে বিদ্যাকান্ত যোৱাৰ পাছতেই গাঁওবুঢ়াকে আদি কৰি মুখিয়াল মানুহবোৰক লৈ নিজৰ ঘৰৰ চোতালতেই মেলৰ আয়োজন কৰিছিল। সুপ্ৰভাৰ পেহীয়েক বানেশ্বৰীয়ে ফটিক চম্পকহঁতে বিদ্যাকান্তৰ গাত হাত দিয়াৰ বাবেহে যে এইদৰে হংসধৰ শৰ্মাৰ মাহেকীয়া কাজ নকৰি গুছি যাব লগীয়াত পৰিল সকলোবোৰ বিবৰি ক'লে। সকলো ৰাইজ উত্তেজিত হ'ল। ফটিকৰ দেউতাক জয়নাথ শৰ্মাই তৎমুহূৰ্তে পুতেকক উত্তম মধ্যম সোধাই হতাশভাবে চিঞৰি উঠিল- তই উজনিৰ দেউৰ গাত হাত দিছা? পথেইঘাটৰ ৰণত তই মৰি নগ'লি কিয়া!

ভাবিবই পৰা নাছিল বিদ্যাকান্তই। মেল শেষ নৌহওঁতেই সুপ্ৰভাৰ-সৈতে যেতিয়া ৰাইজৰ সমুখত থিয় দিছিল- কিবা নিজকে অপৰাধী অপৰাধী যেন লাগিছিল। ৰংপূজা, শ্ৰাদ্ধ কৰিবলৈ আহি এই গাঁওৰ ছোৱালীৰ সৈতে প্ৰেম- বিবা শাস্তি দিয়ে এতিয়া গঞা ৰাইজে? ফটিক, চম্পক, ভাদেই বেজেনীও দেখো আছে চোতালত?

ঃ ডেকাদেউ, আপুনি এই সুপ্ৰভাক ভাল পায়?

বৰুৱা মৌজাদাৰৰ পোনপতীয়া প্ৰশ্নত উচপ খাই উঠিছিল বিদ্যাকান্ত। কি ক'ব এতিয়া? এটি আকাংক্ষিত প্ৰশ্ন। অথচ প্ৰকাশ্যে মুখ ফুটাই ক'ব নোৱাৰা এই প্ৰশ্নোত্তৰ। আনৰ আগত ক'ব নোৱাৰা এই অনুৰাগ কেৱল নিজৰ হৃদয়তহে অনুভৱৰ দোতোৰা বাজি থাকে টুংটাংকৈ। শংকিত বিদ্যাকান্তই অকণমান মূৰ দাঙি চাৰিওফালে চাই দেখিছিল উপস্থিত সমজুৱাৰ সন্ধিৎসু দুচকু যেন শত শত কলা ভোমোৰাৰ উন্মুক্ত শানিত শনাইত শৰ তেওঁৰ পিনে। সেই শানিত শনাইও শৰৰ আঘাতত জৰ্জৰিত বিদ্যাকান্তই তৎমুহূৰ্তে তললৈ মূৰ দুপিয়াই সঁহাৰি দিছিল।

মৌজাদাৰে একেদৰেই একে প্ৰশ্নই সুধিছিল সুপ্ৰভাক। উজান-ভাটি কৰা

দেহ-মনক আশ্বস্ত কৰি সুপ্ৰভায়ো মূৰ দুপিয়াই সঁহাৰি দিছিল। মৌজাদাৰে উচ্ছাসকণ্ঠে ঘোষণা কৰিছিল তেওঁ নিজেই দুয়োৰে বিয়া পাতি দিব— তিনিমাহৰ পাছত। দেউতাক মৰিলেও তিনিমাহৰ পাছত ছোৱালীৰ বিয়া পাতিব পাৰি। কিন্তু বিয়াহে হ'ব— দুয়ো একেলগে থাকিব নোৱাৰিব। ন-কইনাক উজনিৰ নিজৰ ঘৰলৈ লৈ গৈ জ্ঞাতি কুটুমক ভোজ ভাত খুৱাইহে দুয়ো সংসাৰৰ পাতনি তৰিব লাগিব।

এই তিনিমাহ যেন বিদ্যাকান্তৰ নাযায়, নুপুৱায়! প্ৰতিদিনে সুপ্ৰভাক দেখিছে। ওচৰত পাইছে। কিন্তু মৌজাদাৰ দেউতাই বান্ধি দিয়া লক্ষ্মণ ৰেখাৰ বাবে দুয়ো দুয়োকে একেলগে পাব নোৱাৰে। এদিন, হয় হয় -বিয়াৰ তিনিদিন আগত- সময় ঠিক দুপৰীয়া চ'ৰাঘৰত বহি থাকোঁতে সুপ্ৰভাই পানী দিবলৈ আহিছিল। কোনো মানুহ নাই। শাহুৱেকে ৰান্ধনীঘৰত ভাত ৰান্ধি আছিল। তেতিয়াই চল পাই বিদ্যাকান্তই সুপ্ৰভাৰ হাতত ধৰিছিল। যেন টানি আনি দুবাহুৰে বুকুৰ মাজত সুমুৱাই ল'ব। জালি টিয়হৰ দৰে যেন সুপ্ৰভাক মৰমেৰে খাই পেলাব। নহয় নহয় উপচাই দিব!

ঃ ধেৎ! ইতা নহয়। বিয়াৰ পাছত। আপোনাৰ ঘৰত।

মৃদু আপত্তিৰে হাতখন এৰুৱাই দুগালত সেন্দূৰৰ বোল সানি সুপ্ৰভা আঁতৰি গৈছিল।

বিয়াৰ বাবে যিখিনি যা-যোগাৰ, নিয়ম নীতি লাগে সিখিনি কৰিব লাগে আটাইখিনিয়েই কৰা হ'ল। পিছে নিজৰঘৰৰ মানুহহে-!

ঃ অ' বাপা- বেয়া নাপেবি! ডেকা লিকিৰাকেইটাৰ উচেটনিত মই তোমাক বহুত কিবা কিবি ক'লোঁ। সুপ্ৰভা মোৰ ঝিয়াতকৈ মৰমৰ। তই তাইক উদ্ধাৰ কৰ্‌বা খোজাৰ বাবে ভাল পাইছোঁ। মই হ'লি তোমাৰ পক্ষ হ'ম। তোমাৰ ঘৰৰ পৰা কোনো নাইভো নহয়? তোৰ মাৰেৰ ভাগৰ কামখিনি ময়েই কৰিম! মই মৌজাদাৰ দেউতাকো কৈছোঁ!

ভাদেই বেজেনীয়ে নিজে উপযাচি কথাখিনি কোৱাই নহয় ধুনীয়াকৈ চাদৰ মেখেলা পিন্ধি দৰাঘৰীয়াৰ পানী তোলাৰ কামখিনি, মাকৰ কৰণীয় কৰ্তব্যবোৰ কৰিছিল। এইখিনি কাম কৰাৰ কথা আছিল মৌজাদাৰণী আয়ে।

পিছে ভাদেই বেজেনীয়ে নিজেই কামখিনি খুজি লোৱাৰ বাবে আপত্তি নকৰিলে। মৌজাদাৰ ঘৰ হ'ল দৰাপক্ষ। সেয়ে ,মৌজাদাৰে গোটেই গাঁৱৰ মানুহখিনিকে নিজৰ ঘৰতেই ভোজভাত খুৱালে। সুপ্ৰভাৰ ঘৰত মাথো তেওঁলোকৰ জ্ঞাতি কুটুমখিনিক খোৱাৰ ব্যৱস্থা কৰিলে মৌজাদাৰে।

কোনোবা জন্মত চাগে' এই মৌজাদাৰ দেউতা পৰম সুহৃদ আছিল। কথাখিনি গাঁৱৰ বহুতেই বিদ্যাকান্তক কৈছে। বিদ্যাকান্তই নিজেও ভাবিছে। তেজ-মঙহৰ সম্পৰ্ক নাথাকিলেও কেতিয়াবা কোনোবা মানুহে পৰিস্থিতিৰ তাগিদাত দয়া পৰবশ হৈ এনে কাম কৰিবলগীয়া হয়। নিৰ্ঘাত মানবীয় গুণৰ অধিকাৰী সদাশয় ব্যক্তি বিশেষে নিতান্তই স্বাৰ্থ শূণ্যভাবে এনে কাম কৰে। সকলোৱে নকৰে। অধিকাংশই আকৌ স্বাৰ্থ নহ'লে এনে ধনসম্পদ ব্যয় নকৰে।

সম্পূৰ্ণ দৰঙী লোকাচাৰেৰে বিয়াখন সম্পন্ন হ'ল। জেউৰীয়া দিয়া, পানী তুলিবলৈ যাওঁতে ঢুলীয়া দল যোৱা, মৌজাদাৰৰ হাতীত উঠি বিদ্যাকান্তই সুপ্ৰভাৰ ঘৰলৈ যোৱা সকলোবোৰ সম্পন্ন হ'ল। বিয়াঘৰত জাউৰী জাউৰী বিয়ানামৰ উৰুলিত বিয়াৰ ৰভা উৰো উৰো অৱস্থা । বৰঘৰৰ পৰা হোমৰ গুৰিলৈ দাংকোলাকৈ মোমায়েকে লৈ অহা সুপ্ৰভাই হুৰাওৰাৰে কান্দিছিল। পাছদিনাহে বিদ্যাকান্তই গম পাইছিল আচলতে পিতাকলৈ মনত পৰিহে মাক-জীয়েকে হিয়া উজাৰি কান্দিছিল। সেই মুহূৰ্তত বিদ্যাকান্তৰ দুচকুৰ পৰাও জানো আপোনা -আপুনি মৌজোল বৈ অহাদি চকুলো বৈ অহা নাছিল? সুপ্ৰভাই কান্দিলে যে তেওঁৰ অন্তৰখনেও কান্দে সেয়া সিদিনাহে অনুভৱ কৰিছিল। হোমৰ ধোঁৱাই দুচকুত কষ্ট দিছে বুলি গাৰ চাদৰখনৰ আঁচলৰে দুচকু মচিছিল। ঘিউ বৰণীয়া পাটৰ সাজযোৰেৰে সুপ্ৰভা শুৱাই পৰিছিল। বৰ মন গৈছিল- এবাৰ মাথো এবাৰ সুপ্ৰভাৰ মুখমণ্ডল চাবলৈ। এই সাজযোৰেৰে চাগে' সুপ্ৰভাজনী আৰু ধুনীয়া দেখাইছে। তেওঁৰ হাতৰ ওপৰত সুপ্ৰভাৰ হাতখন দি মন্ত্ৰ মাতোঁতে এক স্বৰ্গানুভূতিৰ স্পন্দিত শিহৰণে বিদ্যাকান্তৰ দেহৰ অৰঙে দৰঙে কাৰ্শলা সাপৰ দৰে বন্থৱা বাই ঘূৰা পকা কৰিছিল। পাটৰ কাপোৰযোৰেৰে দীঘলকৈ টনা ওৰণীখন যেন এতিয়াই আঁতৰাই চুমাৰ দেউলেৰে ওপচাই পেলাব তেওঁৰ হেঁপাহৰ মৰমৰ সুপ্ৰভাজনীক!

মাৰাৰ বস্ত্ৰ থোৱা আইদেউ

দেউতাৰ বস্ত্ৰ থোৱা
ৰামে দিছে সোণৰ বস্ত্ৰ
সাদৰেৰে লোৱা!

হয় হয়! সেই কেঁচুৱাৰ পৰা গাভৰুজনী হোৱালৈ মা-দেউতাকৰ বস্ত্ৰ সোলোকাই পোনপ্ৰথম ছোৱালীজনীয়ে ৰামৰূপী দৰাই পঠিওৱা বস্ত্ৰ পিন্ধিব লাগে। মৌজাদাৰণীয়ে বিদ্যাকান্তক শুৱালকুছীয়া বেপাৰী নিজৰ ঘৰত মতাই পাটৰ কাপোৰ পছন্দ কৰিবলৈ কোৱাত এই ঘিউবৰণীয়া কাপোৰযোৰেই পছন্দ কৰিছিল। আৰু সেইযোৰ কাপোৰ পিন্ধিয়েই সুপ্ৰভা এতিয়া তেওঁৰ ওচৰত!

ঃ তুমাৰ এই কপড়া বৰ চুন্দৰ আছে!

যেন বিদ্যাকান্তৰ দেহত কোনোবাই কাঁইটেৰে খোচ মাৰিলে। সেই বগা চাহাবটো! প্ৰথম জাহাজত সোমোৱাৰ আগতে টিকট চোৱাৰ নামত সুপ্ৰভালৈ বৰ নিলাজ নিলাজ চাৱনিৰে চাইছিল। সি এতিয়া সুপ্ৰভাৰ কাষত। তাইৰ গাত লাগো-নালাগোকৈ থিয় হৈ এই মন্তব্য দিছে। মই দিয়া কাপোৰ, মোৰ তিৰোতা - তুমি আকৌ এনেদৰে অসভ্যৰ দৰে ওচৰলৈ গৈ মন্তব্য কৰিবলৈ কোন? বিদ্যাকান্তই দৌৰি সুপ্ৰভাৰ ওচৰলৈ গ'ল। ইতিমধ্যে চকখোৱা হৰিণীৰ দৰে সুপ্ৰভাৰ দুচকুৱে বিদ্যাকান্তকেই বিচাৰি আছিল। তেওঁ ওচৰ পোৱাত তাই আশ্বস্ত হ'ল! দুয়ো পুনৰ নিজৰ আসনত বহিল। ক্ষুণ্ণ চাহাবজন তেওঁলোকলৈ কেৰাহিকৈ চাই আঁতৰি গ'ল। সুপ্ৰভাই এইবাৰ বিদ্যাকান্তৰ গাত গা লগাই বহিছে। নিচহে আপোনজনৰ দৰে। ম'হৰ গাড়ীত আহোঁতেও কান্দি কাটি লেবেজান হোৱা সুপ্ৰভাই বিদ্যাকান্তৰ গাত এইদৰে ভৰ দি অহা নাছিল। কিছু ব্যৱধানত চাপিছিল মৌজাদাৰৰ লক্ষ্মণৰেখা নিৰ্দেশৰ বাবে। পুৱা গোটেই গাঁওৰ মানুহবোৰ বুলিলেও মিছা নহয়— আটায়ে বিদ্যাকান্ত আৰু সুপ্ৰভাক বিদায় দিবলৈ আহিছিল। বিদায় মানে এক কান্দোনৰহে প্ৰতিযোগিতা। হয়, সুপ্ৰভাৰ বান্ধৱীৰ কান্দোন, মাক পেহীয়েকৰ কান্দোনত সঁহাৰি দি গাঁৱৰ সকলোৱেই ক্ৰন্দনৰত!

ঃ মৌজাদাৰ দেউতা, আই?

চকু চলচলীয়া মৌজাদাৰ আৰু মৌজাদাৰণীৰ ওচৰলৈ আহি বৈ গৈছিল বিদ্যাকান্ত;

ঃ কোনোবা জনমত আপোনালোক দুয়ো মোৰ বৰ আপোন আছিল। আজি মোক দুয়ো বাধা নিদিব!

বাধা? কি বাধা? মৌজাদাৰ আৰু মৌজাদাৰণীয়ে ভাবিবলৈকে সময় নাপালে। বিদ্যাকান্তই দুয়োকো আঠুকাঢ়ি সেৱা কৰিলে।

মৌজাদাৰ পিছুৱাই গ'ল, ঃ নাই নাই ডেকাদেউ, নাপায়, নাপায়। আপুনি আমাৰ পুৰোহিত। পুৰোহিতে এইদৰে—

ঃ মই কৈছোঁ নহয়- বাধা নিদিব! কোনোবা জনমত মা-দেউতাৰ ঋণ আপোনালোকে সুজিলে। সেয়ে মই মোৰ মা-দেউতাকহে সেৱা কৰিছোঁ। পুত্ৰই সেৱা কৰিছোঁ!

কোনো এজনেই দেখা নাছিল ওখ-পাখ, দেখিলেই হাতী যেন গাম্ভীৰ্যৰ ৰমনীকান্ত বৰুৱা মৌজাদাৰে এইদৰে হুকহুকাই কান্দিব! মৌজাদাৰণীয়েও কান্দিলে। দুয়ো বিদ্যাকান্তক, সুপ্ৰভাক আকোঁৱালি ল'লে!

ঃ আমাৰ কোনো ঝিয়া নাই সুপ্ৰভা! সেইবাবেই এওঁ তোক নিজৰ ঝিয়াৰ নিচিনাকে বিয়াখন পাতি দিলে। বোপা দেউ, ঘৰপাই আমাক নাপাহেৰ্‌বি!

আকৌ কান্দোনৰ মেলা!

পাণ্ডুঘাটলৈকে গোটেই পথচোৱা অকল সুপ্ৰভাই নহয়— বিদ্যাকান্তইয়ো কান্দিছিল। দৰঙৰ এই অখ্যাত গাঁওখনে তেওঁৰ জীৱনটোৱেই যেন প্ৰখ্যাত কৰি পেলালে। মানুহ যে মানুহৰ দৰে জীয়াই থাকিব লাগে— পথৰুঘাটৰ ৰণে বিদ্যাকান্তক বাৰুকৈয়ে শিকালে। নিজ দেশ,- মাটি-নাঙলৰ বাবে প্ৰাণাহুতি দিয়া এক মহৎ কৰ্ম এয়া হংসধৰ শৰ্মা, অঠিয়া কোচ, বৰলিকিৰাইঁতে প্ৰমাণ কৰি দিলে। মাটিৰ খাজানা, নাঙলৰ খাজানা ইংৰাজে নকমালে। বৰঞ্চ পাইকাৰী জৰিমনা ভৰোৱাই কৃষকখিনিক হাৰাশাস্তি কৰিলে। প্ৰকৃততে বৃটিছে এই মানুহখিনিক আৰু অধিক তেওঁলোকৰ পৰা বিচ্ছিন্ন কৰিলে। কৃষকসকলৰ দাবীক আৰু অধিক গভীৰ কৰি তুলিলে। যিদৰে ফটিক, চম্পক, ভাদেই বেজেনীৰ বিৰুদ্ধাচৰণে সুপ্ৰভাৰ প্ৰতি থকা তেওঁৰ অনুৰাগক গভীৰ প্ৰেম আৰু এই প্ৰেমক জীৱনৰ অবিচ্ছেদ্য অংগ কৰি পেলালে!

(৪)

হেৰ হেৰ খালাচীহঁত মোৰ কথা লউ।
টকা চাৰিশ দেও মই হাতপাতি লউ।।
এই টকাখিনি হেৰ ভগাই জিগাই নি।
বামুণক মাৰি বামুণীক মেম কৰি দি।।

- *পিছে দাইনা-*
- *'এ- বামুণ পুৰাণৰ কাহিনীটো শেহৰ পিনে ক'বালেগি বেয়াই লাগছি।*
- *কিয়া?*
- *এই বগা চাহাবটোৰ বেয়া ধাণ্ডা দেখি মোৰ খংহে উঠছি। চাহাবৰ টকা দেখি খালাচী দুজন প্ৰথমে মান্তি হ'ৱা নাছিল।*
- *হয় নিকি? কৈ যোৱা তেন্তে-!*

(৫)

ইফালে চাহাবৰ টকাৰ লোভ আনফালে ব্ৰহ্ম বধ। বামুণ বধ মহাপাপ। ৰৌ ৰৌ নৰকত পছিব লাগিব! পিছে এটকা নহয় দুটকা নহয় চাৰিশ টকা! কোনোদিন নেদেখা চাৰিশ টকা। এই চাৰিশ টকা দুজনে ভগাই ল'লে দুশ দুশকৈ ভাগত পৰিব। এই দুশ টকাই তেওঁলোকৰ দাল দৰিদ্ৰ চেহেৰা বহুখিনি সলনি কৰিব। হৰিধন বিহাৰৰ পৰা আহিছে। বলভদ্ৰ খালাচী তাৰ ঘৰ গোৱালপাৰাত। হৰিধনে জাহাজৰ মূল ইঞ্জিনত কয়লা দিয়াৰ কামতো সহযোগ কৰে। এই বামুণক বধ কৰিবলৈ চাহাবে দুজনক দায়িত্ব দিছে যদিও কয়লা জ্বলোৱা মূল খালাচীজনকো টকাৰ ভাগ দিব লাগিব।

বলভদ্ৰই হৰিধনলৈ চালে। হৰিধনে জাহাজৰ কয়লা জ্বলোৱা ঠাইখনলৈ চালে। ক'লা পাহোৱাল ৰণবীৰে বেলচাৰে জলন্ত জুইত কয়লা চটিয়াই দি আছে। **এগহস্ত** পাইপেৰে ক'লা ধোৱাবোৰ আগতকৈ অধিক ওলাইছে। চাহাবজনেও চালে। তেওঁ পুনৰ বলভদ্ৰক নিচেই ওচৰলৈ মাতি আনি বিদ্যাকান্তলৈ চাই ফুচফুচাই টকাৰ পৰিমাণ চাৰিশৰ পৰা ছয়শ টকা দিম বুলি ক'লে। অকল এয়ে নহয় দুয়োকো এইখন জাহাজৰ পৰা কলিকতাত থকা কোম্পানীৰ ডাঙৰ জাহাজলৈ প্ৰমোচন

দি বদলি কৰিব। চাহাবজনে দুয়োলৈ কেৰাহিকৈ চাই অলপ আঁতৰি জাহাজৰ ৰেলিঙত আউজি সুপ্ৰভালৈ লুভীয়া দৃষ্টিৰে চালে। সুপ্ৰভাই পোনপ্ৰথম বিদ্যাকান্তৰ গাত প্ৰায় আউজি বাহিৰলৈ চাই আছে। নিজৰ থিয় হোৱা ঠাইতে উচপিচাই উঠিল চাহাব। যেন এতিয়াই দৌৰি গৈ বামুণটোক চলন্ত জাহাজৰ পৰা ঠেলা মাৰি পানীত পেলাই দি মানুহজনীক নিজৰ কেবিনলৈ নি গাৰ কাপোৰ এখন এখনকৈ সোলোকাই...!

ঃ বাবু, টকা?

হৰিধন ওচৰ চাপি আহিল।

চাহাবে নিজৰ জেপত থকা আটাইকেইটা টকা উলিয়াই তাৰ হাতত দি ক'লে,– পেহলে কাম! এই লেও এডভান্স!

হৰিধন আৰু বলভদ্ৰ আগবাঢ়িল কয়লা জ্বলোৱা ঠাইলৈ।

জাহাজখন গৈ আছে। পশ্চিমৰ বগা বেলিটো ইতিমধ্যে সুপ্ৰভাৰ কপালৰ সেন্দুৰৰ ফোট হৈ লুইতৰ পানীত বিয়পি পৰিছে। গছ-বিৰিখৰ কোলাত, লুইতৰ গৰাত এন্ধাৰবোৰে লুকাভাকু খেলি আছিল। এদেও দুদেও লোটা নিবৰ চেণ্ডৰ দৰে এন্ধাৰবোৰ লাহে লাহে আগবাঢ়ি আহিছে– জাহাজখনক, পৃথিবীখনক গ্ৰাস কৰিবলৈ।

ইতিমধ্যে সুপ্ৰভাই বিদ্যাকান্তৰ কান্ধত নিজৰ ক্লান্ত মূৰটো পেলাই দিছে। এক আকাংক্ষিত স্পৰ্শৰ উন্মাদনাত বিদ্যাকান্তৰ দেহ মন উমাল হৈ পৰিছে। সুপ্ৰভাৰ ঘন ঘন নিশ্বাসবোৰে যেন বিদ্যাকান্তৰ নিশ্বাসৰ সৈতে তাল মিলাবলৈ প্ৰযত্ন কৰিছে। এই নিশ্বাস বিদ্যাকান্তৰ নে সুপ্ৰভাৰ বাৰু?

পানী ফালি জাহাজখন গৈ আছে। এগহস্ত পাইপৰ ধোঁৱাবোৰ এন্ধাৰবোৰৰ সৈতে মিতিৰালি পাতিছে। কেৱল ইঞ্জিনৰ শব্দ আৰু পানী ফালি জাহাজখন যোৱা শব্দ একাকাৰ হৈ আন এটা মিশ্ৰিত শব্দৰ সৃষ্টি হৈছে। ওচৰৰ যাত্ৰীবোৰ বহা ঠাইতেই প্ৰায় টোপনিয়াবলৈ আৰম্ভ কৰিছে। বহিবলৈ কাঠৰ তক্তা আৰু আউজিবলৈকো কাঠৰ ব্যৱস্থা-কষ্ট হ'লেও ক্লান্ত মানুহবোৰ শুই পৰিছে। ইয়াৰ আগতে কোনো কোনোৱে লগত অনা টোপোলাৰ পৰা জলপান, পিঠা পনা

অথবা ফলমূল খাই লৈছে। বিদ্যাকান্তয়ো সুপ্ৰভাৰ মাকে দি পঠিওৱা পিঠাপনা উলিয়াব খুজিছিল। পিছে তাই যিদৰে তেওঁৰ গাত আউজি দুচকু মুদি আছে — এতিয়া নজগোৱাই ভাল। যোৱা ৰাতি চাগে বেচেৰীয়ে পোন প্ৰথম নিজৰ ঘৰৰ মাকক এৰিব লাগিব বাবে টোপনি অহা নাছিল। এতিয়া টোপনি আহিছে। টোপনি ভাগিলেই টোপোলাটো খুলি পিঠা-পনা খাব।

ওভতনি পানীৰে গতি কৰাৰ বাবে জাহাজখন লাহে লাহে গৈ আছে। ক্বাইলৈ গধূলি শিলঘাট পাব লাগে। তাৰ পৰা দুয়ো কলিয়াবৰৰ নিজৰ ঘৰলৈ যাব খোজ কাঢ়ি। গৰু বা ম'হৰ গাড়ী এখন ভাড়াত পালে লৈ ল'ব। নহ'লে নতুন কইনা সুপ্ৰভাই কষ্ট পাব যে!

ঃ ঐ দেউ, আপোনাক সৌ কেবিনলৈ চাহাবে মাতিছে।

হুটা মাতষাৰ শুনিছিল যদিও বিদ্যাকান্তই তেওঁক যে মাতিছে ধৰিব পৰা নাছিল। কোনোবাই গাত খুচি দিওঁতেহে হুচ আহিল- ক'লা হটঙা খালাচীজন তেওঁৰ নিচেই কাষতে থিয় হৈ আছে।

ঃ চাহাবে আপোনাক জল্‌দি মাতিছে!

বিদ্যাকান্তই সুপ্ৰভাৰ মূৰটো ঠিক কৰিব লওঁতেই তাই সাৰ পালে।

ঃ সুপ্ৰভা, মোক বোলে চাহাবে মাতিছে— তুমি ভালদৰে বহা। মই আহিছোঁ।

সুপ্ৰভা পোন হৈ বহিল।

ঃ চাহাবে আকউ কিয়া মাতছি?

হৰিধন খালাচীজনে ক'লে,— ঃ চাহাবে কিবা বিশেষ কাম আছে বাবেহে মাতিছে। আপুনি বহি থাকক। দেউ সোনকালে আহক।

ঃ পলম নকৰ্‌বো। সোনকাল্‌তে আইভি?

কাতৰভাবে সুপ্ৰভাই ক'লে। বিদ্যাকান্তই তাইৰ গাত হাত দি দৃঢ়তাৰে ক'লে-,ঃ চিন্তা নকৰিবা। কিবা কাম আছে বাবেহে মাতিছে। তুমি বহা ঠাইৰ পৰা বৰকৈ লৰচৰ নকৰিবা!

সুপ্ৰভায়ো শলাগিলে। বিদ্যাকান্ত উঠিল।

(৬)

অ' উজনীৰ বামুণটো পেচ চাবে যায়।

জাহাজৰ বৰ চাহাবে কেৰাকেৰিকৈ চায়।

- অ তাৰ পাছত দাইনা?
- এ তাৰপাছত আৰু কি হবো? চাহাবৰ কেবিনৰ ভিতৰক লেগি খালাচীটোৱে লৈ গেল।
- বামুণটোৱে ভিতৰক সুমেই যায় দেখেই—
- এ- সেই তাৰ তিৰীটোক নজৰ কৰা বগা চাহাবটো তাত বহি আছেই। সি বামুণটোক দেখিয়েই
- গবা মাৰি ধল্লা!
- গবা মাৰি ধৰি বামুণৰ গাৰ চাদৰখনেৰেই মুখত সোপা দিয়াই নহয় পাছফালে দুয়োহাত বান্ধি পেল্লা!
- বামুণটোৱে বোলে এয়া কি কৰবা খুচ্ছা?
- পিছে মাতবা খুজিও ইতা মাতৱা নৰেই।
- সুপ্ৰভা সুপ্ৰভা বুলি
- চিএওৰৱা খুজল্লা।
- ন'ম্লা?

অ' মৰমৰ বামুণী মোৰ কিযে হ'ল বিলাই।

দৈত্যৰ পাল্লাত পৰি দেখো জীউ উৰি যায়।।

- অ' দাইনা?
- ওঝা?
- মাত দেখো থোকাথুকি হৈছি এ - চকুপানীও দেখো ওলছি?
- কি জানো হৈছি- চকু চকুৱে কিবা পোক পৰুৱা পৰিল নিকি!
- এ পদ গাৱা মানুহ আমি
- পদ গাবাই লাগ্‌বো!
- হয়নে?
- হয়। নহ'লি পেটত গামছা বান্ধৱা লাগবো!

- *তেন্তে?*
- *এ -কৈ আছোঁ-!*

(৭)

বিদ্যাকান্তই তৰ্কিব নৌ পাওঁতেই চাহাব আৰু খালাচী দুজনে তেওঁক বলিশাললৈ নিয়া মাৰৈ পূজাৰ ছাগলীৰ দৰে ঠেলা-গটা মাৰি লৈ গ'ল। তেওঁৰ গাৰ চাদৰখনেৰেই মুখখন বান্ধি পেলাইছে। দুয়োখন হাত পাছফালে একেলগ কৰি কাপোৰেৰে বান্ধি পেলাইছে। ইহঁতৰ মতলব ভাল নহয়। বিদ্যাকান্তই সুপ্ৰভা সুপ্ৰভাকৈ চিঞৰিও চিঞৰিব নোৱাৰিলে। ট ট কৈ জ্বলন্ত কয়লাবোৰ জ্বলি আছে। হয় হয়, সেই প্ৰায়ে দেখা সপোনটোৰ দৰে জ্বলন্ত অঙঠাবোৰ! বিদ্যাকান্তই বহু চেষ্টা কৰিলে সিহঁতৰ হাতৰ পৰা পলাবলৈ। নোৱাৰিলে। এটা নহয় তিনিটা খালাচীয়ে তাক টানি নি সেই জ্বলন্ত কয়লাৰ ওপৰলৈ দলিয়াই দিলে!

নিমিষতে বিদ্যাকান্ত এটা পোৰা মাছ- তাৰপাছত অঙঠা হৈ গ'লহু

(৮)

সুপ্ৰভা বহাৰ পৰা থিয় হ'ল। মানুহটোৱে বহা ঠাইৰ পৰা উঠিবলৈ হাক দিছিল। কিন্তু নুঠিলে নহ'ব। এই যে জাহাজৰ ইঞ্জিন থকা ঠাইৰ পৰা বেয়া গোন্ধ বিয়পি আহিছে- এয়া দেখো মানুহপোৰা মানুহপোৰা গোন্ধ যেন লাগিছে? হয় হয়, মানুহপোৰা গোন্ধেই হ'ব— কাৰণ গাঁওৰ ঐ টেঙাৰ বাকাৰতলিত যেতিয়া গাঁওৰ মানুহে মৃতদেহ পোৰে তেতিয়া সুপ্ৰভাইঁতে এই গোন্ধ পায়। হঠাৎ এই সময়ত এই ৰাতি মানুহপোৰা গোন্ধ? মোৰ মানুহটোও এতিয়ালৈ আহি নাপালে। মোৰ পিনে বেয়া দৃষ্টি পেলোৱা চাহাবটোৱে মোৰ মানুহটোক মাতি নি-বেয়া কাম কৰা নাইতো?

হুকহুকাই কান্দি উঠিল সুপ্ৰভা, ঃ অ' মোৰ মান্‌হটোক ইহাতে মাৰি পেল্লা অ'!

জাহাজৰ টোপনি যোৱা যাত্ৰীবোৰে সুপ্ৰভাৰ কান্দোনত সাৰ পালে। আটায়ে কান্দি থকা সুপ্ৰভাৰ ওচৰ পালে। সকলোৱে কি হ'ল বুলি তাইক সুধিলে।

ঃ অ' মোৰ মান্‌হটোক ইহঁতে মাতি নিছিল। ইতা মান্‌হটোও নাই। ইহঁতে মান্‌হটোক পুৰি মাল্লা অ'!- সুপ্ৰভাৰ কান্দোনত বগা চাহাবজন ওলাই আহিল। দেখিলে সুপ্ৰভাক বেৰি মানুহবোৰে ইচ্ আস- কৰিছে।

ঃ এই মানুহবোৰক বহিব ক'ব লাগে। খালাচী, বহিব ক'ব লাগে। নাই হ'লে বিপদ হ'বে!

চাহাবৰ নিৰ্দেশ শুনি খালাচী হৰিধন আৰু বলভদ্ৰ আগবাঢ়ি আহিল। দুয়ো যাত্ৰীবোৰক বহিবলৈ ধমকি দিলে।

ঃ চাহাবক জোকাই ল'লে কথা বেয়া হ'ব। এই মাজৰাতি চাহাবে জাহাজখন ডুবাই দিব পাৰে!

হৰিধনৰ কথাত অসন্তুষ্ট যাত্ৰীবোৰ ভাগে ভাগে বহিল। সুপ্ৰভাই হঠাতে জাহাজৰ ইঞ্জিনটোৰ কাষলৈ দৌৰি আহিল। বগা চাহাবজনে বোধহয় তাইলৈ চাই আছিল,– থিয় হৈ থকা ঠাইৰ পৰা তেওঁ চিঞৰিলে,- ঃ ঐ বলভদ্ৰ,- ঐ মাইকীটোক আমাৰ কেবিনলৈ লৈ আহিব লাগে।

বলভদ্ৰই তৎমুহূৰ্তে দৌৰি গৈ সুপ্ৰভাক আগছি ধৰিলে।

ঃ মোৰ মান্‌হটোক তহঁতে কিয়া পুৰি মাল্লি? কি দোষ কচ্ছিল মান্‌হটোৱে?

ৰণচণ্ডী মূৰ্তি ধৰা সুপ্ৰভাক হৰিধনে পিছফালৰ পৰা সাৱট মাৰি ধৰি প্ৰায় টানি অনা দি বগাচাহাবৰ কেবিনৰ ভিতৰত সুমুৱাই দিলে।

চিঞৰত গগন ফলা সুপ্ৰভাক ৰক্ষা কৰিবলৈ কোনো আগবাঢ়ি নাহিল। চাহাবজন কেবিনৰ ভিতৰ সোমাই অহাৰ লগে লগে সুপ্ৰভাই ফেপেৰি পাতি ধৰিলে;

ঃ ঐ ঐ চাহাব, তই কিয়া মোৰ মান্‌হটোক মাল্লি? তই তই মোক নামেল্লি কিয়া?

চাহাবে কেবিনৰ দুৱাৰখন বন্ধ কৰি দিলে। হৰিধন, বলভদ্ৰ কেবিনৰ বাহিৰত ৰৈ থাকিল।

ঃ আমি তোমাকে কিয় মাৰিবে? তোমাকে পাবৰ বাবে আমি বামুণটোক মাৰিছে। তোমাকে আমি আমাৰ মেম বনাইবে!

চাহাবজনে সুপ্ৰভাৰ ওচৰ চাপি বুজাবলৈ চেষ্টা কৰিলে। সি তাইৰ গাত

ধৰি কেবিনত থকা সৰু তক্তাপোচখনত বহুৱাই দিলে জোৰকৈ।

ঃ মোৰ গাত নধৰ্‌বি কুলাংগাৰ! মোৰ গা তই নুচুবি! মই তোৰ মেম হোৱাৰ আগতে মৰি যাম!

পুনৰ ফেপেৰি পাতি জোৰকৈ উঠিল সুপ্ৰভা। চাহাবজনে তাইৰ গালত প্ৰচণ্ড চৰ সোধাই দুয়ো হাতেৰে তাইক বগৰাই দি সুপ্ৰভাৰ দুয়োখন হাত তেওঁৰ দুয়োহাতেৰে খামুচি ধৰি প্ৰায় হেঁচা মাৰি ধৰাৰ ভংগিত ক'লে,– ঃবেচি বক বক কৰিলে তোমাকে পুৰি মাৰিবে!

অসহায় সুপ্ৰভাই কান্দি কান্দিয়েই ক'লে, ঃ মাৰক, মাৰক। মোকো পুৰি মাৰক। মোৰ মান্‌হটোক মাল্লি- মই জীয়েই থাকি লাভ কি?

ঃ তোমাকে আমি মৰিবে নাই দিবে। তোমাকে আমাৰ ভাল লাগিছে। আমি তোমাকে আমাৰ মেম বনাবে!

বগা চাহাবৰ আবেগ মিহলি কণ্ঠত সুপ্ৰভাই কান্দিব এৰি ট-টকৈ তাৰ মুখলৈ চাই থাকিল!

(৯)

উজনীৰ বামুণ মৰিল শেষ হ'ল প্ৰেমৰ কাহিনী।
মেম হৱাৰ সপোন দেখে গাঁওৰ ভাটিৰ বামুণী।।

- *অ' দাইনা?*
- *ওঝা!*
- *এইবোৰ কি গাৱাত লাগ্‌ছা? বামুণী কি সঁচাই চাহাবৰ প্ৰস্তাৱত মান্তি হ'ল?*
- *অ' ওঝা- কথাতে কৱেই নহয় তিৰী হৈছি পানী।*
- *পানী?*
- *অ' অ' জল! পানী যি পাত্ৰতেই নোথোৱা কিয়– তেনে আকাৰ ল'বই। গাই গৰুৰ গাখীৰৰ নিচিনা?*
- *গাই গৰুৰ গাখীৰ?*
- *অ' ওঝা, গাই গৰুৰ গাখীৰ ঠাইভেদে বেলেগ বেলেগ। য'ত বেচি ঘাঁহ আছেই - পানী ঘাঁহ সেই গাই গৰুৰ গাখীৰ পনীয়া।*

- *আৰু ঘাঁহ কম থকা, খৰালী ঠাইৰ গাখীৰ*
- *ঘন। গাখীৰ ডাঠ। বেচি মিঠা।*
- *আমাৰ হংস যজমানৰ ঝিয়াটোৰ নিচিনা?*
- *হয়। হয়। তায়ো যে ইমান সোনকালতে কিছু সময়ৰ আগতে মৰা নিজৰ পৈয়েকটোৰ কথা পাহৰিবো বুলি ভাবিবাই পৰা নাছিলোঁ।*
- *গাখীৰৰ দৰে চক চক বগা চাহাব দেখি*
- *হংস যজমানৰ ঝিয়াটোৰ পৰকিতি লৰিল।*
- *পৰকিতি লৰিল মানে?*
- *চাহাবৰ সৈতে .কেবিনৰ বাহিৰ ওলেই হাৱা খাৱাত লাগিল।*
- *তাৰ পাছত?*
- *শুনক তেন্তে!*

(১০)

নিশা তৰাবোৰৰ সৈতে ইমান আপোনভাবে কথা পাতিব .পাৰি? কিয় জানো এই গভীৰ নিশা তৰাবোৰক সুপ্ৰভাৰ বেচ আপোন আপোন যেন লাগিছে। সেই তৰাবোৰৰ মাজত যদি নিজেই এটা তৰা হৈ পৰোঁ। সেই উজনীৰ মানুহটো, প্ৰথম প্ৰেমৰ মন্দিৰটো? তেওঁ বাৰু তৰা হৈ আছে নে আকাশত? কোনটো তৰা হ'ব পাৰে বাৰু? কোনটো?

চাহাবজন তাইৰ দ্বিতীয় প্ৰেমৰ পাগলজন- যিয়ে তাইক জোৰ জবৰদস্তি পাবৰ বাবেই প্ৰথম প্ৰেমক হত্যা কৰিলে- তেওঁ এতিয়া তাইৰ নিচেই কাষত। তাইৰ দীঘল চুলিতাৰী দুই হাতেৰে চুইচুই চুমা খাইছে। তাইৰ হাত দুখনৰ আঙুলিবোৰ চুই চাইছে!

জাহাজৰ ৰেলিঙত আউজি আউজি তাইৰ আমনি লাগিল। চুলিকোচা ভালদৰে দুই হাতেৰে কোচাই লৈ খোপা বান্ধি ল'লে। মেখেলাখন ঠিক ঠাক কৰি চাদৰখন ভালদৰে গাত মেৰাই অন্তিম লোচটো ঠিক কঁকালৰ মেখেলাৰ তলত ভালদৰে সুমুৱাই ল'লে।

তাই অলপ আগবাঢ়িল। চাহাবজনো আগবাঢ়িল।

ইঞ্জিনটোৰ ওচৰত তাই বৈ ট-টকৈ জ্বলি থকা অণ্ডঠাবোৰলৈ চালে তাই। নাই, এতিয়া কোনো চিন-মোকাম নাই। নাই -আগৰ সেই কিচিমা-কিচিম-মানুহপোৰা গোন্ধ! জাহাজখনৰ জোঙা এই কৰিডৰটোৰ কোনো ৰেলিং নাই। এই ঠাইৰ পৰা নৈৰ পানী তুলিবৰ বাবে ৰচী সহ এটি বাল্টিং আছে। সুপ্ৰভা সেই ঠাইখিনি লৈ আগবাঢ়ি গ'ল।

ঃ ঔৰ নাই যাবে!

চাহাবে তাইক পিচফালৰ পৰা গবা মাৰি ধৰিলে।

ঃ ঠিক আছে। নাযাওঁ। আপুনি মোৰ গাত নধৰ্‌বো। কাষত আহি থিয়া হওঁক। মোৰ মন ভাল নহয়!

সুপ্ৰভা বৈ গ'ল। তাইৰ কথামতে চাহাবে তাইক এৰি দি নিচেই কাষত আহি থিয় হ'ল!

জাহাজখন পানী কাটি কাটি গৈ আছে। সেই একেই ইঞ্জিনৰ চক চক পানীমিশ্ৰিত শব্দ। সুপ্ৰভাৰ হৃদয়তো যেন সেই একেই ঢক ঢক শব্দ। প্ৰায় গাত গা লগাই থিয় হৈ থকা প্ৰেমিক চাহাবজনৰ বাবেই যেন এই শব্দ। এই ভাবানুভূতি!

হয় হয়! পূবাকাশ ক্ৰমাৎ হেঙুলীবৰণৰ হৈ পৰিছে। দুই এক চৰাই চিৰিকতিৰ মাত শুনা গৈছে। জাহাজখনে যেন এন্ধাৰবোৰ ভেদ কৰি ক্ৰমাৎ পোহৰলৈ গতি কৰিছে। আকাশত ট -টকৈ জ্বলি থকা তৰাবোৰ যেন ক্ৰমাৎ নিস্তেজ হৈ পৰিছে।

চাহাবজন বেচি আবেগপ্ৰৱণ হৈ পৰিছে নেকি?

সি লাহেকৈ তাইৰ খোপাটো খুলি দীঘল চুলিতাৰীত লাহেকৈ মুখখন গুজি দিলে। তাৰ কম্পিত দুষ্ট দুহাতে যেন কাৰ্শলা সাপৰ দৰে কঁকালৰ ওপৰেৰে তাইৰ বুকুলৈকো আগবাঢ়িছে। উত্তেজনাত সুপ্ৰভাও যেন ফোপাবলৈ আৰম্ভ কৰিব এতিয়া!

ঃ এংকে নহয় আগক্‌লেগি আহক!

তাই নিজেই উত্তেজনাত লেবেজান হৈ পৰা চাহাবজনক আলফুলে নিজৰ বুকুলৈ চপাই আনিলে। চাহাবজনে যেন তেনেই এটি আলফুলীয়া প্ৰেমৰ দৰে মুখ-বুকু-কঁকাললৈকে চুমা স্পৰ্শেৰে তাইক স্বৰ্গৰ আপেচৰী কৰি তুলিব। তাইৰ গাৰ চাদৰ খুলিবলৈ লোৱা লেউ সেউ চাহাবজনৰ গলৰ টাইডাল সোলোকাবলৈ

যত্ন কৰোঁতে সি নিজেই সহজে খুলি দিলে। চাৰ্টৰ বুটাম সুপ্ৰভাই মাথো এটিহে খুলিবলৈ পালে। সি আটাইবোৰ নিজে খুলি চাৰ্টটো খোলাই নহয় পেন্টটো খুলি দিলে।

সুপ্ৰভা লাহে লাহে জাহাজৰ টিঙলৈ আগবাঢ়ি বৈ গ'ল। তাই চাদৰখন খুলিলে। চাহাবে তথা লাগি তাইৰ বুকুলৈ চাই ৰ'ল। ব্লাউজটো খুলিবলৈ বুলি তাইৰ সমুখত থিয় হ'ল চাহাবজন। যেন সমুখত কেঁচা মাংসৰ দম। মুখৰ পৰা লেলাবতী উলিয়াই মাংসলৈ চাই লুভীয়া নেজ পেলোৱা কুকুৰ! সুপ্ৰভাই নিজৰ মেখেলাখন কোচাই ল'লে বেলচাৰে কয়লাবোৰ ভৰাই জ্বলন্ত জুইত নিক্ষেপ কৰাৰ শব্দ শুনি তাই পুনৰ উভতি চালে এটা গধৈ মাছৰ দৰে নিজৰ মানুহটোক ইহঁতে ...!

গাৰ সমস্ত শক্তিবোৰ সুপ্ৰভাই গোট খুৱাই চাহাবজনক সোঁভৰিৰে দিলে প্ৰচণ্ড এটা গোৰ সোধাই।

চাহাবজন চিঁতভেলেঙা খাই পানীত পৰি গ'ল!

কাণি মুণি পোহৰত সুপ্ৰভাই মন কৰিলে পানীত পৰা চাহাবজন সাতুৰিবলৈ আপ্ৰাণ চেষ্টা কৰিও সাতুৰিব পৰা নাই! পানীৰ ওভটনি সোঁতে তেওঁক উটুৱাই লৈ গৈছে। জাহাজখন ইতিমধ্যে বহুদূৰ আঁতৰি আহিছে।

লুইতখন একেদৰেই বৈ গৈ আছে।

পানী কাটি কাটি জাহাজখন সেই একে গতিত গৈ আছে। সুপ্ৰভাই চাদৰখন লৈ ভালদৰে মেৰাই পিন্ধি ল'লে। পুনৰ ইতিমধ্যে থিয় হোৱা ইঞ্জিনটোৰ কাষলৈ আহি কয়লাবোৰলৈ চালে। কয়লাবোৰ ট-টকৈ জ্বলি আছে। সেই জ্বলন্ত জুইত পুনৰ বনুৱাটোৱে বেলচাৰে কয়লা জাপি দিছে। অলপ পাছতে সেই ক'লা কয়লাবোৰ জুই হৈ পৰিছে!

সেই খালাচী দুজন- হৰিধন, বলভদ্ৰ দৌৰি ওচৰ চাপি আহিল। দুয়ো সুপ্ৰভালৈ চালে।

ঃ চাহাব ক'ত?

হৰিধনৰ প্ৰশ্নোত্তৰ দিয়াৰ কোনো চেষ্টাই নকৰিলে- সুপ্ৰভাই। পশ্চিম আকাশলৈ চালে তাই। শেষ নিশাৰ তৰাটো জিলিকি আছে। বাকীবোৰ নিষ্প্ৰভ।

সেই তৰাটো যদি তাইৰ মানুহটো হয় আৰু তায়ো যদি তৰা হয়?

জাহাজৰ টিঙৰ পৰা সুপ্ৰভাই জপিয়াই দিলে।

হৰিধন, বলভদ্ৰ তৰ্কিবই নোবাৰিলে।

সুপ্ৰভা জলকুঁৱৰী হৈ পৰিল।

(১১)

- *অ' দাইনা-মাত দেখো থোকাথুকি হৈছিয়েই? গলত কিবা বজিল নিকি?*

- *নহয় অ' ওঝা- এই হংসধৰৰ ঝিয়াটোক মই ভুল বুঝিছিলোঁ।*

- *ময়ো। পিছে তাই দেখেই দিলে যে*

- *তাই এলাপেছা ঝিয়া নহয়। তাই*

- *দৰঙৰ ঝিয়া। অসমৰ ঝিয়া।*

- *পথেইঘাটৰ ৰণত আত্মত্যাগ কৰা হংস যজমানৰ ঝিয়া।*

- *তেন্তে গাঁও আহা-*

এ উজনী বামুণৰ প্ৰেমগাথা

অমৃত সমান।

যিয়ে শুনে যিয়ে গায় নাচে

পায় স্বৰ্গৰধাম।। □□

পৰমানন্দ ৰাজবংশীৰ প্ৰকাশিত গ্ৰন্থসমূহ

চুটিগল্প	ঃ	(১) এক নতুন জেহাদৰ জন্ম, (২) বিৰিণা বনৰ সুহুৰি, (৩) এজন অজামিলৰ মৃত্যু, (৪) গোন্ধ (৫) Essence of the Brahmaputra, (৬) ড° পৰমানন্দ ৰাজবংশীৰ নষ্ট চৰিত্ৰ।
নাটক	ঃ	(১) কমলা কুঁৱৰীৰ সাধু (২) আমি ৰ'দালি জিলিমিলি(শিশু) (৩) তেজীমলা (৪) নাঙল মাটি আৰু মানুহ (৫) তিনিটা বান্দৰৰ
সাধু কাহিনী		৬) নাট্যসমগ্ৰ (৭) বিজুলী বাঁহৰ-হিলৈ আৰু সোণাজুলি গাঁৱৰ (৮) ফৰ্মুদ গৰীয়াৰ প্ৰেমগাথা (৯) জনকনন্দিনী।
উপন্যাস	ঃ	(১) এজন ৰাজাৰ মৃত্যু (২) উম্মিলীৰ পৃথিবী (৩) কাঠৈৰ দোতাৰা কৰে ৰাও (৪) ঈশ্বৰ আল্লা তেৰে নাম (৫) অথ বামুণ-পুৰাণ-সম্বাদ।
সম্পাদিত গ্ৰন্থ	ঃ	(১) অসমীয়া নাটকঃ পৰম্পৰা আৰু পৰিবৰ্তন (২) অসমীয়া সাহিত্যত পাশ্চাত্য প্ৰভাৱ (দ্বৈতভাবে) (৩) এমুঠি চিন্তা (দ্বৈতভাবে) (৪) অসমীয়া সংস্কৃতিৰ কণিকা (দ্বৈতভাবে) (৫) শ্ৰীমন্ত শংকৰদেৱ ঃ ভাষা-সাহিত্য আৰু সংস্কৃতি (৬) অসমীয়া জাতি আৰু সংস্কৃতি (৭) যোগেশ দাসৰ উপন্যাস সমগ্ৰ (৮) যোগেশ দাসৰ গল্প সমগ্ৰ (১) (২) (৯) অসমৰ লোকনাট্য আৰু দৰঙী খুলীয়া ভাউৰীয়া
গৱেষণা গ্ৰন্থ	ঃ	(১) ৰাজপৃষ্ঠপোষকতাত অসমীয়া সাহিত্য (২) অসমীয়া নাটক ঃ ঐতিহ্য আৰু পৰম্পৰা (যুটীয়াভাবে) (৩) Assamese Folk Theatre and Darrangi Khulia Bhaoriya (৪) অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিবৰ্তন।
জীৱনী	ঃ	(১) মহাবীৰ চিলাৰায় (২) অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মা
অনুবাদ	ঃ	চিৰিয়াখানাৰ নাপিত (শিশু গ্ৰন্থ, এন.বি.টি)

●●●

গল্পকাৰ, নাট্যকাৰ তথা নিবন্ধকাৰ ড° পৰমানন্দ ৰাজবংশী এগৰাকী সফল উপন্যাসিকো। **এজন ৰাজাৰ মৃত্যু** নামৰ প্ৰথম উপন্যাসেৰে আত্মপ্ৰকাশ কৰা ড° ৰাজবংশীয়ে কাৰ্বি আংলঙৰ পটভূমিত লিখিছে এখনি অনুপম উপন্যাস **উৰ্মিলাৰ পৃথিৱী**। অবিভক্ত গোৱালপাৰাৰ লোক জীৱন আৰু লোক-সংস্কৃতিৰ আধাৰত লিখা **কাঠৰ দোতাৰা কৰে ৰাও** অসমীয়া উপন্যাস সাহিত্যলৈ অনবদ্য অৱদান। অসমৰ হিন্দু - মুছলমানৰ সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰা **ঈশ্বৰ আল্লা তেৰে নামৰ** পাছতেই **অথবামুণ-পুৰাণ-সম্বাদ** এই গৰাকী উপন্যাসিকৰ এক অভিনৱ প্ৰয়াস। দৰঙৰ লোককাব্য **বামুণ-পুৰাণৰ** আধাৰত কৃষক বিদ্ৰোহ **পথৰুঘাটৰ ৰণৰ** পটভূমিত লেখা এই উপন্যাসখন অসমৰ কথকতা-পৰম্পৰাৰ বিশিষ্ট পৰিবেশ্য কলা ওজাপালিৰ আৰ্হিত লিখা হৈছে। জনগণৰ হৃদয়-সংবাদী মনোজগত, মানবীয় আবেদন আৰু মাটিৰ গোন্ধৰ অমল সুবাস ড° ৰাজবংশীৰ উপন্যাসৰ প্ৰধান সমল।

ভাৰতৰ জালিয়ানাবাগ অসমৰ পথৰুঘাটৰ ৰণ। এই ঐহিত্যমণ্ডিত কৃষক বিদ্ৰোহৰ পটভূমি আৰু কাহিনীৰ আলমত ড° ৰাজবংশীয়ে লিখি আছে অন্য এখন মহাকাব্যিক উপন্যাস **নাঙলৰ জুই**।

●●●